# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ৩০/০৩/২০২২ বুধবাৰ

---

**আজি ইংৰাজী ৩০-০৩-২০২২ তাৰিখে পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচীমতে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশন আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৪১। শ্ৰী ফণীধৰ তালুকদাৰ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ফণীধৰ তালুকদাৰ, (ভৱানীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অবিভক্ত বৰপেটা জিলাৰ ভিতৰত আমাৰ নতুনকৈ সৃষ্টি কৰা বজালী জিলাত অধিক মাছৰ উৎপাদন হয় আৰু তাৰ পৰাই গোটেই মাছখিনি গুৱাহাটীলৈ ৰপ্তানি হয়। কিন্তু দেখা গ'ল যে বৰপেটা জিলাৰ ভৱানীপুৰ খণ্ড উন্নয়নত মাছ বিক্ৰীৰ বাবে তেনেকৈ বজাৰ নাই। তাত সংগঠিত ৰূপত মাছৰ খাদ্য উৎপাদন কৰা কোনো সংস্থা , উদ্যোগ বা মেচিনাৰিজ নাই আৰু দেখা গ'ল যে তাত মাছৰ পোনা প্ৰডাক্ট কৰাৰ বাবে কোনো হেটছাৰী নাই। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মাছৰ পোনাৰ কাৰণে হেটছাৰীৰ ব্যৱস্থা কৰা হ'ব নেকি আৰু মাছখিনিৰ কাৰণে সংগঠিত ৰূপত খাদ্য প্ৰস্তুতকৰণৰ বাবে মেচিনাৰী বা উদ্যোগৰ ব্যৱস্থা কৰিব নেকি? এইখিনিয়ে মই জানিব বিচাৰিছো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক শ্ৰী ফণীধৰ তালুকদাৰ ডাঙৰীয়াই কোৱা কথাটো হয়। আমাৰ বৰপেটা জিলাত মাছৰ উৎপাদন হয় আৰু বহুত মানুহ মাছ উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰে আৰু এই মাছবিলাক আমাৰ মহানগৰীলৈ আহে। বজালী জিলাত যোৱা কেইবছৰত আমি কিমানখিনি দিব পাৰিছো, এইখিনি কথা আমি উত্তৰত দিছো। তথাপি আপুনি যিটো কথা কৈছে হয় আমাৰ PMMSY ত হেটছাৰী দিয়াৰ ব্যৱস্থা আছে আৰু Fish Feed Mill দিয়াৰো ব্যৱস্থা আছে। মই আপোনাক অনুৰোধ কৰিম যে আপোনাৰ সমষ্টিৰ ফালৰ পৰা আমাৰ District Fishery Officer ক নিয়ম-নীতিৰ আধাৰত যদি তেওঁলোকে আবেদন কৰে নিশ্চিত ভাৱে তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেণ্টেৰী।

**শ্ৰী ফণীধৰ তালুকদাৰ (ভৱানীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰপেটা জিলাৰ লগতে ভৱানীপুৰ সমষ্টিত শালবাৰী মহকুমাতো প্ৰয়োজন আছে আৰু বৰপেটা জিলাৰ পৰা বজালীখন কাটি অহাৰ পিছত আমাৰ ফিচাৰী বিভাগৰ কোনো অফিচাৰ বজালী জিলাত বৰ্তমানলৈকে নিয়োগ কৰা হোৱা নাই। এতিয়া কৰিব নেকি? আমি বজালী জিলাত মাত্ৰ এজন ডেমোনষ্ট্ৰেটৰ পাঁও। আমি বজালী জিলাত এই অফিচাৰ বিলাক কেতিয়া পাম?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি অৱগত যে বজালী জিলাখন গঠন হোৱা বেছি দিন হোৱা নাই। খুব স্বাভাবিক ভাৱেই বজালী জিলাৰ যি মৎস্য উৎপাদন খণ্ড যদি আপগ্ৰেড কৰিব লাগে, ভাল কৰিব লাগে বা তাত আমাৰ বিষয়া দিব লাগে আৰু ভালকৈ

অফিচ কৰিব লাগে, এইক্ষেত্ৰত আপোনালোকে জানে যে আমাৰ নিয়োগ প্ৰক্ৰিয়া সমূহ আৰম্ভ হৈছে আৰু নিয়োগ হোৱাৰ পিছতেই আমি কিছুমান চৰকাৰী কৰ্মচাৰী পাম। তাৰ আগতেও যদি কিবা ব্যৱস্থা কৰি দিব পাৰো তেনেহ'লে আমি নিশ্চয় চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক জাকিৰ হুছেইন শিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ ৰাজ্যখনত মৎস্য পালক সকলে মাছৰ উৎপাদন দিনে দিনে বৃদ্ধি কৰি আছে বা বহুত কষ্ট কৰি এইক্ষেত্ৰত আগুৱাই গৈ আছে। কিন্তু আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক মই প্ৰশ্ন কৰিব বিচাৰিছো যে অসমত মাছৰ খাদ্য কিমান দৰকাৰ, অসমত মাছৰ খাদ্য কিমান উৎপন্ন হয় আৰু বাহিৰৰ পৰা কিমান আহে ? অসমত যিখিনি মাছৰ খাদ্য দৰকাৰ সেইখিনি বহুত কম, আমি জানো। সেই মাছৰ খাদ্যৰ চাহিদা পূৰণ কৰিবলৈ বিভাগে কি ব্যৱস্থা লৈছে বা আগন্তুক দিনত কি ব্যৱস্থা ল'ব, সেই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আমাৰ মাননীয় বিধায়ক মহোদয়ে যিটো মাছৰ খাদ্যৰ কথা কৈছে, এটা সময় আছিল যেতিয়া আমাৰ মৎস্য পালক সকলে ভাৱিছিল যে পানী থাকিলেই মাছ হয়। কিন্তু লাহে লাহে সেই কথাখিনি আমাৰ চৰকাৰ অহাৰ লগে লগে সলনি কৰিছো। আমি মৎস্য পালন কৰা লোক সকলক এই বিষয়ৰ ওপৰত প্ৰশিক্ষণ দিছো। যদি মাছ উন্নত পদ্ধতিৰে বা বৈজ্ঞানিক পদ্ধতিৰে পালন কৰিব লগীয়া হয় তেতিয়াহ'লে মাছৰ খাদ্য লাগে। এইক্ষেত্ৰত আজি আমি ক'ব পাৰো যে যোৱা বছৰলৈকে ৩.৯৩ লাখ মেট্ৰিকটন মাছ অসমত উৎপাদন হৈছে। এইবাৰ ভাৱো মাৰ্চৰ পাছতেই তথ্য আহিব যে ৪ লাখ মেট্ৰিকটন মাছ উৎপাদন ক্ৰচ কৰি যাব। এইখিনি মাছৰ বাবে বিভিন্ন ধৰণৰ খাদ্যৰ প্ৰয়োজন হ'ব। কিয়নো বিভিন্ন ধৰণৰ মাছৰ প্ৰজাতি আছে। এইক্ষেত্ৰত আমি আৰ আই ডি এফ বা বৰ্তমান অৱস্থাত PMMSY ৰ আঁচনিৰ জৰিয়তে আমি বাতৰি কাকতত বিজ্ঞাপন দিওঁ। ইয়াতে সৰু সৰু ফিচাৰী আৰু Feed Mill আছে। কেতিয়াবা এনেকুৱা হয় যদিহে বেনিফিচাৰী সকল আগুৱাই নাহে তেতিয়াহ'লে আমি দিম নোৱাৰিম কাৰণ মাটি আৰু নিজৰো অলপ investment লাগিব। এইক্ষেত্ৰত আমি সৰু সৰু বহুখিনি মাছাৰী পাইছো। সেয়েহে আপোনাক ক'ব বিচাৰিছো যে কাছাৰত এটা ডাঙৰ Feed Mill ৰ কাৰণে বিজ্ঞাপন দিছিলো। ৮-৯ মাহ হৈছে, এবাৰ কৰিলে আকৌ মানা কৰিলে আৰু অন্য জিলা সমূহলৈয়ো যাব লাগিব। এতিয়া আমাৰ যিখিনি Feed Mill ৰ প্ৰয়োজন, সিমানখিনি আমাৰ অসমত নাই আৰু এই কথাটো একেবাৰে সঁচা। এই Feed Mill তৈয়াৰ কৰাৰ কাৰণে আমি বহুখিনি বিজ্ঞাপন দিছো। মই ভাৱো এই কামখিনি সোনকালে সম্পূৰ্ণ হোৱাৰ পিছতেই আমোৰ প্ৰয়োজনীয় যিখিনি Feed Mill হ'ব সেইখিনি আমি মৎস্য পালক সকলক দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৪২। শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ, (গোলোকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিহেতু এতিয়া কৰ'নাৰ সময় শেষ হ'ল গতিকে যিখিনি সমবায় সমিতিৰ কাৰ্য্যকাল শেষ হ'ল সেইখিনিৰ নিৰ্ব্বাচন পাতিব নে নাপাতে সেইবিষয়ে জনাব লাগে।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, (সমবায় বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে **৩১৬** খন সমবায় সমিতিৰ extension দিয়া হৈছে। কৰ'না মহামাৰীৰ সময়ত সমবায় আইন সংশোধন কৰা হৈছিলে আৰু সংশোধন কৰি নতুন ধাৰা **১৩০** (ক) সন্নিবিষ্ট কৰা হৈছিল। তাৰ পিছত, আমি এতিয়ালৈকে ৩১৬ খন সমবায় সমিতিক ইতিমধ্যে অনুমোদন দিছো আৰু যিবিলাক সমবায় সমিতিক এতিয়ালৈকে extension দিয়া হোৱা নাই, সেই বিলাক সমবায় সমিতি যদি আইনৰ ভিতৰত পৰে তেন্তে তেনেবোৰ সমবায় সমিতিকো পৰ্যায়ক্ৰমে extension দিয়াৰ ব্যৱস্থা কৰা হৈছে।

**শ্ৰীআব্দুছ ছোৱাহান আলী চৰকাৰ, (গোলোকগঞ্জ)** ঃ মোৰ দ্বিতীয় supplementary হ'ল, যিহেতু নিয়ম আছে যে সমবায় সমিতি বিলাকৰ নিৰ্বাচন খেলিবলৈ হ'লে দুটা AGM ত সাধাৰণ সভাত উপস্থিত থাকিব লাগে। এইবাৰ কৰ'না কালৰ কাৰণে সাধাৰণ সভা অনুস্থিত নহ'ল। এইবাৰ সমবায়ৰ যিকোনো এজন অংশীদাৰে যদি সাধাৰণ সভাত উপস্থিত নথকাৰ বাবেও, হোৱাই নাই, তেখেতে নিৰ্বাচন খেলিব পাৰিবনে? লগতে মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে এটা কথা জানিব বিচাৰিছো যে সমবায় বিলাক গাওঁ পঞ্চায়ত ভিত্তিত কৰিব পাৰো নে? তেনেকুৱা কিবা পৰিকল্পনা মন্ত্ৰী মহোদয়ৰ আছে নেকি?

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, (সমবায় বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই কথা ইতিমধ্যে উল্লেখ কৰিছো যে সমবায় যদি আইনৰ ভিতৰত পৰে বা নিময় কানুনৰ মতে পৰে, তেতিয়া হ'লে কৰিব পৰা হ'ব, নহলে নহ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য ডঃ ৰফিকুল ইছলাম।

**ডঃ ৰফিকুল ইছলাম (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰোণাৰ কাৰণে সমবায় সমিতি সমূহে সাধাৰণ সভা পাতিব পৰা নাই। তেখেতে সকলে সাধাৰণ সভা পাতিবৰ আবেদন কৰিছিল কিন্তু কৰোণা কাল থকাৰ বাবে permission দিয়া হোৱা নাছিল যাৰ কাৰণে সাধাৰণ সভা পতিব পৰা নাই। তেনেকুৱা ৪২০ খন সমবায় সমিতিৰ সাধাৰণ সভা পাতি extension ৰ কাৰণে তেওঁলোকে পুনৰ আবেদন কৰিছে । ইয়াৰ ভিতৰত ৩১৬ খন সমবায় সমিতিক extension দিয়া হৈছে, কিন্তু ১২৬ খন সমবায় সমিতিয়ে extension পাবলৈ এতিয়া বাকী আছে। এইখিনিৰ যদি পলম হৈ যায় তেতিয়া হলে আইনৰ আওঁতাত পৰিব আৰু আইনৰ আওঁতাত পৰিলে সমবায় সমিতি কেইখন ভঙ্গ হৈ যাব। গতিকে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে এই ১২৬ খন সমবায় সমিতিক আইন সংশোধন কৰি হ'লেও extension দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে, নহ'লে নিৰ্বাচনলৈ এটা extra burden হ'ব।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, (সমবায় বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি নিদিয়াৰ কথা ভবা নাই, সেই কাৰণে ইয়াত আইনো সংশোধন কৰিবলৈ লোৱা হৈছে। কিন্তু আমি date and year of last three years annual general meeting ৰ কিছুমান কথা জানিব বিচাৰিছো আৰু সেই কথাটো আমাক সমবায় সমিতিখনে অৱগত কৰিব লাগিব। Name of the Chairman of Societies for last three years, Amendment by law of the Societies, if any & Publication of voter list as per section 26 (3) of Assam Co-operative Society's Act, 2007 - এইখিনিৰ সম্পৰ্কত আমাক সঠিকভাৱে অৱগত কৰিলে, আমি আইনৰ অধীনত নিশ্চয় দিব পৰা যাব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া সন্মানীয় সদস্য শ্ৰী প্ৰশান্ত ফুকন।

**শ্ৰীপ্ৰশান্ত ফুকন (ডিব্ৰুগড়)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ

পৰা সমবায়খিনিৰ ওপৰত কেইটামান কথাত স্পষ্টকৈ উত্তৰ বিচাৰিছো যে আমাৰ যিখিনি সমবায় সমিতি আছে, সেইখিনিৰ ওপৰত আমাৰ গ্ৰাম্য অঞ্চলৰ ৰাইজ অত্যন্ত ভাৱে জড়িত হৈ আছে। এই সমবায়খিনি এটা remodeling কৰি বিহিত ব্যৱস্থা লোৱাৰ পিছত সমবায়খিনি ঠিক কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি ?

দ্বিতীয়তে, কিছুমান সমবায়ক গণ্ডগোল পোৱাৰ বাবে ত্যাগ কৰি দিয়া হৈছে আৰু agent সকলে আমাৰ ৰাইজক চাউল ইত্যাদি বিতৰণৰ যিখিনি ব্যৱস্থা কৰিছে, সেই ব্যৱস্থাখিনিক আমি যদি সুন্দৰ ভাৱে ঠিক কৰি লব নোৱাৰো তেতিয়া হ'লে সমবায়ৰ জৰিয়তে ৰাইজক বস্তু বিতৰণৰ ব্যৱস্থা যথেষ্ট ক্ৰটিপূৰ্ণ হ'ব আৰু ই ইতিমধ্যে ক্ৰটিপূৰ্ণ অৱস্থাত আছে। সেই কাৰণে এই ক্ষেত্ৰত modelity কৰিব নেকি, মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছোঁ লগতে সমবায় বিলাকত অতীজৰে পৰাই একেখিনি সদস্য হৈ আছে, এই ক্ষেত্ৰত আমি আৰু নতুনকৈ সদস্য ভৰ্তি কৰিব পাৰো নেকি ? যদি নতুনকৈ সদস্য ভৰ্তি কৰিব পাৰো তেন্তে ই অধিক শক্তিশালী হ'ব। গতিকে মই ইয়াৰ এটা সঠিক উত্তৰ বিচাৰিছোঁ।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, (সমবায় বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি দায়িত্ব লোৱাৰ পিছত অনুভৱ কৰিছিলো যে পূৰ্বতে সমবায় সমিতি সমূহ যেনেকৈ নিশকটীয়া অৱস্থাত আছিল, ই লাহে লাহে শক্তিশালী হৈ আহিছে। ইয়াক আৰু শক্তিশালী কৰিবলৈ আমি বিভিন্ন সময়ত modelity তৈয়াৰ কৰাৰ পৰাই হওঁক বা অন্যান্য ক্ষেত্ৰতে হওঁক, আমি চিন্তা চৰ্চা কৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং ১৪৩, সন্মানীয় সদস্য শ্ৰীদিগন্ত বৰ্মন।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ মোৰ প্ৰশ্ন নং ১৪৩ ত মন্ত্ৰী মহোদয়ৰ উত্তৰ পাইছো। অসমৰ বাহিৰৰ পৰা অসমলৈ গাহৰি, ম'হ, গৰু, ছাগলী, কুকুৰা আদি পশুধনৰ আমদানি হোৱাৰ বিষয়ে কৈছে। কিন্তু আমি দেখিছো যে বিগত এবছৰত এই পশুধন সমূহ যেতিয়া অসমলৈ আনিছে, তেতিয়া কিন্তু ইয়াৰ কোনো ধৰণৰ স্বাস্থ্য পৰীক্ষা কৰা হোৱা নাই। ই কেৱল অসমৰ বাহিৰৰ পৰা অনা পশুধনৰ ক্ষেত্ৰতে নহয়,অসমৰ ভিতৰতো যি গো-ধন, গাহৰি বা ছাগলী আছে, সেইবোৰৰ ক্ষেত্ৰতো টিকা কৰণৰ ব্যৱস্থা কৰিব লাগিব। পশুধনৰ মাজত মাৰাত্মক বহুতো ৰোগ দেখা দিয়ে। গতিকে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছোঁ।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, (সমবায় বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে অসমৰ বাহিৰৰ পৰা অসমলৈ পশুধন আমদানি হয়। এই আমদানিকৃত পশুধনৰ পৰা আমাৰ ৰাজ্যৰ অন্য পশুধনলৈ যাতে ৰোগ বিয়পিব নোৱাৰে তাৰ বাবে আমি চিকিৎসকৰ গোট এটা প্ৰৱেশদ্বাৰত ৰাখিছো, য'ৰ পৰা পশুধনৰ আমদানি হয়। সময়ে সময়ে ইয়াৰ পৰীক্ষা কৰা হয় আৰু প্ৰয়োজন সাপেক্ষে টীকাকৰণৰ ব্যৱস্থাও কৰা হয়।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, "The prevention and control of infectious and contagious disease in animals Act, 2009" জীৱ জন্তুৰ কোন বোৰ বেমাৰ হ'ব পাৰে, সেই বিষয়ে আছে লগতে মাছৰ বিষয়েও এই আইনখনত লিখা আছে। গতিকে এই বিষয়বোৰ চাই পশুধনৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আপুনি জানে যে পেকেট গৰু গাখীৰৰ বাহিৰে আমাৰ যিবোৰ গাখীৰ আমি directly খাওঁ, সেইখিনি যিমান degree ত উতলাব লাগে, সিমান degree ত আমি উতালব নোৱাৰো। মোক এবাৰ এজন পশুচিকিৎসকে কৈছিল যে গৰু গাখীৰৰ পৰাই অধিকতম মানুহৰ TB বেমাৰ হয়। কাৰণ গৰু TB বেমাৰৰ পৰা প্ৰায়ে সংক্ৰমণিত হয়। গতিকে TB বেমাৰ হৈ থকা গৰুৰ পৰা যদি আমি

গাখীৰ খাওঁ, তেন্তে এই বেমাৰ মানুহৰ দেহতো বিয়পিব। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে অসমৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰিব, জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী, সমবায় বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভাগ তথা অসম চৰকাৰে এই বিষয়ত যথেষ্ট সজাগ। মাননীয় সদস্য গৰাকীয়ে সঠিক ভাৱে কথাখিনি কৈছে। অনাগত দিনত এই ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া সন্মানীয় সদস্য ছিদ্দিক আহমেদ।

**শ্ৰী ছিদ্দিক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গাঁৱৰ শতকৰা ৯০ শতাংশ মানুহ পশুপালন কৰি উপাৰ্জন কৰি আছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চৰকাৰে গাঁৱৰ মানুহৰ পশুপালৰ ক্ষেত্ৰ কি কি আঁচনি হাতত লৈছে আৰু নতুন ফাৰ্ম আৰম্ভ কৰাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী, সমবায় বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সঠিক তথ্য দিবলৈ হলে এটা সুকীয়া প্ৰশ্নৰ প্ৰয়োজন হ'ব। তথাপি থোৰতে মই দুটা মান কথা ক'ব বিচাৰিছোঁ। আজিৰ পৰা বহু বছৰ আগতে Animal Husbandary & Veterinary Department ত এটা কেলেংকাৰী হোৱাৰ বিষয়ে আপোনালোক সকলোৱে জানে আৰু তাৰ পিছতেই এই বিভাগটো নিশকটীয়া হৈ পৰিছিল। দেখা গৈছিল যে চৰকাৰে বিভাগটোক যথেষ্ট অৱহেলা কৰিছিল। যিদৰে বাজেট ধাৰ্য্য কৰিব লাগিছিল, সেই ধৰণে কৰা নাছিল। কিন্তু বিগত ছয় বছৰত আমি বিভাগটোক সক্ৰিয় কৰিবলৈ বহুতো ব্যৱস্থা হাতত লৈছো। তাত চিকিৎসক, Veterinary Field Assistant নিয়োগ কৰাৰ লগতে বিভিন্ন ধৰণৰ আঁচনিও গ্ৰহণ কৰিছো। শেহতীয়াকৈ আমি বৰ্হি ৰাজ্যৰ পৰা গীৰ গাই আনি গাখীৰ উৎপাদনৰ কথাও চিন্তা কৰিছো। ঠিক তেনেদৰে Poultry sector ত Goat bedding, Pig bedding ৰ policy গ্ৰহণ কৰিছো। আমি এই বিভাগৰ জৰিয়তে নিৰনুৰাকো যাতে সংস্থাপন দিব পৰা যায়, তাৰো ব্যৱস্থা কৰিছো। আমি লক্ষ্য কৰিছো যে গাখীৰ, মাংস, কণী আদি বাহিৰৰ পৰা আনিব লাগে। সেই কাৰণে নাজিৰাত কেইবাশ কোটি টকাৰ Pig processing plant এটা স্থাপন কৰা হৈছে, য'ত দৈনিক ৪০০ গাহৰি process কৰিব পাৰিব। এনেদৰে BTAD এলেকাতো Pig Mission ৰ পদক্ষেপ গ্ৰহণ কৰিছে। গতিকে পশুধনৰ স্বাস্থ্যৰ ক্ষেত্ৰতো আমি ব্যৱস্থাৰ কথা চিন্তা-চৰ্চা কৰিছো। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ ৰাজ্যখনত তিনিখন নতুন হস্পিতাল য'ত উন্নতমানৰ চিকিৎসা হ'ব, হস্পিতাল নিৰ্মাণ কৰাৰ কাৰণে ব্যৱস্থা লৈছে আৰু একোখন যাতে ভাল হস্পিতাল নিৰ্মাণ কৰিব পাৰি তাৰ কাৰণে চেন্নাইৰ এটা মডেল ইয়ালৈ অনা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীআব্দুৰ ৰহিম আহমেদ।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক সুধিব খুজিছো, বিশেষকৈ দুগ্ধ উৎপাদনৰ কাৰণে আমাৰ লগত বহুত শিক্ষিত যুৱক আগবাঢ়ি আহে। বিভিন্ন ফাৰ্ম তেওঁলোকে কৰিব খোজে। কিন্তু ইমান ভাল গাখীৰ উৎপাদন কৰা গাইৰ দাম বহুত বেছি, আপোনালোকে জানে। কিন্তু এই ফাৰ্ম কৰা যুৱক সকলে আৰ্থিক সাহাৰ্য্য আমাৰ পশুপালন বিভাগৰ পৰা নাপায় বা বেংকেও লোন দিয়াৰ ক্ষেত্ৰত খুৱ কৃপণালী কৰে। গতিকে এইক্ষেত্ৰত আপোনাৰ বিভাগে আমাৰ দুগ্ধ উৎপাদনৰ কাৰণে কিবা বিশেষ ব্যৱস্থা কৰিব নেকি ? বা ভাল গাই কিনাৰ কাৰণে যেনেকৈ গৰুখুটিত আপোনালোকে গীৰ গাই আনিছে, গোটেই অসমতে

দুগ্ধ উৎপাদনৰ কাৰণে এনেকুৰা ফাৰ্ম তৈয়াৰ কৰি তেওঁলোকক আৰ্থিক কিবা সকাহ দিয়াৰ কোনো ব্যৱস্থা আপোনাৰ বিভাগে কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা (পশুপালন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত জনাবলৈ পালে আনন্দিত হ'ম যে, শেহতীয়াকৈ আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰীৰ বিশেষ উদ্যোগত National Dairy Development Board ৰ লগত এখন MoU কৰিছে। য'ত প্ৰয়োজন হ'ব দুই হাজাৰ কোটি টকাৰ আৰু লক্ষ্য হৈছে দৈনন্দিন ১০ লাখ লিটাৰ গাখীৰ আমাৰ ৰাজ্যখনত উৎপাদন কৰা। আৰু সেই লক্ষ্য লৈ আমি আগবাঢ়িছো। ইতিমধ্যে সন্মানীয় সদস্য গৰাকীয়ে নিজে কৈছে যে গৰুখুটিলৈ গীৰ গাই অনা হৈছে। খুব কম দিনৰ ভিতৰত তিনিশ গীৰ গাই আহিব আৰু ইয়াৰ উপৰিও NDDB ৰ লগত আমি যেতিয়া আলোচনা কৰিছিলো, পৰহি NDDB ৰ Chair-man গৰাকী আহিছিল, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো লগ ধৰিছিল। আমিও কথা বতৰা পাতিছিলো। তেওঁলোকে প্ৰায় ১৫ হাজাৰ তেনেকুৰা গীৰ গাই অনাৰ পৰিকল্পনাৰ কথা আমাৰ আগত অৱগত কৰিছে। আমি খুব কম দিনৰ ভিতৰতে এটা সুস্থ পৰিকল্পনা যুগুত কৰি আৰু যিবিলাকে গৰু গাই পুহাৰ লগত দীৰ্ঘদিন ধৰি জড়িত আছে, যাৰ অভিজ্ঞতা আছে, যি এই কাম কৰিব পাৰিব, হয়তো তেখেত সকলকে নিৰ্বাচন কৰি গাখীৰ উৎপাদনৰ ক্ষেত্ৰত আমি অনাগত দিনত আত্মনিৰ্ভৰশীল হ'ব পাৰো, তাৰ কাৰণে ব্যৱস্থা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ১৪৪ শ্ৰীছামছুল হুদা।

**শ্ৰীছামছুল হুদা (পূৰ বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক কেইটামান প্ৰশ্ন কৰিছিলো। এইসমূহৰ উত্তৰ দিছে কিন্তু উত্তৰবিলাক মই সঠিকভাৱে পোৱা নাই বুলি ধাৰণা কৰিছো। আজি আমাৰ অসমত বহুত গো-শালা আছে, সেই গো-শালা সমূহৰ ভিতৰত মই টি.ভি আৰু কাগজ পত্ৰত দেখা পাইছো, জাগিৰোডৰৰ ওচৰত আছে, মান্দাকাটাত আছে,গৌৰীপুৰত আছে, বিলাসীপাৰাত আছে। এই গো-শালা সমূহত যিবিলাক গৰু ৰখা হয়, এই গৰুবিলাক সুৰক্ষিত নহয়। সেই গৰুবিলাক লালন-পালনৰ ক্ষেত্ৰত কিছু ত্ৰুটি আছে, যাৰ ফলত গৰুবিলাক বছৰৰ শেষত দেখা যায় বহুত গৰুৰ মৃত্যু হ'বলগীয়া হয়। গতিকে এই গৰুবিলাক আমি যাতে ভালভাৱে চিকিৎসা কৰি লালন-পালনৰ ক্ষেত্ৰত অলপ সু-ব্যৱস্থা কৰা হয়, এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা ল'ব জনাব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা (পশুপালন বিভাগৰ মন্ত্ৰী) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য সকলে গো-শালা বঢ়োৱাৰ পৰামৰ্শ দিছে। আমি পৰামৰ্শ গ্ৰহণ কৰিছো। এতিয়া আমাৰ হাতত পৰা তথ্য মতে ১৬ খন ৰাজ্যত গো-শালা আছে। কিন্তু এই ১৬ খনৰ ভিতৰত ধুবুৰী জিলাত দুখন চৰকাৰী স্বীকৃতিপ্ৰাপ্ত গোশালা আছে। সেয়া হৈছে শ্ৰীকৃষ্ণ গোশালা গৌৰীপুৰ আৰু ধ্যান ফাউণ্ডেশ্বন, চাপৰ। অসমৰ গোশালা আছে, এই গোশালা সমূহত বহুখিনি অসুবিধা আছে। বিভিন্ন সময়ত যিবিলাক গোশালাৰ পৰিচালক আছে, পৰিচালক সকলৰ লগত আমি যেতিয়া আলোচনা কৰিছো, তেখেত সকলৰ পৰা আমি এই কথা জানিব পাৰিছো আৰু তাৰ কাৰণে আমি যাৰতীয়া ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস তেওঁলোকক দিছো। গতিকে অনাগত দিনত ৰাজ্যখনত আমি গো-শালা বৃদ্ধি কৰিবৰ কাৰণে যাৰতীয় ব্যৱস্থা গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় চাপ্লিমেণ্টেৰী।

**শ্ৰীছামছুল হুদা (পূব বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিলাসীপাৰাৰ পূব সমষ্টিত ধ্যান ফাউণ্ডেশ্বনৰ যিটো গোশালা আছে, মই মাজে সময়ে সেইটো পৰ্য্যবেক্ষণ কৰিছো। তাত বছৰত যিখিনি গৰু ৰখা হয়, সৰ্বশেষত দেখা যায় তাত এটা গৰুও নাথাকে। গোটেইখিনি গৰু মৃত্যু বৰণ কৰে। গতিকে মই অনুৰোধ জনাইছো ধ্যান ফাউণ্ডেশ্বনৰ গোশালাখন অলপ ভালভাৱে সুৰক্ষিত কৰাৰ কাৰণে মানুহ ৰাখি কি কৰিব পৰা যায় সেই ব্যৱস্থাটো কৰিব লাগে আৰু আমাৰ তাত নুনমাটিত ২০০ বিঘা মাটিত গো-মাতা আছে। গো-মাতা খিনি এনেকুৱা ঠাইত গো-পালন কৰাৰ কাৰণে তাত ৰাইজে ৰাখে। বৰ্তমান ৰাইজৰ হাতত গৰুৱে নাই। গতিকে এই ২০০ বিঘা মাটিতো যাতে তাত গো-শালা কৰি তাক ভালভাৱে বনাই গোশালা কৰা হয় সেইটো মই মাননীয় মন্ত্ৰী মহোদয়ক কৈছো যে, ২০০ বিঘা মাটিত গোশালা কৰিব পাৰিব নেকি।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা (পশুপালন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে ধ্যান ফাউণ্ডেশ্বন চাপৰৰ কথা কৈছে, এই ধ্যান ফাউণ্ডেশ্বনে সন্মুখীন হোৱা অসুবিধা সম্পৰ্কে আমি অৱগত আৰু সদনৰ মজিয়াত মই এই কথাটো জনাবলৈ পালে আনন্দিত হ'ম। ইতিমধ্যে অসমৰ যিবিলাক গো-শালা আছে, এই গো-শালাসমূহ সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত এখন SOP (Standerd Operating Procedure) প্ৰস্তুত কৰি গৃহ বিভাগৰ হাতত অনুমোদনৰ বাবে দাখিল কৰা হৈছে আৰু এই কথাও হয়তো সন্মানীয় সদস্য সকলে জানে যে, আগতে গোশালাসমূহত Subsidised rate ত feed দিয়া হৈছিল। কিন্তু NFS implement হোৱাৰ পিছত সেইবিলাক বন্ধ হৈ পৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধ্যান ফাউণ্ডেশ্বনৰ সক্ৰান্তত আমি বহুতখিনি বাতৰি পাইছো। ধ্যান ফাউণ্ডেশ্বনৰ অৱস্থাটো এনেকুৱা হৈছে যে, প্ৰথম কথা হৈছে যে, ৰাতি ৰাতি গৰু তাত থাকে। ৰাতিপুৱা গৰুকেইটা নোহোৱা হৈ যায়। দ্বিতীয় কথা আছিল, বহুতখিনি গৰু মৰিছে তাত। আমাৰ হাতত তথ্য আছে, পেপাৰত লিখা হৈছে। SOP টো বনোৱা হ'ব, ঠিক আছে। গো-মাতাখিনি যদি মৰিব লগা হয়, তেতিয়া মনত দুখ পাম। আমি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম এই ধ্যান ফাউণ্ডেশ্বনৰ গৰুসমূহ মৰি আছে, গৰুসমূহ নাইকিয়া হৈ আছে তাৰ কাৰণে কি ব্যৱস্থা ল'ব। SOP টো বনাওক। কিন্তু SOP টো বনোৱাৰ আগতে এটাও যাতে গৰু নমৰে তাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা (পশুপালন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধ্যান ফাউণ্ডেশ্বনত সময়ে সময়ে গৰু মৰাৰ বিষয়ে আমি অৱগত আৰু সেইবাবে আমি চিকিৎসা বিষয়াক নিৰ্দেশ দিছো যাতে তেওঁলোকে মাজে মাজে গৈ তাত যাতে চিকিৎসাৰ ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰফিকুল হুছেইন।

**শ্ৰী ৰফিকুল হুছেইন (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোশালা গোটেই অসমত ১৬ খন থকা তথ্য দিছে। আমি টি.ভি. পেপাৰ পত্ৰিকাত চাই থাকো, ৪ মাহ ৬ মাহৰ ভিতৰত জাগিৰোডৰ কাষত যি গোশালা আছে, ৩০ টাৰো অধিক গৰু তাতে মৰিছে। মান্দাকাটা খুৱ সম্ভৱ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সমষ্টি হ'ব। তাতেও টি. ভি. ৰ পেপাৰ পত্ৰিকাত আহিছে বহু গৰু এই কেইমাহৰ ভিতৰত মৰিছে আৰু গৰু বিলাকৰ একেবাৰে জকা ওলাই গৈছে। এনেকুৱা এটা অৱস্থা. খাদ্য নাই,

চিকিৎসা নাই, খাদ্যৰ অভাৱত, চিকিৎসাৰ অভাৱত গৰু বিলাকক মৃত্যুৰ মুখত ঠেলি দিয়া হৈছে। আমাৰ মা-জনী এনেকুৱা বিপদত থাকিব, ল'ৰা-ছোৱালী ফুৰ্তিত থাকিলে কেনেকৈ হ'ব। গতিকে গোটেই অসমৰ গো-পালক সকলৰ হাতত যি গৰু আছে, তাৰ কাৰণে হস্পিতাল বিলাকত পৰ্য্যাপ্ত পৰিমাণে মেডিচিন আৰু ভিটামিন দিব লাগে, তাৰ ব্যৱস্থা গোটেই অসমত কৰিব লাগে। লগে লগে চৰকাৰৰ দায়িত্বত যিখিনি গো-শালা আছে, ইয়াত যাতে পানী, খাদ্য, মেডিচিন পৰ্য্যাপ্ত পৰিমাণে পায়। মৃত্যুৰ মুখত আমি ঠেলি নিদিও, সেই কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'ব লাগে, তাৰ উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা (পশুপালন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে জাগিৰোডৰ যি গো-শালাৰ কথা আমাক অৱগত কৰিছে, এই কথাটো আমাক জনোৱাৰ পাছত আমি ততাতৈয়াকৈ এটা চিকিৎসকৰ দল পঠাইছিলো, আমি দেখিছো যে তাত কিছু গৰু মৰাতো সত্য আৰু তেখেতে যিটো পৰামৰ্শ দিছে ৰাজ্যখনৰ বিভিন্ন ঠাইত থকা গো-শালা সমূহত চিকিৎসা ব্যৱস্থা কৰিব লাগে আৰু দানা পানীৰ কথা তেখেতে কৈছে, ফিডৰ কথা কৈছে। এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিছে আৰু প্ৰয়োজনীয় ব্যৱস্থা অনাগত দিনত লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ১৪৫,শ্ৰী নৰুল হুদা।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, কৃষি ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। মোৰ ৰূপহীহাট বিধান সভা সমষ্টিৰ ছাইদৰীয়া সমবায় সমিতিৰ ০৭-১০-২০১৯ তাৰিখে নমিনেশ্যনৰ কাৰণে অধিসূচনা জাৰি কৰিছিল আৰু সেই অধিসূচনা মতে ১২-১০ -২০১৯ তাৰিখে সভা হ'ল আৰু মনোনয়ন পত্ৰ দাখিল কৰা হ'ল। (ক) অংশত ২৮ জনে মনোনয়ন পত্ৰ দাখিল কৰিলে আৰু ২ জনৰ নাকচ হ'ল আৰু ২৬ জন আছে। (খ) অংশত ৮ জনে মনোনয়ন পত্ৰ দাখিল কৰিলে এজনৰ নাকচ হ'ল, ৭ জন আছে। মহিলা সংৰক্ষিত ২ গৰাকী আছে আৰু সঞ্জয় কুমাৰ মণ্ডলে বিনা প্ৰতিদণ্ডিতাত নিৰ্ব্বাচিত হৈছে। কিন্তু তাৰ পিচদিনা হঠাৎ Assistant Registrar এ নিৰ্ব্বাচনটো বন্ধ কৰি দিলে। তাৰ পিছত Assistant Registrar, যিজন সহকাৰী পঞ্জীয়ক আছিল তেওঁৱেই ১১ তাৰিখে ভোটাৰ লিষ্ট চহী কৰি প্ৰকাশ কৰিছে আৰু ১৭ তাৰিখে তেওঁৱেই নিৰ্ব্বাচনটো স্থগিত কৰিছে। অজুহাতটো এইটো দিলে যে ভোটাৰ তালিকাত মৃত ব্যক্তিৰ নাম আছে। মৃত ব্যক্তিৰ নাম থকাৰ অজুহাতত তেওঁ নিৰ্ব্বাচন স্থগিত ৰাখিছে। মই মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছিলো যে অসম সমবায় সমিতিয়ে নিৰ্ব্বাচনী অধিসূচনা জাৰি কৰি মনোনয়ন পত্ৰ গ্ৰহণ কৰাৰ পিছত পুনৰ নিৰ্ব্বাচন স্থগিত কৰিব পৰা যায় নেকি? উত্তৰ পালো যে অসম সমবায় আইন ২০০৭ আইন মতে কোনো ব্যৱস্থা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পৰিপূৰক প্ৰশ্নটো কৰক।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক কথাটো অলপ বুজাই দিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বুজাব নালাগে। আপুনি প্ৰশ্নটো কৰক। আপোনাৰ দ্বিতীয় পৰিপূৰক প্ৰশ্ন আছে। আপুনি এটাৰ পিছত আনটো প্ৰশ্ন কৰক। সময় কম আৰু বহু প্ৰশ্ন বাকী আছে।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক প্ৰশ্নটো কৰিবলৈ দিয়ক। আপুনি

যিমানখিনি সময় ল'লে মই ইতিমধ্যে প্ৰশ্নটো কৰিব পাৰিলোহেঁতেন।

**মাননীয় অধ্যক্ষ ঃ** এনেকৈ ক'ব নাপায়। আপুনি আৰু প্ৰশ্ন কৰিব নোৱাৰিব। আপোনাৰ সময় শেষ। এতিয়া পৰৱৰ্তী পৰিপূৰক প্ৰশ্ন কমলাক্ষ দে পুৰকায়স্থ। .................Interruption......... ...

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি এনেধৰণে কৰিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** মই পাৰো। কোনোবা সদস্যই যদি নিয়মৰ মাজেৰে নাযায়, তেওঁক মই ৰখাব পাৰো। আপোনাৰ সময় শেষ। এতিয়া পৰৱৰ্তী পৰিপূৰক প্ৰশ্ন কমলাক্ষ দে পুৰকায়স্থ।. ........ ................. In terruption......... .আপোনাৰ সময় শেষ। এতিয়া পৰৱৰ্তী পৰিপূৰক প্ৰশ্ন òÑ১৪৬। অজয় কুমাৰ ৰায় ................Interruption......... এনেকৈ সদন নচলে।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী, বন আৰু মীন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী অজয় কুমাৰ ৰায়, (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে অসমৰ বনাঞ্চলসমূহত বহুতো খালী ভূমি আছে। সেই ভূমিসমূহত গছপুলি ৰোপণ কৰি সংৰক্ষণ কৰাৰ ব্যৱস্থা আছে নেকি? আৰু যদি খালী ভূমি আছে, তেতিয়াহ'লে ব্যৱস্থা কৰিব লাগে। আমাৰ বিজনী সমষ্টিৰ চিৰাং জিলাৰ চিৰাং বন বিভাগৰ অন্তৰ্গত কুকলুং আৰু পানবাৰী ৰেঞ্জত বহুখিনি ভূমি খালী হৈ আছে আৰু এই খালী হৈ থকা ভূমি .................Interruption......... বহুতো জীৱ-জন্তু বনাঞ্চলৰ পৰা খালী ভূমিলৈ আহে। আমাৰ বনাঞ্চল ৰোপণ কৰা আৰু হাবিত থকা জীৱ-জন্তু সমূহক সংৰক্ষণৰ কাৰণে যদি সু-ব্যৱস্থা আছে তাৰ বিষয়ে মন্ত্ৰী মহোদয়ে জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই নুৰুল হুদা ডাঙৰীয়াক প্ৰশ্নকালীন ঘণ্টাৰ পৰা Suspension কৰিছো। আপুনি বাহিৰলৈ যাওঁক। মাননীয় সদস্য সকল আপোনালোকে আইন মানি চলক।

..............Interruption........

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়ে পক্ষপাতিত্ব কৰাৰ প্ৰতিবাদত আমি সদন ত্যাগ কৰিলো।

(কংগ্ৰেছ দলৰ সদস্য সকলে সদন ত্যাগ কৰে।)

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী, বন আৰু মীন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় অজয় কুমাৰ ৰায় ডাঙৰীয়াই যি প্ৰশ্ন সুধিছিল যে চিৰাং বনাঞ্চলৰ অন্তৰ্গত বহুখিনি ঠাই গছ-গছনি নাই। এই কথাটো সঁচা। কিন্তু এই কুকলুং বনাঞ্চলৰ বিষয়ে যিখিনি কথা সুধিছে সেই বনাঞ্চলখিনি মানস অভয়াৰণ্যৰ অন্তৰ্গত আৰু যিকোনো অভয়াৰণ্যত যেতিয়া বন্য জীৱ-জন্তুৱে বিচৰণ কৰে তেতিয়া কিছুমান ঠাই খালী ৰাখিব লাগে। কাৰণ তৃণভোজী বহুত প্ৰাণী আছে। ‘চাভানা’ বনাঞ্চলতেই এনেকুৱা নিয়ম আছে। যিদৰে বন্যপ্ৰাণীৰ কাৰণে গছ-গছনিৰ প্ৰয়োজন তেনেকৈ তৃণভোজী প্ৰাণীৰ কাৰণে খালী মাটিৰ প্ৰয়োজন আছে। সেয়েহে এই ঠাইবোৰত এই মূহূৰ্তত গছ লগোৱাৰ কোনো পৰিকল্পনা নাই। এই কথাটো আপোনাক ক'বলৈ বিচাৰিছো যে আমাৰ কুকলুং বনাঞ্চলত নাই কিন্তু আপুনি যি চিৰাং বনাঞ্চলৰ কথা কৈছে সেই বনাঞ্চলৰ অধীনত বহুখিনি গছ লগোৱাৰ পৰিকল্পনা আছে আৰু আগতেও আমি লগাইছো। যদি আপুনি গছ লগোৱাৰ ßÁ ±üÅ Â ¿ÂäÂË1 Îüý ÃÂø Ëü þ÷ýÃÕ ±ËÂò±ßÁßÁÂÂ±Ë1±Ëü CAMPA ৰ জৰিয়তে আমি ২০১১-১২ চনত ২২০ হেক্টৰ, ২০১৩-১৪ চনত ৭০১ হেক্টৰ, ২০১৬-১৭ চনত ৮৭৪ হেক্টৰ, ২০১৭-১৮ চনত ৫০৩ হেক্টৰ, ২০১৯-২০ চনত ১৫০০ হেক্টৰ, ২০২০-২১ চনত ৪৮২

হেক্টৰ, ২০২১-২২ চনত ১৫০ হেক্টৰ আমি এতিয়ালৈকে বনাঞ্চল সৃষ্টি কৰিছো। ঠিক তেনেদৰে আমাৰ ইয়াত এ পি এফ বি চি নামৰ আৰু এটা প্ৰজেক্ট আছে । ইয়াৰ জৰিয়তে আমি ২০১৩-১৪ চনত ৩৯৩৫ হেক্টৰ, ২০১৪-১৫ চনত ৭৬১০ হেক্টৰ, ২০১৫-১৬ চনত ৩৬৭ হেক্টৰ, ২০১৬-১৭ চনত ২২০ হেক্টৰ, ২০২১-২২ চনত ৪৫৬.১৪ হেক্টৰ ভূমিত বনাঞ্চলৰ কাম গোটেই অসমত চলি আছে। এইটো গোটেই অসমৰ তালিকা আৰু চিৰাং বনাঞ্চলৰ কাৰণেও এখন তালিকা আছে। ২০১৩-১৪ চনৰ পৰা এতিয়ালৈকে ২০১৯-২০ চনলৈকে CAMPA ৰ জৰিয়তে ৩.২২ হেক্টৰ হৈছে। ২০২০-২১ চনলৈকে ২০ হেক্টৰৰ কাম আমাৰ সম্পূৰ্ণ হৈছে। এই ক্ষেত্ৰত মই আপুনি যদি বিচাৰে ২০১৩-১৪ চনৰ পৰা চিৰাংৰ বাবে মই তথ্য দিব পাৰো। কিন্তু মই ভাৰো যে আপুনি এই বিষয়ে জানে। এই অঞ্চলত সঁচাকৈ গছ-গছনি নাই। কিন্তু এই ঠাইখিনি তৃণভোজী প্ৰাণীৰ কাৰণে ৰাখিব লাগে।

**শ্ৰী অজয় কুমাৰ ৰায়, (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মোৰ সমষ্টিত আটাইতকৈ বেছি হাতী-মানুহৰ সংঘাত আছে। প্ৰায় প্ৰত্যেক বছৰে হাতী-মানুহৰ সংঘাতৰ বাবে ৪-৫ জন মানুহ মৰিবলগীয়া হয় আৰু হাতীও দুই-এটা মৰিবলগীয়া হৈছে। সেয়েহে ইয়াৰ বাবে কিবা ব্যৱস্থা আছে নেকি ? যদি নাই তেতিয়াহ'লে কিবা সু-ব্যৱস্থা কৰি দিলে ভাল হয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংক্ষেপে আমি এই কথাখিনি কওঁ যে হয় এই সংঘাতত বহু নিৰপৰাধী মানুহৰ মৃত্যু হৈছে আৰু আপুনি কোৱা ধৰণে বহুত হাতীৰো মৃত্যু হয়। আমাৰ সভ্যতা আৰম্ভণিৰ পাছতেই আমি ক'ব পাৰো যে আমি সংঘাত কথাটো পাইছো। কিন্তু আগতে এটা সময় আছিলে য'ত হাতী আৰু মানুহ এটা ধুনীয়া পৰিৱেশত আছিলে। আমাৰ ঘৰৰ ওচৰতো হাতী আছিলে। এতিয়া খাদ্যৰ পৰা আৰম্ভ কৰি হাতীৰ কাৰণে যি ব্যৱস্থা থাকিব লাগে সেয়া আছিল। কিন্তু লাহে লাহে এই ব্যৱস্থা বিলাক কমি আহিলে। আজিৰ দিনত আমাৰ চৰকাৰ অহাৰ পিছত আমি ক'ব পাৰো যে হাতীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। স্বাভাৱিকভাৱে হাতীবিলাক কিছুমান ঠাইত খাদ্যৰ সন্ধানত আহে। ইয়াৰোপৰি হাতীৰ কিছুমান বিচৰণস্থলী মানুহে বেদখল কৰি লৈছে। সেই সমূহ স্থানলৈও হাতী কেতিয়াবা আহে। এই সংঘাত নিৰ্মূল কৰাৰ কাৰণে আমাৰ বিভাগে বিভিন্ন সময়ত বিভিন্ন ব্যৱস্থা হাতত লৈছে। আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পাছতে আমি বনাঞ্চল সৃষ্টি কৰাৰ লক্ষ্যৰে কাম আৰম্ভ কৰিছো আৰু ইতিমধ্যে সৃষ্টি হৈছেও। কিন্তু বনাঞ্চল সৃষ্টি বা হাতীৰ বাসস্থান আগতে যেনেকুৱা আছিল তেনেকুৱা অৱস্থালৈ লৈ যাবলৈ যথেষ্ট সময় লাগিব। এটা সময় আছিল যেতিয়া বনাঞ্চল ধ্বংশ হৈছিল এই কথাটো সঁচা। মই ভাৰো বনাঞ্চল সৃষ্টি কৰিলে এই সংঘাতটো কমি আহিব আৰু হাতীৰ খাদ্যৰ কাৰণেও আমি বনাঞ্চল সমূহত খাদ্য উৎপাদন কৰিব পাৰিম তাৰবাবে কিছুমান প্ৰকল্প হাতত লৈছো। কিছুদিনৰ ভিতৰতে আমি এই কামটো আৰম্ভ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী পৰমানন্দ ৰাজবংশী।

**শ্ৰী পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই বন মন্ত্ৰী ডাঙৰীয়াক দৰঙৰ বিশেষকৈ ছিপাঝাৰ সমষ্টিৰ কুৰুৱা বনাঞ্চল সম্পৰ্কত মই সুধিব খুজিছো যে কুৰুৱা বনাঞ্চলত লাহে লাহে বেদখল হৈছে আৰু পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰা সেই বনাঞ্চল সুন্দৰভাৱে গঢ়ি তোলাৰ বাবে তেখেতৰ হাতত কিবা বিশেষ আঁচনি আছে নেকি ?

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বহুত ঠাইত বনাঞ্চল বেদখল

হৈছে আৰু কুৰুৱাতো হৈছে। আপোনালোকে দেখিছে যে আমাৰ চৰকাৰ অহাৰ পাছতে আমি এই বনাঞ্চল সমূহ বেদখলমুক্ত কৰিবলৈ যথেষ্ট চেষ্টা কৰি আছো। আজিও আমাৰ ৩০১ ত এটা উত্তৰ আছে য'ত সমগ্ৰ অসমৰ তথ্য আমি দিছো বা দিম। যিমান বেদখল হৈছিল সেই গোটেইখিনি আমি এই ৫ বা চাৰে পাঁচ বছৰত সম্পূৰ্ণ মুক্ত কৰিব পৰা নাই। কিন্তু আমাৰ প্ৰয়াস চলি আছে আৰু ইয়াৰ ওপৰত আমি পৰৱৰ্তী সময়ত যথেষ্ট কাম হাতত ল'ম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিৱসাগৰ জিলাৰ গেলেকী ৰিজাৰ্ভ আৰু নগাওঁ জিলাৰ লাওখোৱা বনাঞ্চল দুখন সুৰক্ষিত অৱস্থাত আছেনে সেয়া মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই ভালদৰে জানে যে লাওখোৱা বনাঞ্চল সম্পূৰ্ণৰূপে সুৰক্ষিত আছে বুলি আমি ক'ব নোৱাৰো কাৰণ বৰ্তমান বহুখিনি ঠাইত বেদখল আছে। আপোনালোকে সকলোৱে জানে যে কেইদিনমান আগতে নগাওঁ জিলাৰ বহুখিনি ঠাই আমি বেদখলমুক্ত কৰিছো। আজিও এইক্ষেত্ৰত আমাৰ চেষ্টা অব্যাহত আছে। ইয়াৰ উপৰিও গেলেকী ৰিজাৰ্ভতো কিছুমান ঠাইত বেদখল হৈছে। এইক্ষেত্ৰতো আমাৰ প্ৰয়াস চলি আছে। আমাৰ degraded forest য'ত আছিল সেই সমূহত যাতে আমি পুণৰ বনাঞ্চল সৃষ্টি কৰিব পাৰো তাৰবাবে চেষ্টা অব্যাহত আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৪৮। শ্ৰী আশ্ৰাফুল হুছেইন। মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমবায় বিভাগৰ যি এক গুৰুত্বপূৰ্ণ ভূমিকা, ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু সমবায় ব্যৱস্থাটো আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আছে কিন্তু দেখা গৈছিল যে যোৱা ক'ভিড পৰিস্থিতিৰ সময়ছোৱাত সমবায় সমিতিসমূহে AGM অনুষ্ঠিত কৰিবলৈ অনুমতি নোপোৱাৰ বাবে বহু সমবায় সমিতি বৰ্তমান সোলোক-ঢোলোক অৱস্থাত আছে। যিহেতু সমবায় সমিতি সমূহৰ যি বোৰ্ড বা বডি আছে সেয়া ভোটৰ দ্বাৰা গঠন কৰা হয় আৰু এই ক্ষেত্ৰত দেখা গৈছে যে ২০২০-২১ ত মাত্ৰ ৭৫ খনে অনুমতি আৰু ২০২১-২০২২ চনত ৭৬ খনে অনুমতি পোৱা নাছিল। কিন্তু মহোদয় দুখৰ বিষয় বৰপেটা আৰু বজালী জিলাত গৰিষ্ঠভাৱে আটাইখিনি, ৩৬ খনসমবায় সমিতিয়ে অনুমতি পোৱা নাছিল। এনেকুৱা কি হ'ল যে বৰপেটা আৰু বজালী জিলাত তেওঁলোকে অনুমতি নাপালে আৰু বাকী অসমত প্ৰায়খিনিয়ে অনুমতি পালে। সেই তথ্যখিনি সঠিকভাৱে মন্ত্ৰী মহোদয়ে জনাব লাগে।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবোৰ সমবায় সমিতিয়ে অসম সমবায় সমিতি আইন ২০০৭ ৰ ৩৯ নং পেৰাত নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সমবায় বৰ্ষ শেষ হোৱাৰ ৬ মাহৰ ভিতৰত অৰ্থ্যাৎ চেপ্তেম্বৰ মাহৰ ভিতৰত বছৰেকীয়া সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ বিচাৰিছিল নাইবা ১৩০ (ক) ধাৰামতে সময় বৃদ্ধিৰ অনুমতি পাইছিল, সেই সমবায় সমিতি সমূহক বছৰেকীয়া সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ অনুমতি দিয়া হ'ল। আনহাতে যিবোৰ সমবায় সমিতিয়ে extension বিচৰা নাছিল বা ৩৯ নং ধাৰামতে বছৰেকীয়া সাধাৰণ সভা অনুষ্ঠিত নকৰিলে সেই সমিতিসমূহৰ সঞ্চালক মণ্ডলীবিলাক স্বয়ংক্ৰিয়ভাৱে ভংগ হৈ যায় যাৰকাৰণে সেই সমবায় সমিতি সমুহে সাধাৰণ সভা অনুষ্ঠিত কৰাৰ ক্ষমতা হেৰুৱাই পেলায়। সেইবাবে সেই দুইখন জিলাত তেনেকুৱা হোৱাৰ বাবে এই সমিতি সমূহক বছৰেকীয়া সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ অনুমতি

দিয়া নহ'ল।

**মাননীয় অধ্যক্ষ ঃ** Second Supplementary.

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো এই উত্তৰ সম্পূৰ্ণৰূপে সঠিক হোৱাৰ সম্ভাৱনা কম এইকাৰণেই যে আমাৰ হাতত থকা তথ্য মতে সঠিক সময়ত তেওঁলোকে আবেদন কৰিছিলে কিন্তু কাৰ গাফিলতিৰ বাবে এয়া হৈ উঠা নাই তাৰ এটা উচিত তদন্ত হ'ব লাগে। ২০২০ আৰু ২০২১ চনৰ বাবে তেওঁলোকে extension ৰ বাবে যি আবেদন কৰিছিল ১-১০-২০২০ ৰ পৰা ২০-৩-২০২১ লৈকে তাৰ extension আৰু expansion দিয়াৰ সময় আছিল ২০২২ চনৰ জানুৱাৰী মাহত। ইয়াত বিষয়া সকলৰ গাফিলতি আছে আৰু তাৰবাবে তদন্ত হ'ব লাগে। আজি মই এই সদনত তাৰ তদন্ত বিচাৰিছো কাৰণ তাত জনগণে সমিতি বনাই দিছে, দৈনিক তাত ভোট অনুষ্ঠিত কৰিব, কোটি কোটি টকাৰ লেনদেন তাত হৈ আছে কিন্তু সেয়া সঠিকভাৱে হৈ উঠা নাই। অধ্যক্ষ মহোদয়, বৰপেটা আৰু বজালীৰ ক্ষেত্ৰত অতি গুৰুত্ব সহকাৰে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব সেয়া জনাব। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বস্তুবিলাক যিধৰণে বিতৰণ হৈ আছে সেয়া অসমৰ অন্য কোনো ঠাইত নহয়। অকল বৰপেটা আৰু বজালীত হৈ আছে। আজি সাৰৰ ক্ষেত্ৰতো যি দূৰ্নীতি পোহৰলৈ আহিছে ইয়াৰ লগতো সমবায় সমিতি সমূহৰ ভূমিকা আছে। সমবায় সমিতি সমূহৰ পৰা মাল নি অসমৰ অন্য ঠাইত বিক্ৰী কৰে। সেয়েহে এই Board বা Body সমূহ বৰপেটা আৰু বজালীত কেনেদৰে গঠন কৰিব এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে আমাক স্পষ্টভাৱে জনাব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো মই অনুসন্ধান কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম, (কলগাছিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা আৰু বজালীৰ কথা ইতিমধ্যে মাননীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই উত্থাপন কৰিছে। ৩৬ খন সমবায় সমিতিয়ে অনুমতি বিচৰাৰ পাছতো তেখেতসকলক অনুমতি দিয়া নহ'ল। অসমৰ আন জিলাৰ সমিতি সমূহে যি terms and condition ত apply কৰিছিল আৰু অনুমতি পাইছিল সেই একেই terms and condition fulfill কৰি তেওঁলোকে আবেদন কৰিছিল। কিন্তু বজালী আৰু বৰপেটাৰ এই সমিতিসমূহে কি অপৰাধ কৰিলে যে তেখেতসকলক অনুমতি দিয়া নহ'ল। মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিব বুলি কৈছে। গতিকে এইখিনি অতি সোনকালে অনুসন্ধান কৰিব লাগে। ইয়াৰ উপৰিও এটা ডাঙৰ খেল এই সমবায় সমিতিখনত হয়। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই দূৰ্নীতিখিনি দূৰ কৰি আমাক যদি আপোনালোকে কয় এই মানুহখিনিক আমি সন্মুখত আনি দিব পাৰিম। তেখেতসকলে সাক্ষী দিব কি কাম-কাজ বিলাক সমবায় সমিতি বিলাকত হৈ থাকে। সৰ্বসাধাৰণ ৰাইজ তাৰকাৰণে suffer কৰি আছে। অধ্যক্ষ মহোদয়, মানুহে আটা নাপায়। আটাৰ নামত কোটি কোটি টকা allotment হৈ আছে, কিন্তু আটা public য়ে নাপায়, সমবায় সমিতিত নুঠে, হিতাধীকাৰীয়ে আটা নাপায়। কাগজে কলমে গোটেইখিনি ঠিক হৈ আছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়, আপোনাৰ সমবায় সমিতিটো ছাফাই কৰাৰ কাৰণে সেই দূৰ্নীতিবিলাক মুক্ত কৰি ঠিকঠাক মতে সঠিকভাৱে চলাৰ ব্যৱস্থা আপুনি কৰাৰ কাৰণে আহ্বান জনাইছো আৰু এই বিষয়ে আপোনাৰ প্ৰতিক্ৰিয়া বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ ।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীৰ পৰামৰ্শসমূহ গ্ৰহণ কৰিছো আৰু বিষয়টো আমি গুৰুত্বসহকাৰে বিবেচনা কৰি ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া কোৱেশ্বন নং ১৪৯ - কমলাক্ষ দে পুৰকায়স্থ অনুপস্থিত আছে। এতিয়া কোৱেশ্বন নং- ১৫১ - আমিনুল ইছলাম (জ্যেষ্ঠ)

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো অসম চুক্তি ৰূপায়ণ বিভাগৰ আছিল। চৰকাৰে উত্তৰত কৈছে- অসম চুক্তিৰ ৫ নং (১) দফাত বিদেশী চিনাক্তকৰণৰ ভিত্তি বৰ্ষ ১৯৬৬ চনৰ ১ জানুৱাৰীত উল্লেখ আছে আৰু ১৯৭১ চনৰ ২৫ মাৰ্চৰ ভিতৰত তেওঁলোকক ভোটাধিকাৰ কৰ্তণ কৰা চলি আছিল কিন্তু ১৯৭১ চনৰ ১৫ মাৰ্চৰ পিছৰখিনি চিনাক্তকৰণ কৰা হ'ব কিন্তু ধৰ্মৰ কথাটো ইয়াত উল্লেখ নাছিল। গতিকে 'কা' যেতিয়া সমৰ্থন কৰা হ'ল , 'কা' পাৰিত কৰা হ'ল। ৰাজ্য চৰকাৰে যদি 'কা' টো অসমত ইমপ্লিমেণ্ট কৰে তেনেহ'লে অসম চুক্তিৰ ৫ নং দফাৰ ৫.১ দফা উলংঘন হৈ ৰ'ব। অৰ্থাৎ ১৯৭১ চনৰ পিচত অহা যিকোনো ধৰ্মৰ বিদেশী চিনাক্তকৰণ কৰি অসমৰ পৰা বহিস্কাৰ কৰিব লাগিব, অসম চুক্তিৰ যিহেতু তাত উলংঘা হৈছে। গতিকে এইক্ষেত্ৰত চৰকাৰৰ স্থিতি স্পষ্ট কৰাটো বিচাৰিছো। মই জানিব বিচাৰিছো চৰকাৰে যিহেতু কৈছিল নিৰ্বাচনৰ সময়ত অসম চুক্তি আখৰে আখৰে পালন কৰা হ'ব। এতিয়া অসম চুক্তি যদি আখৰে আখৰে পালন কৰে তেনেহ'লে 'কা' অসমত বলবৎ হ'বলৈ দিয়া নহ'ব বুলি চৰকাৰে সিদ্ধান্ত ল'ব লাগিব। এই কথাটো মই চৰকাৰৰ পৰা উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয় ।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই সদনত যিকেইটা প্ৰশ্ন উত্থাপন কৰিছে- আমি এই প্ৰশ্নকেইটাৰ উত্তৰ ইতিমধ্যে দাঙি ধৰিছো। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ ৰাজ্যখনত বিদেশী নাগৰিক বহিস্কাৰৰ দাবীত দীঘলীয়া আন্দোলন হৈছিল। এখন চুক্তিৰে ১৯৮৫ চনত আন্দোলনটোৰ সমাপ্তি ঘটিছিল। এতিয়া চুক্তি ৰূপায়ণৰ নোডেল মিনিষ্ট্ৰি হৈছে - ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়। ৰাজ্য চৰকাৰে যিখিনি কাম কৰিব পাৰে, ৰাজ্য চৰকাৰৰ ইতিমধ্যে ক্ষিপ্ৰতাৰে সেইকাম কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা গোট গঠন কৰি দিছে। চুক্তি ৰূপায়ণৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰিবলৈ ইতিমধ্যে আমি সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰ লগত বহুকেইবাৰ আলোচনাত মিলিত হৈছো । অনাগত দিনত চুক্তি ৰূপায়ণৰ বাবে আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেণ্টৰী

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিটো (খ) নং প্ৰশ্ন আছিল - তাত আছিল অসম চুক্তিৰ ৬ নং দফা মতে 'কা'ৰ কাৰণে সংৰক্ষণৰ কি ব্যৱস্থা আছে, আৰু ইয়াত অসম চুক্তিৰ ৬ নং দফাত অসমীয়াৰ কাৰণে তেওঁলোকৰ ভাষা- সংস্কৃতি ঐতিহ্য , সাংবিধানিক সুৰক্ষা এই সংৰক্ষণৰ কথাটো আছে। আৰু ইয়াত চৰকাৰে কৈছে যে এতিয়ালৈকে অসমীয়াৰ সংজ্ঞা নিৰ্দ্ধাৰিণ কৰা হোৱা নাই। আজি প্ৰায় ৩৮ বছৰ হৈছে, এতিয়ালৈকে কিয় নিৰ্দ্ধাৰণ কৰা হোৱা নাই। আজিলৈকে কাম আৰম্ভই কৰা হোৱা নাই যে অসমীয়া কোন? এই অসম চুক্তিৰ ৬ নং দফাৰ অধীনত যিসকলে সংৰক্ষণৰ আশা কৰিব- যে 'অসমীয়া কোন', ৩৮ বছৰৰ পিছতো এতিয়ালৈকে

'অসমীয়া কোন' চিনাক্তকৰণে হোৱা নাই। খিলঞ্জীয়াৰ বাবে বেলেগ এটা চলি আছে কিন্তু চুক্তিৰ যিটো অসমীয়াৰ সংজ্ঞা সেইটো এতিয়ালৈকে আৰম্ভ কৰা হোৱা নাই। আৰু প্ৰথম কোৱেশ্বন যিটো আছিলে এই কথাটো মন্ত্ৰী মহোদয়ে ভালকৈ উত্তৰ দিয়া নাই। তাত আছিলে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিচত অহা সকলো বিদেশীক চিনাক্তকৰণ কৰি খেদিব লাগিব তাত ধৰ্মৰ কথা নাই। চৰকাৰে অসম চুক্তি আখৰে আখৰে মানিব বুলি কৈছিল তেতিয়াহ'লে ক'ব লাগিব 'কা' কেতিয়াও অসমত আমি মানি নলওঁ । 'কা' মানি ল'লেই এই অসম চুক্তিৰ ৫ নং দফা উলংঘা হ'ব। এই কথাটো চৰকাৰে স্পষ্ট কৰাটো বিচাৰিছো। আৰু অসমীয়াৰ সংজ্ঞাটো কেতিয়া নিৰ্দ্ধাৰিণ কৰা হ'ব এইটো আপোনাৰ জৰিয়তে চৰকাৰৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ ৬ নং দফাত অসমীয়া লোকৰ ভাষা- সংস্কৃতি, ঐতিহ্য, সাংবিধানিক সুৰক্ষা আদিৰ কথা উল্লেখ আছে। আমি সকলোৰে জানো যে এতিয়ালৈকে অসমীয়াৰ সংজ্ঞা নিৰ্দ্ধাৰিণ কৰা হোৱা নাই। অসমীয়াৰ সংজ্ঞা নিৰূপণৰ বাবে অসম চৰকাৰে ২০০৬ চনৰ অক্টোবৰৰ মাহত মন্ত্ৰীসভাৰ এখন উপসমিতি গঠন কৰি দিছিলে। সেই উপ-সমিতিয়ে বিভিন্ন ৰাজনৈতিক দল আৰু অৰাজনৈতিক সংগঠনৰ লগত আলোচনা কৰিছিলে। যেনে - সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন ছাত্ৰ সংগঠন সমূহৰ মতামত বিচাৰিছিল। তাৰ ভিতৰত কেইটামান সংগঠনে মতামত দিলে বাকীবিলাকে নিদিলে । সৰহ সংখ্যক সংগঠনে মতামত নিদিলে যাৰ ফলত আলোচনাৰ মাধ্যমত অসমীয়াৰ সংজ্ঞা নিৰ্দ্ধাৰিণ কৰাৰ বাবে সেই সময়ত নিৰ্দ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব পৰা নগ'ল। ইয়াৰ পৰৱৰ্ত্তী সময়ত অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত প্ৰণৱ গগৈ দেৱে অসমৰ প্ৰায় সকলো জাতি-জনগোষ্ঠীৰ জাতীয় সংগঠনৰ প্ৰতিনিধিত্ব কৰা ৫৩ টা দল সংগঠনৰ মতামত লৈ ২০১৫ চনৰ বিধান সভাৰ যোগেদি অসমীয়াৰ সংজ্ঞা নিৰ্দ্ধাৰিণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছিল। এই সন্দৰ্ভত তেখেতে এখন প্ৰতিবেদন প্ৰস্তুত কৰিছিল যদিও কোনো ধৰণৰ ঐক্যমতত উপনীত হ'ব নোৱাৰিলে। গতিকে যোৱা সময়ছোৱাত অসমীয়াৰ সংজ্ঞা নিৰ্দ্ধাৰিণৰ প্ৰচেষ্টা লোৱা হৈছিল যদিও সেয়া আজিলৈকে সম্ভৱ হৈ উঠা নাই। যোৱা দিনকেইটাত আমি সদৌ অসম ছাত্ৰ সন্থাৰ লগত বহুকেইবাৰ আলোচনাত মিলিত হৈছো আৰু ইয়াৰ ৰূপৰেখা অকল অসমীয়াৰ সংজ্ঞা বুলি নহয় এখন ৰোড মেপ প্ৰস্তুত কৰি চুক্তি ৰূপায়ণৰ বাবে আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো। নাগৰিকৰ সংশোধনী বিষয়টো আমাৰ ৰাজ্য চৰকাৰৰ হাতত নাই, এই বিষয়টো সম্পূৰ্ণ কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰে আৰু অসম চুক্তিৰ বিভিন্ন দফা ইতিমধ্যে আমাৰ কাৰ্য্যকৰীকৰণ হৈছে। বাকী দফাসমূহ যিখিনি গতানুগতিক আছে আমি পৰৱৰ্ত্তীসময়ত কাৰ্য্যকৰণৰ ব্যৱস্থা হাতত ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত প্ৰণৱ গগৈ ডাঙৰীয়াই সকলো ৰাজনৈতিক দল, আঞ্চলিক দল বা সৰ্বভাৰতীয় ৰাজনৈতিক দলেই হওঁক এটা আলোচনা অনুষ্ঠিত কৰিছিল অসমীয়াৰ সংজ্ঞা সম্পৰ্কত। সেই সময়ত অসমৰ প্ৰায় সকলো ছাত্ৰ সংগঠনৰ লগত আলোচনা কৰি এটা প্ৰতিবেদন দাখিল কৰিছিল। মই ভাবো অধ্যক্ষ মহোদয়, সেই প্ৰতিবেদনখনত যদি পুনৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এই দিশটো চাই অসমীয়াৰ সংজ্ঞা নিৰ্দ্ধাৰিণ কৰিব পাৰে তেতিয়া সুবিধা হয়। মই ভাবো যে আমাৰ ৰাজ্য চৰকাৰে এই প্ৰতিবেদনখন পুনৰ বিবেচনাৰ বাবে ল'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্য মন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰকৃততে আমাৰ সমস্যাটো হৈছে যে অসমীয়াৰ সংজ্ঞা নিৰূপন কৰিবলৈ যাওঁতে তাত দুটা সংজ্ঞা পৰে। ' অসমীয়া' বুলি ক'লে মই বুজো যিয়ে অসমত জন্ম গ্ৰহণ কৰি অসমৰ ভাষা- সাহিত্য, সংস্কৃতি গ্ৰহণ কৰিছে তেওঁ অসমীয়া । সমস্যাটো হৈছে the definition of Assamese in the context on Clause -6 of Assam Accord. আজি মই অসমত জন্ম গ্ৰহণ কৰিছো , মোৰ দেউতা বৈধ নাগৰিক, মই বৈধ নাগৰিক- মই যেনিবা মহাৰাষ্ট্ৰৰ মানুহ এজন। ইয়াত মই ২-৩ টা জেনেৰেশ্যন আছো , আজি আপুনি কি মোক ক'ব পাৰিব নেকি যে মই অসমীয়া নহয় , মাৰাঠী হয়। গতিকে আবেগিকভাবে যিয়ে অসমক নিজৰ 'মা' বুলি ভাবে সকলো অসমীয়া । সমস্যাটো হৈছে যে, we want a legal definition of Assamese in the context of Clause-6 of Assam Accord. অসম চুক্তিৰ ক্লজ চিক্সৰ অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰি কাক আমি প্ৰটেকশ্যনলৈ লৈ যাম। আবেগিক অসমীয়াটোলৈ সমস্যা হোৱা নাই যে কোনোবা অসমীয়া হয় -কোনোবা নহয়। বহু মানুহে মনত দুখ পায় যে ৩ টা জেনেৰেশ্যন মই অসমত থাকিলো, মোৰ ল'ৰা-ছোৱালীয়ে অসমীয়া মিডিয়ামত পঢ়ি আছে, অসমীয়া কয়, বিহু মাৰিছে, মোৰ দেউতা ১৯৫২ চনত আহিল কাৰণে মই অসমীয়া নহয় নেকি ? গতিকে এটা হ'ল আবেগিকভাবে সকলোৱে অসমীয়া। কালিলৈ যদি কোনোবাই কয় মই আৰ্মিত কাম কৰিছিলো, ৰিটায়াৰমেন্ট কৰিলো এতিয়া অসমতে থাকি যাম । He is Assamese , আমাক লাগে কি অসমীয়া - in the context of Clause 6 of Assam Accord. আমাৰ ইয়াত বহুবাৰ আলোচনা হৈছে যে চনটোলৈ আমি অসমীয়া নিৰ্দ্ধাৰণ কৰিম নে নৃতাত্বিকভাবে আমি অসমীয়া নিৰ্দ্ধাৰণ কৰিম। কাৰণ অসমীয়া বুলি ক'লে ইয়াত বেলেগ নাই নৃতাত্বিকভাবেতো অসমত অসমীয়া আছেই। ২০০-৩০০ ৫০০ বছৰৰ পৰা যিসকল অসমত আছে তেওঁলোক নৃতাত্বিকভাবে অসমীয়া। আমি এই সমস্যাটো সমাধান কৰাৰ কাৰণে চেষ্টা কৰিম। আবেগিক ভাৱে আমি সকলোৱে অসমীয়া। ইয়াক লৈ কোনো বিতৰ্কৰ কথা নাই। খালী লিগেল ডেফিনেচন, যে Clause VI ৰ অসমীয়া সংজ্ঞাই কাক কাক সামৰি ল'ব, আমাৰ সিমানটোৱে জানিব লাগে। অসমীয়াৰ সংজ্ঞা নাই বুলি ক'লে বাহিৰত মানুহে হাঁহিব যে, অসমীয়াৰ সংজ্ঞা নাই, অসমীয়াৰ সংজ্ঞা আছে। Definitely আমি সকলোৱে অসমীয়া। কিন্তু Assamese in the context of Clause vi of Assam accord. সেইটোহে আমাৰ বিচাৰি পাব বাকী আছে। সেইটোৰ কাৰণে মই ভাৱো যে, এইবাৰ যিখিনি সংগঠন সমূহৰ লগত কথা পাতি আছোঁ। যেনেকৈ অসমৰ বহুত সমস্যা আমি এইবাৰ শেষ কৰিছোঁ। এই সমস্যাটো Definitely আমি এইবাৰ শেষ কৰাৰ কাৰণে চেষ্টা কৰিম।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** Point of order.

**মোঃ নুৰুল হুদা (ৰূপহীহাট) ঃ** Point of order.

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** Point of order.

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো) ঃ** Point of order.

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য, বহকচোন, মই আগতে কৈ আছোঁ। এটা expunge কৰিব লাগে, সন্মানীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই Chairক ৰিকুৱেষ্ট কৰিছিল যে, Chairৰেহে বেছিকৈ সময় লৈ আছে, বেছিকৈ কথা কৈ আছে, Chairক accuse কৰিব নোৱাৰে এইটো expunge কৰি দিব লাগে।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** Point of order.

**মাননীয় অধ্যক্ষ ঃ** Point of order কোনটোৰ ওপৰত। আপুনি নম্বৰটো কওক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** Point of order.

**মোঃ নুৰুল হুদা (ৰূপাহীহাট)ঃ** Point of order.

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে একেলগে ৫-৬ জন কিয় উঠে? এজন এজনকৈ কওঁক।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো) ঃ** Sir, Question no 153, Point of order.

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** Sir, সদনত মোৰ এটা তৰাবিহীন প্ৰশ্ন আছিল ২৪৩।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কোনটো Rule ত আনিব খুজিছে? যিকোনো কথা যিকোনো সময়ত বিধান সভাত উত্থাপন কৰিব নোৱাৰে। গতিকে Point of order, কৰবাত যদি বিসংগতি হৈছে। কোনটো ক্লজত কোৱা হৈছে যে আপুনি কোৱা কথাটো সেই মতে কিবা কৰিব লাগে, সেইটো কওঁক।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** Rule Under 158 & 159.

**মাননীয় অধ্যক্ষ ঃ** ১৫৮ ৰ কিমান নং পৃষ্ঠাত? পৃষ্ঠা নং ৭৯, কওক আপুনি। ১৫৮ ত আপুনি কোনটোৰ কাৰণে আনিব খুজিছে?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** P & RD বিভাগক মই প্ৰশ্ন কৰিছিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** নহয়, নহয়, চাওঁক, ইয়াত লিখা আছে breach of privilege either of a member or of the House or of a Committee there of may with the concerned with the Speaker to the notice of the House by a complain, by a petition, by a report, ঠিক আছে, এতিয়া আপুনি কওঁক কোনটোত আপোনাৰ complain আছে।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** এই complain under rule 158 & 159. মই দুদিনকৈ আপোনাক নটিছত দিছো, লিখিছো, আপুনি ছাৰ, breach of privilege হিচাপে অনা হৈছিল, যিহেতু breach of privilege এলাও কৰা নাই, সেইকাৰণে মই নটিছত মোৰ কমপ্লেইন খিনি দিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিটো নটিছ দিছে, সেই নটিছ খন ১৫৯ত কভাৰ নহয়, ঠিক আছে। ১৫৯ ত আপুনি যিটো নটিছ আনিছে যে আপোনাৰ প্ৰশ্নৰ উত্তৰটো সঠিক নহয়, বেলেগ কৰিছে। কিন্তু মই যিটো চাইছো উত্তৰটোতো সঠিকেই হৈ আছে।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** নহয়, ছাৰ, মই আপোনাক দেখুৱাই আছোঁ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো পঢ়কচোন।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** প্ৰশ্নটো আছিল যে গোৱালপাৰা জিলাত ব্লক লেভেল ভিজিলেন্স এণ্ড মনিটৰিং কমিটি গঠিত হৈছে নে নাই? উত্তৰ দিলে হৈছে বুলি। কিন্তু এইটো মিছা কথা। যাৰ কাৰণে যোৱা ২৫ তাৰিখেহে নটিফাই কৰিলে। চৰকাৰে যিটো ৰেফাৰেন্স নম্বৰ পট কৰিছে সেইটো হৈছে এটা গাইড লাইন। সেই গাইড লাইনটোকে কলে যে তেওঁলোকে গোৱালপাৰা জিলাত ৮ টা ব্লকত ব্লক লেভেল ভিজিলেন্স এণ্ড মনিটৰিং কমিটি গঠন কৰিছে। মই আপোনাৰ তাতে যেতিয়া ব্ৰিচ অফ পিভিলেজ মোচন মোভ কৰিছিলো, এই কথাটো হয়তো বিভাগে জনাৰ পিছত ২৫ তাৰিখত নটিফাই কৰিলে। সদনত ভুল ৰিপ্লাই দিলে। সেই কথাখিনি আপোনাৰ knowledgeত দি দিছো, সদনত ভুল ৰিপ্লাই দিলে।

**মাননীয় অধ্যক্ষ ঃ** নহয়, মই knowledgeত পালো। সন্মানীয় সদস্য হৈছে, আপুনি যিটো কৈছে মই বুজি পাইছোঁ। আপুনি তিনি চাৰিবাৰ সলাই সলাই আপুনি দি আছে, latest যি আছে মই সেইটোতো পোৱায়ে নাই। আপোনাৰ সেইদিনাই reject হৈছে একে প্ৰশ্নৰ ওপৰত। গতিকে আপুনি এটা প্ৰশ্ন কৰিছিল যে টেক্সৰ পইচাখিনি কি কৰিছে।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** সূতৰ পইচাৰ ওপৰত উত্তৰ দিলে যে কাম লোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** নহয়, সেইটো আপুনি বিসংগতি বুলি কৈছিল, বিসংগতি নহয়। এইটো আপোনাৰ প্ৰশ্নৰ লগত সংগতি ৰাখিয়ে সেই উত্তৰটো আছিল।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** এটা দিলে ভুল উত্তৰ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ নটিছটো অগ্ৰসৰ হৈছে। এতিয়া Zero Hour.

**মোঃ নুৰুল হুদা (ৰূপহীহাট) ঃ** অধ্যক্ষ মহোদয়, এক মিনিট ছাৰ, মাননীয় মুখ্যমন্ত্ৰী সদনত আছে।

**মাননীয় অধ্যক্ষ ঃ** কোনটো নিয়মত আপুনি কব খুজিছে, পইন্ট অৰ অৰ্ডাৰ??

**মোঃ নুৰুল হুদা (ৰূপহীহাট)ঃ** মই এটা Zero Hour দিছিলো সেইটো অহা নাই। গতিকে মই আধা মিনিটত এই কথাখিনি অৱগত কৰিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ইয়াৰ পৰা as per Rule কোনটোত আপুনি পইন্ট অৰ অৰ্ডাৰ খুজিছে?

**মোঃ নুৰুল হুদা(ৰূপহীহাট) ঃ** অধ্যক্ষ মহোদয়, জৰুৰী বিষয়টো পইন্ট অৰ অৰ্ডাৰত কব পাৰি, ৰাজ্য খনৰ জৰুৰী বিষয় এটা। ছাৰ, এনেকুৰা হৈ আছে আমাৰ বিদেশী ন্যায়ধীশৰ সন্মূখত বিদেশী ন্যায়ধীশৰ সদস্য সকলে সম্পূৰ্ণ প্ৰমাণ পাতি দিয়াৰ পিছতো এটা স্কুল প্ৰমাণ পত্ৰত অশোক চক্ৰ থকাৰ কাৰণে সেই মানুহজনক বিদেশী কৰিছে। গতিকে অশোক চক্ৰটো ব্যৱহাৰ কৰিছে স্কুল হেড মাষ্টৰজনে। গতিকে তাৰ কাৰণে দায়ী হেড মাষ্টৰজন।

**মাননীয় অধ্যক্ষ ঃ** Specific কিবা আছে আপোনাৰ? Specific টো কওঁক, আপুনি সদনত দি দিয়ক আমি concerned Ministerক দি দিম।

**মোঃ নুৰুল হুদা (ৰূপাহীহাট) ঃ** এই কথা অনুৰোধ কৰিব খুজিছো আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক, এই অযুহাতত নামজাৰী মানুহজন ঢুকাই গৈছে, ঢুকোৱাৰ পিছত নামজাৰী হৈছে, ঢুকোৱাৰ পিছত নামজাৰী কিয় হ'ল? কাৰ কাৰণে ৰিজেক্ট কৰিলে? এনেকুৰা সৰু সুৰা কথাত বিদেশীবিলাক সজোৱা হৈছে, গতিকে এই ক্ষেত্ৰত মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব হ'ব, আপুনি সেইটো দি দিলেই হ'ল।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** অধ্যক্ষ মহোদয়, যোৱাকালি আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিলোঁ সীমাৰ যিটো চুক্তি হৈছে, এই চুক্তিৰ বিষয়ে কিবা lay কৰে যদি মই অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, অলপ পিছত নে একেবাৰে দি দিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, অলপ দেৰিকৈ যিখন চুক্তি হ'ল তাৰ ওপৰত এটা মই statement দিম।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ (বৰপেটা) ঃ** অধ্যক্ষ মহোদয়, এটা clarification আছিল, DRSC

ৰ কমিটিটো Assembly ৰ এটা পাৰ্ট হয়, Assembly চলি থকা সময়ত বা DRSC meeting চলি থকাৰ সময়ত তেতিয়া আমাৰ বৰপেটা জিলা বা বহুত ঠাইত এনেকুৱা হৈ আছে আমাৰ ইয়াতে Model Anganwadi foundation stone কৰা হ'ল যোৱা ২৪ তাৰিখত। যিদিনা আমাৰ ইয়াত DRSC meeting চলি আছে ১০ বজাত মোক তাত মাতিলে আগদিনা হোৱাট্চএপত এখন চিঠি পালো, সেইখনো মোক দিয়া নাই আমাৰ জি পি ৰ প্ৰেচিডেন্ট এজনক দিছে। গতিকে এই মডেল অঙ্গনবাড়ী কেন্দ্ৰ সমূহৰ লিষ্ট বিধায়ক সকলৰ পৰা লোৱা হৈছিল। গতিকে আমি গাঁও বিলাকত গৈ গৈ চাৰ্ভে কৰি দিছো, গোটেই মানুহে আশাবাদী আছিল। আমি সেইবিলাকত উপস্থিত থাকিব নোৱাৰিলো এনেকুৱা সময়ত এইটো সিদিনা শুভাৰম্ভণী কৰা হ'ল। গতিকে এই বিষয় বিলাক চাব।

**ড° ৰফিকুল ইছলাম (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত ............

**মাননীয় অধ্যক্ষ ঃ** হ'ব, মাননীয় সদস্যই যিটো বিষয় কৈছে, মোক ক'বলৈ দিয়ক। আমাৰ মাননীয় সদস্যই এটা নটিছত আনিছে যে সদন চলি থকাৰ সময়ত যেতিয়া আঁচনি বিলাক শুভাৰম্ভণী কৰে তেতিয়া বিধায়ক সকলে ক'ৰবাত ক'ৰবাত থকাতো প্ৰয়োজন আছে আৰু সেইটো সময়ত আমন্ত্ৰণ জনোৱা হয়। গতিকে তেখেতৰ কথাটো হ'ল বিধান সভা চলি থাকিলে যিহেতু বিধায়ক সকল ব্যস্ত থাকে এই সময়ত যাতে চৰকাৰী বিষয়া সকলে বিধায়ক সকলৰ লগত কণচাৰ্ণ নকৰাকৈ তেনেকুৱা প্ৰগ্ৰেম যাতে নলয়। Hon'ble Parliamentary Affairs Minister য়ে ক'ব।

**ড° ৰফিকুল ইছলাম (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত মন্ত্ৰী মহোদয়ে নিজেই নাজানে তেখেতৰ বিভাগৰ কাম, তেখেতকো নিমন্ত্ৰণ জনোৱা নাই আৰু মোকো জনোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** হৈছে হৈছে।

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, কামটো যাতে দেৰি হৈ নাযায়, তাৰ কাৰণে কৰা হয় কেতিয়াবা। বিধায়কক কন্চাৰ্ণ কৰি কৰা হ'ব গোটেইখিনি।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** ছাৰ, মোৰ এটা তৰা বিহীন প্ৰশ্ন আছিল, এইটো গুৰুত্বপূৰ্ণ।

**মাননীয় অধ্যক্ষ ঃ** নালাগে আৰু । মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া এতিয়া পইন্ট অৱ অৰ্ডাৰ নহয়, শূণ্যকালীন ঘন্টা। এতিয়া মই মাননীয় শ্ৰী আমিনুল ইছলাম (জেষ্ঠ) ডাঙৰীয়াক শূণ্যকালীন ঘন্টাৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো ।

**শ্ৰী অমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। কালি গণ অধিকাৰ কাকতত প্ৰকাশিত গোশালাত খাদ্য চিকিৎসাৰ অভাৱত ৩০ টাতকৈ অধিক গোধনৰ মৃত্যু, পশুধনৰ আলৈ-আথানি শীৰ্ষক প্ৰকাশিত বাতৰিতো মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো চৰকাৰক আৰু এই কথাটো দেখিছো আৰু ইতিমধ্যে আজি প্ৰশ্নোত্তৰ কালত এই বিষয়তো আহিছিলে। অসমত ক'ত ক'ত কিমান গোশালা আছে আৰু এই গোশালা বিলাকত কিমান গোধনৰ মৃত্যু হৈছে এই বিলাক কথা মন্ত্ৰী মহোদয়ে প্ৰশ্নোত্তৰ কালত এই বিলাক কথা জনাইছে। কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল যে প্ৰশ্নোত্তৰ কালত তাত ২৮ টা কেন্দ্ৰ অসমত দেখুওৱা হৈছে আৰু বেছিভাগ বে-চৰকাৰী যিবিলাক গোশালা আছে এই গোশালা বিলাকত গোধনৰ খাদ্য দিয়া নহয় সময় মতে, চিকিৎসা দিয়া নহয় যাৰ কাৰণে অধিকাংশ গো-ধনৰ মৃত্যু হয় আৰু এইটো এটা দুৰ্ভাগ্যজনক কথা য'ত আমাৰ চৰকাৰে ড্যা আসাম কেট্‌ল প্ৰিজাৰভেচন বিল পাছ কৰিছে আৰু মানুহৰ আবেগ জড়িত হৈ আছে এই বিষয়টোৰ লগত আৰু সেই আবেগক সন্মান জনাই বিল অনা হৈছে আৰু য'ত গো-ধন পুহিবলৈ এৰি দিয়ে বিক্ৰী কৰিব নোৱাৰিব সেই বিলাক যাতে

যধেমধে ঘুৰি নুফুৰে মানুহৰ খেতি পথাৰত তাৰ কাৰণে গোশালা ব্যৱস্থা কৰা হ'ব বুলি এই বিলত চৰকাৰে আইনত পাৰিত কৰিছে। এতিয়া তাৰ পিছত সেই গোশালাত যদি এনে ধৰণৰ অৱস্থা হয় তাত নাখায় নাখায় খাদ্যৰ অভাৱত তাত গো-ধন উঠি থিয় হ'ব নোৱাৰে, খাদ্যৰ অভাৱত তিলতিলকৈ মৃত্যুৰ মুখত পৰে তেনেহ'লে এই আবেগৰ কি মূল্য আছে, য'ত কিছু লোকৰ আবেগৰ মূল্য দি কেট্‌ল প্ৰিজাৰভেচন বিল পাছ কৰা হ'ল। উত্তৰ-প্ৰদেশৰ বহুতে ফটো আমি পাওঁ তাত কিছুমান গোশালাৰ পৰা ট্ৰাকে ট্ৰাকে ডেডবʼদি নি পুটি দিয়া হয়। আচলতে এইটোলৈও এটা দুৰ্নীতিৰ কাৰবাৰ হয়। তাৰ মানে যিটো এলোকেচন হয় এই খাদ্য, চিকিৎসাৰ নামত গোধনৰ সেইটোত অবাধ দুৰ্নীতি হয়। খাবলৈ নিদিয়ে বহুত আমি এনেকুৱা ফটো বিলাক দেখিছো। সিদিনা গোৱালপাৰাৰ এটা ফটো দেখিছো যে গৰু বিলাক উঠিবই নোৱাৰে। একদম কংকাল হৈ গৈছে। তাত যি সকল কেয়াৰ টেকাৰ আছে সেই সকলে খাবও নিদিয়ে আৰু টকাবিলাক আত্মসাত কৰে। গতিকে এই আবেগক যেনেকৈ মূল্য দিওঁ, ঠিক তেনেদৰে গো-ধনক উপযুক্ত আমি তদাৰকো কৰিব লাগিব। নগাওঁ জিলাৰ চিঙিৰিত এখন ব্যক্তিগত গোশালা আছে য'ত দৈনিক বহু গৰু নাইকীয়া হৈ আছে । কিন্তু পিছত মৰি গ'ল বুলি চাৰ্টিফিকেট এখন দি দিয়ে। ক'ত বিক্ৰী কৰিলে এই বিলাক গম পোৱা নাযায়। গতিকে ইয়াৰ ওপৰতো এটা তদন্ত কৰিব লাগে আৰু যিবিলাক গৰুৰ মৃত্যু হয় ইয়াৰ সৰহ সংখ্যকে খাদ্যৰ অভাৱত বেমাৰত পৰি মৃত্যু মুখত পৰে। গতিকে চৰকাৰে এই বিষয় বিলাকত গুৰুত্ব দিব লাগে । আচলতে কাৰাগাৰত বন্দী কৰাৰ দৰে গৰু বিলাকক ৰাখি খাদ্যৰ অভাৱত মৃত্যুৰ মুখলৈ ঠেলি দিয়া হয়, এইটো আচলতে গো-মাতাৰ প্ৰতি অপমানহে। প্ৰকৃততে গো-মাতাৰ প্ৰতি আমাৰ কোনো দৰদ নাই। আমি গোমাতাৰ আবেগক লৈ ৰাজনীতিহে কৰিছো। আমি সদনত বিল পাৰিত কৰি গোশালা বনালো তাৰ পিছত খাবলৈ নিদি মৃত্যুৰ মুখলৈ ঠেলি দিলো আৰু আমি একো একচন নললো আৰু এই বিলাক কথা লৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো । যদি সঁচা অৰ্থত কেটেল প্ৰিজাৰভেচন বিল খন পশুধনৰ প্ৰতি থকা মৰমৰ বাবে পাৰিতকৰণ কৰিছো তেতিয়াহ'লে এই গোশালক বিলাকে পশুখাদ্য ক্ৰয় নকৰি সমষ্ট ধন আত্মসাত কৰি পশুধন বিলাকক যে মৃত্যুৰ মুখলৈ ঠেলি দিছে ইয়াৰ এটা তদন্ত কৰিব লাগে। বিলখনত যিহেতু আইন অমান্যকাৰী সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে কিছুমান বব্যস্থা ৰখা হৈছে । গতিকে এই বব্যস্থা আইন অমান্যকাৰী সকলৰ বিৰূদ্ধে গ্ৰহণ কৰিব লাগে ।

দ্বিতীয়তে, আমাৰ পশুধন সমূহৰ যাতে আলৈআথানি নহয় তাৰ বাবে চৰকাৰে কিছুমান বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয় ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোশালাৰ বিষয়টো প্ৰশ্নত্তোৰ শিতানতো আহিছিল আৰু তেতিয়াহে মই মোৰ ক'বলগীয়াখিনি কৈছিলো । মাননীয় সদস্য আমিনুল ইছলামা ডাঙৰীয়াই শূণ্যকালীন ঘন্টাত যিটো বিষয় চৰকাৰৰ দৃষ্টিগোচৰ কৰিছে সেইটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় ।

মই প্ৰশ্নোত্তৰ শিতানত আগতেও উল্লেখ কৰিছিলো যে বৰ্তমান ৰাজ্যখনত চৰকাৰী আৰু বে-চৰকাৰী খণ্ডত প্ৰায় ১৬ খন গোশালা আছে আৰু আমি এই গোশালা বিলাকৰ অভাৱ অভিযোগ সমূহ দূৰ কৰাৰ বাবে চেষ্টা কৰি আছো । তেখেতে অভিযোগ কৰা গোশালাত খাদ্য আৰু চিকিৎসাৰ অভাৱত জাগিৰোডৰ তোপাতলিত ৩০ টাতকৈ ও অধিক গৰু নিধন হোৱাৰ কথা উল্লেখ কৰিছে । আৰু আমি অতি গুৰুত্বসহকাৰে এই বিষয়টো গ্ৰহণ কৰাৰ লগতে অনাগত দিনত ৰাজ্যখনৰ গোশালা

বিলাক অধিক কাৰ্য্যক্ষম কৰি তাত থকা পশুধন বিলাকক যাতে উপযুক্ত চিকিৎসা প্ৰদান কৰিব পাৰো তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পৰমানন্দ ৰাজবংশী।

**শ্ৰী পৰামনন্দ ৰাজবংশী (ছিপাঝাৰ) ঃ** যোৱা ২৮ তাৰিখে নিয়মীয়া বাৰ্তাত প্ৰকাশিত আত্মনিৰ্ভৰশীল অসম আৰু আধ্যাত্মীক, সাংস্কৃতিক আৰু বাণিজ্যিক সম্প্ৰসাৰণেৰে আমাৰ যি দৌল উৎসৱ ম্লান পৰি গৈছে সেই সন্দৰ্ভত এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ পাইছিল আৰু সেই সম্পৰ্কত মই আজি সন্মানীয় সদন আৰু আপোনাৰ জৰিয়তে আমাৰ সংশ্লিষ্ট মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে দৰং জিলা বুলি কোৱাৰ লগে লগে আপোনাৰ সমষ্টিৰো জিলাখন পৰিব যিহেতু দৰং জিলাৰ ওচৰত আৰু বৰ্তমানৰ দৰং জিলা। খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু পৰম্পৰাৰ এক উৎকৃষ্টতম নিদৰ্শন হৈছে দৰঙৰ দেউল উৎসৱ। খ্ৰীঃ দশম একাদশ শতিকাৰ শাস্ত্ৰজ্ঞ ধৰ্মদেৱ ভূঞাই পাতনি মেলা এই উৎসৱ মূলতঃ বিষ্ণুৰ পূজা। ৰজা ধৰ্মনাৰায়ণ তথা উত্তৰসূৰী দৰঙী ৰজাঘৰে এই বৈষ্ণৱ ভাবাদৰ্শৰ অৰ্চনা আৰু বন্দনাক সাংস্কৃতিক আৰু বাণিজ্যিক মেলা হিচাপে গঢ়ি তোলাৰ বিশেষ উদ্যোগ গ্ৰহণ কৰে। দেওমৰনৈৰ শিয়ালা বৈষ্ণৱ আশ্ৰমৰ পৰা সম্বৎসৰ ভূঞাই (ধৰ্মদেৱ) ছিপাঝাপ কৰেই চুবাত আৰম্ভ কৰা বৰদেউল আজি বৰদৌলগুৰি হিচাপে জনপ্ৰিয়।

আধ্যাত্মিক বৰভেটিত সাংস্কৃতিক আৰু বাণিজ্যিক আদান প্ৰদানৰ ক্ষেত্ৰ হিচাপে পৰিগণিত দৰঙৰ দেউলক অসমৰ সাৰ্বজনীন বিহু লোকাচাৰৰ ভিত্তিত বিহু বুলিও আখ্যা দিয়া হয়। তাৎপৰ্যপূৰ্ণ ভাৱে ছয় বহাগৰ ঘোপাত অনুষ্ঠিত দেউলক বিহুভঙা দেউল হিচাপে জনাজাত। সপ্তবিগ্ৰহ প্ৰতীক সাতখলপীয়া মাটিৰ দেউলৰ শীৰ্ষভাগত বিষ্ণুপূজাৰ বাঁহ কৃত, নাগপাশ মৎস্যসহ দুই মগৰযুক্ত সিংহাসনেৰে এই দেউল উছৱৰ মূল তাৎপৰ্য খিলঞ্জীয়া আৰু জনজাতীয় লোক বিশ্বাসৰ উৰ্বৰতা আৰু প্ৰজননহে।

দৰঙী ৰজাঘৰে প্ৰণালীবদ্ধভাৱে এই দেউলত ব্যাস সংগীত তথা দৰঙী লোককৃষ্টি প্ৰদৰ্শনক প্ৰাধান্য দিয়াৰ উপৰিও ওচৰ চুবুৰীয়া ৰাজ্য আৰু গুৰুত্বপূৰ্ণ স্থানৰ পৰা বিভিন্ন বয়বস্তুৰে বাণিজ্যিক সম্প্ৰসাৰণত গুৰুত্ব দিয়াৰ বাবে এই দেউল সাৰ্বজনীন উছৱ হিচাবে পৰিগণিত হৈছিল।

সত্তৰ আৰু আশীদশকত উজনীৰ বিহু নাচ আৰু গীত তেজপুৰ, গুৱাহাটীৰ মঞ্চ বিহুৰ মাধ্যমেৰে দৰঙতো লাহে লাহে প্ৰবেশ কৰি সম্প্ৰতি দৰঙৰ পূৰ্বৰ দেউলৰ গৰিমা আজি ম্লাণ কৰি পেলাইছে।

ঐতিহ্যমণ্ডিত দেউল উছৱৰ সৈতে আধুনিক বিহু গীত-নাচৰ সমন্বয় সাধন কৰি দৰঙৰ দেউলক এক নতুন মাত্ৰা দিয়াৰ বাবে অসম চৰকাৰখনক গুৰুত্ব দিবলৈ অনুৰোধ জনালো । আত্মনিৰ্ভৰশীল অসম আৰু আধ্যাত্মিক, সাংস্কৃতিক বাণিজ্যক সম্প্ৰসাৰণেৰে অবিভক্ত দৰঙক নতুন মাত্ৰা দিয়াৰ বাবে বহাগৰ প্ৰতিটো দিনতে গঢ় লৈ উঠা দেউলক দৰঙী ৰাজঘৰে পৃষ্ঠাপোষকতা আগবঢ়োৱাৰ দৰে আমাৰ চৰকাৰখনে সেই আদৰ্শ দেখুৱাবনে?

হেৰাই যাব ধৰা দৰঙৰ কৃষ্টি সংস্কৃতি আৰু বাণিজ্যক দিশ তথা আধ্যাত্মিক দিশ পুনৰ শক্তিশালী কৰাৰ বাবে আমাৰ চৰকাৰখনে দৰঙৰ দেউল উৎসৱক লৈ এক বিশেষ আঁচনি ঘোষণা কৰা আৰু দেওমৰনৈৰ শিয়ালা বৈষ্ণৱ আশ্ৰম খনক নতুন ৰূপত গঢ়ি তোলাৰ বাবে আমাৰ দাবী এই পৱিত্ৰ সদনত উত্থাপন কৰিলোঁ।

**শ্ৰী বিমল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৭ মাৰ্চৰ নিয়মীয়া বাৰ্তা বাতৰি কাকতত প্ৰকাশিত বাতৰিটো আমাৰ বিভাগৰ দৃষ্টিগোচৰ হৈছে আৰু চৰকাৰী পৃষ্ঠপোষকতাৰে

দৰঙক আগবঢ়াই নিয়াৰ আহ্বান জনাইছে ৰঙিয়া বাসী ৰাইজে আৰু সেই বাতৰিক আগ ধৰি মাননীয় বিধায়ক পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই আজি শূন্যকালীন ঘন্টাত এই বিষয়টো উত্থাপন কৰিছে। অতি গুৰুত্বপূর্ণ বিষয়। দৰঙৰ ৰীতি, নীতি, কলা-সংস্কৃতিৰ এক ঐতিহ্য আছে। দৰঙৰ ৰাইজে আগবঢ়াই যোৱা বিভিন্ন লোক বিশ্বাস আৰু দৰঙিয়া সংস্কৃতি যিসমূহে অসমীয়া সমাজ জীৱন সমৃদ্ধ তথা শক্তিশালী কৰিছে, দীৰ্ঘ দিনৰ সেই অৱদান অসমবাসীয়ে সদায় স্বীকাৰ কৰি আহে। দৰঙৰ যি দৌল উৎসৱ এই দৌল উৎসৱ পৰাম্পৰাগত ভাবে চলাই অহা হৈছে। এই দৌল উৎসৱত শেহতীয়া ভাবে কিছু ঐতিহ্য যে ম্লান পৰিছে, তাক লৈ উদ্বিগ্ন ৰাইজ। কাৰণ দশম একাদশ শতিকাত পণ্ডিত ধৰ্মদেৱ ভূঞাই বৰবাৰীত যি দৌল উৎসৱ আৰম্ভ কৰিছিল মূলত, এই দৌল উৎসৱ বিষ্ণু পূজাৰ যদিও এক আধ্যাত্মিক অনুষ্ঠান। পৰৱতী সময়ত এই দৌল উৎসৱ অৰ্চনা আৰু বন্দনাৰ মাজতে সীমাবদ্ধ নাথাকি সাংস্কৃতি আৰু বাণিজ্যিক মেলা হিচাবেও গঢ় লৈ উঠিছে। পৰৱৰ্তী সময়ত বিহুও এই দৌল উৎসৱৰ লগত জড়িত হৈ পৰিলে। তাৰ ফলত এই দৌল উৎসৱৰ যি ঐতিহ্য, সি কিছু পৰিমাণে ম্লান হোৱা বুলি বহুতে ক'ব খোজে। কাৰণ সাংস্কৃতিক আৰু পূজা অৰ্চনাৰ মাজতে এই কামটো সীমাবদ্ধ হৈ নাথাকি পৰৱৰ্তী সময়ত বাণিজ্যিক মেলা হিচাবে ইয়াৰ প্ৰসাৰতা লাভ কৰাৰ বাবে এই যিটো মূল অনুষ্ঠান তাৰ ঐতিহ্য ম্লান পৰিছে। ইয়াৰ বাবে মাননীয় বিধায়ক ডাঙৰীয়াই চৰকাৰী পৃষ্ঠপোষকতাৰে সেই পৰম্পৰাক বিঘ্নিত নোহোৱাকৈ যাতে ভৱিষ্যতে এই দৌল উৎসৱ অনুষ্ঠিত হয় তাৰ কাৰণে আহ্বান জনাইছে। আমাৰ যিবোৰ সাংস্কৃতিক ঐতিহ্য আছে; আমাৰ যিবোৰ চেতনা বোধ আছে, সেইবোৰ আচলতে সমাজে পৰিচালিত কৰে। কাৰণ সংস্কৃতি এনেকুৱা এটা বিষয়, ইয়াক কোনো নিৰ্দিষ্ট নীতি-নিয়মৰ বিষয়ত আমি বান্ধি ৰাখিব নোৱাৰো। এই সাংস্কৃতিক চেতনা অন্তৰ্ভূক্ত বিষয়বোৰক সমাজ এখনে আগবঢ়াই লৈ যায়। গতিকে জনসাধৰণ ইয়াৰ প্ৰতি দায়বদ্ধ হ'ব লাগে। হয়, চৰকাৰে কিছু নিয়ম নীতি প্ৰৱৰ্তন কৰিব পাৰে। কিন্তু সাংস্কৃতিক চেতনা আৰু পৰম্পৰাৰ ক্ষেত্ৰত জনসাধৰণে এই নীতি নিয়ম মানিবও পাৰে, নামানিবও পাৰে, কাৰণ সংস্কৃতি প্ৰকৃতিৰ লগত জড়িত। আমাৰ অসমৰ সমাজ জীৱনেই হওঁক বা অন্যান্য সমাজ সমূহক যদি আমি চাওঁ তেতিয়া আমি দেখা পাম যে যিবোৰ সাংস্কৃতিক চেতনা আৰম্ভ হৈছে, সেইবোৰ প্ৰকৃতিৰ লগত জড়িত। আমি যদি বহাগ বিহুৰ কথাকে কওঁ , তেতিয়া আমি ক'ব লাগিব যে, বহাগ বিহু আৰম্ভ হয় এনেকুৱা এটা সময়ত, চহা কৃষক সকলৰ মন প্ৰাণ উৎফুল্লিত হৈ পৰে। যেতিয়া বৰষুণ আহি মাটি উৰ্বৰ কৰি তোলে। সেই সময়ত কৃষক সকলে শস্য ৰ বীজ ৰোপন কৰাৰ লগতে মনৰ আনন্দত বহাগ বিহু আৰম্ভ হৈছিল। ঠিক সেই ধৰণে কৃষি ভমি পোক পতংগৰ পৰা ৰক্ষা কৰিবলৈ ধৰ্মীয় ভাবে চাকি বন্তি জ্বলাই কাতি বিহুৰ হয়টো প্ৰচলনো হৈছিল। ঠিক তেনেধৰণে আঘোনৰ সোণালী ধানেৰে যেতিয়া কৃষকৰ ভড়াল ভৰি পৰে, তাৰে আনন্দতে আমি ভোগালী বিহু পালন কৰো। ঠিক তেনেদৰে দশম , একাদশ শতিকাত আৰম্ভ কৰা এই বিষ্ণু পূজাৰ যি আধ্যাত্মিকতা, তাক ৰঙিয়াবাসী ৰাইজে সেই ধৰণে আগবঢ়াই লৈ যাওঁক। যেতিয়া আপোনালোকে চৰকাৰৰ প্ৰয়োজনীতা অনুভৱ কৰে তেতিয়া নিশ্চিত ভাবে অসমৰ সকলো কলা-সংস্কৃতি, পৰম্পৰা লোক বিশ্বাস আদি শক্তিশালী ভাবে লৈ যাবলৈ আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা নতুন বিভাগ খুলিছে, যাৰ নাম হ'ল Indigenous Tribes and Faith and Culture, ইয়াৰ পৰাই বুজা যায় যে, আমাৰ চৰকাৰে জনজাতীয় লোক সংস্কৃতি ৰক্ষা কৰাৰ বাবে কিমান দায়বদ্ধ। গতিকে অকল দৌল উৎসৱে নহয়, অসমত বাস কৰা সকলো জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত চিন্তা চেতনা ৰক্ষা কৰাৰ লগতে ইয়াক উন্নত ৰূপত যাতে আমি ৰাখিব পাৰো, তাৰ

কাৰণে আমি দায়বদ্ধ। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই নতুন বিভাগটো খুলি যি এটা বাৰ্তা দিব পাৰিছে, এই ক্ষেত্ৰত যদি অসমৰ ৰাইজে সহায়-সহযোগ কৰে, তেতিয়া অসমৰ সমাজখন শক্তিশালী ৰূপত আগবাঢ়ি যাব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু শ্ৰী ভৰত চন্দ্ৰ নৰহ।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া খবৰ কাকতত প্ৰকাশিত এটা বাতৰি সম্পৰ্কে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু মুখ্যমন্ত্ৰী মহোদয়লৈ মোৰ আহ্বান যে জাতিৰ স্বাৰ্থত শংকৰদেৱ বিৰোধী গ্ৰন্থ সমূহ নিষিদ্ধ কৰক। এই শীৰ্ষক এটা মতামত প্ৰকাশ হৈছিল আৰু ইয়াত উল্লেখ কৰা হৈছে যে, যোৱা সময়ছোৱাত যেনে ২০০৮ চনত শংকৰ বিভ্ৰাট নামেৰে এখন গ্ৰন্থ প্ৰকাশ পাইছিল, পৰৱৰ্তী সময়ছোৱাত ২০১৩ চনত শংকৰ বিৰোচিত ধৰ্ম পুথি আৰু কীৰ্তন পুথি হয় নে, এই শীৰ্ষক অন্য এখন গ্ৰন্থ প্ৰকাশ পাইছিল আৰু এই দুযোখনতে মহাপুৰুষ শংকৰদেৱৰ কীৰ্তি সম্পৰ্কে প্ৰশ্ন তোলা হৈছিল। এই দুখন পঢ়িলে ইয়াৰ উদ্দেশ্য গম পোৱা যায়। অসমীয়া জাতিলৈ মহাপুৰুষ শংকৰদেৱে আগবঢ়াই যোৱা অৱদানৰ সন্দৰ্ভত জ্যোতি প্ৰসাদ আগৰৱালাই এনেদৰে কৈছে, আমাক আজি অসমীয়া বুলি আমাৰ জাতীয় সভ্যতা সংস্কৃতিৰ বিশিষ্ট ভাবে এটা প্ৰগতিশীল জাতি কৰি থৈছে। অসমীয়া সংস্কৃতিক চহকী কৰি দি যাওঁতা অসমীয়া সুকুমাৰ কলাক এটা নিৰ্দিষ্ট বৈশিষ্ট দি থৈ যাওঁতা, অসমীয়া সমাজক এটা বিশিষ্ট গঢ় দি যাওঁতা, অসমত এনে সাংস্কৃতিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰি যাওঁতা, অসমীয়া সমাজৰ মহা কলাকাৰ শিল্পীৰ ও শিল্পী মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱে। তেখেতৰ সৰ্বতম মুখী প্ৰতিভাৰ বিকাশ সেই সময়ত পৃথিৱীয়ো আৰু আজিৰ পৃথিৱীৰ মহাপুৰুষ সকলৰ ভিতৰত দেখা যায় নে নায়ায় ইয়াক সন্দেহ আছে। ঠিক তেনেধৰণে শেৱালী কবি ৰত্নাকৰ বৰ কাকতি দেৱে লিখিছে আজি বাদ দিয়ক এইজন মহাপুৰুষক ধৰ্মৰ পৰা, ধৰ্মৰ ঘৰত অসমীয়া প্ৰায় শূন্যৰ ওচৰ নাচাপিব জানো। বাদ দিয়ক সাহিত্যৰ পৰা তাত একেবাৰে শূন্য নহ'লেও একত শূন্য দহত কৈ আৰু কি বেছি হ'ব। বাদ দিয়ক গীত-নৃত্য, নাটকৰ পৰা তাতো একত শূন্য দহেই নহয় বাৰু আৰু কি হ'ব? এতিয়া প্ৰশ্ন হৈছে যে এই গোটেই কিতাপ বিলাক ২০০৮ চনত লিখাৰ পিছত এতিয়া নতুনকৈ এইবছৰত এখন কিতাপ প্ৰকাশ হৈছে "শঙ্কৰ বিভাগ প্ৰতিবাদৰ প্ৰথম খোজ "। আমাৰ যিজন মহাপুৰুষ তেখেতৰ অসমীয়া জাতিলৈ যি অৱদান এই গোটেইখিনিকে নৎসাৎ কৰিব বিচাৰিছে। ভক্তিবাদৰ আদৰ্শ, অসমৰ থলুৱা আদৰ্শ নোহোৱাৰ পিছতো মহাপুৰুষ শঙ্কৰদেৱে থলুৱা পোচাক পিন্ধে, থলুৱা মানুহৰ প্ৰয়োজনৰ ভিত্তিত নৱবৈষ্ণৱ ধৰ্মৰ জৰিয়তে অসমৰ বিভিন্ন জাতি জনগোষ্ঠীক এক কৰি আমাৰ অসমীয়া জাতি গঠন কৰিছিল। অকল ধৰ্ম আদৰ্শই নহয়, অসমৰ জনসাধাৰণক তেখেতে চিনাকি কৰি দিছিল সাহিত্য কলা, নৃত্য, চিত্ৰশিল্প, স্থাপত্য কলাৰ অৰ্থনীতি নিৰ্মাণ আদি ভিন্ন বিষয়ৰ সৈতে। য'ত জীৱ কিট পতঙ্গ অগনন জগত এৰি কায়া বুলি প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্কক মানুহৰ মাজত প্ৰচাৰ কৰা। জাতপাত আদিত বৰ্বৰ প্ৰথাবোৰৰ বিৰুদ্ধে মানৱতাবোধক প্ৰতিষ্ঠা কৰা ইত্যাদিবোৰৰ বাবেই তেখেতক এজন মহাপুৰুষ হিচাবে আমি সকলোৱে মানো। গুৰুজনাই বৃহত্তৰ অসমীয়া সমাজ নিৰ্মাণ কৰিছিল। চাওঁলুং চুকাফাৰ পিছতে অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াৰ মুখ্য অৱদান গুৰুজনাৰ বুলি কোৱা হয়। ঠিক সেইধৰণে এজন মহাপুৰুষক বিভিন্ন ধৰণে সমালোচনা কৰা হৈছে, ই অতি নিন্দনীয়। গুৰুজনাই অসমৰ মানুহৰ এক পৰিচয়, এক সংস্কৃতি, এক ধৰ্মৰ, পতাকাৰ তলত আনিব বিচাৰিছিল। মহাপুৰুষ শঙ্কৰদেৱে এই মতবাদ প্ৰচাৰ কৰিবলৈ বৰগীত, অংকীয়া নাট আদি জনতাৰ মাজত সুমুৱাই দিছিল, আৰু তেখেতে সাধাৰণ মানুহক সংগঠিত

কৰাৰ বাবে বৈজ্ঞানিক আধুনিক সংগঠন কৌশল সেই সকলোখিনি গুৰুজনাই উপলব্ধি কৰিব পাৰিছিল আৰু সেয়াই এক প্ৰকাৰৰ অবিশ্বাস্য আছিল। সেই একে কৌশলেৰে আজিও আমি অসমীয়া সমাজখন চলি আছো। গুৰুজনাই অংকীয়া নাটৰ বাবে মুখা শিল্পৰ ধাৰণা, সত্ৰৰ ধাৰণা গোটেইখিনি কৰিছিল, আৰু তদানীন্তন অসমত শক্তিশালি ৰূপত থকা বৌদ্ধবাদ, জনজাতীয় সংস্কৃতি আদিৰ পৰা তেখেতে সম্বল গোটাই লৈছিল আৰু সেই গতিকে মহাপুৰুষ শঙ্কৰদেৱ আমাৰ সকলোৰে বাবে অসমৰ সামাজিক, ৰাজনৈতিক প্ৰেক্ষাপটত ভৱিষ্যতলৈ প্ৰাসঙ্গিক। ২০০৯ চনতে আমাৰ মাননীয় বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয়ে এই গ্ৰন্থখন নিষিদ্ধ কৰা বুলি কৈছিল। বোকাখাতৰ মহুৰা পথাৰত শঙ্কৰ সংঘৰ অধিবেশনত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শঙ্কৰদেৱ সংঘ ৰাইজৰ শিৰৰ মুকুট হৈ আছে। বিভিন্ন সভা সমিতিটো আমি সকলো শাসক, বিৰোধী পক্ষই মহাপুৰুষজনাৰ আদৰ্শৰ কথা কওঁ। কিন্তু তাৰ পিছতো এই গ্ৰন্থকেইখন নিষিদ্ধ হোৱা নাই আৰু এনেধৰণে বিভিন্নধৰণৰ বিভ্ৰান্তিমূলক কথাৰে শান্তি-সম্প্ৰীতি বিনষ্ট নোহোৱাটো আমি বিছাৰো সেই গতিকে এই গ্ৰন্থবিলাক নিষিদ্ধ কৰাৰ ব্যৱস্থা ল'ব লাগে। যাতে ভৱিষ্যতে কোনো লোকে আমাৰ অসমীয়াৰ শিৰৰ মুকুট শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাক হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা নকৰে। গতিকে এই কথাখিনিৰ যোগেদি মই অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যাবতীয় ব্যৱস্থা ল'বলৈ দৃষ্টি আৰ্কষণ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- মাননীয় মুখ্যমন্ত্ৰী

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, গুৰুজনাৰ ওপৰত উঠা যিখিনি কিতাপৰ কথা কৈছে, তাৰ ওপৰত মই এইটোৱে উত্তৰ দিব খোজো যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক বিশ্বৰ বৰ সভাত প্ৰতিষ্ঠা কৰিবলৈ আমি যিখিনি প্ৰচেষ্টা হাতত লৈছো, এই প্ৰচেষ্টাখিনি যদি চৰকাৰী মঞ্চৰ ফালৰ পৰা যোৱা ৭৫ টা বছৰত গ্ৰহণ কৰি থকা হ'লহেতেন, তেতিয়া হলে আজিৰ দিনটোত হয়তো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক বিশ্বই বহু বেলেগ ধৰণে জানিবলৈ পাৰিলেহেতেন। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ওপৰত যদি দেখা যায় যে অসম চৰকাৰৰ যদি বাজেট সমূহৰ পৰীক্ষা কৰা হয় অসম চৰকাৰে লোৱা বিভিন্ন সিদ্ধান্ত সমূহ যদি পৰীক্ষা কৰা হয়, প্ৰায় ২০১৬ চন মানলৈ, তেখেতৰ জীৱন দৰ্শনক চৰকাৰী ভাৱে বা অসমৰ ৰাইজৰ হৈ বিশ্বৰ বৰসভাত তুলি দিয়াৰ যিবোৰ প্ৰচেষ্টা আছিল, অত্যন্ত সীমিত আছিল। আপোনালোকে জানে যে ২০১৬ চনত আমি যেতিয়া প্ৰথম চৰকাৰৰ বিত্ত মন্ত্ৰী হিচাপে মই বাজেট দিছিলো, তেতিয়াই আমি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই প্ৰতিস্থা কৰা শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়খনক আমি সদনত স্বীকৃতি দিছিলো। বিশ্ববিদ্যালয়খনক মাটিবাৰী আৱন্টন দিয়া হৈছিল, আৰু বিশ্ববিদ্যালয়খনৰ কাৰণে পৰ্যাপ্ত পৰিমাণৰ পুঁজিৰ আমি ব্যৱস্থা কৰিছিলো। এইবাৰ আমি ইমানখিনিলৈকে গৈছো যে যদিও শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় এখন প্ৰাইভেট বিশ্ববিদ্যালয় তথাপিটো তাৰ দৰমহাৰ ৭৫ শতাংশ ৰাজ্য চৰকাৰে বহন কৰিব। এই সিদ্ধান্তও এইবাৰ বাজেটত আমি উল্লেখ কৰিছো। ইয়াৰ উপৰিও অধ্যক্ষ মহোদয়, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত বা তেখেতৰ সোঁৱৰণত স্বাস্থ্যমন্ত্ৰী হৈ থকা সময়ত মই এই বিধান সভাত আইন আনিছিলো, যে আমাৰ যিখন হেলথ্ ইউনিভাৰচিটি হ'ব সেইখন মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত হ'ব। আজি আপোনালোকে জানে যে অসমৰ এক মাত্ৰ ইউনিভাৰচিটিখন মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত উচৰ্গিত। তাৰ পিছত আমি আগবাঢ়ি গৈছিলো যে প্ৰথম বাৰৰ বাবে এতিয়াও বিধান সভাত বহু প্ৰশ্ন আহে যে নামঘৰক লৈ, নামঘৰক যদি পুঁজি দিব পাৰে, মছজিদ বা মন্দিৰত কিয় দিব নোৱাৰে? আমি প্ৰথমবাৰ এই বিধান সভাৰ পৰা চৰকাৰী নটিফিকেচন উলিয়াইছিলো

যে মহাপুৰুষ শ্ৰীমন্ত্র শঙ্কৰদেৱে অসমীয়া জাতি সত্বাক প্রতিনিধিত্ব কৰে, কোনো ধৰ্মক প্রতিনিধিত্ব নকৰে। সেইকাৰণে আমাৰ চৰকাৰে নামঘৰক এটা Secular Institution হিচাপে গ্ৰহণ কৰিব আৰু তাৰপাছত পৰ্য্যায়ক্ৰমে অসম দৰ্শন আঁচনিৰ জৰিয়তে হাজাৰ হাজাৰ নামঘৰ য'ত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মক আৰাধনা কৰা হয়, তাক আজি আমি নিৰ্মাণ কৰাৰ কামত আগবাঢ়িছো আৰু মই ভাবো যে আজিৰ দিনত that number has crossed almost 15000 + । ইয়াৰ উপৰিও মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত যি অনুষ্ঠান গঢ়ি উঠিছে, আমৰ স্কুল সমূহ গঢ়ি উঠিছে, সেই স্কুল সমূহলৈকেও আমি উদাৰ আৰ্থিক সাহায্য আগবঢ়াই আহিছো। তাৰ পাছত আজি প্ৰথমবাৰৰ বাবে আমাৰ বটদ্ৰৱা সমষ্টিৰ বিধায়িকা মহোদয়া ইয়াত উপস্থিত আছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে জন্মগ্ৰহণ কৰা বটদ্ৰৱা থান তাক আমি কেনেকৈ সজাই পৰাই তুলিছো ? আজি থানখনত কোনোবা নতুনকৈ গ'লে দেখা পাব যে কি ধৰণে থানখন নতুনকৈ সজাই পৰাই তোলা হৈছে। অহা বিহুৰ সময়ত মই তাত আকৌ যাম আৰু এটা প্ৰকল্প আৰম্ভ হৈছে, আৰু ডেৰশ কোটি টকাৰে আন এটা প্ৰকল্পৰ কাম তীব্ৰগতিত চলি আছে। এইবাৰ আমি হাতত লৈছো যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ য'ত জীৱনৰ আটাইতকৈ ভাল, তেখেতৰ ভাল বুলি নকওঁ তেখেতৰ সৰ্বোচ্চ গ্ৰন্থ কীৰ্তন, ঘোষা আদি ৰূপায়ন কৰিছিল, সেই থানখন আছিল 'পাটবাউসী'। পাটবাউসীৰ চাৰিওফালে পৰিবেশ আজি বহুত পৰিবৰ্তন হৈছে। সেই পৰিবেশক পুনৰ উভতাই আনি পাটবাউসীক কেন্দ্ৰ কৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু দামোদৰদেৱ গুৰুজনাই, ভট্টদেৱ গুৰুজনাই জীৱনৰ মূল্যবান সময় অতিবাহিত কৰা এই পাটবাউসীখনক সজাই পৰাই তোলাৰ কাৰণে আমি প্ৰচেষ্টা হাতত লৈছো। বিশ্বভাৰতীক আমি ইতিমধ্যে পুঁজি মুকলি কৰি দিছো। বিশ্বভাৰতীক শ্ৰীমন্ত শঙ্কৰদেৱ চেয়াৰ, আমি কলিকতাৰ বিশ্বভাৰতীক য'ত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন জড়িত হৈ আছে, তাতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত চেয়াৰ কৰিবৰ কাৰণে ইতিমধ্যে ৰাজ্যচৰকাৰে পুঁজি মুকলি কৰি দিছে, আৰু হয়তো চেয়াৰখনো আমি আনুষ্ঠানিকভাবে হয়তো আমি অহা দুমাহ ,এমাহৰ ভিতৰত দেখা পাম। তাৰ পিছত আমি আগবাঢ়িছো যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনৰ পৰিক্ৰমা ক'ত ক'ত আছিল ? আমি জানো যে ভগৱান ভাৰতত জন্ম গ্ৰহণ কৰিছিল। ভগৱান বুদ্ধৰ নামত এটা চাৰ্কিট এটা আছে, তেওঁ জীৱন পৰিক্ৰমাত য'ত য'ত আছিল সেই পৰিক্ৰমা সমূহক সামৰি আমি বুদ্ধ চাৰ্কিট এটা নিৰ্মাণ কৰিছো। ভগৱান বুদ্ধৰ যিধৰণে চাৰ্কিট হৈছে তাৰ সমান্তৰাল ভাৱে মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ চাৰ্কিট হওঁক বা পৰিক্ৰমা হওঁক, অসমীয়াত ভাল ভাষাত নাম এটা আমি দিব লাগিব। আমি নিৰ্মাণ কৰিবৰ যত্ন কৰিছো যে বৰদোৱাত তেখেতে জন্ম লৈ কোনোবা স্থানত যদি এদিনো আছিল তাতেও এটা নামঘৰ নিৰ্মাণ কৰি সমগ্ৰ চাৰ্কিটটো আমি নিৰ্মাণ কৰিব খুজিছো আৰু অসম ৰাজ্যিক পৰিবহণ নিগম বা আন বাছ সেৱা আদিও আমি কৰিব খুজিছো। নামঘৰ বিলাকৰ লগত গেষ্ট হাউচ বনাব খুজিছো যাতে দৰ্শনাৰ্থী গ'লে তাত থাকিব পাৰে। আজি গাংমৌ থান য'ত মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱে কীৰ্তন ঘোষাৰ কাম প্ৰথম আৰম্ভ কৰিছিল, সেই গাংমৌ থানক সজাই-পৰাই তোলা হৈছে, তাত আতকধুনীয়াকৈ অতিথিশালা নিৰ্মাণ কৰা হৈছে। অৰ্থাৎ মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱক বিশ্বৰ বৰ সভাত লৈ যাবলৈ যোৱা ছয়টা বছৰত যি নিৰন্তৰ প্ৰচেষ্টা চলোৱা হৈছে সেই প্ৰচেষ্টা যদি আজি ৭৫ বছৰ আগৰ পৰা স্বাধীনতাৰ পিছৰ পৰা যদি চলি থাকিল হেতেঁন তেতিয়া হয়তো আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱক বিশ্বৰ সকলোতে জানিলে হেঁতেন। কাৰণ তেখেতৰ যি কীৰ্তি সেইয়া কেৱল অসমৰ বাবে নাছিল সেই কীৰ্তিখিনি সমগ্ৰ ৰাষ্ট্ৰৰ বাবে আছিল। তেওঁ যিটো সময়ত ভাৰতৰ প্ৰশংসা কৰিছিল

সেই সময়ত ভাৰত নামৰ ৰাষ্ট্ৰ এখন ৰাজনৈতিক ভাৱে নিৰ্মাণেই হোৱা নাছিল। যেতিয়া ভাৰত ভূমিৰ কথা তেখেতে কৈছিল। গতিকে এই গৰাকী মহাপুৰুষৰ ওপৰত আমাৰ যিটো শ্ৰদ্ধা সেইখিনি অসমৰ সমগ্ৰ মানুহে জানে। এই পুথিখনৰ ওপৰতো আমাৰ ক'বলগীয়া এইটোৱেই যে এনেকুৱা কোনোবা এটা-দুটা লিখাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ জীৱনৰ যি অৱদান তাক কোনেও নুই কৰিব নোৱাৰে, লিমিট কৰিব নোৱাৰে, সীমাবদ্ধ কৰিব নোৱাৰে। সেইবাবে এই গ্ৰন্থাকাৰৰ ওপৰত আমি Section 153 of IPC, য'ত unanimity between the community নীতি প্ৰমোট কৰা হয়, তাৰ বিৰুদ্ধে আমি criminal action ল'বৰ কাৰণে criminal case ল'ব দিছো। কিন্তু গ্ৰন্থ নিষিদ্ধ কৰাৰ পাৱাৰ অসম চৰকাৰৰ কোনো চেকশ্যনত নাথাকে। সেইকাৰণে আমি এইটোৱেই সিদ্ধান্ত লৈছো যে তেওঁৰ ওপৰত আমি criminal case কৰিম আৰু criminal case ত this is a section which is punishable by 14 years হ'ব পাৰে। গতিকে আমি Section 153 of IPC ত তেখেতৰ ওপৰত গোচৰ এটা পঞ্জীয়ণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো। মহাপুৰুষ শ্ৰী মন্ত শংকৰ দেৱ আৰ্বিভাৱ হোৱা ঠাইত আপুনি যথেষ্ট চেষ্টা কৰিছে তাৰ শলাগ লৈছো। মোৰ মনত আছে এদিন আপোনাক মই জনাইছিলো যে মই এবাৰ মধুপুৰ সত্ৰলৈ গৈছিলো। এই মধুপুৰ সত্ৰত সত্ৰাধিকাৰ গৰাকীয়ে যিখিনি কথা ক'লে সেই কথাখিনি অলপকৈ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক জনাইছিলো। তাত লাইটৰ বিল পৰ্য্যন্ত দিয়াত অসুবিধা হৈছে। যদিও চৰকাৰ বেলেগ অকনমান যদি আমাৰ চৰকাৰৰ পৰা সেই কথাখিনি চাই ভাল হয়। তেওঁ বৰ্তমান নৰীয়াত পৰি আছে। কিডনিৰ সমস্যাত ভূগি আছে। এই কথাখিনি মই আপোনাৰ জৰিয়তে চৰকাৰক দৃষ্টিগোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ চাৰ্কিট বনাইছো তাত মধুপুৰ এটা গুৰুত্বপূৰ্ণ অংশ। কাৰণ জীৱনৰ শেষ সময়ত তেওঁ মধুপুৰত আছিল আৰু মাননীয় বিত্তমন্ত্ৰী গৰাকীৰ ভাষণতো এই বিষয়টোৱে স্থান পাইছে। গতিকে অকল মধুপুৰ, বটদ্ৰৱা, গাংমৌ বুলি নহয়, য'ত য'ত মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ এদিনৰ বাবেও পদৰেণু পৰিছিল গোটেই সত্ৰ সমূহক, অঞ্চল সমূহক ৰাজ্য চৰকাৰে সহায় কৰিব। মধুপুৰৰ ক্ষেত্ৰত মই খবৰ লৈছিলো। ডি চি ধুবুৰী আৰু তেওঁলোকৰ মাজত fund utilisation ক লৈ এটা ইচ্ছু চলি আছে। সেইকাৰণে মধুপুৰলৈ কোনোবা দিনাখন মই নিজে যাম আৰু মধুপুৰ সত্ৰৰ মেনেজমেণ্টটো যদি অসম চৰকাৰক সম্পূৰ্ণভাৱে তেওঁলোকে ল'ব দিয়ে আমি ল'ব পাৰিম আৰু তাৰ কাৰণে আমি বাজেটতে এনুৱেল গ্ৰাণ্ট এটা থৈ দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া যোৱা ২১-০৩-২০২২ তাৰিখে মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা ডাঙৰীয়াই পৰিচালনা নিয়মাৱলীৰ ৫৪ নং দফাৰ অধীনত ইয়াত এটা বিষয় উত্থাপন কৰিছিল আৰু সেই উত্থাপনৰ উত্তৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিভাগৰ আছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই পিছত দিম বুলি কৈছিল। গতিকে ইয়াৰ উত্তৰ দিয়াৰ বাবে আজি স্থিৰ কৰা হৈছে। সেইবাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক যোৱা ২১-০৩-২০২২ তাৰিখৰ পৰিচালনা নিয়মাৱলীৰ ৫৪ নং দফাৰ অধীনত তেৰছ গোৱালা ডাঙৰীয়াই "দৈনিক জনমভূমি" কাকতত প্ৰকাশিত "হত্যাকাৰীক খেদি খেদি জ্বলাই দিলে জনতাই, ধলাজান চাহবাগিচাত উত্তেজনা" , ইয়াৰ ওপৰত

তেখেতে যি বক্তব্য ৰাখিছিল তাৰ ওপৰত উত্তৰ দিবলৈ অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী তেৰছ গোৱালা ডাঙৰীয়াই ১২-০৩-২০২২ তাৰিখত ৰহমৰীয়া পুলিচ ষ্টেচনৰ অধীনত হোৱা এটা ঘটনাৰ বিষয়ে সদনৰ দৃষ্টি আকৰ্ষণ কৰিছিল। মোৰ হাতত পৰা তথ্য মতে যিখিনি কথা জনোৱা হৈছে যে "on 12-03-2022 at about 6 P.M an information was recieved at Rahmaria PS, Abhimunya Tanti, 30 years, son of Budhu Tanti of Dhuliajan mainline had killed one 4 years old boy, Ujjal Mora, who was playing in the compound of Sunil Tanti. On witnessing the killing of the child the local people dragged the acused Sunil Tanti to the near by paddy field and attacked him and he succumed to the injury during the Mob attack and agitated public,later on burried the deadbody of Sunil Tanti. On recieving of the information at police team led by SP, Dibrugarh immediatly rushed to the spot of the crime to control the situatuion and police recovered the deadbody of both the victim and sent for postmortem examination.

আমি যিখিনি প্ৰাথমিক তদন্ত কৰি পাইছো তাৰ ওপৰত পুলিচৰ সন্দেহ যে সুনীল তাঁতী অলপ মানসিক ভাৱে বিকাৰগ্ৰস্ত ৰোগী আছিল আৰু তেওঁক কোৱা হৈছিল যে he was not in sound mind. ৰাইজে জ্বলাই দিয়াৰ পিছত সুনীল তাঁতীৰ মাৰ্ডাৰটো the victim of second case, he is a victim and in the first case, he is a murderer. গতিকে তেখেতৰ ডেড্‌বডী ইতিমধ্যে জ্বলাই দিয়া হৈছে বা তাৰ পিছত পুলিচে ডেডবডী ৰিক'ভাৰ কৰি আইনসংগত ব্যৱস্থাখিনি লৈছে। যিহেতু তেওঁলোকো সুনীল তাঁতীক ইয়াত কোনোবাই প্ৰৰোচিত কৰা বুলি কোনো ধৰণৰ তথ্য পোহৰলৈ অহা নাই গতিকে এই কেচটো এই পৰ্য্যায়তে আছে আৰু যদি কোনোবাই প্ৰৰোচিত কৰিছিল বা আন ধৰণৰ ঘটনাৰ সম্ভেদ পোৱা নাযায় তেতিয়াহ'লে স্বাভাৱিকতেই কেচটো শেষ হ'ব। যিহেতু murderer is no longer alive.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। যোৱা ২১-০৩-২০২২ তাৰিখে মাননীয় সদস্য শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াই পৰিচালনা নিয়মাৱলীৰ ৩০১ নং দফাৰ অধীনত "অসম সংখ্যালঘু পৰিষদ" খন শীৰ্ষক বিষয়টো উত্থাপন কৰিছিল আৰু ইয়াৰো উত্তৰ আজি দিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংখ্যালঘু কোন সেঁই শব্দটো শুনিলে আমি এটা কথা ক'ব লাগিব যে ভাৰতীয় সংবিধানত মাইন'ৰিটি কোন সেই বিষয়ে কোনো ডেফিনেশ্যন নাই। The definition in the Constitution is completly absent. যেনেকৈ আমি এচ টি বুলি ক'লে বুজি পাওঁ, চিডুল কাষ্ট বুলি ক'লে বুজি পাওঁ ভাৰতীয় সংবিধানত মাইন'ৰিটি শব্দটোৰ ডেফিনেশ্যন ব্যৱহাৰ কৰা হোৱা নাই। However, The Article 29 and 30 of the Constitution of India has spoken about protection of minority community বা Right and privilege of the minority community. আৰু by the language দেখা পোৱা যায় যে Constitution recognises both religious and linguistic minority. Article 29 of the Constitution of

India ত আছে যে Any section of the citizen residing in the territory of India or any part there of having a distinct language, script, culture of its own shall have the right to conserve the same. অৰ্থাৎ ভাৰতৰ ভূমিত কোনোবা এটা স্থানৰ ভূমিত কোনোবা এটা যদি বিশেষ সমূহ আছে, যাৰ এটা নিৰ্দিষ্ট language, script বা সংস্কৃতি আছে, তেতিয়া হ'লে তাত তেওঁলোকে protect কৰাৰ অধিকাৰ আছে। ইয়াত heading টো আহিছিলে Protection of interest of Minority. No citizen shall be denied admission into any educational institutions maintained by the State or receiving aid out of the state funds on the ground only on religion, race, caste and any of them. It provide that any section of the citizen residing in any part of India having a distinct language, Script or Culture of its own shall have the right to conserve the same.

ইয়াৰ পিছত Article 30 of the Indian Constitution ত Minority শব্দটো ব্যৱহাৰ কৰা হৈছিল। All Minorities whether based on religion or language shall have the right to establish and administer educational institution of their choice. In making any law providing for the compulsory acquisition of any property of Educational Institution established and administered by minority refered to in Clause-I. The State shall ensure that the amount fixed by or determined under such law for the acquisition of such property, in such, as would not restrict or abrogate right guaranteed under the Clause. the State shall not in granting aid to the Educational Institution discriminate against any Educational Institution on the ground that it is under the management of a minority wheather based on religion or on language. Under the Article, all minority shall have the right to establish and administer educational institutions of their choice. The protection and the article 30 is confined only to minority, religious and linguistic and does not extend to any section of the citizen. এতিয়া ইয়াৰ পিছত another Article এ Constitution ত linguistic minority ৰ বিষয়ে কয় যে -Article 350(b) there shall be a special officer for linguistic minority to be appointed by the President. It shall be the duty of the Special Officer to investigate all matters relating to the safeguards provided for linguistic minority under this Constitution and report to the President upon those matter at such intervals as the President may direct or President shall cause all such reports to be laid before each House of the Parliament and sent to the Government of the State concerned. এইখিনি হ'ল Constitutional Provision.

তাৰ পিছত ভাৰত চৰকাৰে .... বনালে। প্ৰথম... খন under Parliamentary provision National Commission for Minorities Act, 1992. ইয়াত ভাৰত চৰকাৰে এটা section দিলে যে The Act U/S 2(C) defines a minority as a community notified as such by the Central Government. অৰ্থাৎ minority কোন হ'ব সেয়া কেন্দ্ৰীয় চৰকাৰে notify কৰিব যে in the context of the protection which has been given by the National Commission of Minorities. সংবিধানত সংখ্যালঘু কোন হ'ব, সেই সম্পৰ্কে কোনো সুত্ৰ নাই। কিন্তু National Commission of Minorities যেতিয়া বনালে তেতিয়া আইনৰ অধিনত কোন কেইটা Community য়ে protection পাব সেই বিষয়ে উল্লেখ কৰা হ'ল আৰু তাত linguistic minority ৰ definition অহা নাই। কিন্তু religious minority ৰ definition আহিলে। Muslim, Sikh, Christian, Buddhist, Parsi & Jain defined as the religious minority of India.

মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই Minority কোন সম্পৰ্কে যি প্ৰশ্ন কৰিছে, সেই সম্পৰ্কত মই কওঁ যে Muslim, Sikh, Christian, Buddhist, Parsi & Jain are the Minority as has been laid down in the Act, 1992 i.e. National Commission for Minorities Act. ইয়াৰ পিছত বহুখিনি arguement, case ও হৈছিল। Finally, the 11 Judges of Supreme Court in T.M.A. Pai Foundation and Other VS State of Karnataka gave a judgement that Article 31 deals with the religious minority and linguistic minority. The opening word of Article 30(1) make it clear that the religious and linguistic minorities have been put at .... in so far as article is concerned.

Supreme Court য়ে clear কৰি দিছিল যে religious minority ৰ যি অধিকাৰ, সেই একে অধিকাৰ linguistic minority ৰ বাবেও। আমাৰ অসুবিধাটো হৈছে যে linguistic minority ৰ কোনো definition এতিয়ালৈ ভাৰতত অনা নাই। Linguistic minority হ'লে সেই ভাষাটো কিমান মানুহে ক'ব লাগিব, সেই বিষয়ে কোনো কথা ইয়াত উল্লেখ নাই। আমি যদি linguistic minority in the context of Assam বুলি কওঁ তেতিয়া হ'লে এখন ঠাইত এটা ভাষা minority বুলি ক'বলৈ হ'লে 2%, 5%, 10% বা microscopic minority হ'ব লাগিব, তাৰ কোনো definition নাই। Religious Minority ৰ ওপৰত যিদৰে definition আছে, linguistic minority ৰ ক্ষেত্ৰত এতিয়ালৈকে কোনো আইনত ইয়াৰ definition নাই। Supreme Court has again said that India is devided into differnt linguistic State. The State has been curve out on the basis of the language of the majority of the persons of the State. It is therefore the State has to be regarded as the unit for determining linguistic minority *viz & viz* Article 30 that with religious minority being the same footing. It is the State in relation to which the majority of the minority status will have to be

determined. তাৰ পিছত Supreme Court য়ে আকৌ কলে যে ভাৰতত যিহেতু ভাষাৰ ওপৰত ভিত্তি কৰি ৰাজ্য সমূহ নিৰ্মাণ কৰা হৈছিল, গতিকে প্ৰত্যেক ৰাজ্যতে linguistic minority ৰ definition বেলেগ বেলেগ। অৰ্থাৎ দাক্ষিণাত্যত তামিল ভাষা কোৱা মানুহক কেন্দ্ৰ কৰি মাদ্ৰাছ বা তামিলনাডু হৈছিল। গতিকে তামিলনাডুত কানাডা ভাষা কোৱা মানুহজন হয়তো linguistic minority হ'ব। কিন্তু একেই কানাডা ভাষা কোৱা লোক সকলক কৰ্ণাটকত linguistic majority হিচাপে consider কৰা হ'ব। এই বিবিধতাৰ পিছত মহামান্য উচ্চতম ন্যায়ালয়ে ১৯৯৯ চনত Bal Patil & Anr vs Union of India ত এটা ৰায় দিছিল যে A group of Articles 25-30 guranteed protection of religious cultural educational right to both majority and minority community. It appears that keeping in view of the Constitutional Gurantes for protection of cultural education and religious rights of all citizen, it was not felt necessary to define minority. Minority has understood from the Constitutional scheme signified a identifiable group of the people or community who were seen as deserving protection from the likely deprivation of their religious cultural educational rights by other community. এই ৰায়ৰ মৰ্মে minority ৰ কোনো definition নাই। Minority ৰ যদিও definition নাই, আমি minority বুলিলে যাৰ ধৰ্ম, সংস্কৃতি আৰু শিক্ষাৰ অধিকাৰৰ প্ৰতি আন religious or linguistic community ৰ পৰা threat আছে, তেওঁলোকক বুজিম। যদি threat নাই, তেওঁলোকক minority নহয় বুলি বুজিম। মাননীয় অধ্যক্ষ মহোদয়, Supreme Court ৰ যিমানবোৰ ৰায় আছে আৰু Articles 25-30 লৈকে যিখিনি কথা আছে, তাৰ ওপৰত ভিত্তি কৰিলে Muslim, Sikh, Christian, Buddhist, Parsi & Jain সকল minority বুলি ক'ব নোৱাৰি। Because they are being minority in a particular State. Minority defination টো হ'ব সেই State বা সেই জিলাখনত থকা পৰিবেশৰ ওপৰত ভিত্তি কৰি। যি নহওক, ই এটা evolving material বা ই এটা evolving matter of concern হৈ আছে। ইয়াৰ পাছতো Supreme Court ত এই বিষয়টোৰ ওপৰত আৰু এটা case আহিছে, অশ্বিনী উপাধ্যায়ে আৰু এটা case দিছে finally ভাৰত চৰকাৰে এখন affidavit দিছে যোৱা কেইদিনমান আগতে যে Minority Hindu can also be a minority in a given State. Minority মানে অকল মুছলিম নুবুজায়। আজি যদি কেৰেলা context ত চোৱা যায়, জম্মুকাশ্মীৰৰ context ত চোৱা যায় then Hindu can also be a Minority. ঠিক তেনেকৈ আমাৰ আমি যেনেকৈ অসমৰ context ত Central Government ৰ affidavit খনৰ দিয়াৰ ঠিক আগত মই একেটা কথাই কৈছিলো যে in the context of Assam আজি বৰাক ভেলীত বেংগলী কোৱা মানুহখিনিক আমি Linguistic Minority ক'ব নোৱাৰো। They are the Linguistic majority. অসমীয়া ভাষা, ৰেংমা নগা ভাষা কোৱা, মণিপুৰী ভাষা কোৱা They are the linguistic Minority in the context of Barak Velley Brahmaputra Valley ত হয়তো ডিব্ৰুগড়, যোৰহাট Upper Assam ত বেংগলী কোৱা মানুহখিনি বঙালী ভাষা কোৱা মানুহখিনি They will be the linguistic Minority. ধুবুৰীত আকৌ They may not be a linguistic

minority. সেই কাৰণে এই বিবিধতাৰ বাবে বহুদিনৰ পৰা ভাৰতত এটা ধাৰণা আছিল যে মুছলমান মানেই minority. There was feeling or there was a conception in the entire country that Muslim means Minority. But now these defination has come under the challenge and it has been told or to the Supreme Court by various pepole including Government of India that Hindus can also be a Minority in a particular State, depending on the geographical situation, population pattern and depending on the threat perception. Threat perception মানে জীৱনত threat perception নহয়। ধৰ্ম, সংস্কৃতি আৰু শিক্ষাৰ প্ৰতি যাৰ threat perception আছে then they can also be considered as a Minority. আজি যদি আমি South Salmara District ত যাওঁ that Hindus are clearly minority there, Muslim are the majority community. সেই কাৰণে আমাৰ যিহেতু Constitution ত minority ৰ কোনো defination নাই, this is a evolving area. সেইকাৰণে সেই evolving area টো, মই ভাবো যে অনাগত কিছু দিনত আমি Supreme Court ৰ পৰা clarity পাম যে who are the minority. আৰু অসমৰ context ত মই সদায় কৈ আহিছো যে আমি ইয়াতে যি minority বুলি যাক ৭৫ বছৰৰ পৰা আমাৰ ধাৰণা আছিল they are no longer minority they cannot be minority in the situation of the todays context সেই কাৰণে অসমত minority কোন। আজি কাৰ্বি-আংলঙত যিসকল ৰেংমা নগা বহি আছে, they may be minority. Kuki Community বহি আছে they will be minority But আজি চা হ বাগিছাৰ মানুহ, তেওঁলোকৰ হাতত OBC Certificate ও আছে আৰু খ্ৰীষ্টিয়ান হিচাপে তেওঁলোকে minority ৰ সুবিধাটো পাইছে। আকৌ OBC certificate ও পাইছে। আকৌ সেই minority মানুহে কৈছে যে আমাক এচ. টি দিয়ক। আকৌ তেওঁলোকে religious minority বুলি কৈছে। So, Religious minority, Ethnic ST, Ethnic Schedule Caste এইবিলাকৰ মাজত আমাৰ ইয়াত যথেষ্ট confusion আছে। যাৰ ফলত দেখা যায় যে, কিছুমান ক্ষেত্ৰত এজন মানুহে minority scholarship ও পাইছে, ST scholarship ও পাইছে, Minority Scholarship ও পাইছে, OBC scholarship ও পাইছে। গতিকে এই বিষয় বিলাক বিতৰ্কলৈ আহিছে। These are healthy debate. Supreme Court ৰ মঞ্চত এই debate বিলাক আৰম্ভ হৈছে। মই ভাবো যে এইবাৰ minority defination টো definitely যিটো কোৰ্টত কেচ চলি আছে, তাৰ পৰা minority definition টো emerged হ'ব আৰু এইবাৰ আমি হয়তো গম পাম যে minority কোন। আমাৰ যেতিয়া constitution বনাইছিল framers সকলে বহুত ক্ষেত্ৰত definition বিলাক বহুত জাগাৰ দিয়া নাছিল। They have left it for posterity যে ভৱিষ্যত প্ৰজন্মই নিৰ্ধাৰণ কৰিব। তেওঁলোকে মাত্ৰ rights বিলাক বুজাই থৈ গৈছিল। সেই কাৰণে মই ভাৱো যে, এই বিষয়টো মৃনাল শইকীয়া ডাঙৰীয়াৰ যিটো বিষয় আহিছে, আম্বেদকাৰ ডাঙৰীয়াই কৈছিল যে, For instance for the purpose of Article 23 if a certain number of people come from Madras and settle in Bombay for certain purpose they would be although not a minority in the technical sense cultural

minority similarly if a certain number of Maharastrian went from Maharastra and settle in Bangal although they may not be minority in technical and true sense. They would be cultural and linguistic minority in the State. অসমত যিখিনি গুজৰাটী মানুহ আছে, অসমত যিখিনি মাৰাঠী মানুহ আছে, they are also linguistic minority in the case of Assam. কিন্তু একেখিনি মানুহে আকৌ গুজৰাটত গ'লে they will be the linguistic majority. These are the words of Ambedkar but ultimately আম্বেদকাৰে কোৱা কথাখিনি সংবিধানত প্ৰতিফলন নহ'ল। সংবিধানত he left it vague যে এইটো খালী 29, 30 ত তেওঁ কৈ থৈ গ'ল কি বিলাক protection পাব। সেইকাৰণে ভাৰত চৰকাৰে এতিয়া affidavit দিছে যে Hindu can also be a minority in a given State অসম চৰকাৰে এইটো পোষকতা কৰে যে minority definition should be changed district by district. যে Districtwise আমাৰ minority definition টো পৰিৱৰ্ত্তন হ'ব লাগে। কিন্তু এই কথাবিলাক যিহেতু এটা উচ্চতম ন্যায়লয়ৰ মঞ্চত চলি আছে, So we left it there আৰু তাৰ পৰা যিখিনি সিদ্ধান্ত আহিব সেই সিদ্ধান্তৰ ভিত্তি কৰি ভৱিষ্যতে ৰাজ্য চৰকাৰে ব্যৱস্থা সমূহ গ্ৰহণ কৰিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ পৰা এটা কথা জানিব বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিবোৰ কথা কৈছে briefly কৈছে। মোৰ কথাটো আছিল যে Constitution of India 30 ত provision আছে so far India concern. ভাৰতবৰ্ষৰ কথা আছে যে যাৰ নিৰ্দিষ্ট ভাষা সংস্কৃতি আছে তেওঁলোকক linguistic minority ৰ provision আছে। 31 ইয়াত যিটো পালো যে religious minority and linguistic minority ৰ কথা আছে। আৰু দ্বিতীয়তে যিটো পালো National Commission of Minority Act 19. সেইটো এটা provision এটা আছে। তাতে minority Sikh বা Buddhist ৰ কথা আছে। মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে যে মই কমলাক্ষ্য দে পুৰকায়স্থ so far Assam concern আমি সকলোৱে Assam concern. আমাৰ status টো কিয় কাৰণ ultimately linguistic minority board আছে। এই বৰ্ডত টকাও দিয়া হয়। এইটো যদি কোনো specific কিবা নোলায় তেনেহ'লে এইটো কি টকা দিয়া হয়, কি হয় সেইটোৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰীৰ পৰা clear কৈ জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ.** প্ৰথম কথাটো হ'ল যে মই যিখিনি কথা ক'লো সেইটো হ'ল Constitutution ৰ provision ৰ কথা ক'লো। আম্বেদকাৰ ডাঙৰীয়াৰ ভাষাত যে Statewise definition of Mainority Linguistic Minority will change. আৰু Statewise definition of linguistic minority will change. এতিয়া যেতিয়া আমাৰ Ministry of Minority Affairs য়ে যেতিয়া minority deal কৰে তেওঁলোকে আজি বহুদিনলৈকে এটা ধাৰণা আছিল যে minority department ত টকা আহিছে গতিকে এটা particular community ৰ কাৰণে টকা আহিছে। এইবাৰ যেতিয়া মই research কৰিলো তেতিয়া আমি দেখা পালো যে ভাৰত চৰকাৰে minority বুজাব যাওঁতে তেওঁলোকে district ক গুৰুত্ব দিছে আৰু blocks ত গুৰুত্ব দিছে। আৰু তেওঁলোকে কৈছে যে minority

you do not define by religion. তেওঁলোকে কৈছে minority you define by literacy rate, minority you define by female literacy rate, minority you define by employment rate, minority you define by female work participation rate, minority you define by household. অৰ্থাৎ economic আৰু social indicator লৈহে ভাৰত চৰকাৰে minority ত define কৰিব দিছে। অৰ্থাৎ এতিয়া আমাৰ যি minority commission ৰ টকা বা আমি যিটো linguistic and religious minority আমাৰ department আছে যদি আমি ভাৰত চৰকাৰৰ frequently asked question খিনি যদি চাব যাওঁ তেতিয়াহ'লে তেওঁলোকে কৈছে যে notify কৰা minority হ'ল খ্ৰীষ্টিয়ান, বুদ্ধিষ্ট, জৈন, জোৰাচিক আৰু শিখ, মুছলিম এইখিনি হ'ল minority community. তাৰ পাচত কৈছে, what was the mathodology used, what is the population criteria used for identifying, what is the backwardness perameter used. সেইকাৰণে এতিয়া ভাৰত চৰকাৰে এটা সিদ্ধান্ত লৈছে যে প্ৰধানমন্ত্ৰী জনকল্যাণ আঁচনি যি minority department ৰ পৰা আহিব। It will no longer be confine to so call religious minority pockets. তেওঁলোকে কৈছে এইটো গোটেই ব্লক বিলাকত আপোনালোকে এই টকাতো খৰছ কৰিব পাৰে আৰু সেই টকাটো তাত খৰচ কৰাৰ উদ্দেশ্যটো হ'ল-সেই ব্লকটোৰ সেই জিলাখনত থকা Litteracy বেয়া, economy বেয়া। They will be able to take advantage of the scheme. সেইকাৰণে লাহে লাহে ডেফিনেশ্যনবোৰ চেঞ্জ হৈ আছে। আজিৰ দিনত আমি যদি Linguistic Minority Status টো চাবলৈ যাওঁ, তেতিয়াহ'লে State wise চাবলৈ গ'লে যিবিলাকত Microscopic language আছে, They are Linguistic minority.যদি আমি ক'বলৈ যাওঁ অসমীয়া আৰু বেঙ্গলীৰ বিষয়ে They are very major lanuages.আজি অসমীয়া আৰু বেঙ্গলী কোৱা মানুহৰ সংখ্যা প্ৰায় সমান সমান হৈ আছে। কৰবাত হয়তো দহটা বেছি বা কৰোবাত হয়তো দহটা কম হ'ব পাৰে। কিন্তু Linguistic minority.বুলি ক'লে তিৱা, মিচিং, টাইফাকে সকলে কৈ আছে। যদি চাবলৈ যাওঁ, They are the linguistic minority, Religious Minority ক'বলৈ গ'লে National Commossion of Minority ছয়টা Community define কৰিছে। কিন্তু বৰ্তমান ভাৰত চৰকাৰৰ Affidavit মতে It will be dynamic. কিন্তু অসমত বঙালী ভাষী লোকসকলৰ বাবে টকা-পইচা খৰচ কৰাৰ বাবে স্পেচিয়েলি কোনো window নাই। সেইকাৰণে Linguistic Minority Commissioner ৰ জৰিয়তে basically আমি অসমত থকা বঙালীলোক সকলৰ উত্থানৰ বাবে চেষ্টা কৰো। Religious minority কাৰণে আমাৰ যিবিলাক বিভাগ আছে Director of Welfare of Minority, জৰিয়তে বৌদ্ধ, জৈন, খ্ৰীষ্টান, মুছলমানসকলৰ বাবে আমি চেষ্টা কৰো। That is the position as of now.আপুনি যদি মোক Legal provision সোধে তেতিয়হ'লে উত্তৰটো এইটোৱেই যে Linguistic Minority definition আমি নিজৰ ৰাজ্যত বহি নিজে থিৰাং কৰিব লাগিব যে Who will be the Linguistic Minority ?এইটো আমি অসমত কেতিয়াওঁ কৰা নাই। অনা-আনুষ্ঠানিকভাৱে অসমীয়া যিহেতু মেজৰ ভাষা গতিকে Bengali will be the minority language.গতিকে সেইধৰণে Raw or clearly ক'বলৈ গ'লে অসমত আমি Linguistic Minority বুলি ক'লে বেঙ্গলী আৰু অন্য ভাষা কোৱা লোকসকলক বুজো।

Religious Minority বুলি ক'লে মুছলমান, বৌদ্ধ, জৈন, খ্ৰীষ্টান, পাৰ্চি এই সম্প্ৰদায়খিনিক আমি আজিৰ দিনলৈ বুজি আছো। That is our understanding and we are working according to that understanding. কিন্তু ক'তো ডেফিনেশ্যন বুলি চৰকাৰে নোটিফাই কৰি ৰখা নাই। We are moving on the basis of that understanding.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা ভাল পৰিৱেশত কথাখিনি আলোচনা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ভালকৈ শুনি থাকিলে পৰিৱেশটো সদায় ভালকৈ চলি থাকে। আজি ১৮ খন বিল আছে। ৰাতি ৮ মান বাজিব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ দুই মিনিটমান সময় ল'ম। আজি এটা ভাল আলোচনা হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো অতি গুৰুত্বপূৰ্ণ। কাৰণ যোৱা পৰহী চুপ্ৰিম কোৰ্টত এই বিষয়ে আলোচনা হৈছে আৰু এইটো এটা Sub-judice matter। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ দৰে তাত লিখিছিল যে The states can give Hindus minorities status if they are in minority. Their Minority Welfare Schemes are not un-constitutional .এইটো কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে চুপ্ৰিম কোৰ্টত তেওঁলোকৰ কথাখিনি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, তাত কেন্দ্ৰীয় চৰকাৰে কৈছে যে .The Central Govt. has told the Supreme Court in a plea seeking minority status for Hindu in Mizoram, Nagaland,Manipur,Meghalaya, Arunachal Pradesh,Punjab,Lakswadeep, Ladakh, Kashmir etc. sub judice matter এইটো এটা sub judice matter চলি আছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে যিহেতু এই কথাখিনি এটা ভাল গতিত চলি আছে, এতিয়া অসম চৰকাৰে এই কথাখিনি চুপ্ৰিম কোৰ্টত Affidavit দি যদি কয় মই ভাৱো যে এই কথাখিনি একেবাৰে ব্লক লেভেলত বা জিলা পৰ্য্যায়ত যিখিনি কথা ভাৱিছে সেই কথাখিনি অলপ ভাল হ'ব। কাৰণ অশ্বিনী উপাধ্যায়ে যিখিনি কথা দিছে, সেই কথাখিনিত যদি আমি অংশ গ্ৰহণ কৰো তেতিয়া তেওঁ জিলা পৰ্য্যায়ত ভাৱিছে, ৰাজ্যিক পৰ্য্যয়ত ভাৱিছে, সেই কথাখিনি স্পষ্ট হ'ব। গতিকে এই কেচটোৰ Affidavit দিব নেকি, আমি আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালিও মই কেন্দ্ৰীয় গৃহ মন্ত্ৰী ডাঙৰীয়াৰ লগত এই বিষয়ে আলোচনা কৰিছিলো আৰু আমি চেষ্টা কৰিম যাতে এই অশ্বিনী উপাধ্যায়ৰ কেচটোত অসমেও পাৰ্টী হয় আমি জিলা পৰ্য্যায়ৰ সংখ্যালঘু সকলৰ কথা যাতে ক'ব পাৰো। সেই বিষয়ে আমি চাম। কেৱল অসম চৰকাৰক সোমাবৰ বাবে কিমান স্কোপ দিব সেইটো Subject to Supereme Court হ'ব Affidavi and I agree with the hon'ble Member.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰুল ৫৪, জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই কওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰেকৰ্ডত নাযাওঁ। This case is about the Religious Minority, not about Linguistic Minority.কিন্তু এই কেচাটো পঢ়া নাই। কিন্তু মই যিমান দূৰ জানো অশ্বিনী উপাধ্যায়ে এই কেচটো কৰিছিল। For

seeking status of Hindu Community in these particular states.Linguistic Minority ডিমাণ্ড কৰি এই কেচটো হোৱা নাছিল। পিটিশ্যনাৰৰ প্ৰেয়াৰখিনি মই চাই লওঁ আৰু Linguistic Minority issue ত আমি এইকাৰণেই যাব নুখোজো কাৰণ অসমত চেনচাচ আৰু ভাষাটো অতি স্পৰ্শকাতৰ বিষয়। গতিকে Our petition will be confine only to Riligious Minority.আমি এই কাৰণেই ভাষাত যাব নুখোজো কাৰণ এইটো অতি স্পৰ্শকাতৰ বিষয় আৰু অসম খন উন্নতিৰ পথত অলপ আগুৱাই গৈছে And we donot want to open up a fault line...

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো Linguistic Minority ৰ কথা কৈছিল, সেই শব্দটো expand হ'ব।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মানি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰুল ৫৪, জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত "অসমত গো-ধনৰ বিপৰীতে নাই পৰ্য্যাপ্ত পশুচিকিৎসক। গাখীৰৰ চাহিদা পূৰণ কৰিবলৈ অসমে নিৰ্ভৰ কৰিবলগীয়া হৈছে বৰ্হিঃ ৰাজ্যৰ ওপৰত।" এই বিষয়টো উত্থাপনৰ জৰিয়তে পশুপালন বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ দিয়াৰ বাবে প্ৰথমে মই আপোনাক ধন্যবাদ জনাইছো। অসমত এটা দিন এটা ৰাতি পাৰ হৈ আছে আৰু তাৰ লগে লগে নিবনুৱা যুৱক-যুৱতীৰ সংখ্যাও বৃদ্ধি হৈ আছে। শেহতীয়া তথ্যমতে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো দৰিদ্ৰ সীমাৰেখাৰ তলত মানুহৰ সংখ্যা বৃদ্ধি হ'ব ধৰিছে, মানুহৰ কৰ্ম-সংস্থাপনৰ অৱনতি ঘটিছে। মানুহে আৰ্থিক দৈন্যতাত ভুগি জীৱন নিৰ্ব্বাহ কৰাৰ কাৰণে কষ্ট ভুগিবলগীয়া হৈছে। ৰাজ্যচৰকাৰৰ কৰ্তব্য হ'ল অসমৰ নিবনুৱা যুৱক-যুৱতীসকলক সংস্থাপন দিয়া। অসমৰ প্ৰতিজন মানুহে যাতে নিজে নিজৰ পৰিয়ালক পোহপাল দিব পাৰে, দুবেলা-দুমুঠি খাই জীৱন নিৰ্ব্বাহ কৰিব পাৰে এইক্ষেত্ৰত এই চৰকাৰখনে বিভিন্ন বিভাগৰ জৰিয়তে দায়িত্ব পালন কৰি দুখীয়া ৰাইজৰ ওচৰত থিয় দিব লাগে। বৰ্তমান অসমৰ নিবনুৱা সকলৰ যি ভয়াৱহ ছবি, অসমীয়া নিবনুৱা যুৱক-যুৱতীসকলক কৰ্ম-সংস্থাপন দিয়াৰ বাবে ৰাজ্যচৰকাৰ খনে কেৱল চাকৰিৰ জৰিয়তে কেতিয়াও নিবনুৱাৰ সমস্যা সমাধান কৰিব নোৱাৰে। চৰকাৰী তথ্যত কি আছে, সেইয়া সঠিক নাজানো। কিন্তু মই ভাৱো বৰ্তমান অসমত প্ৰায় ২৫ লাখতকৈ বেছি নিবনুৱা যুৱক-যুৱতী আছে আৰু কেৱল এক লাখ চাকৰিৰ দ্বাৰা কৰ্ম-সংস্থাপন দিয়াৰ বাবে আগবাঢ়িছে। কিন্তু এক লাখ দিলে পঁচিশ লাখ যুৱক-যুৱতীয়ে কৰ্ম-সংস্থাপন নাপায়। কেৱল চাকৰিৰ কথাই নকওঁ। বেলেগ বেলেগ ক্ষেত্ৰত মানুহক স্বাৱলম্বী কৰাৰ কাৰণে এই চৰকাৰখনে পদক্ষেপ ল'ব লাগিব। এই ক্ষেত্ৰত ৰাজ্যৰ পশুপালন বিভাগে এটা দায়িত্ব পালন কৰিব পাৰে। পশুপালন বিভাগে এটা গধুৰ দায়িত্ব পালন কৰিলে নিশ্চিতভাৱে অসমৰ নিবনুৱা যুৱক-যুৱতী সকলৰ লগতে অসমৰ ৰাইজ বিভিন্ন ক্ষেত্ৰত স্বাৱলম্বী হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অসমৰ পশুপালন বিভাগৰ বিভিন্ন বিভাগ আছে আৰু বিভিন্ন দিশ আছে। সেইসমূহত নগৈ গাখীৰৰ ক্ষেত্ৰত কেনেকৈ অসমক স্বৱলম্বী কৰিব পাৰো, গাখীৰৰ উৎপাদন কেনোক বৃদ্ধি কৰিব পাৰো এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিছু পদক্ষেপ ল'ব লাগিব। আজিৰ অসমত পশুপালন বিভাগৰ কিছু ছবি যদি আপোনাৰ জৰিয়তে দাঙি ধৰিব পাৰো তাৰ বাবে নিশ্চয় চেষ্টা কৰিম। অসমত বিশতম পশুধন গণনা হিচাপে অসমত গো-ধনৰ সংখ্যা হৈছে-১,০৯,০৯,২৩৯ টা আৰু ম'হৰ সংখ্যা হৈছে-

৪,২১,৭১৫ টা। মাননীয় অধ্যক্ষ মহোদয়,অসমত যদি আমি গাখীৰ উৎপাদনৰ পৰিসংখ্যা চাওঁ, ২০২০-২১ চনত অসমত গাখীৰ উৎপাদন হৈছিল ১০০৪ মিলিয়ন লিটাৰ আৰু ২০২০-২১ চনত অসমত গাখীৰৰ প্ৰয়োজন আছিলে ২৬৫৭ মিলিয়ন লিটাৰ। অৰ্থাৎ ২০২০-২১ চনত গাখীৰৰ ঘাটি হৈছে ১৬৫৫ মিলিয়ন লিটাৰ। ঠিক তেনেদৰে ২০২১-২২ চনত অসমত গাখীৰ উৎপাদন হৈছিল ১০৩৪ মিলিয়ন লিটাৰ আৰু গাখীৰৰ ঘাটি হৈছিল ১৬৫৫ মিলিয়ন লিটাৰ। গতিকে উপাধ্যক্ষ মহোদয়, গাখীৰৰ এই ঘাটি আমি কেনেকৈ পূৰণ কৰিব পাৰিম? অসমৰ প্ৰয়োজনীয় গাখীৰৰ চাহিদা অনুযায়ী উৎপাদন কৰিবলৈ বিভাগে দায়িত্ব পালন কৰিব লাগিব। তাৰকাৰণে বিভাগে নিশ্চিতভাৱে পশুলাপন বিভাগৰ জৰিয়তে অসমৰ বিভিন্ন গাৱেঁ-ভূঞেঁ, চহৰে-নগৰে পৰ্য্যাপ্ত চিকিৎসক, বিষয়া কৰ্মচাৰী, চিকিৎসালয়, sub centre সকলো গঢ়ি তুলিব লাগিব।

উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বৰ্তমান অসমত পশুপালন বিভাগত কিমান চিকিৎসক আছে, কিমান চিকিৎসক লাগে, তাৰ এটা পৰিসংখ্যা দাঙি ধৰিব বিচাৰিছো। ৫ হাজাৰ পশুধনৰ বিপৰীতে ভেটেৰনাৰী বিভাগৰ মতে এজনকৈ পশুচিকিৎসকৰ দৰকাৰ। এই হিচাপত অসমত পশুচিকিৎসক থাকিব লাগে ২৪৯৪ জন। কিন্তু অতি পৰিতাপৰ কথা যে অসমত বৰ্তমান মাত্ৰ ৭০৩ টা পশু চিকিৎসকৰ পদ আছে। তাৰেও মাত্ৰ ৫৩৮ টা পদতহে পশু চিকিৎসক কৰ্মৰত হৈ আছে। গতিকে এই ক্ষেত্ৰত বৃহৎ ব্যৱধান আছে। যি সময়ত গাখীৰৰ ওপৰত আমাৰ ৰাজ্যখনৰ পৰা পাবলগীয়া কোটি কোটি টকা ৰাজহ বেলেগ ৰাজ্যই পাই আছে, সেই সময়ত আমি অসমৰ টকা অসমত ৰাখিবলৈ হ'লে পশুপালন বিভাগে নিশ্চিতভাৱে প্ৰয়োজনীয় পশুচিকিৎসকৰ পদ পূৰণ কৰিব লাগিব আৰু চৰকাৰে অনুমোদন জনাব লাগিব।

ঠিক তেনেকৈ চিকিৎসালয়, sub centre যিমান প্ৰয়োজন, পৰিসংখ্যা অনুযায়ী সিমান অসমত নাই। তাৰ ওপৰতো বিভাগে বা মন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা ল'ব লাগিব। আমি সকলোৰে জানো যে খাদ্য নহ'লে আমি জীয়াই থাকিব নোৱাৰো আৰু ভালদৰে কাম কৰিব নোৱাৰো। ঠিক তেনেকৈ গো-ধনক খাদ্যৰ কাৰণে কিমান কেঁচা ঘাঁহৰ প্ৰয়োজন তাৰ এটা পৰিসংখ্যা দিব খুজিছো। বৰ্তমান অসমত যিখিনি গো-ধন আছে বা ম'হ আছে তাৰকাৰণে অসমত প্ৰতিবছৰে ২৩,১৫,৯২৫ মেট্ৰিকটন কেঁচা ঘাঁহৰ প্ৰয়োজন। কিন্তু অসমত উৎপাদন হয় মাত্ৰ ৮৫,৬৩৩ মেট্ৰিকটন। এইটো এটা বৃহৎ ব্যৱধান। গতিকে আমি চিকিৎসক, চিকিৎসালয়ৰ লগতে খাদ্যৰ ক্ষেত্ৰতো ব্যৱস্থা ল'ব লাগিব। কেঁচা ঘাঁহ উৎপাদনৰ ক্ষেত্ৰত চৰকাৰে নিশ্চিতভাৱে পদক্ষেপ ল'ব লাগিব। উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ প্ৰতিজন মানুহকে জীয়াই থাকিবলৈ পুষ্টিকৰ খাদ্যৰ প্ৰয়োজন। একেবাৰে মাকৰ কোলাত থকা কেচুৱাৰ পৰা আৰম্ভ কৰি বয়োজেষ্ঠ্য ব্যক্তিলৈকে গাখীৰৰ প্ৰয়োজন। গাখীৰ খালে আমাৰ কি উপকাৰ হয়, সেয়া আমি সকলোৰে নিশ্চিতভাৱে জানো। মই এই ক্ষেত্ৰত বহলাই ক'ব নিবিচাৰো। কিন্তু আজিৰ তাৰিখত প্ৰতিজন গো-পালকৰ ওচৰত থিয় হ'বলৈ চৰকাৰ বদ্ধপৰিপক্ক হ'ব লাগিব। পশুপালন বিভাগত গাখীৰ উৎপাদন বৃদ্ধি কৰিবলৈ চৰকাৰে বাজেটত ধন বৃদ্ধি কৰিব লাগিব। আহি থকা দিন সমূহত অসমক স্বাৱলম্বী কৰিবলৈ হ'লে, অসমক ভাৰতবৰ্ষৰ ভিতৰৰ শ্ৰেষ্ঠতম ৫ খন ৰাজ্যৰ ভিতৰত কৰিবলৈ হ'লে, প্ৰতিজন নিৰনুৱা যুৱক-যুৱতীৰ ওচৰত থিয় হ'বলৈ হ'লে, অসমৰ দৰিদ্ৰতা দূৰ কৰিবলৈ হ'লে পশুপালন বিভাগে নিশ্চিতভাৱে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি প্ৰতিজন গো-পালকৰ ওচৰত থিয় হওক আৰু তেখেতসকলৰ সমস্যা সমাধান কৰক। তেতিয়াহে অসম উন্নয়ণৰ পথত আগবাঢ়ি যাব আৰু অসমত গাখীৰৰ যিখিনি প্ৰয়োজনীয় চাহিদা আছে সেয়া যাতে বেলেগ ৰাজ্যৰ পৰা আনিবলগা নহয়। প্ৰয়োজনীয় গাখীৰ আমি নিজে উৎপাদন

কৰিব পৰা থল আমাৰ অসমত আছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াক ধন্যবাদ জনাইছো, তেখেতে এটা গুৰুত্বপূৰ্ণ বিষয় আজিৰ সদনত উত্থাপন কৰিছে। গো-পালন অসমৰ মানুহৰ পৰম্পৰা। আমাৰ ৰাজ্যখনৰ পশুপালন আৰু পশুচিকিৎসা ক্ষেত্ৰখনৰ উত্তৰণৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে বিভিন্ন কাৰ্য্য আৰু পদক্ষেপ গ্ৰহণ কৰিছে। তেখেতে কোৱাৰ দৰে আমাৰ অসমত পশু চিকিৎসকৰ সংখ্যা কম। পশু ধনৰ বিপৰীতে যিমান চিকিৎসক থাকিব লাগে সেয়া নাই। আমি ক্ৰমান্বয়ে সেয়া বৃদ্ধি কৰিবলৈ যত্ন কৰিছো। যোৱা সময়ছোৱাত ১১৩ জন চিকিৎসক আমি নতুনকৈ নিযুক্তি দিছো। ঠিক তেনেকৈ ২২১ জন ভেটেনাৰী ফিল্ড এচিচটেন্ট আমি নিযুক্তি দিছো আৰু তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ যিসমূহ পদ খালী হৈ আছে, সেইবিলাক পূৰণ কৰিবৰ কাৰণেও যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ ৰাজ্যখনত বৰ্তমান সময়ত ৫৩৮ জন পশু চিকিৎসক আছে আৰু বাকী খালী হৈ থকা পদ সমূহ পূৰাবৰ বাবে অসম লোকসেৱা আয়োগক আমি অনুৰোধ জনাইছো যাতে খুৱ সোনকালে পৰীক্ষা পাতি এই পদ সমূহত নিযুক্তি দিয়া হয়। ঠিক তেনেকৈ ১৯৬৩ জন ক্ষেত্ৰ সহায়ক আমাৰ আছে আৰু ৭৬৭ খন পশু স্বাস্থ্য উপকেন্দ্ৰ আছে। আমি চিকিৎসালয় সমূহৰ জৰিয়তে যিমান পাৰো চিকিৎসা সেৱা আগবঢ়াবলৈ চেষ্টা কৰি আছো। ৰাজ্যখনত বৰ্তমান ৪৪২ খন পশু চিকিৎসালয় আছে আৰু ৭৬৭ খন পশু স্বাস্থ্য উপকেন্দ্ৰ আছে। এইখিনি যথেষ্ট নহয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ উদ্যোগত আমি ৰাজ্যখনৰ তিনি ঠাইত ৩ খন Super Speciality Hospital কৰিবলৈ গৈ আছো। য'ত অত্যাধুনিক চিকিৎসাৰ বাবে সা-সৰঞ্জাম থাকিব আৰু বহুত চিকিৎসালয় আমি দেখিছো যে তাত মেৰামতিৰ প্ৰয়োজন আছে, সেইখিনি কৰিবলৈও আমি ব্যৱস্থা লৈছো। কেইখনমান পুনৰ নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। আমাৰ ৰাজ্যখনৰ চবকা প্ৰতিৰোধৰ বাবে ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় পশুধন আঁচনি NADCP ৰ জৰিয়তে ইতিমধ্যে ৬ লাখতকৈ অধিক পশুধনৰ টীকাকৰণ হৈছে। বৰ্তমানেও এই কাৰ্য্য অব্যাহত আছে। আমি দুই বছৰ আগতে মোবাইল এম্বুলেন্স দিয়াৰ ব্যৱস্থা কৰিছিলো। এতিয়া ভাৰত চৰকাৰৰ ফালৰ পৰা MDU ৰ ব্যৱস্থা কৰিবলৈ ইতিমধ্যে প্ৰস্তুতি সম্পন্ন হৈছে। প্ৰতি ১ লাখ পশুধনৰ বিপৰীতে একোখনকৈ ভ্ৰাম্যমান চিকিৎসা সেৱাৰ তাত ব্যৱস্থা নাথাকিব। ইয়াৰ উপৰিও আমাৰ ৰাজ্যখনৰ গাখীৰ উৎপাদন বৃদ্ধিৰ বাবে ব্যৱস্থা লোৱা হব। সন্মানীয় সদস্যগৰাকীয়ে ঠিকে কৈছে যে আমি গাখীৰ উৎপাদনত পিছপৰি আছোঁ। অসমত গাখীৰ উৎপাদনত ঘাটি আছে আৰু সেইখিনি পুৰণ কৰিবলৈ আমি চেষ্টাও কৰি আছো। আমাৰ ৰাজ্যখনত আগতে বহুতো খুঁটি আছিল মাজুলী আৰু বিভিন্ন ঠাইত। এই খুঁটি বিলাক লাহে লাহে ভাল কৰা হৈছে। গৰু খুঁটি , ম'হৰ খুঁটি বিলাক erosionৰ কাৰণে হ্ৰাস পাই আহিছে। কিন্তু আমি দেখিছো যে আমাৰ ৰাজ্যখনত গাখীৰ উৎপাদন বৃদ্ধি কৰিব পৰা অৱকাশ আছে । সেইবাবে মাননীয় মুখ্যমন্ত্ৰীৰ বিশেষ উদ্যোগত দুগ্ধ উন্নয়ন বিভাগ আৰু সমবায় বিভাগৰ জৰিয়তে আমি NDBB সৈতে MOU আমি চাইন কৰিছো। তাত চুক্তি কৰা হৈছে যে প্ৰতি দিনে ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ লক্ষ্যৰে য'ত সৰ্ব্বমুঠ ২০০০ কোটি টকাৰ প্ৰয়োজন হ'ব আৰু আমি পৰ্য্যায়ক্ৰমে সেই কামখিনি কৰিবলৈ আমি আগবাঢ়িছো। ইয়াৰ ওপৰিও দুগ্ধ উন্নয়ন বিভাগৰ সহযোগত 'মুড়া বাফেলো ' আৰু চেক্সৰটেট ছিমেনৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে বাজেটত ধন আবন্টনো দিছে আৰু ৰাজ্যখনত কেইবা ঠাইত ডাঙৰ ডাঙৰ মিল্ক প্ৰচেচিঙ প্লান্ট কৰিবলৈ পৰিকল্পনা কৰা হৈছে আৰু যিবিলাক

সৰু সৰু মিল্ক প্ৰচেচিঙ প্লান্ট ডিফাং হৈ আছিল যিবিলাকত ৫ হাজাৰ লিটাৰ মিল্ক প্ৰচেচিঙ কৰিব পাৰে। যিবিলাক কাম হাফ ডান হৈ আছিল সেইবিলাক কমপ্লিট কৰিবৰ কাৰণে আমি হাতত লৈছো আৰু লগতে মেইজ কাল্টিভেশ্যনৰ ওপৰতো আমি গুৰুত্ব দিছো। কৃষি বিভাগৰ পৰাও গুৰুত্ব দিছো আৰু তাৰ বাবে যি জি এন ডি বিৰ লগতো আমাৰ চুক্তি হৈছে। কাৰণ এই পশুধনক খাদ্যৰ সঠিক ভাবে যোগান ধৰিব লাগিব তাৰ বাবে ফিড মিল লাগিব। বৰ্ত্তমান থলুৱা গাই উৎপাদনৰ বাবে গো পালকৰ ঘৰত কৃত্ৰিম প্ৰজননৰ ব্যৱস্থা কৰা হৈছে। কৃত্ৰিম প্ৰজনন বৃদ্ধি কৰাৰ বাবে গোপাল মিত্ৰ, মৈত্ৰী ইত্যাদিৰ জৰিয়তে ব্যৱস্থা কৰা হৈছে। যাতে থলুৱা গাই- চেউৰী ইত্যাদি কৃত্ৰিম প্ৰজনন কৰিব পৰা যায়। বিশ্ববেংকৰ অধীনৰ এপাৰ্টৰ জৰিয়তে অসমৰ সংগঠিত আৰু অসংগঠিত গাখীৰ উৎপাদকসকলক সংগঠিত কৰি দুগ্ধ উৎপাদনৰ লক্ষ্য স্থিৰ কৰা হৈছে। অসমৰ বৰ্ণ সংকৰ গোধনক অধিক উৎপাদনক্ষম কৰাৰ বাবে বছৰেকত ২৩,১৫৯২৫ মেট্ৰিক টন সেউজীয়া ঘাঁহৰ প্ৰয়োজন হয়। ইয়াৰ বিপৰীতে ৮৫,৬৩৩ মেট্ৰিকটন ঘাঁহ আমাৰ ৰাজ্যখনত উৎপাদন হয়। সেইজীয়া ঘাঁহৰ ওপৰত খাদ্যৰ উৎপাদন নিৰ্ভৰশীল। উৎপাদন মূল্য হ্ৰাস কৰিবলৈ পৰ্য্যাপ্ত ঘাঁহৰ প্ৰয়োজন। পশুপালন বিভাগে ঘাঁহৰ উৎপাদন বৃদ্ধি কৰিবলৈ ঘাঁহৰ বীজ হিতাধীকাৰীসকলক বিনামূলীয়াকৈ বিতৰণ কৰিছে। লগতে চৰকাৰী পামসমূহৰ কাৰ্য্যক্ষমতা বৃদ্ধি কৰাৰ বাবে চেষ্টা কৰি থকা হৈছে। নিবনুৱাক কৰ্ম সংস্থাপন আৰু গ্ৰাম্য অৰ্থনিতিৰ বুনিয়াদ শক্তিশালী কৰণৰ বাবে আমি ভাবো গো পালনৰ লগতে ঘাঁহ উৎপাদনো এক কাৰ্য্যকৰী দিশ হ'ব পাৰে। বিভিন্ন ফাৰ্মত উৎপাদিত গোবৰ আৰু গো মুত্ৰ অধিকাংশই সদ ব্যৱহাৰ নহয়। সেইবোৰ সদ্ ব্যৱহাৰৰ কথা চিন্তা কৰা হৈছে। গোবৰৰ সদ্ ব্যৱহাৰৰ লগতে তাৰ মূল্য সংযোজনৰ বাবে প্ৰথম বাৰৰ বাবে বিভাগে চৰকাৰী গো ফাৰ্মত গোবৰ শুকুৱাই গুৰি কৰা যন্ত্ৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য জাকিৰ হুছেইন শিক্‌দাৰে ডাঙৰীয়াই সঠিকভাবে কথা কৈছে যে ৰাজ্যখনত নিবনুৱা সমস্যাটো এটা ডাঙৰ সমস্যা হয়। এইটো অকল আমাৰে নহয় সমগ্ৰ দেশৰে সমস্যা। এই গো পালনৰ জৰিয়তে আমি বহু নিবনুৱাক সংস্থাপন দিব পৰা এটা অৱকাশ আছে। তেনেদৰে চৰকাৰে পৰিকল্পনা কৰিছে। ইতিমধ্যে এনিমেল হাচবেণ্ডৰী বিভাগত আমাৰ চৰকাৰখনে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। গতিকে এই ক্ষেত্ৰত অনাগত দিনত এই সদনত প্ৰতি গৰাকী সন্মানীয় সদস্যৰ সহযোগ আমি কামনা কৰিম ধন্যবাদ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো কৈছে মই এটা পৰামৰ্শ দিব বিচাৰিম যে প্ৰতিজন বিধায়কক আপুনি জড়িত হোৱাৰ কথা কৈছে। পশুপালন বিভাগৰ বিষয়াসকলক এটা নিৰ্দেশ দিব লাগে যে প্ৰত্যোক সমষ্ঠিত যি বিষয়া বা ডক্টৰ-কৰ্মচাৰীসকল আছে তেওলোকে বিধায়কৰ লগত এখন মিটিঙ পাতিব লাগে। যিখিনি আঁচনি আছে সেইখিনি কিন্তু সফল নহয়, বিভিন্ন কাৰণত ভিতৰৰ গাওঁৰ মানুহৰ ওচৰলৈ গৈ নাপায়। বিধায়কসকলৰ লগত যেতিয়া কথাবোৰ আলোচনা কৰিব তেতিয়া নিশ্চয় ৰাইজ উপকৃত হ'ব।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, পশুপালন ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে যিটো পৰামৰ্শ আগবঢ়াইছে ধন্যবাদ জনাইছো , মই তেনেধৰণে নিৰ্দেশ দিম।

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয়ে জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই যিটো দাঙি ধৰিছে যে গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰিবলৈ , বা মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা স্বনিৰ্ভশীলৰ পৰিকল্পনা এটা লৈ আগবাঢ়িছে যে আমাৰ দুগ্ধ উৎপাদনে ই এটা আমূল পৰিৱৰ্ত্তন আনিবলৈ সক্ষম হ'ব। মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে। সেইখিনি কাৰ্য্যকৰী

কৰক NDBB ৰ লগত চুক্তিও কৰিছে। কিন্তু মই তেখেতলৈ এটা আহ্বান জনাব খুজিছো যে আমাৰ ঠাইবিলাকত ভেটেৰেনেৰীৰ যিটো কেম্পাচ আছে তাত বহুত মাটি আছে। সেই মাটিবিলাকত পশুপালন বিষয়াসকলে অন্তত কেঁচা ঘাহঁ নেফিয়া হওঁক, কাউফি হওঁক বা যিবিলাক উন্নত জাতৰ ঘাঁহ আছে , চেক্সৰটেট ছিমেন বা এইবিলাক দিছে ঠিকে আছে কিন্তু ঘাহঁ- দানা চাবচিডিত দিব পাৰি নেকি ? ঘাঁহ আমাক লাগিব , কেঁচা ঘাঁহ উৎপাদন আমাৰ ল'ৰাখিনিও শিকিব। আমাৰ কেম্পাচ বিলাকত ১০-১২ বিঘাকৈ মাটি আছে গতিকে তাত ঘাঁহ উৎপাদনৰ বাবে পশুপালন বিভাগৰ বিষয়াসকলক কামত লগাবলৈ মই মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, পশুপালন ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে যিটো পৰামৰ্শ আগবঢ়াইছে ধন্যবাদ জনাইছো , মই তেনেধৰনে ব্যৱস্থা ল'ম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং -৩ ৰুল ৩০১- আশ্ৰাফুল হুছেইন । ৫ মিনিটত শেষ কৰিব সময় ক'ম।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰুল ৩০১ ত যি বিষয় উত্থাপন কৰা হৈছে আমি চেগা চোৰোকাকৈ এই বিষয়ে আমি অসম বিধান সভাত কেইবাবাৰো আলোচনা কৰিছো। মন্ত্ৰী মহোদয়ক সদনত দেখা নাই যদিও মই আশা কৰিছো তেখেতে শুনি আছে । মোৰ সমষ্টিত যি শিক্ষাৰ ৰূপ সেই ছবিখন মই চৰকাৰক জনাব বিচাৰিছো। এই কাৰণে জনাব বিচাৰিছো যে মোৰ চেঙাত যি ছবি বাকী সমষ্টিবোৰতো একেই ছবি। মই সম্পূৰ্ণভাবে বিশ্বাস কৰো যে এইখন চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে আৰু তেওঁলোকে কাম-কাজখিনি কৰি আছে। যিসময়ত নাবাৰ্ডৰ পৰা লোন লৈ 'নেডা' ৰ জৰিয়তে বিদ্যালয়সমূহক ৫০ লাখকৈ টকা আৰু হেৰিটেজ স্কুলসমূহক ৩ কোটিকৈ টকা দিয়া হৈছে সেইটো নিশ্চিতভাবে আদৰণীয়। কিন্তু একেটা সময়তে প্ৰাথমিক স্কুলত ঘৰ নথকাকৈ শ শ প্ৰাথমিক বিদ্যালয় পৰি আছে। মোৰ সমষ্টিত বিল্ডিং নথকা ৪৩ খন প্ৰাথমিক বিদ্যালয় আছে । যিখিনি বিদ্যালয়ত ঘৰৰ প্ৰয়োজন আছে তাৰ তালিকা মই লগত আনিছো। মহোদয়, ইয়াৰ আগৰ বক্তব্যত মই জনাইছিলো যে মোৰ সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত ৪-৫ খন গাওঁ পঞ্চায়ত আছে। তাত প্ৰায় ৫০ পৰা ৭০ হাজাৰমান জনসংখ্যা হ'ব । আৰু তাতে এখন হায়াৰ চেকেণ্ডৰী স্কুল নাই , কলেজতো বহু দুৰৰ কথা । সেই কাৰণে তাৰ ল'ৰা-ছোৱালী সকলে বহু দূৰ দূৰণিলৈ যাব লাগে। বান বাৰিষাই তেওঁলোকক আক্ৰান্ত কৰি ৰাখে। এতিয়া অন্ততঃ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত থকা খোলাকান্দা হাইস্কুল, নতুবা আজগৰ আলী মেমোৰিয়াল হাইস্কুল এই দুখন বিদ্যালয়ত আমি হায়াৰচেকেণ্ডাৰী বিচাৰিছোঁ। আজি খোলাকান্দা হাইস্কুলত হাজাৰৰ ওপৰত ছাত্ৰ-ছাত্ৰী আছে আৰু দূৰ্ভাগ্য জনক ভাৱে মাত্ৰ ৫ জন শিক্ষকে তাত পাঠ দান কৰি আছে। ২০ টা চেক্চনত যদি ৫ জন শিক্ষকে পাঠদান কৰে তেনেহলে আপোনালোকে ভাৱক তাৰ গুণগত মানদণ্ড কি ধৰণে আগবাঢ়ি গৈ আছেঙ্গ সেইখন বিদ্যালয়ত মুখ্যমন্ত্ৰী মহোদয়ে যি আদৰ্শ বিদ্যালয় ল'ব কৈছিল বিধায়ক সকলক সেইখন বিদ্যালয় এখন আদৰ্শ বিদ্যালয় হিচাপে আমি গ্ৰহণ কৰিছোঁ। আমি আশা কৰিম যে চৰকাৰৰ সুদৃষ্টি তেনেকুৱা এখন খুব বেছি ছাত্ৰ-ছাত্ৰী থকা আৰু খুব পিছপৰা অঞ্চলত অৱস্থিত তেনেকুৱা এখন বিদ্যালয়ত আমাৰ সম্পূৰ্ণ উজাৰি দি আমি এখন সঁচা অৰ্থত আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠা কৰি দেখুৱাম। কেৱল আমি বিচাৰিম চৰকাৰৰ সুদৃষ্টি, তেওঁলোকৰ সহযোগীতা। মহোদয়, ইয়াৰ আগতেও উল্লেখ কৰিছিলো যে, আমাৰ সমষ্টিত কেইবাখনো প্ৰাথমিক বিদ্যালয় আছে যদিও উচ্চ প্ৰাথমিক নাই, মই সম্পূৰ্ণ আশাবাদী মন্ত্ৰী মহোদয়ে

আগতেই কৈছে নিশ্চিত ভাৱে তেওঁ কৰিব। কিন্তু এইখিনিতে আৰু কেইটামান দিশ আমি কোৱা প্ৰয়োজন আছে যে শিক্ষাৰ ক্ষেত্ৰত ব্যাপক সংস্কাৰৰ লগে লগে সচাঁ গ্ৰাউণ্ডত যি সমূহ হৈ আছে সেই সমূহৰ তাত্বিক বিশ্লেষণৰ জৰিয়তে সেই সমূহত কি ধৰণে গুণগত শিক্ষা হৈ আছে তাৰ ওপৰত এটা বিশ্লেষণ কৰিলেহে আমি এটা সঠিক বাট পাম। মোৰ সমষ্টিত একেটা ঠাইতে এল পি স্কুল আছে, এম ই স্কুল আছে, হাইস্কুল আছে, দুখন হাইস্কুল আছে, কিন্তু তাত amalgamationটো হৈ উঠা নাই, amalgamation হলে আমাৰ বেনিফিত কেইবাটাও। এটা হ'ল তাত আমি ভাগে ভাগে শিক্ষক দিব লগা নহ'ব, প্ৰয়োজনত আমি চেক্‌চন কৰিম, ভাগে ভাগে শিক্ষক দিলে ৪ খন বিদ্যালয়ত ২৫ জন শিক্ষক যায় আৰু কোনোবাই ক্লাছত শিক্ষক নাপাই তাৰপিছতোঁ। সেইকাৰণে চাওঁক, মোৰ সমষ্টিত গোমাফুলবাৰী হাইস্কুল, গোমাফুলবাৰী হাইস্কুল এ, আৰু গোমাফুল বাৰী এম ই মাদ্ৰাছা এই তিনিখন বিদ্যালয় একেটা কেম্পাছতে আছে। গতিকে মই ভাৱো যে এই তিনিখন বিদ্যালয় একত্ৰিত কৰাতো জৰুৰী। একেদৰে মোৰ সমষ্টিত কাৱাইখাইটি হাইস্কুল য'ত ক্লাছ ওৱানৰ পৰা পঞ্চমমানলৈ আছে, আকৌ ক্লাছ নাইন আৰু টেন আছে, মাজৰ ক্লাছকেইটা নাই, একেটা কেম্পাছতে। তাত শিক্ষক দুয়োটা স্কুলতে দি আছো, মাজতে ইমান ধুনীয়া গৃহ আছে, তাত যদি আমি ক্লাছ ওৱান টু টেন আৰম্ভ কৰিব পাৰো ভৱিষ্যতে আমি টুৱেল্‌ভও আৰম্ভ কৰিব পৰা যাব। এই বিলাক আৰু কেইবাটাও এনেকুৱা আছে আজগৰ আলী মেমোৰিয়েল হাইস্কুল, য'ত ক্লাছ নাইন আৰু টেন চলিছে, একেটা কেম্পছতে যিসকলৰ আৰ এম এচ ৰ পৰা ইমান ডাঙৰ গৃহ বনোৱা হৈছে প্ৰায় ২০ টা ক্লাছৰুম আছে , কিন্তু তাত নাইন আৰু টেন মাত্ৰ ক্লাছ আছে। একেটা কেম্পছতে দেখা গৈছে যে আন্দামানা এম ই মাদ্ৰাছা আছে, তাতেও গৃহ আছে, তেওঁলোকে কিন্তু বেলেগ বেলেগে চলাইছে। এইটো কিয়? এটা কেম্পছৰ ভিতৰত ইমান ডাঙৰ স্কুল, মই ভাৱো যে এই বিদ্যালয় বিলাক একে লগ কৰিব পৰা যাব। যেনেকুৱাকৈ জি এচ ও জনতা হাইস্কুল আৰু হাজিসোনাওল এল পি স্কলু একেটা কেম্পছতে আছে, বাজাৰবান্ধা হাই স্কুল আৰু হাজাৰ বান্ধা চিনিয়ৰ চেকেণ্ডাৰী স্কুল কাষতে আছে, চিকাৰবিতা এম ই স্কুল আৰু চিকাৰবিতা এল পি স্কুল একেটা কেম্পাছত আছে, একগোট হোৱা নাই। মই ভাৱো যে এই amalgamationৰ প্ৰক্ৰিয়াটো খুব ক্ষীপ্ৰতাৰে সম্পন্ন কৰিব লাগে। আমাৰ এইটোৰ ফলত তিনিজন হেড মাষ্টৰো লগাই থাকিব নালাগে আৰু বিভিন্ন ধৰণৰ বাৰ্ডেন বিলাকো কমি যাব। মুঠতে মন্ত্ৰী মহোদয়, দক্ষিণ পাৰৰ হায়াৰ চেকেণ্ডাৰী স্কুল এখন ক্ষীপ্ৰতাৰে দিব চেঙা সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰ। বাকী অনাগত সময়ত তাত এখন কলেজৰো প্ৰয়োজন আছে, কাৰণ যথেষ্টসংখ্যক ল'ৰা-ছোৱালী তাত আছে। এইখিনি কথা আপোনাৰ ভাষণত পাম বুলি আশা কৰিছোঁ।

**মাননীয় উপধ্যক্ষ ঃ** ধন্যবাদ, অনুগ্ৰহকৰি বহক।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক আশ্ৰাফুল হুছেইন ডাঙৰীয়াই এই বিষয়খিনি পূৰ্বতেও উৎথাপন কৰিছিল। আপোনাৰ জৰিয়তে মই মাননীয় বিধায়ক গৰাকীক চৰকাৰে যি পৰিকল্পনা লৈছে সেইখিনি মই অৱগত কৰিছিলোঁ। প্ৰথম কথাটো হ'ল শিক্ষা ক্ষেত্ৰৰ আঁচনিখন এখন এনেকুৱা আঁচনি যিখন আঁচনিৰ জৰিয়তে এটা অঞ্চলত বা এটা ক্ষেত্ৰত যি অতিৰিক্ত ভাৱে স্কুল আছে, সেইখিনিক একাত্ৰীকৰণৰ জৰিয়তে যাতে এটা সুন্দৰ ব্যৱস্থালৈ আনিব পৰা যায় আৰু লগতে যি সমূহ স্কুলৰ অঞ্চল বা ক্ষেত্ৰ পিছ পৰি আছে বা য'ত শিক্ষানুষ্ঠান নাই, তাতেও যাতে আমি ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ অধিকাৰটো প্ৰদান কৰিব পাৰোঁ। আমাৰ প্ৰথম প্ৰৰ্য্যায়ৰ শিক্ষা ক্ষেত্ৰৰ আঁচনিখন ৰূপায়ণ হৈ গৈছে। এতিয়া আমি দ্বিতীয় পৰ্য্যায়ৰ আঁচনিখনৰ

ৰূপায়ণৰ কাম কৰি আছো আৰু ইয়াৰ জৰিয়তে আমাৰ একাত্ৰীকৰণ হ'ব, হৈ আছে। আমি অতিৰিক্ত ভাৱে থকা বিদ্যালয় সমূহ য'ত ছাত্ৰ-ছাত্ৰী নাই সেই সমূহ ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ লগত বা ভাল আন্তঃগাথনি নথকা বিদ্যালয়বোৰ ভাল আন্তঃগাঁথনি থকাৰ লগত একত্ৰীকৰণ কৰিছোঁ। ইয়াৰ লগে লগে আমি উন্নীতকৰণ কৰিছোঁ। ২১২ খন হাইস্কুলক আমি উচ্চতৰ মাধ্যমিকলৈ আমি উন্নীতকৰণ কৰিলোঁ আৰু আমি এতিয়া এখন তালিকা প্ৰস্তুত কৰি আছো যিখন তালিকাৰ জৰিয়তে আৰু প্ৰায় ৭০০-৮০০ খন বিদ্যালয়ক উচ্চতৰ মাধ্যমিকলৈ উন্নিতকৰণ কৰিম। মই মাননীয় বিধায়ক গৰাকীক আৰু আপোনাৰ জৰিয়তে মই অন্যান্য বিধায়ক সকলকো অনুৰোধ জনাম, তেওঁলোকে বিবেচনা কৰা যিবোৰ উন্নীতকৰণ কৰিব লগা বিদ্যালয় আছে সেই বিদ্যালয়সমূহৰ তালিকা তেওঁলোকে বিভাগক অথবা পোনপটীয়াকৈ মোক দিলে আমি সেইখিনি পৰীক্ষা কৰি চাম আৰু উপযুক্ত বিবেচিত হ'লে আমি উন্নিতকৰণ কৰিম। ইয়াৰোপৰি যিবিলাক অঞ্চলত হাইস্কুল নাই, য'ত হাইস্কুলৰ প্ৰয়োজন তাত আমি এম ই স্কুলক হাইস্কুললৈ উন্নীতকৰণ কৰাৰ প্ৰস্তাৱ এটাও বিবেচনা কৰি আছোঁ। গতিকে তেখেতে যি অঞ্চলত হাইস্কুল নাই বুলি কৈছে বা হাইস্কুলৰ অভাৱ আছে তাত আমি এম ই স্কুলক উন্নীত কৰি হ'লেও সেই হাইস্কুলৰ সমস্যাটো সমধান কৰাৰ কাৰণে মই এটা প্ৰস্তাৱ বিবেচনা কৰি আছোঁ। এই মুহূৰ্তত মই আজিয়ে কৰিব বুলি ক'ব নোৱাৰোঁ। কিন্তু ইয়াৰ এটা প্ৰস্তাৱ বিবেচনা কৰি আছোঁ আৰু এইটোৱে নিশ্চয় তেখেতৰ সমস্যাখিনি সমধান কৰিব। শিক্ষকৰ rationalization মই বাৰম্বাৰ কৈ আছো যে এতিয়া আজি last date, আমাৰ যিখিনি Mutual Transferৰ Application আছিল, আমাৰ portalয়ে গ্ৰহণ কৰি সম্পূৰ্ণ কৰিব। ইয়াৰ পিছত নতুন নিযুক্তি সমূহ আমি প্ৰদান কৰিম আৰু তাৰ পিছত rationalizationৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰিম। এই প্ৰক্ৰিয়াটোতে যিবিলাক অঞ্চলত শিক্ষকৰ নাটনি আছে সেই নাটনি থকা অঞ্চলবোৰত আমি সমস্যাটো সমধান কৰিবলৈ সক্ষম হ'ম বুলি ভাৱিছো আৰু তাৰ পাছত ১০ মে' ত নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ টাৰ্গেত লৈ কাম কৰিছোঁ আৰু ১০ মে' ৰ পিছত বাকী যি সমূহ আমাৰ আইনে এলাও কৰা বা বদলীকৰণ আইনৰ আওতাত যি বিলাক পৰিব যিবিলাক বিবেচনা কৰিব পৰা যায় সেই বদলিকৰণৰ কামখিনি তাৰ পিছত আমি হাতত লম বুলি মই আজি আপোনাৰ জৰিয়তে সদনত জনাইছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, খুব সুন্দৰ পদক্ষেপ। এম ই স্কুলৰ পৰা হাইস্কুল, হায়াৰচেকেণ্ডাৰীলৈ যিটো উন্নীতকৰণ কৰিব মই ভাৱো সকলোৱে ইয়াৰ বেনিফিতটো পাব। মোৰ সমষ্টিতো তেনেকুৱা আছে দুটামান। মই এই পদক্ষেপটোত খুব আনন্দিত। এতিয়া মাননীয় সদস্য ভাস্কৰ জ্যোতি বৰুৱা।

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা (তিতাবৰ) ঃ** উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছোঁ আজি ৩০১ ত মই হাতী মানুহৰ যি সংঘাট বা আমাৰ যি অন্যান্য যি বান্দৰ আছে, কেৰ্কেটুৱা আছে এই বিষয়ে সদনৰ দৃষ্টি গোচৰ কৰিবৰ বাবে আগবাঢ়িছোঁ। আমি সকলোৱে জানো যে আমাৰ যি সমস্যা আছে সেই সমস্যাৰ আটাইতকৈ ডাঙৰ সমস্যা হৈছে হাতী মানুহৰ সংঘাত। এই হাতী মানুহৰ সংঘাতৰ ফলত বহুত হাতীৰো মৃত্যু হৈছে আৰু আমাৰ মানুহৰো বহুত মৃত্যু হৈছে। বিশেষকৈ আমাৰ হাজাৰ হাজাৰ বিঘা শস্য লোকচান হৈছে আৰু সেই পথাৰ বোৰ এতিয়া এবান্দন হৈ গৈছে। এতিয়া হাতী মানুহৰ যি সংঘাত হৈছে এই সংঘাতটোৰ পৰা কি উপায়ৰে আমি পৰিত্ৰাণ পাব পাৰো বা what is the solution ? ইয়াৰ ওপৰত এটা ভাল আলোচনা হোৱাটো মই কামনা কৰিছোঁ আৰু এই বিষয়ে যদি আমি দৃঢ় পদক্ষেপ নলওঁ অনাগত সময়ত মানুহো মৰিব হাতীও মৰিব। হাতীৰ কেইটামান বিশেষ characteristics আছে, সেই characteristicsৰ ভিতৰত

main problem হৈছে তেওঁলোকৰ habitant, habitant বোৰ দিনে দিনে কমি গৈছে। আৰু আমাৰ হাতী মানুহৰ মাজলৈ সোমাই আহিছে । বিশেষকৈ মই আমাৰ মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ সমষ্টিত আছে গিবন। সেই গিবন অৰণ্যখনত আচলতে ৪০ জন মান ফৰেষ্টৰ মানুহৰ লগত কথা পাতিছিলো আৰু ১৯৬৭ চনৰ আগত তাত হাতীৰ কোনো বুৰঞ্জী নাই । ভেল'গুৰী অঞ্চলৰ পৰা আৰম্ভ কৰি এই বিলাক অঞ্চলত কুহিয়াৰ খেতি হৈছিলে আৰু এই হাতীৰ জাকটো আছিলে নগা পাহাৰৰ টিৰু হিল্‌চত। তাত নগাই মাটি দখল কৰাৰ কাৰণে খেতি কৰিবলৈ লোৱাৰ কাৰণে হাতীয়ে অসুবিধা পোৱাৰ বাবে আহি গিবনত সোমালে। আকৌ গিবনৰ পৰা আমাৰ যিটো মৰিয়নিত বালিৰ মহল আছিলে সেইটো ইক' চেনচেটিভ জ'ন ঘোষণা কৰাৰ কাৰণে বালিৰ মহলটো বন্ধ হৈ থাকিলে। হাতীৰ এটা অভ্যাস আছিলে কি তেওঁলোকে কটা মাটিৰ ওপৰেদি কেতিয়াও পাৰ হৈ নাহে। বালিৰ মহলটো বন্ধ হৈ যোৱাৰ লগে লগে যেতিয়া মাটি খন্দাটো বন্ধ হৈ গ'ল হাতীবোৰ আহিবলৈ কোনো বাধা নোপোৱা হ'ল আৰু এতিয়া তিতাবৰ অঞ্চলত সোমাইছে আৰু যোৱা আঘোন মাহত ৰাতি যিহেতু মই বিধায়ক হৈছো আৰু মোক মাতিছে মই ভয় খালো আৰু ডাঙৰ টৰ্চলৈ মই সেনাপতি হৈ হাতী খেদিবলৈ যাবলগীয়া অৱস্থা হৈছে। গতিকে এতিয়া আমাৰ প্ৰধান কথা হৈছে যে হাতীখিনি ৰক্ষা কৰিবলৈ হ'লে মই ফৰেষ্ট বিভাগৰ মানুহৰ লগত কথা পাতিছিলো, নামবৰৰ হাতী খিনিৰ এটা সমস্যা হৈছিলে, সেইখিনি হাতী আমাৰ চাহ বাগানত সোমায়, পথাৰবোৰ লোকচান কৰে আৰু তেতিয়া মোক কৈছে যে আমাৰ যিটো ৱাইল্ড লাইফ প্ৰটেক্সন এক্ট তাৰ ৩৬ নং ক্লজত এটা কথা আছে যে আমি যদি তাত কমিউনিটি ৰিজাৰ্ভ বা আমাৰ কঞ্জাৰ্ভেচন ৰিজাৰ্ভ যদি কৰিব পাৰো, আমি যদি ৱাটাৰ হল বনাওঁ বা আমি নিমখ দিয়া যদি কিছুমান পুখুৰী বনাওঁ, তাত যদি আমি কলগছ আৰু ধানৰ খেতি কৰো এই দুটা কৰিলে তেতিয়া মানুহে ৱাল গাঠিব নোৱাৰে। তেতিয়াহ'লে হাতীয়ে য'তত'ত যাব নোৱাৰিব । গতিকে এইকেইটা কাম কৰক আৰু লগে লগে আমি তাত মেনেজমেন্ট কমিটি এখন কৰি আমি ৱাৰ্ডেন এজন ৰাখিব পাৰিম আৰু বহুত খিনি সুৰক্ষিত হ'ব। ভৱিষ্যতে বাকীখিনি কাম চৰকাৰে কৰিব বুলি আশা ৰাখিলো । ধন্যবাদ ।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া ৰূপজ্যোতি কুৰ্মী ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, হাতী-মানুহৰ সংঘাতকলৈ যি তিনিশ এক বিধান সভাৰ নিয়মাৱলী অনুসৰি বক্তব্য ৰাখিবলৈ সুযোগ দিলে তিতাবৰ সমষ্টিৰ সন্মানীয় বিধায়ক ভাস্কৰ বৰা ডাঙৰীয়াৰ লগতে উপাধ্যক্ষ মহোদয় আপোনাক কৃতজ্ঞতা জনাইছো । হাতী-মানুহৰ সংঘাতৰ ফলত আজি এটা মোৰ প্ৰশ্ন আছিল যে মৰিয়নি সমষ্টিত কিমান হেক্টৰ মাটি আৰু কিমানখন গাওঁত খেতি কৰিব পৰা নাই, প্ৰায় ১৩ খন মান গাওঁৰ নাম উল্লেখ কৰি ২৪৫ হেক্টৰ মাটিত খেতি কৰিব পৰা নাই বুলি কৃষি বিভাগে উত্তৰ দিছে। হাতী-মানুহৰ সংঘাত দূৰ কৰিবলৈ অসম চৰকাৰে যি তৎপৰতা গ্ৰহণ কৰি নতুনকৈ এখন ৰিজাৰ্ভ ফৰেষ্ট ঘোষণা কৰিছে। গোটেই ভাৰতবৰ্ষত প্ৰায় ২৭৩১২ টা হাতী আছে, এইক্ষেত্ৰত ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম স্থানত আছে কৰ্ণাটক। ইয়াত আছে ৬০৫০ টা, অসমত ৫৭১৯ টা হাতী আছে। আগতে ইমান হাতী অসমত নাছিল। গতিকে আমি যদি পুৰণা বুৰঞ্জী চাওঁ তেতিয়াহ'লে দেখা পাওঁ যে নাগালেণ্ড, অৰুণাচল, মেঘালয় আদি অঞ্চলতে হাতী বেছি আছিল। কিন্তু শেহতীয়া ভাবে যেতিয়া নাগালেণ্ড, অৰুণাচল, মেঘালয় আৰু ভূটান আদি ঠাইৰ মানুহে গছ কটা আৰম্ভ কৰিলে তেতিয়াৰ পৰাই এই হাতী বিলাক আমাৰ ৰাজ্যত সোমাই আহি হাতী মানুহৰ সংঘাত সৃষ্টি কৰিছে। কাজিৰঙাৰ কাষতে থকা

কাৰ্বি আংলং পাহাৰত আমাৰ চৰকাৰে দৃষ্টি দি থকাৰ বাবে তাত গছ কমকৈ কটা হৈছে । সেই কাৰণে চাগে আমাৰ ইয়াত হয়তো হাতী মানুহৰ সংঘাততো কমকৈ হৈছে । কিন্তু আমাৰ দাতিকাষৰীয়া ৰাজ্য সমূহত গছ-গছনি বেছিকৈ কটাৰ কাৰণে তাত হাতী-মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে ।

যদি কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত হস্তক্ষেপ নকৰে আৰু প্ৰতিখন ৰাজ্যতে যদি ওৱাইল্ড লাইফ ৱাৰ্ডেন নাথাকে বা সভা সমিতি আদি পাতি সীমামূৰীয়া ৰাজ্যৰ সহায় নলয়, তেতিয়াহ'লে অসম চৰকাৰে অকলে একো কৰিব নোৱাৰিব আৰু তেতিয়া হাতী মানুহৰ সমস্যাটো চলিয়েই থাকিব । মাননীয় উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে কেন্দ্ৰীয় চৰকাৰ বা কাষৰীয়া ৰাজ্যৰ বনমন্ত্ৰী সকলৰ সহায় লৈ হলেও এই সমস্যা সমাধানৰ বাবে চেষ্টা কৰে যেন। solar লাইট, ৰেলৰে ট্ৰেক পৰিদৰ্শন আদি ব্যৱস্থা কৰা কাৰণে মই মাননীয় মুখ্যমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই সাহায্যৰ পৰিমাণটো ৪০ হাজাৰ টকাৰ পৰা বৃদ্ধি কৰি ৪ লাখ পৰ্য্যন্ত দিয়াৰ যি ব্যৱস্থা কৰিছে তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰীৰ লগতে বন মন্ত্ৰীকো ধন্যবাদ জনাইছো । বিশেষকৈ জনজাতীয় লোক আৰু আদিবাসী লোক সকলৰ য'ত সীমা মূৰীয়া অঞ্চলত আছে আৰু মুল কাৰণটো হৈছে যে ঘৰুৱা যিটো চুলাই বা লাওপানী সাধাৰণতে বনোৱা হয়, সেই কাৰণে অসম চৰকাৰে কিবা এটা ব্যৱস্থা কৰি এই মানুহখিনি কম দামত যদি সুৰা যোগান ধৰা হয় আৰু নিমখও অন্যতম এটা কাৰণ, নিমখৰ প্ৰতি আকৃষ্ট হয়। সেই কাৰণে কৰবাত এই সমস্যাটো দুৰ কৰিবৰ বাবে অসম চৰকাৰে খুব গুৰুত্বসহকাৰে ব্যৱস্থা ল'ব বুলি আশা ৰাখিছো আৰু মই বিশেষ নকৈ এই বিষয়টো উত্থাপন কৰিব দিয়াৰ বাবে মই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়, আজি সঁচাকৈ এটা গুৰুত্বপুৰ্ণ সমস্যা আজিৰ দিনত হাতী-মানুহৰ সংঘাত সন্দৰ্ভত ৩০১ নং নিয়মৰ অধীনত ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়া আৰু ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই তেওঁলোকে প্ৰশ্ন উত্থাপন কৰিলে আৰু আলোচনাত অংশ গ্ৰহণ কৰিলে । বৰুৱা ডাঙৰীয়াই বহু গুৰুত্বপূৰ্ণ বক্তব্য সদনত দাঙি ধৰিছে। আজিৰ দিনত আমি হাতী মানুহৰ সংঘাত কওঁ, কিন্তু এটা সময় আছিল যি সময়ত হাতী মানুহে সহাবস্থানত আছিলো আৰু এইটো মই কৈছো বা আপুনি কৈছে তেনেকুৱা নহয়। সভ্যতা আজিৰ দিনত যি তলৰ হৈছে এই সভ্যতা পোৱালৈকে হাতীয়ে বহুতো অৰিহণা জগালে। এই ঘৰত বহি আজি বিধান সভাত বহি কথাবতৰা কৈ আছো হয়তোবা আজি এই কাঠৰ হিষ্ট্ৰীটো লয় তেনেহ'লে দেখিব যেতিয়া আৰম্ভণি হৈছিল গছ কাটি কোনোবা মানুহে হাতীৰ পিঠিত লগাই দিছিল টানি আনিবলৈ। আমি দেখিছো যে হাতীয়ে এটা সময়ত আমাৰ শত্ৰুৰ লগত সংঘৰ্ষ কৰিছিল, তেতিয়া আমাক সহায় কৰিছিল বিভিন্ন ক্ষেত্ৰত । আজিৰ হাতীৰ এনেকুৱা এটা পৰম্পৰা আমাৰ অসমীয়া সংস্কৃতিত আছে বা ভাৰতীয় সংস্কৃতিত আছে। আমি অলপ ঠাই খোজকাঢ়ি গলে গণেশগুৰিটো পাম, আমি এতিয়া দেখো অসমৰ যিকোনো ঠাইত বা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত যেতিয়া আমাৰ হাতীবিলাক খোজকাঢ়ি যায় তেতিয়া আমি সেৱা কৰো । এই পৰম্পৰাটো আমাৰ চলি আছে । প্ৰকৃতাৰ্থত আজিৰ দিনত আপোনালোকে সঠিক ভাৱে কৈছে যে আমাৰ চুবুৰীয়া ৰাজ্য বিলাক, আপোনালোকে চিন্তা কৰি চাওঁক, আমি চুবুৰীয়া ৰাজ্য কৈ থাকো কিন্তু এটা সময় আছিল চুবুৰীয়া ৰাজ্য নাছিল আমি এক বৃহত্তৰ অসম আছিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি চুবুৰীয়া ৰাজ্য কৈ থাকো, কিন্তু এটা সময়ত চুবুৰীয়া ৰাজ্য নাছিল বৃহত্তৰ অসম আছিল। অৰুণাচল, নাগালেণ্ড, মেঘালয়, মিজোৰাম ইত্যাদি আমি ক'বলৈ নাযাওঁ তেওঁলোকে আমাৰ পৰা বিচ্ছিন্ন হৈ গ'ল। স্বাভাৱিক ভাবে যি নিয়ন্ত্ৰণ থাকিব লাগিছিল, এই নিয়ন্ত্ৰণ হয়তো নাই। আমি তাৰ মাজমজিয়াত দি আছো। আজিৰ দিনত আপোনালোকে চাওক আমাৰ ওচৰতে দীপৰ বিল মানে হাতীৰ বিল। এই হাতীৰ বিলত হাতী ক'ৰ পৰা আহিছে। আমাৰে অসম আছিল, মেঘালয়, ৰাজধানী আছিল শ্বিলং। তেতিয়া হয়তো নিয়ন্ত্ৰৰ ভিতৰত চলিছিল আৰু কোনো অসুবিধা নাছিল। কোনফালে গছ কাতি আছে তেওঁলোকে ক'ত কি কৰি আছে, এই বিলাক কথা আপোনালোকে জানে। এই ক্ষেত্ৰত চুবুৰীয়া ৰাজ্যৰ ফালৰ পৰা বহুত হাতী আমাৰ এই ফালে ধাবমান হৈছে। আমাৰ হাতীৰ সংখ্যা অসমত বাঢ়িছে। লগে লগে আমাৰ যি বিলাক জনসংখ্যা, মানুহৰ সংখ্যা বাঢ়িছে। আমি জানো যে বহু ঠাইত আমাৰ মাটি বে-দখল হৈছে। আমাৰ চৰকাৰ অহাৰ পিছত বহু ঠাই বেদখল মুক্ত কৰিলো। কেইদিনমান আগতে আমি নগাঁৱৰ কিছু অঞ্চল বেদখল মুক্ত কৰিছো। কাৰণ সেইবোৰ ঠাইত হাতীৰ বিচৰণৰ ঠাই আছিল। সেই কাৰণে আজিৰ পৰা ২ বছৰ আগলৈকে হাতী মানুহৰ সংঘাত হৈছিল আৰু কোনোৱা ঠাইত মানুহ মৰিছিল আৰু এতিয়া নমৰে। কাৰণ সেইবোৰ ঠাইত এতিয়া মানুহ নাই, সেইবোৰ বেদখল মুক্ত হৈছে। এই হাতী মানুহৰ সংঘাত সৃষ্টিৰ মূলতে হৈছো আমি মানুহ। মোৰ এতিয়াও মনত আছে যে, আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই আগতে প্ৰায়ে ফোন কৰি পেলাই মোক মৰিয়নীৰ হাতী মানুহৰ সমস্যাৰ কথা কৈছিল, কিন্তু এতিয়া মৰিয়নী অঞ্চলত গিবন অভয়াৰণ্য আছে আৰু তাৰ লগতে হোলোঙাপাৰ গিবন অভয়াৰণ্যখন মৰিয়নী সমষ্টিৰ অন্তৰ্গত যোৰহাট জিলাত অৱস্থিত আৰু উক্ত বন্য প্ৰাণী অভয়াৰণ্যত মাটি কালি ২০.৯৮ বৰ্গ কিঃমিঃ। উক্ত অঞ্চলত ২০১৬-১৭ ৰ পিয়ল মতে ৪৮ টা বনৰীয়া হাতী আছিল। এই মাটি কালি উক্ত হাতী কেইটাৰ বাবে উপযুক্ত যদিও বনৰীয়া হাতীয়ে এঠাইত নথকাৰ বাবে মাজে-মাজে স্থান সলনি কৰে। সেয়েহে বনৰায়ী হাতীয়ে অভয়াৰণ্যত থকা আৰু বাহিৰলৈ ওলাই অহাটো পৰম্পৰাগত কথা। আগতে উক্ত অঞ্চলত জনবসতি কম আছিল আৰু উক্ত অভয়াৰণ্যখনৰ ১/২ কিঃমিঃ পৰিধিৰ ওপৰত চাহ বাগান স্থাপন কৰা হৈছে। উক্ত চাহ বাগানৰ বাহিৰত গাঁও আছে। ৭০০ পৰা ৯০০ বিঘা কৃষি ভূমি নষ্ট হৈছে। এই বিষয়ে ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰ কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই দিছে। সেয়েহে এই গোটেইখিনি তথ্য আমাৰ বন বিভাগৰ হাতত নাই। হয়, কোনোবা কোনোবা ঠাইত আমাৰ হাতী মানুহৰ সংঘাত হৈছে, খেতি-বাতি নষ্ট হৈছে, মানুহ মৰিছে গতিকে এই সমস্যাখিনি আমি সমাধানৰ বাবে বিশেষ বাহিনী গঠন কৰিছো। ইয়াৰ লগতে ৬ কিঃমিঃ সৌৰ চালিত ব্যয়ৰে নিৰ্মাণ কৰা হৈছে আৰু ১.৫ কিঃমিঃ বন্য হস্তীৰ চলাচল প্ৰতিৰোধী নলা খন্দা হৈছে। যাতে হাতী বাহিৰলৈ ওলাই আহিব নোৱাৰে। ইয়াৰ উপৰি সজাগত মূলক শিবিৰ আয়োজন কৰি হাতী মানুহৰ সংঘাত দূৰ কৰাৰ বাবে স্থানীয় ৰাইজক অৱগত কৰা হৈছে। এই সভাত আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই উপস্থিত থকাৰ লগতে তেওঁ নিজে হাতী খেদিবলৈ যোৱাৰ উদাহৰণ আছে। হাতী খেদাৰ বাবে আমাৰ ফালৰ পৰা ফটকা, টৰ্চ লাইট আদি যোগান ধৰা হয়। হাঁতীৰ বাসস্থানত আমি যদি গছ আদি ৰোপন কৰিব পাৰো তাৰ কাৰণে ৭৫ হেক্টৰ ভূমিত বৃক্ষৰোপন কৰা হৈছে এই গিবন অভয়াৰণ্যত। লগতে অন্যান্য ঠাইতো ৬০০ হেক্টৰ ভূমিত বৃক্ষৰোপন কৰাৰ কাৰণে আমি কাম হাতত লৈছো। যিহেতু সময় মোৰ কম মই ইয়াতে সমাপ্ত কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী গণেশ কুমাৰ লিম্বু।

**শ্ৰী গণেশ কুমাৰ লিম্বু (বৰচলা) ঃ** माननীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা ৮ মিনিট সময় বিচাৰিছো। আজি বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচলনা নিয়মাৱলীৰ ৩০১ ৰ অধীনত মই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিবলৈ গৈ আছো। বিষয়টো হ'ল বৰাক -বহ্মপুত্ৰ উপত্যকাত সিঁচৰিত হৈ বসবাস কৰি থকা গোৰ্খা জনগোষ্ঠী আৰু নাথ, যোগী জনগোষ্ঠীৰ সামাজিক সাংস্কৃতিক, শৈক্ষিক আৰু ৰাজনৈতিক সমস্যা সমাধানৰ লগতে তেওঁলোকৰ জাতীয় অস্তিত্ব, জাতীয় নিৰাপত্তাৰ স্বাৰ্থত এই দুয়োটা জনগোষ্ঠীক উপগ্ৰহ স্বায়ত্ব শাসন প্ৰৱৰ্তন কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ। প্ৰাগ ঐতিহাসিক কালৰ পৰাই এই জনগোষ্ঠীয় লোক সকলে বিভিন্ন ঠাইত বসবাস কৰি আহিছে। দেশৰ বুৰঞ্জী বিদ সকল আৰু অসমৰ স্বনাম ধন্য ব্যক্তিসকলেও তেওঁলোকৰ গৱেষণামূলক গ্ৰন্থত এই জনগোষ্ঠীৰ বিষয়ে বিভিন্ন সময়ত এই জনগোষ্ঠীৰ স্বৰ্ণীল ইতিহাস আৰু তেওঁলোকে দেশৰ হকে আগবঢ়াই যোৱা অৱদান স্পষ্ট ভাবে উল্লেখ আছে। অসম প্ৰাদেশীক যোগী সন্মিলনত এক লোকপিয়ল মতে গোটেই অসমত এই জনগোষ্ঠীৰ ২০ লাখ লোকে বসবাস কৰে। প্ৰায়ে এই জনগোষ্ঠীৰ লোক সকলে গ্ৰাম্য অঞ্চলত খেতিয়ক হিচাবে বসবাস কৰে। ইয়াৰ উপৰি এই জনগোষ্ঠীৰ লোক সকলে পাট পলু পুহি তাৰ পৰা সুতা কাটি কাপোৰ বোৱাৰ যিটো দক্ষতা তাৰ বাবে এই জনগোষ্ঠীটোত কাটনী বুলিও অভিহিত কৰা হয়। ১৮৯৪ চনৰ ২৮ জানুৱাৰীত যি কৃষক বিদ্ৰোহ হৈছিল অৰ্থাৎ প্ৰথম পথৰুঘাটৰ যি বিদ্ৰোহত ১৪০ জন শ্বহীদ হৈছিল তাৰ ভিতৰত ২৮ জন আছিল নাথ যোগী সম্প্ৰদায়ৰ জনগোষ্ঠীয় লোক। ইয়াৰ উপৰি যদি আমি ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত ঢেকীয়াজুলীৰ শ্বহীদ নগৰীত যি ১৩ জন শ্বহীদ হৈছিল তাৰ ভিতৰত ৫ জন নাথ, যোগী জনগোষ্ঠীয় লোক। ইয়াৰ উপৰি ৮০ দশকৰ অসম আন্দোলনৰ কথা চাওঁ তেতিয়া তাত যি ৮৫৫ চন শ্বহীদ হৈছিল তাৰ ভিতৰত ১৪০ জন নাথ, যোগী সম্প্ৰদায়ৰ লোক। মই অতি গৰ্বৰে ক'ব বিচাৰিছো যে, এই জনগোষ্ঠীয় লোক মোৰ সমষ্টিত বহু পৰিমাণে বসবাস কৰে। আনহাতে উপাধ্যক্ষ মহোদয়, দেশৰ শান্তি আৰু সুৰক্ষাৰ বাবে নিজৰ প্ৰাণ উৎসৰ্গা কৰি অহা গোৰ্খা জনগোষ্ঠীৰ গাথা আমাৰ সৰ্বজন বিদিত। উপাধ্যক্ষ মহোদয় আমি যদি আন্তঃৰাষ্ট্ৰীয় সীমান্তত যাওঁ অৰ্থবা যুদ্ধৰ শ্বহীদৰ স্মাৰকত যেতিয়া কেতিয়াবা কেতিয়াবা আমি যাওঁ, তেতিয়া আমাৰ স্পষ্ট ধাৰণা হয় যে এই গোৰ্খা জনগোষ্ঠীয়ে দেশৰ বাবে যি ত্যাগ সেই স্মাৰকত খুদিত। সেই স্বহীদ সকলৰ নাম পঢ়িলেই আমি স্পষ্টকৈ গম পাঁও যে এই জনগোষ্ঠীৰ দেশৰ প্ৰতি কিমান ত্যাগ আছে। ঠিক তেনেকৈ যেতিয়া প্ৰথম ভাৰতত চেঞ্চাচ হৈছিল উপাধ্যক্ষ মহোদয়, ১৮৭২ খ্ৰীষ্টাব্দত তেতিয়া অসমত ১৩৪৫ জন গোৰ্খা জনগোষ্ঠীৰ উপস্থিতি দেখা গৈছিল আৰু ইয়াৰ পৰা বুজা যায় যে এই জনগোষ্ঠীৰ অতীজৰে পৰা অসমত বসবাস কৰি আহিছে। ঠিক তেনেকৈ আমি অসম আন্দোলনৰ ক্ষেত্ৰত যদি চাওঁ আৰু ভাৰতৰ স্বাধীনতা আন্দোলনতো আমি চাওঁ , অসমৰ গোৰ্খা সকলৰ যি যোগদান সি সঁচাকৈয়ে অবিস্মৰনীয় আৰু অসম আন্দোলনত সহযোগ কৰি সক্ৰিয়তাৰে আন্দোলনত যোগদান কৰি অসমৰ গোৰ্খা সকলৰ ৬ জন লোক স্বহীদ হৈছিল। সেয়ে উপাধ্যক্ষ মহোদয় মই আজি এই পবিত্ৰ সদনত আপোনাৰ জৰিয়তে এই দুয়োটা জনগোষ্ঠীৰ যি আবেগ আৰু চৰকাৰৰ ওপৰত যি বিশ্বাস আৰু আস্থা মই মাননীয় অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো আৰু মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো, যাতে এই বিষয়তো অতি গুৰুত্বসহকাৰে বিবেচনা কৰে যেন।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় মন্ত্ৰী

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, অসমত বসবাস কৰা গোৰ্খা

সম্প্ৰদায়ৰ কাৰণে তেওঁলোকৰ যিকেইটা ইছ্যু ইয়াত উপস্থাপন কৰিছে, এই উপস্থাপন কৰা বিষয়কেইটাৰ বিষয়ে মই জনাব বিচাৰিছো যে ইতিমধ্যে গোৰ্খা উন্নয়ন পৰিষদ এখন গঠন কৰা হৈছে, আৰু এই গোৰ্খা উন্নয়ন পৰিষদখনক শক্তিশালী কৰাৰ কাৰণে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছো. সেই পদক্ষেপ সমূহৰ ভিতৰত যিটো পূৰ্বতে আছিল যে গোৰ্খা উন্নয়ন পৰিষদৰ মুলত তাৰ যিজন Member Secretary থাকে WPT&BC Department ৰ যিজন সঞ্চালক থাকে তেওঁ ইয়াৰে Member Secretary হয়। কিন্তু আমি এতিয়া তেওঁলোকক অনুৰোধ জনাইছো যে তেওঁলোকে নিৰ্দিষ্ট এটা স্থান নিৰূপন কৰে, সেই স্থানত আমি Head Quarter হিচাবে, গোৰ্খা উন্নয়ন কাউঞ্চিলখন তাতে Head Quarter হিচাবে লৈ আমি তাৰ কাৰ্য্যালয় সম্পুৰ্ণ স্বাধীনচিতীয়া কাৰ্য্যালয় এটা গঢ়ি তুলিব পাৰো। তাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো, আৰু এই কথা তেওঁলোকক জনোৱা হৈছে । গোৰ্খা সম্প্ৰদায়ৰ ভিতৰত কেইবাটাও অন্যান্য পিছপৰা শ্ৰেণী অন্তৰ্ভুক্ত জনগোষ্ঠী আছে আৰু তাতে কিছু বিসংগতিও আছে, নামৰ বিভ্ৰাটও আছে আৰু সেইখিনি শুধৰণি কৰিবৰ কাৰণে আমি ইতিমধ্যে অসমত আমাৰ State OBC Commission খন গঠন কৰাৰ দিশত আমি আগবাঢ়িছো। আৰু State OBC Commission খন গঠন হোৱাৰ লগে লগে আমি OBC তালিকাখনৰ শুধৰণি বা সংযোজনৰ যিখিনি কাম কৰিব লগা আছে, সেই কামখিনি আমি খৰতকীয়াকৈ কৰিব পাৰিম বুলি মই তেখেতক জনাইছো। শিক্ষাৰ ক্ষেত্ৰটো তেওঁলোকৰ কাৰণে আমি বিশেষ কিছু ব্যৱস্থা গ্ৰহণ কৰিছো। ইতিমধ্যে গোৰ্খাসকলৰ সাহিত্য সভা, ছাত্ৰ সন্থা, বিভিন্ন সংগঠনৰ লগত মই যোৱাকালিও আলোচনাত বহিছো, আৰু এই বিধান সভা শেষ হোৱাৰ লগে লগে আৰু এখন আলোচনাত বহিম, আৰু আলোচনা সপক্ষে সমস্যা সমূহ সমাধান কৰিম। তেওঁলোকলৈ যিটো অনুদান আছে, প্ৰতি বছৰে এই অনুদান আমি বৃদ্ধি কৰাৰ কাৰণেও আমি বিবেচনা কৰি আছো। কিন্তু এই অনুদান কেৱল বৃদ্ধি কৰিলেই ন'হব । সেই অনুদানটো খৰচ কৰিব পৰা এটা প্ৰশাসনিক ব্যৱস্থাও আমি গঢ়ি তুলিব লাগিব সমান্তৰালভাবে। সেই প্ৰশাসনিক আৰু কাৰিকৰী যিটো ব্যৱস্থা উপাধ্যক্ষ মহোদয়, সেইটো গঢ়ি তুলি যাতে পুঁজিসমূহ সঠিক ভাবে আমি ব্যৱহাৰ কৰিব পাৰো তাৰ কাৰণে আমি পদক্ষেপ গ্ৰহণ কৰিছো। অন্যান্য যিখিনি মাটিৰ সমস্যা আছে সেই ক্ষেত্ৰত উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আপোনালোকে জানে যে গোৰ্খা সম্প্ৰদায়ক আমি ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভিতৰত সুৰক্ষিত শ্ৰেণী হিচাবে Protected Class হিচাবে ইতিমধ্যে আমি notify কৰিছো, আমি শদিয়াত notify কৰিছো, মুকংচেলেক ট্ৰাইবেল বেল্টত notify কৰিছো, আমি বি.টি. এডি অঞ্চলটো notify কৰিছো। গতিকে যথেষ্টখিনি পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছে। বাকী যিখিনি বাকী আছে, আলোচনাৰ মাধ্যমেৰে সেইখিনিও আমি পদক্ষেপ গ্ৰহণ কৰিম, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া কাৰ্য্যসুচী নং- ৪ ৰুল ৪৯ মাননীয় সদস্য দেবব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, ৰুল ৪৯ ৰ অধীনত এটা প্ৰশ্ন সৰ্ম্পকে আধাঘন্টা সময় আলোচনাৰ বাবে সময় দিয়াৰ বাবে ধন্যবাদ জনাইছো। মহোদয়, যোৱা ২২-০৩-২২ তাৰিখে তঁৰাবিহীন প্ৰশ্ন নং ২০২ নং মই আত্ম সহায়ক গোটৰ অনুদান সম্পৰ্কত মই এটা প্ৰশ্ন শুধিছিলো আৰু এই প্ৰশ্নৰ উত্তৰটো অসম্পুৰ্ণ হোৱাৰ বাবে মই আজি এটা আলোচনা বিচাৰিছো। মহোদয় মই সুধিছিলো যে অসম চৰকাৰে ২০২০ চনৰ বাজেটত এটা আঁচনি ঘোষণা কৰিছিল ৰি স্বয়ম বুলি কোৱা হৈছিল স্বামী বিবেকানন্দৰ নামত। আমাৰ অসমৰ বিভিন্ন প্ৰান্তৰ যুৱক সকলক স্ব নিয়োজনৰ বাবে সুবিধা দিবৰ বাবে আৰু ইয়াত কোৱা হৈছিল যে

প্ৰথম পৰ্য্যায়ত প্ৰতি সমষ্টিৰ পৰা ১০০০ কৈ যুৱকক বাচনি কৰা হ'ব আৰু দ্বিতীয়তে তেওঁলোকক পঞ্চাচ হাজাৰ টকাকৈ চিড কেপিটেল দিয়া হ'ব আৰু এই চিড কেপিটেল পৰৱৰ্তী পৰ্য্যায়ত তেওঁলোকক ত্ৰিশ হাজাৰ টকা মোকলাই দিয়াৰ পৰিবৰ্তে ট্ৰেনিং দিয়া হ'ব। ট্ৰেনিং দিয়াৰ পাছত তেওঁলোকৰ পাৰফমেন্স খিনি কোৱাৰ্টাৰলি পৰ্য্যবেক্ষন কৰা হ'ব আৰু পৰ্য্যবেক্ষণ কৰাৰ পাছত উপযুক্ত হলে বিশ হাজাৰ দিয়া হ'ব. লগতে বেংকে লিকংকেজ দিয়া হ'ব। যি সকলে পইচাটো দিব, লেণ্ডাৰ, সেই লেণ্ডাৰ সকলৰো যাতে ফাইনেন্সিয়েল হেল্থ বেয়া নহয়, তাৰ বাবে A valid process of scrutiny of the credit worthiness of the beneficiaries চোৱা হ'ব বুলি Vote on Account Budget 2021-22 ৰ ফেব্ৰুৱাৰী মাহৰ বাৰ তাৰিখৰ আমাৰ বিধান সভাত কোৱা হৈছিল। The scheme itself is a testimony to our belief in the youths of Assam and our determination to mobilize the positive energy at is just exposes excess to funding with argumentation of schemes for our young entrepreneurs .ৰ লগতে category A, B, এই বিলাকো কৰা হ'ব বুলি কোৱা হৈছিল। আৰু ইয়াৰ অধীনত এক হাজাৰ কোটি টকা আমাৰ বাজেটত ধাৰ্য্য কৰা হ'ল আৰু যিটো তথ্য দিয়া হ'ল সেই Vote on Account Budget ত সেই সময়লৈকে ১,৪২,৭৯০ জন ব্যক্তিক দিয়া হ'ল বুলি কোৱা হ'ল। মহোদয় মই যিখিনি সুধিলো তাৰ প্ৰশ্নত বেংকৰ ঋণৰ কথাও উল্লেখ নাই। আৰু পঞ্চাচ হাজাৰ টকাৰ ভিতৰত মাত্ৰ ত্ৰিশ হাজাৰ টকা দিয়াৰ কথা উল্লেখ আছে। বাকী বিশ হাজাৰ টকা দিয়াৰ লগতে তেওঁলোকে আত্মসংস্থাপন হোৱাকৈ যিখিনি সুবিধা দিব লাগে চৰকাৰে সেইখিনি যদি দিয়া নহয় তেতিয়া হলে দুই লাখ যুৱক-যুৱতীয়ে এই পইচাখিনি লোৱাৰ পাছত অসুবিধাত পৰিব। তেওঁলোকে কোনো ফালে যাব নোৱাৰিব। তেওঁলোকে অন্য আঁচনিৰ পৰা বঞ্চিত হ'ব পাৰে আৰু যিটো এক হাজাৰকৈ কোৱা হৈছিল তাৰ পৰিবৰ্তে দেখা গৈছে, কিছুমান জিলাত প্ৰতি সমষ্টিত চাৰিশ কৈ কিছুমান সমষ্টিত দুশ বিশ জনকৈ দিয়া হৈছে। কিছুমান সমষ্টিত দু হাজাৰ তিনিশ জনকৈ দিয়া হৈছে, আৰু কামৰূপ জিলাৰ ক্ষেত্ৰত মহানগৰত প্ৰয়েজ্য নহয় বুলি কোৱা হৈছে। ঠিক তেনেকৈ যিখিনি তথ্য, এই তথ্যখিনি অসম্পুৰ্ণ। আমি বিধান সভাত প্ৰশ্নখিনি সুধিছো যাতে চৰকাৰৰ এখন ভাল আঁচনি এই আঁচনিখনৰ যোগেদি দুই লাখ নিবনুৱা যুৱক-যুৱতিক সংস্থাপন আৰু তাৰ লগতে তেওঁলোকৰ অসমৰ অৰ্থনীতিত সৰলীকৰণ এই গোটেইখিনি কথা নিহিত হৈ আছে। কিন্তু যিটো objective -4 ত working capital seed mony rural economy এই গোটেই বিলাকৰ ক্ষেত্ৰত যিখিনি কথা থাকিব লাগিছিল, আৰু লগতে existing self help group অসমত প্ৰকৃততে 1998 চন মানৰ পৰাই গ্ৰামোন্নয়ন বিভাগ তাৰ পাছত SIRD বা বিভিন্ন বিভাগবিলাকৰ যোগেদি Line Department ৰ যোগেদি কৰা হয়। কিন্তু ইয়াত যিখিনি গাইড লাইন দিলে, গাইড লাইনত কোৱা হ'ল যে, কোনো ধৰণৰ Registration প্ৰক্ৰিয়া নাই। প্ৰক্ৰিয়া নাই বুলি কৈ একেবাৰে নিৰ্বাচনৰ প্ৰাক্মুহুৰ্ত কিছুমান গোট নতুনকৈ খুলি, গোটৰ যিদিনাখনৰ পৰা বেংক একাউন্ট হ'ব, গোটটো সেইদিনাখনে আৰম্ভ হ'ল বুলি কোৱা হ'ল আৰু ইয়াৰ যোগেদি বহু পুৰণা গোটকো বঞ্চিত কৰা হ'ল। সেই গতিকে এই আঁচনিখন যিহেতু চৰকাৰী আঁচনি, আৰু ইয়াত যিখিনি objectives থাকিব লাগে, যিটো rational থাকিব লাগে সেই rational খিনিক যেন কিবা কাৰণত গ্ৰহণ কৰা নাই এনেধৰণৰ ধাৰণাই হৈছে। কাৰণ যিবিলাক আমি চৰকাৰী আঁচনি যদি কোনোধৰণৰ উপযুক্ত সুৰক্ষা নোলোৱাকৈ লোৱাটো সমীচিন নহয় আৰু এনেধৰণৰ বুজন পৰিমাণৰ ধন চৰ্তবিহীন

ভাৱে দিয়াও উচিত নহয়। তাৰ যোগেদি আমি নিবনুৱা সমস্যা সমাধান কৰিম নে আৰু নিবনুৱা সৃষ্টি কৰিম এই ধৰণৰ এটা চিন্তাও আমাৰ আহিব। কাৰণ যদিহে responsibility বা accountability নাথাকে, বন্ধকী নলয়, তেতিয়াহ'লে বহুলোকে ঋণ গ্ৰহণ কৰি বা চৰকাৰী পইচাটো পোৱাৰ পিছত ব্যৱসায় নকৰি অন্য কামটো ব্যৱহাৰ কৰিব পাৰে। সেই কাৰণে এই আঁচনিখন যিহেতু ভাল আঁচনি, এইখন যিহেতু ষ্টেট লেভেল কমিটিয়ে ৰিভিউ কৰা কথা আছিল, তাৰ এটা quality assessment, performence assessment কৰাৰ কথা, এই গোটেইখিনি যদি নকৰে তেতিয়াহ'লে আমি ইমান ধাৰ লৈ আছো আৰু এই ধাৰৰ যোগেদি সেইসময়ত নিশ্চয় এইখিনি কৰা হৈছিল, আনপ্ৰডাক্টিভ কামত এনেধৰণে পুঁজি অপব্যৱহাৰ কৰাটো উচিত নহ'ব। সেইকাৰণে এইখিনি দিশত চৰকাৰৰ যিখিনি গাইড লাইন আছিল, এই গাইড লাইন খিনি সম্পূৰ্ণভাৱে পালন কৰি যেনেধৰণে এইখনৰ ৰিভিউ হ'ব লাগে তেনেধৰণে ৰিভিউ হওঁক। কোৱাৰ্টাৰলী জিলা ভিত্তিত ৰিভিউ হোৱাৰ কথা আৰু যিবিলাকক বেংক লিংকেজ দি আৰু সহায় কৰিব লাগে, সেইখিনি দিয়াৰ ব্যৱস্থা কৰা হওঁক। এই প্ৰশ্নটো যিহেতু ৰিটেনত আহিল মই এইখিনি কথা সুধিব নোৱাৰিলো। আজি এই প্ৰশ্নৰ যোগেদি মোৰ যিখিনি ক্লিয়াৰিফিকেশ্যন লাগে, মই বিভাগৰ পৰা বিচাৰিছো। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, 'স্বামী বিবেকানন্দ আসাম ইওথ অ্যামপাওয়ারমেন্ট স্কিম'— ২০১৭ ইংরাজির ১৭ ফেব্রুয়ারিতে লঞ্চ করা হয়েছিল। ২লক্ষ যুবকদের অ্যামপাওয়ার করার জন্য। অর্থাৎ সাবলম্বী করা হবে। ওদের কর্মসংস্থানের ব্যবস্থা করা হবে। ব্যবসার মাধ্যমে হোক বা বিভিন্ন ধরনের কাজ কর্মের মাধ্যমেই যাতে যুবকরা সাবলম্বী হয়। সেটাই ছিল মুখ্য উদ্দেশ্য। এসএসজি গ্রপে ৭ জন থেকে ৮ জন বা ১০ জন থেকে ১১ জন প্রত্যেককে ৫০,০০০ টাকা করে দেওয়া হবে। কিন্তু সেই ৫০,০০০ টাকার মধ্যে ৩০,০০০ টাকা দেওয়া হল বাকি ২০,০০০ টাকা এখনও দেওয়া হয়নি। দ্বীতিয় কথা, আমি দেখলাম 'স্বামী বিবেকানন্দ আসাম ইওথ অ্যামপাওয়ারমেন্ট স্কিম' সেই স্কিমের মধ্যে কি কি আছে, বা কি কি দরকার। সেখানে আমি দেখলাম, সেই স্কিম যারা পাবেন ওদের ৩, ৪ দিনের ট্রেনিং প্রোগ্রাম লাগবে। ট্রেনিং প্রোগ্রামের দরকার। সেই ট্রেনিং প্রোগ্রামটি কোন রিকগনাইজ কোম্পানির মাধ্যমে হবে। কিন্তু দেখা গেল,এখানে ট্রেনিংএর কোন বালাই নেই। স্কিমটি ১৮ বছরের যুবকদের দেওয়া হবে, অর্থাৎ ১৮ বছর মানে, ইলেকশন অরিয়েন্টেড স্কিম। যারা ইলেকশনে ভোট দিতে পারবে ওদেরকে স্কিমটি দেওয়া হবে। এবং প্রথমে ৩০,০০০ করে রিলিজ করা হল বাকি ২০,০০০ রিলিজ করা হয়নি । আমি চেলেঞ্জ করে বলছি আজ এই বিধানসভায়, এই যে শ'শ কোটি টাকা রিলিজ করা হল কতজন মানুষকে উপকৃত করা হল। কতজন মানুষ সাবলম্বী হল। কতজন মানুষ নিজে ব্যবসা করে নিজেকে প্রতিষ্ঠিত করতে পারল। বিশেষ করে, যে ক্লোজগুলো এখানে লাগানো হয়েছে যে সেভেন পাশ করা ব্যক্তিকে স্কিমটি দেওয়া হবে। কিন্তু যারা শিক্ষিত যুবক তারা কি করবে? সেভেন পাশ কোন যুবক পেলে আমাদের কোন আপত্তি নেই। যারা শিক্ষিত যুবক তাদের ক্ষেত্রে কি ব্যবস্থা নেওয়া হল? উপাধ্যক্ষ মহোদয় ২ লাখ মানুষকে এই স্কিম দেওয়া হবে। কিন্তু ২ লাখ মানুষের মধ্যে সার্ভে যদি করা হয় বা এনকোয়ারি করা হয়, সেই এনকোয়ারির মধ্যে ২০ জনকেও এর মধ্যে পাওয়া যাবে না, যারা সেই টাকা দিয়ে নিজেকে প্রতিষ্ঠিত করতে পেরেছে। মুখ্যমন্ত্রী অনেক ভালো ভালো কথা বলেছিলেন, স্বামী বিবেকানন্দের সেই স্কিমটা নিয়ে। বিশেষ করে ইওথ অ্যামপাওয়ার স্কিম নিয়ে অনেক ভালো কথা বলেছিলেন। কিন্তু প্রকৃত অর্থে সেই

টাকাগুলো শুধু মোবাইল কেনার জন্য, নিজের ব্যক্তিগত কোন খরচের জন্য ব্যয় করা হল। সেইজন্য আমি মনে করি,অসমের যুব সমাজের, যুবকদের কোন লাভ হয় নাই। স্বামী বিবেকানন্দের নামে আপনারা স্কিম লঞ্চ করেছেন, আমি ব্যক্তিগতভাবে আপনাদের ধন্যবাদ জানাই। স্বামী বিবেকান্দের মত একজন মহাপুরুষের নামে এই স্কিম চালু করলেন, কিন্তু আলটিমেটলি কতজন যুবক সেই স্কিম দিয়ে উপকৃত হল। সেটাই হচ্ছে প্রশ্ন। তাই মন্ত্রী মহোদয়ের কাছে আমি অনুরোধ করব, ২০২৩ র জানুয়ারিতে স্কিমটি আবার লঞ্চ করা হবে, আবার নতুন ফরমেট করা হবে। আমার একটা অনুরোধ থাকবে মাননীয় মন্ত্রীর কাছে, যদি নিয়ম করা হয় টাকা দেওয়া হবে,সেই টাকার মাধ্যমে যুবকরা যাতে সাবলম্বী হতে পারে। চাকুরি তো হচ্ছে না, ২৩ লক্ষ চাকুরি হচ্ছে না বা ১ লক্ষ চাকুরি কবে হবে সেটার কোন ঠিক নেই। কিন্তু অন্তত সেই টাকার মাধ্যমে যুবকরা যাতে নিজেদেরকে কিছুটা প্রতিষ্ঠিত করতে পারে। স্বামী বিবেকানন্দ একজন মহাপুরুষ, সেই মহাপুরুষের নামে স্কিম হয়ে যদি টাকাগুলো আত্মসাৎ করা হয় তাহলে সেটা লজ্জার ব্যপার। উপাধ্যক্ষ মহোদয়, স্বামী বিবেকানন্দের একটি উক্তি বলে আমি বক্তব্য শেষ করছি। স্বামী বিবেকানন্দ বলেছিলেন, “জ্ঞানীকে তার ভূল ধরিয়ে দিলে সে তোমাকে বন্ধু বানিয়ে নেবে। মূর্খকে তার ভূল ধরিয়ে দিলে সে তোমাকে সত্রু ভাববে”। তাই স্বামী বিবেকানন্দের নামে যদি স্কিম আনা হয় সেই স্কিম যাতে যুবকদের উন্নতির ক্ষেত্রে ব্যবহার হয় সেটাই আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ করছি। ধন্যবাদ।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যিখিনি আজি “ৰি স্বয়ম”ৰ বিষয়ে আলোচনাত আনিছে ইয়াৰ বাবে প্ৰথমে মই তেখেতক ধন্যবাদ জনাইছো। এই আঁচনিখনৰ বিষয়ে তেখেতে এটা লিখিত প্ৰশ্নও দিছিল লগতে তেখেতে এখন ফ'ৰমেটও দিছিল। এই ফ'ৰমেটত আমি কিছু তথ্যও দিছিলো। সেই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই ও কিছু কথা সুধিছে। আমাৰ উদ্দেশ্য আছিল যে যুৱক-যৰতী সকলক এই নিৰ্দ্ধাৰিত পুঁজিৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত আগবঢ়াই লৈ যোৱা। এই ৰি-স্বয়ম যিখন আঁচনি আছে এই আঁচনিখনত যিখিনি মুখ্য উদ্দেশ্য আছে, সেইখিনি ইতিমধ্যে আপোনালোকে গম পাইছে আৰু ইয়াৰ গাইড লাইনও আছে। ইয়াৰ কাৰ্য্যকৰী মূলধন, সমৰ্থন এই কাৰণেই প্ৰদান কৰিছিলো যে আমাৰ ল'ৰা-ছোৱালী বোৰক বিশ্বাস কৰিব লাগিব। যদি আমি পুঁজিখিনি দিয়াৰ ক্ষেত্ৰত ল'ৰা-ছোৱালী বোৰক চাবচিডি এমাউণ্ট দিয়া হয় আৰু নিজৰ পৰা এটা এমাউণ্ট দিবলৈ কোৱা হয়, তেতিয়াহ'লে বেংকৰ পৰাও চাবচিডি এমাউণ্টটো নাপায় আৰু নিজেও পুঁজি দিব নোৱাৰে। সেই কাৰণে এই আঁচনিখনত এইখিনি উদ্দেশ্য ৰাখি আমি গ্ৰহণ কৰিছিলো। ইতিমধ্যে আমি গোটেই পুঁজিখিনি ডি বি টি ৰ জৰিয়তে হস্তান্তৰ কৰিছো। আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কোৱামতে আমি এই আঁচনিৰ জৰিয়তে প্ৰায় ১ লাখ ৪২ হাজাৰ ৮ শ ৬৫ জন যুৱক-যুৱতীলৈ এই ডি বি টি ৰ জৰিয়তে ধনখিনি ট্ৰান্সফাৰ কৰিছো। এতিয়া মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোকে যিখিনি কথা কৈছে, যেতিয়া এখন আঁচনি আমি ৰূপায়ণ কৰো আৰু সেই আঁচনিখনৰ পৰা আমি কিমান লাভান্বিত হ'ব পাৰিছো, সেইখিনি আমি নিশ্চয় চোৱাতো উচিত। সেইকাৰণে আমি সিদ্ধান্ত গ্ৰহণ কৰিছো যে ইতিমধ্যে জিলাৰ উপায়ুক্ত সকলক এই বিষয়ে জনাইছো আৰু এই পুঁজিখিনি দিয়াৰ পিছত তেওঁ কেনেধৰণে কামখিনি কৰিছে তাৰ এটা impactment assessment হ'ব লাগে আৰু এই impactment assessment টো তেওঁলোকে দিয়ক আৰু তেওঁলোকে সেই পুঁজিখিনি কেনেদৰে ব্যৱহাৰ কৰিছে তাৰ এটা ৰিপোৰ্ট আমাক দিয়ক আৰু এই ৰিপোৰ্ট দিয়াৰ পিছত আমি পিছৰ পৰ্য্যায়ত কেনেধৰণে সিদ্ধান্ত গ্ৰহণ

কৰিব লাগে, সেই ব্যৱস্থা গ্ৰহণ কৰিম। পুঁজি সাপেক্ষে দ্বিতীয় পৰ্য্যায়ত যিখিনি হ'ব, সেইখিনিত আমি আঁচনিখিনি কেনেধৰণে লৈ যাব পাৰো তাৰ সিদ্ধান্ত গ্ৰহণ কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৫। অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয় শ্ৰী পিয়ুষ হাজৰিকাই ২০২২ চনৰ ২৮ মাৰ্চৰ অসাধাৰণ ৰাজপত্ৰৰ অধিসূচনা "The Assam legislative Assembly Members Salaries, Allowances, Amenities and Pension (Amendment) Rule, 2022 খন সদনত দাখিল কৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২০২২ চনৰ ২৮ মাৰ্চৰ অসাধাৰণ ৰাজপত্ৰৰ অধিসূচনা "The Assam Legislative Assembly Members Salaries, Allowances, Amenities and Pension (Amendment) Rule, 2022" খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৬ (ক)। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰীক "The Assam State Commission for Minorities (Amendment) Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam State Commission for Minorities (Amendment) Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল "The Assam State Commission for Minorities (Amendment) Bill, 2022" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া কাৰ্যসূচী নং ৬(খ)

বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থৰ নামত এটা আৰু শ্ৰীহাফিছ বছিৰ আহমেদ, শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰীনজৰুল হক, শ্ৰীসুজাম উদ্দিন লস্কৰ, শ্ৰীআব্দুল আজিজ, শ্ৰীছামচুল হুডা, শ্ৰীজাকিৰ হুছেইন লস্কৰ আৰু শ্ৰীআশ্ৰাফুল হুছেইনৰ নামত এটা তথা মুঠ দুটা সংশোধনী আছে।

এতিয়া মই মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থ আৰু শ্ৰীহাফিছ বছিৰ আহমেদৰ সহযোগী সাঁত জন, আপোনালোকৰ সংশোধনী প্ৰস্তাৱ দুটা উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীআমিনুল ইছলাম, (ধিং)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, I beg to move the proposed sub-clause (B) of clause 2 of the proposed bill shall be deleted. এই বিলখনত ২ নং clause ত 'D' sub-clause টো পৰিবৰ্তন কৰাৰ কথা কোৱা হৈছে আৰু ইয়াত প্ৰস্তাৱ কৰা হৈছে যে- 'Minority for the purpose of the Act' means Communities notified as such by the Central Government under National Commission for Minority Act, 1992. Provided that such communities have been residing within the State of Assam. National

Commission for Minority Act, 1992 ত আছিল যে- minority for the purpose this Act, means the persons belonging to religious as well as linguistic minorities residing in the State of Assam who are otherwise elligible to be considered and decleared by the State Government as minorities mentioned in Article 30 on the Constitution of India. Constitution of India ৰ Article 30 মতে যিখিনি religious and linguistic minority ক minority বুলি আগতে treat কৰা হৈছিল। আগৰ আইন খনত এই কথাবোৰ সন্নিৱিষ্ট কৰা আছিল। **গতিকে, এতিয়া সেই কথাটো পৰিবৰ্তন কৰি ইয়াত religious and linguistic এই কথা কেইটা উঠাই দিবলৈ বিচৰা হৈছে। গতিকে আমি ভাৱো যে minority ৰ সংজ্ঞা** নিৰ্ধাৰণৰ ক্ষেত্ৰত বা minority department ৰ বিভিন্ন আঁচনি বা অন্যান্য বহুতো কথাত জড়িত সেই কথাবিলাকত সম্পৰ্ণভাৱে অস্পষ্ট কৰি পেলাব। গতিকে পূৰ্বে সংবিধানৰ Article 30 ৰ অধীনত অসমত বসবাস কৰা Religious আৰু linguistic minority ৰ ক্ষেত্ৰত যি definition আছিল, সেই definition টোৱে বাহাল থাকিব লাগে নহ'লে এই কথাটো অস্পষ্ট হৈ যাব। গতিকে আমি প্ৰস্তাৱিত sub-clause ত যিটো substitute কৰিব খোজা হৈছে, এইটো delete কৰিব বিচাৰিছো আৰু আগৰ কথাখিনি বাহাল থাকিব লাগে বুলি প্ৰস্তাৱ কৰিছো।

**माननीय उपाध्यक्ष** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই কোৱাৰ দৰে একে কথা। আগতে আছিলে যে Minority for the purpose of the Act means the persons belonging to religious as well linguistic minority. কিন্তু এতিয়া এই কথাখিনি উঠাই দিয়া হ'ল মাননীয় উপাধ্যক্ষ মহোদয়। সেইটো কাৰণে আমাৰ দাবী এইটো থাকিব যে linguistic minority and religious minority ৰ কথাখিনি যাতে স্পষ্টভাৱে থাকে। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি সদনত clearly এই বিষয়টোৰ ওপৰত ক'লে। সেইটো কাৰণ মোৰ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ থাকিব যে religious and linguistic minority এই কথাখিনি যাতে বিলত থাকে।

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য দুয়োগৰাকীয়ে যিটো সংশোধনী আনিছে, এই সংশোধনীৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীয়ে মাননীয় সদস্য শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত ইতিমধ্যে Minority বা linguistic minority, religious minority সম্পৰ্কত details কৈছে। আমি এই সংশোধনী অনাৰ কাৰণটো হ'ল যে ভাৰত চৰকাৰৰ যিখন আইন আছে বা National Commission for Minorities Act. 1992, এই ১৯৯২ ৰ মতে ভাৰত চৰকাৰে সময়ে সময়ে যিবিলাক statutory order দিছে বা notification কৰিছে, সেই Notification No. 816(E) at file no. 1/11/93 MCD (D) dated 20-23/10/1999. গতিকে আমাৰ যিখন Act, এই Act খনত minority ৰ কথাটো define হোৱা নাই। ভাৰত চৰকাৰ যিখন ১৯৯২ আইন, সেই আইনৰ সংজ্ঞা মতে আমাৰ অসমৰ আইনখন কৰিবলৈ বিচাৰিছো "The National Commission

for Minority Act. 1992”. সেই মতে আইনখনত Religious minority হিচাপে Muslim, Sikh, Christian, Buddhist, Parsi & Jain এই ছয়টা সম্প্ৰদায়ৰ notification কৰা হৈছে।

তদুপৰি অন্য এটা কথা হ'ল যিখিনি সংশোধন হৈছে, এই সম্পৰ্কত minority ৰ সম্পৰ্কত এই কথাখিনি clear হৈ গ'ল। নহলে আমাৰ আগতে religious minority & linguistic minority বুলি আইনখনত আছিল, কোনো clearity নাছিল। এতিয়া ভাৰত চৰকাৰৰ ১৯৯২ যিখন আইন, সেই আইনখনৰ মতে এইখিনি কথা clearity আনিছো।

দ্বিতীয়তে, linguistic minority ৰ ক্ষেত্ৰত এখন বোৰ্ড আছে। বোৰ্ডখনৰ জৰিয়তে বিভিন্ন linguistic minority ৰ লোকসকলক সা-সুবিধা দিয়া হয়। ৰাজ্যৰ পৰা তেওঁলোকক টকাও দিয়া হয়। এই minority act খনৰ মতে minority ৰ সংজ্ঞাহে ইয়াত দিয়া হৈছে। linguistic minority ক বাদ দিয়া হোৱা নাই। গতিকে এই ক্ষেত্ৰত মই ভাৱো যে ই ভাল হৈছে। কাৰণ clarity নাথাকিলে অসুবিধা হ'ব। গতিকে সেইটোৱে কথা আৰু এটা কথা আপুনি কৈছিল এইটো কথা delete কৰি দিব লাগে। যে আমাৰ গোটেই উদ্দেশ্যটো আছিল যে, আমাৰ Act খনে যাতে clarity পায়। Clarity টো in conformity with the National Act যিখন আছে, 1992, সেই 1992 Act খনৰ লগত ৰজিতা খুৱাই এই amendment অনা হৈছে। গতিকে মই ভাৱো যে মাননীয় সদস্য সকলে এইক্ষেত্ৰত কোনেও আপত্তি কৰিব কথা বুলি মই নাভাৱো। এইটো এটা major amendment হৈছে বা কোনোবা religious community য়ে হওঁক বা linguistic community য়ে হওঁক, তেওঁলোকৰ কিবা অসুবিধা হৈছে, এইটো নহয়, বৰঞ্চ এই কথাখিনিৰ clarity ৰ কাৰণেহে এই ব্যৱস্থাখিনি অনা হৈছে। মই ভাৱো যে, মাননীয়হুসদস্য সকলে তেখেতসকলৰ amemdment টো উঠাই ল'ব আৰু আমাৰ amendment টো গ্ৰহণ কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীকমলাক্ষ দে' পুৰকায়স্থ আৰু হাফিজ বছিৰ আহমেদ সহযোগী সাতজন আপোনালোকৰ সংশোধনী দুটা প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কথাটো হ'ল আগত যিটো আমাৰ Act ত আছিল যে যিখিনি religious আৰু linguistic minority স্পষ্টকৈ আছিল তাৰ পিছতো linguistic খিনিক কিন্তু minorty status ত তেওঁলোকে সুবিধা নাপালে লিখা থকা স্বত্বেও। এতিয়া যদি আমি religious আৰু linguistic minority ৰ শব্দবিলাক উঠাই দিও, তাৰ পিছত আৰু linguistic খিনিয়ে কেনেকৈ পাব। দ্বিতীয় কথাটো হ'ল আগতে religious হিচাপে যি ৬ টা ধৰ্মৰ মানুহক treat কৰা হৈছিল তাৰ ভিতৰত চাওঁক, বৌদ্ধ, জৈন, শিখ, খ্ৰীষ্টীয়ান আৰু পাৰ্চীয়ান। তাৰ ভিতৰত খ্ৰীষ্টীয়ান হয়তো আমাৰ চাৰি-পাঁচজন প্ৰতিনিধি আমাৰ বিধান সভাত, উপাধ্যক্ষ মহোদয়ে ভালকৈ জানে। ৬ জন নে ৩ জন নে কিমান আছে প্ৰতিনিধি খ্ৰীষ্টীয়ান। কিন্তু বাকী বৌদ্ধ, জৈন, শিখ, পাৰ্চীয়ান কোনো representation বিধান সভাতেই নাই। আচলতে minority সকলক, minority welfare department ৰ পৰা এই কাৰণেই দিয়া হয় যাৰ representation নাই, তেওঁলোকৰ নাম্বাৰ বহুত কম যাতে তেওঁলোক deprive হৈ নাথাকে। সেই কাৰণে তেওঁলোকক দিয়াৰ কাৰণে minority welfare department. গতিকে মই ভাৱো, যে অন্ততঃ সেই মানুহখিনি যাতে স্পষ্টকৈ include থাকে, তেনেকৈ ৰাখিব লাগে। নহ'লে কিন্তু তেওঁলোক আকৌ deprive হৈ যাব।

**माननीय উপাধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱটো আপুনি withdraw কৰিছে নেকি ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ, কথাটো মই কৈ দিওঁ। কথাটো হৈছে যে Linguistic Minority Board এখন আছে, ঠিকেই আছে। Board খনে তাৰ function টো কৰি আছে, সেইটো আমাৰ ক'বলগীয়া একো নাই বা যিবিলাক function আছে সেইবিলাক কৰিব ঠিকে আছে। কিন্তু তাতে আমাৰ এইবিল দুখনত, সেইটোত আগতে existing Act ত clearly আছিল যে linguistic minority. এই linguistic minority কিয় উঠোৱা হ'ল। যেতিয়া আছিল, থাকিলেই হ'ল clear কথা। দুয়োটা Benifit য়ে পাব, benifit দুটা পালে ভালহে হ'ব আপোনালোকৰ। মানুহে যেতিয়া বেছিকৈ পাব, চৰকাৰখনৰে নাম হ'ব। এইটো কাৰণতে মই ভাৱো, linguistic minority টো থাকিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱ দুটা withdraw কৰিছেনে আপোনালোকে ?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)ঃ** কথাটো হৈছে যে আপোনালোক মাননীয় সদস্য সকলে কিছুমান কথা নিজেও বুজিব লাগিব। কথাটো ক'লেই আমি বিৰোধী বুলি কৈ থাকিলেতো নহ'ব। শুনক। গতিকে আমাৰ কথাটো হ'ল যে আমি ইয়াত এটা clarity আনিব বিচাৰিছো এই কাৰণেই যে আমাৰ বৰ্তমান Statistics Act যিখন আছিল, সেই Act খন আচলতে religious and linguistic শব্দ দুটাহে আছে। তাত কোনো define কৰি দিয়া নাই যে আচলতে religious minority কোন আৰু linguistic minority কোন। মাননীয় মুখ্যমন্ত্ৰী আজি details কৈছে, মই সেই details খিনি মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইখিনি কোৱাৰ পিছত আৰু মই সেইখিনি details নকওঁ আৰু এই কথাটো লৈয়ো supreme Court তো এনেকুৱা এটা বিচাৰাধীন হৈ আছে বিষয়টো। গতিকে linguistic ৰ ক্ষেত্ৰত linguistic minority board এখন আমাৰ আছে। গতিকে linguistic minority ক সেই কথাটো কোৱা নাই। আমি কৈছো যে, আমাৰ Act খনত Statistics Act খনত যিহেতুকে আমাৰ define কৰা হোৱা নাই minority টো। আমি Minority টো ইয়াত define কৰি দিছো। Define কৰাৰ ফলত কি হৈছে এই comunity কেইটাকে minority বুলি কোৱা হয় আৰু সেইটো ভাৰত চৰকাৰৰ যিখন notification, সেই notification ৰ কপিটো দৰকাৰ হ'লে আপোনালোকক দি দিম। সেই কপিখন আপোনালোকে চাব।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** Define কৰা কথাটো পঢ়ি দিলেও আমি গম পাম।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** আপোনাক notification ৰ কপিখন দি দিছো। গতিকে প্ৰশ্নটো হৈছে যে আমাৰ এই Act খনে গোটেই কথাখিনি clear কৰিছে আৰু linguistic minority ৰ কাৰণে আমাৰ আছেই।

**শ্ৰীৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** কথাবোৰ অলপ বেলেগ ফালে গৈ আছে। ইয়াত Commission ৰ কথা। ইয়াত Board, Commission, Government ৰ কথা অহা নাই। Minority Commission টো বেলেগ বস্তু।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** নহয়। Minority Commission টো বেলেগ বস্তু সেইটো মইয়ো জানো।

**শ্ৰীৰাজেদ আলী চোধুৰী (দক্ষিণ শালমৰা) ঃ** ইয়াৰ লগত কোনো সম্পৰ্কি নাই।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** আছে। Minority যিখন ভাৰত চৰকাৰৰ Minority ৰ definition টো দিছে, এই definition টো দিছে ১৯৯২ ৰ যিখন National Commis-

sion for Minority Act 1992. সেইটো ভাৰত চৰকাৰৰ আইন মতেহে এই definition টো দিছে। গতিকে সেই আইনখনৰ ভিত্তিতহে আমি এই বিষয়টো দিছো। বেলেগ ফালে যোৱা নাই। Minority Commission টো বেলেগ বস্তু। মই Minority Board ৰ কথাহে মই কৈছো। মই linguistic board ৰ হে কথা কৈছো। Minority define কৰিছে কোনে। Minority define কৰিছে The National Commission for Minorities Act 1992 এইখন ভাৰত চৰকাৰৰ। গতিকে সেই আইনমতে minority টো define কৰা হৈছে আৰু তাতে linguistic minority ৰ কাৰণে এখন বোৰ্ড আছে। Minority Commission টো সম্পূৰ্ণ বেলেগ বিষয়। আমি কৈছো যে Minority Commission ৰ কথাটো অহাই নাই। Bill খন অনাৰ উদ্দেশ্যটো কি আছিল যে minority কাক কোৱা হয়। ভাৰত চৰকাৰৰ Minority Commission Act 1992 ত কোন কেইটা community ক religious minority বুলি কোৱা হৈছে আৰু সেই কথাখিনি আমি clear কৰিছো এই বিলখনৰ জৰিয়তে, সেইটোহে কথা হৈছে। গতিকে বোৰ্ডৰ কথাটো কৈছো যে যিহেতুকে আমাৰ Linguistic Minority Board এখন আছে আৰু আজিও আছে board খনৰ জৰিয়তে দি linguistic minority সুবিধা পাব আৰু মই ভাবো যে, এইটো কথাত আপত্তি কৰিব নালাগে। তাৰ উপৰি এটা কথা ক'ম যে আমাৰ AIUDF ৰ মাননীয় সদস্য গৰাকীয়ে কৈছে যে কিছুমানে সুবিধা পোৱাৰ পৰা বঞ্চিত হব। সেই কাৰণে আমি ৫ জন মেম্বাৰ ৰাখিছো, Chairman ৰ সৈতে ৬ জন হ'ব। গতিকে যিহেতু ৬ টা community, কোনোবা এটা community ৰ পৰা যেতিয়া Chairman হয় তেতিয়াহ'লে বাকী ৫ টা community ৰ পৰা এজন এজন মেম্বাৰ হ'ব আৰু তেওঁলোকৰ representation, তেওঁলোকৰ community ৰ যিখিনি কথা থাকে, তেওঁলোকে তাত উত্থাপন কৰিবলৈ সক্ষম হ'ব। গতিকে মই ভাৱো এইটো ভালহে হৈছে। এইটোত অসুবিধা হোৱা নাই। উঠাই ল'ব বুলি অনুৰোধ জনালো।

**শ্রী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে যিখিনি কৈছে যদি এনেকৈ কৈছে যে আমাৰ সকলো community deprive নহয়, তেনেহ'লে ভাল কথা। আমি withdraw কৰি ললো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি withdraw কৰিছে। মন্ত্রী ডাঙৰীয়াই ভালকৈ বুজাই দিছে। No more confusion.

**শ্রী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** Justification টো হোৱা নাই আমি মানি ল'ব পৰা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি withdraw কৰিব নে ?

**শ্রী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** Linguistic Minority আপোনালোকে বনাইছে, Board এখন আগৰ পৰা আছে, চলি থাকিব। Commission যিটো বনোৱা হৈছে, existing area ত আছিলেই linguistic minority। আজি কিয় বনোৱা হৈছে। এই Justification টো আমাক লাগে। linguistic minority টো থাকিব। চৰকাৰে বনাইছে থাকিব। আমি সেইটো মানিব লাগিব। আমাৰ justification টো হৈছে Linguistic Minority Board থাকিব টকাতো বঢ়োৱা হওঁক, কিন্তু এই commission যিটো হৈছে, সেইটো কিয় কটা হ'ল। সেই justification টো দিলে ভাল হয়।

**শ্রীচন্দ্রমোহন পাটোৱাৰী (মন্ত্রী)ঃ** আপুনি কিয় বুজিবলৈ চেষ্টা কৰা নাই মই বুজা নাই। আপোনাক

বাৰে বাৰে কথাটো কৈ থকা হৈছে যে আমি আমাৰ যিখন State Commission Act, সেই Act ত আচলতে minority টোৰ সম্পৰ্কত কোনো definition তাত নাই। অকল কৈ থোৱা আছে linguistic minority and religious minority. এতিয়া আমাৰ religious minority কোন কোন হ'ব। এই সম্পৰ্কত আমাৰ যিখন National Commission Act 1992 ভাৰত চৰকাৰৰ। তাত ৬ টা community ক তেওঁলোকে কৈছে যে আছে এইকেইটা religious minority. এতিয়া আমাৰ Commission ত আমি ক'ব বিচাৰিছো যে minority ৰ সংজ্ঞা কালি আপোনালোকে কয় যে minority কোন কোন হয়। তেতিয়া আজিৰ amendment টোৱে ক'ব যে এইকেইটা community ভাৰত চৰকাৰৰ notification মতে এইকেইটা community য়ে religious minority হ'ব আৰু যিটো linguistic minority ৰ মই কৈছো board আছে, তাত অসুবিধা নাই। মাননীয় মুখ্যমন্ত্ৰীয়ে যেতিয়া বক্তব্য ৰাখিছিল তেতিয়া নিশ্চয় আপুনি শুনি আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে একেবাৰে details কৈছে। এইখন amendment ত ক'বলগীয়া নাইয়ে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে এই গোটেই বস্তুবিলাক এটা evolution হৈ আছে দিনে দিনে। আচলতে minority কোন কোন হ'ব, কোন state ত। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে উল্লেখ কৰিছে যে Linguistic Minority ৰ ক্ষেত্ৰত এই কমিশ্যনটো নীৰৱ আছে। সেইকাৰণে আমি কৈছো যে ভাৰত চৰকাৰৰ যিখন এক্ট আছে, অসম চৰকাৰৰ ক্ষেত্ৰতো সেইখন এক্টেই হ'ব লাগে। নহ'লে কালি কোনোবাই চেলেঞ্জ কৰিলে বা কালি কোনোবাই যদি আমাক ও Minority ত অন্তৰ্ভূক্ত কৰক বুলি কয়, তেতিয়া আমাৰ কোনো উত্তৰ নাথাকিব। কাৰণ আমাৰ ষ্টেট আইনখনত সেই বিষয়টো নাই। সেইকাৰণে আমাৰ যিটো Linguistic Minority তাৰ সুবিধাৰ কাৰণে বোৰ্ড এখন আছে আৰু বোৰ্ডে সকলো ব্যৱস্থা ল'ব। ভাৰত চৰকাৰৰ যিখন নেশ্যনেল কমিশ্যন ফৰ মাইন'ৰিটি এক্ট, ১৯২১, সেই এক্ট খনত Linguistic Minority শব্দটো নাই। সেইকাৰণে আমি সেই এক্টখন মতেহে এমেণ্ডমেণ্ট আনিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি এইখন উঠাই লৈছে নে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই withdraw নকৰো। আপোনালোকৰ সংখ্যা বেছি আছে আপুনি পাৰিব। এইটো প্ৰমাণ হ'ল যে আগতে যেতিয়া এক্টখন বনোৱা হৈছিল, তেতিয়া ভুল হৈছিল। withdraw কৰাৰ ক্ষেত্ৰত আমি ভালদৰে জাষ্টিফিকেশ্যনটো পোৱা নাই। সেইকাৰেণে আমি withdraw নকৰো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই সংশোধনী দুটা সদনত দাঙি ধৰিলো। In the proposed sub-clause D of clause-II of the proposed Bill in between the words minorities and for appearing line I the word Linguistic Minority shall be added. The proposed sub-clause D of Clause-II of the proposed Bill shall be deleted.

যিসকল মাননীয় সদস্য-সদস্যা
সংশোধনী দুটাৰ সপক্ষে আছে,
তেখেতসকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'
('নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, সদনে সংশোধনী দুটা নাকচ কৰে।)

মই ভাৱো 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে।
সংশোধনী দুটা নাকচ কৰা হ'ল।
দফা নং-২ বিধেয়কৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য-সদস্যা
সংশোধনী দুটাৰ সপক্ষে আছে,
তেখেতসকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'
('হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে সদনে সংশোধনী দুটা গ্ৰহণ কৰে।)
মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।
সংশোধনী দুটা বিধেয়কৰ অংশ হ'ব।

বিধেয়কৰ ৩ নং দফাত শ্ৰী ৰফিকুল ইছলাম, শ্ৰী ছিদ্দিক আহমেদ, শ্ৰী ৰেকিবুদ্দিন আহমেদ, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰীমতী নন্দিতা দাস, শ্ৰী বসন্ত দাস, শ্ৰী জাাকিৰ হুছেইন শিকদাৰ, শ্ৰী নুৰুল হুদা, শ্ৰী মিছবাহুল ইছলাম লস্কৰ, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ নামত আৰু হাফিজ বছিৰ আহমেদ, শ্ৰী নজৰুল হক, শ্ৰী সুজাম উদ্দিন লস্কৰ, শ্ৰী আব্দুল আজিজ, শ্ৰী ছামছুল হুদা, শ্ৰী জাকিৰ হুছেইন লস্কৰ, শ্ৰী আশ্ৰাফুল হুছেইনৰ নামত এটা আৰু মুঠতে দুটা সংশোধনী আছে। এতিয়া মই মাননীয় ৰকিবুল হুছেইন ডাঙৰীয়াৰ সহযোগী এঘাৰ জনৰ আৰু হাফিজ বছিৰ আহমেদৰ সহযোগী সাত জনৰ সংশোধনী প্ৰস্তাৱ দুটা উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "দ্যা আসাম ষ্টেট কমিশ্যন ফৰ মাইন'ৰিটিজ (এমেণ্ডমেণ্ট) বিল, ২০২২" ক্লজ থ্ৰী ৰ ওপৰত যি এমেণ্ডমেণ্ট আছিল, So, I beg to move in the proposed sub- Clause (II) of clause (III) of the proposed Bill word and figure 5 appearing in the line 2 and 5 shall be substituted by the word and figure 6. মাননীয় উপাধ্যক্ষ মহোদয়, এই মাত্ৰ আমি Clause II ত এটা বিতৰ্ক দেখিলো। বিতৰ্কটো আছিল যে নেশ্যনেল কমিশ্যন ফৰ মাইন'ৰিটিজ এক্ট ১৯৯২ । সেই এক্টৰ পৰা আমাৰ যিটো "দ্যা আসাম ষ্টেট কমিশ্যন ফৰ মাইন'ৰিটিজ এক্ট, ১৯৯২" সেই এক্টৰ পৰা আমাৰ যিটো "দ্যা আসাম ষ্টেট কমিশ্যন ফৰ মাইন'ৰিটিজ এক্ট, ২০০৩" confornity নোহোৱাৰ বাবে আজি বিতৰ্ক হৈছে। যিহেতু Linguistic Minority অৰিজিনেল এক্টত নাই। অৰিজিনেল এক্টত Linguistic Minority শব্দটো নাছিল আৰু ষ্টেট এক্টত আপোনালোকে Linguistic Minority শব্দটো সোমাইছিল। আজি ৰিপিল কৰিবলৈ গৈ অৰ্থাৎ ডিলিট কৰিবলৈ গৈ এইটো বিতৰ্ক হৈছে। আগতে Linguistic Minority শব্দটো নাছিল আৰু আপোনালোকে ২০০৩ ৰ এক্টত এই শব্দটো সোমাইছে। যাৰ কাৰণে আপোনালোকে আজি ডিলিট কৰাৰ ব্যৱস্থা কৰিছে। এই কথাটো এই কাৰণেই কৈছো আপোনালোকে যিটো এমেণ্ডমেণ্ট আনিছে, এই এমেণ্ডমেণ্ট আৰু নেশ্যনেল এক্টৰ যি প্ৰভিজন, আমি নেশ্যনেল এক্ট এমেণ্ড কৰিব নোৱাৰো। আমি ষ্টেটৰ এক্ট এমেণ্ড কৰিব পাৰো। দেখা গৈছে ষ্টেট এক্টৰ ক্লজ ৩ ত নেশ্যনেল এক্টত ইয়াত প্ৰভিজন আছিল ক্লজ-৩, চাব ক্লজ-২ ত আছিল Chairperson, Vice-Chairperson and five members অৰ্থাৎ মুঠতে সাত জন মেম্বাৰে, ছয় টা ৰিলিজিয়াচ কমিউনিটিয়ে খ্ৰীষ্টান, শিখ, বৌদ্ধিষ্ট, মুছলিম, পাৰ্চী আৰু

জৈন অৰ্থাৎ ছয় টা ৰিলিজিয়াচ কমিউনিটিৰ মাজৰ পৰা মুঠতে সাত জন মানুহৰ দ্বাৰা কমিশ্যন বনোৱাৰ কাৰণে নেশ্যনেল এক্টত কৰিছিল। চেয়াৰমেন ভাইচ চেয়াৰমেন আৰু পাঁচজন সদস্য। কিন্তু আপোনালোকে এতিয়া এমেণ্ডমেণ্টত আনিছে চেয়াৰমেন আৰু পাঁচজন সদস্য। অৰ্থাৎ মুঠতে ছয় জন সদস্য। কিন্তু অৰিজিনেল নেশ্যনেল এক্টত সাত জন আছিল। গতিকে আমি এমেণ্ডমেণ্ট আনিছো যে এজন চেয়াৰমেন আৰু ছয় জন সদস্যৰ দ্বাৰা কমিশ্যন বনাব লাগে। নন্দিতা বাইদেউৱে বেলেগকৈ এটা এমেণ্ডমেণ্ট আনিছে আৰু তেখেতক ক'বলৈ দিবলৈ অনুৰোধ কৰিছো। আমি চেয়াৰমেনৰ উপৰিও আৰু ছয় জনক এইকাৰণেই বিচাৰিছো যাতে প্ৰত্যেকটো কমিউনিটীৰ পৰা এজন এজন মেম্বাৰ এই কমিশ্যনত থাকক। যাৰ বিষয়ে ইতিমধ্যে মন্ত্ৰী মহোদয়েও কৈছে। আমি অসমত বিভিন্ন সময়ত শুনিবলৈ পাওঁ যে বিভিন্ন মাইন'ৰিটী মানুহৰ মাজতো ডিভিজন ক্ৰিয়েট কৰা হয়। কেতিয়াবা সংবাদ মাধ্যমত কোৱা হয় যে কোনোবা এটা সংখ্যালঘু শ্ৰেণীৰ সা-সুবিধা বেলেগ এটা সংখ্যালঘু শ্ৰেণীয়ে আত্মসাৎ কৰি আছে। যেতিয়া প্ৰত্যেক কমিউনিটীৰ পৰা এজন এজন মেম্বাৰ এই কমিশ্যনত থাকিব তেতিয়া এই এলিগেশ্যনবোৰ কেতিয়াও এষ্টাব্লিচ কৰিব নোৱাৰিব। তেতিয়া সমাজখন ভালেই থাকিব আৰু শান্তিৰে থাকিব। গতিকে মই উপস্থাপন কৰিব বিচাৰিছো যি এমেণ্ডমেণ্ট চৰকাৰে আনিছে তাৰ এমেণ্ডমেণ্ট যে পাঁচজনৰ সলনি ছয় জন মেম্বাৰ আৰু এজন চেয়াৰপাৰ্চন থাকে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সদস্যৰ সংখ্যা বঢ়াব বা কমাব লাগে বুলি কোৱা নাই। ইয়াত চাবক্লজ ২ ত যিটো দিয়া হৈছে যে কমিশ্যন এজন চেয়াৰপাৰ্চনৰ লগত পাঁচ জন মেম্বাৰ ষ্টেট গভৰ্ণমেণ্টে নমিনেট কৰিব আৰু among persons of eminence ability and integrity এই ক্ষেত্ৰত আমাৰ কথা যে হ'ল চৰকাৰে যিজনক চেয়াৰপাৰ্চন কৰিব তেওঁ মানুহজন eminence ability and integrity থকা মানুহ হ'ব লাগিব। কিন্তু আমি ভাৰিছো যে ইয়াত এটা শব্দ preferably retired IAS Officer যদি পোৱা যায়, মাইন'ৰিটীৰ মাজৰ পৰাই ল'ব। সেই ৰেংকৰ মানুহ হ'লে বেছি ভাল হ'ব। এই কথাটোৰেই সংযোজন কৰিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। নন্দিতা দাস ডাঙৰীয়ানী, আপুনি দুই মিনিটত শেষ কৰিব।

**শ্ৰীমতী নন্দিতা দাস,(বকো) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মণ্ডল ডাঙৰীয়াই যিটো সংখ্যাৰ কথা কৈছে যে ৫ ৰ সলনি ৬ কৰিব লাগে। কিছুসময় আগতে আমাৰ মন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈ গৈছে যি কথা মোৰ ৰিপিটেই হ'ব। ইয়াত আছে যে আমাৰ চেকশ্যন-৩ আৰু চাব চেকশ্যন-২ লাইন নাম্বাৰ-৬, এটা কথা আছিল যে Provided that the Chairman and 5 members shall be from amongst the minority committee. মই মাত্ৰ অকণমান সংশোধন কৰিছো কাৰণ স্পেচিফিক এটা কমিউনিটিৰ মানুহ আহিবই লাগিব। তেতিয়াহ'লে শব্দটো সলনি কৰি মই কৈছো যে The word amongst appearing in line-6 shall be substituted by the word each of and the word one shall be added between B and from in line-6. তাৰ মানে তেতিয়া বাক্যটো এনেধৰণৰ হ'ব যে provided that the Chairman and 5 members shall be one from each of the Minority community. তাৰ মানে amongst শব্দটো থাকিলে দিবও পাৰে নিদিবও পাৰে। সেইকাৰণে one from the each হ'লে এজন দিবই লাগিব। ৬

জন যিহেতু নোটিফাইড কমিউনিটী আছে। এই কথাটোকেই মই কৈছো। মই আশা ৰাখিছো এইটো বোধ হয় মানিব পাৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,(মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত তিনি গৰাকী সদস্যই বক্তব্য ৰাখিছে। প্ৰথমতে Clause-2 ত যিটো কৈছে যে Commission shall consist of chair person, Vice Chair Person and five members to be constituted by the Central Government among the persons of the ability and integrity. তাৰ পিছত লিখিছে provided that the members including Chair Person shall be from amongst the minority communities. তাৰমানে আমাৰ নন্দিতা বাইদেৱে যিখিনি কথা কৈছে যে each community, মানে যেতিয়া আইন এখন বনাই আইনৰ language টো আৰু আমি লিখা language টো বেলেগ হয়। এইটো আমি সকলোৱে মানিব লাগিব। Amongst each community means what? এই ৬ টা community ৰ কথাই কোৱা হৈছে। এই ৬ টা community ৰ পৰাই member টো থাকিব। এটা member বঢ়াই দিয়াত মোৰ কোনো আপত্তি নাই বা সেইটো কোনো বিষয়ো নহয়। কিন্তু এতিয়া যদি আমি ৭ জন member কৰি দিওঁ আপোনালোকে কোৱা মতে, suppose minority community ৰ member জন মুছলিম সম্প্ৰদায়ৰ পৰা দিয়া হ'ল, তেতিয়া বাকী যি ৬ জন দিব লাগিব বুলি আপোনালোকে কৈছে তেতিয়াও আকৌ ৫ টা community হে থাকি যাব। সেই ৫ টা community ৰ ৫ জন member হ'ব। কিন্তু তেতিয়া আমি ৬ নং member জন ক'ৰ পৰা দিম ? গতিকে কোনো মানুহৰ মাজত যাতে কোনো শঙ্কা নাথাকে। সেইকাৰণে আমি Chair Person ক লৈ ৫ জন member ৰ কথা কৈছো যাতে কোনো clash বা confrontation নহয়। গতিকে মই ভাৱো এইটো আপোনালোকে withdraw কৰি ল'ব।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিটো basic principle আছিল, মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে, আমাৰ যিটো conception আছিল সেইটো হৈছে যে প্ৰতিটো community ৰ পৰা এজনকৈ member আহিব লাগে। ৭ জন member ৰ কথা এইকাৰণে ভৰা হৈছিল যে আমাৰ অসম চৰকাৰৰ আগৰ যি Act ত আছিল তাত কিবা amendment আহিব নেকি ভাৱি। গতিকে মন্ত্ৰী মহোদয়ে কোৱাত মই আশ্বস্ত হৈছো আৰু amendment টো withdraw কৰি লৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** হাফিজ বচিৰ ডাঙৰীয়া, আপোনালোকে এইটো withdraw কৰিছেনে?

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** আমি এই প্ৰস্তাৱটো এই কাৰণে আনিছিলো যাতে এগৰাকী efficient মানুহক দিয়ে যাতে তেওঁ ভালদৰে চলাব পাৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এই কথাটো ক'ব পাহৰিছিলো। তেখেতে কৈছে যে এজন retired IAS officer ক দিব লাগে। এইটো open হয়। IAS officer ৰো হ'ব পাৰে বা আপুনি বাময়ো হ'ব পাৰো। গতিকে এই ক্ষেত্ৰত কোনো অসুবিধা নাই। এজন IAS officer ত কৈও এই ক্ষেত্ৰত কাম কৰা ভাল মানুহ থাকিব পাৰে। তেতিয়া তেওঁ বঞ্চিত হ'ব। সেয়েহে IAS officer এজনক দিব লাগে বুলি confine নকৰি এইটো আমি open কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** যিহেতু প্ৰস্তাৱকেইটা withdraw কৰিছে সংশোধনী দুটা প্ৰত্যাহাৰ

কৰাত সদনৰ অনুমতি আছেনে? (সদনৰ সন্মতি আছে) সদনৰ সন্মতি সাপেক্ষে সংশোধনী প্ৰস্তাৱ দুটা প্ৰত্যাহাৰ কৰা হ'ল আৰু দফা নং তিনি বিধেয়কখনৰ অংশ হ'ব।

এতিয়া বিধেয়কখনৰ ১ নং দফাত মাননীয় সদস্য শ্ৰী অখিল গগৈৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে। মই তেখেতক সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই যিটো amendment আনিছে সেইটো withdraw কৰিবৰ কাৰণেহে আহ্বান জনাইছো। মই বিলখন withdraw কৰিবৰ কাৰণে amendment আনিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বক্তব্য দিবনে?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ কোনো বক্তব্য নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে জনসাধাৰণৰ কল্যাণৰ কাৰণেহে এখন বিল আনে। যদি এজন মাননীয় সদস্যই কৈ দিয়ে যে বিলখন withdraw কৰি দিয়ক, সেইটো amendment নহয়। চৰকাৰে বিলখন withdraw কৰি দিব নেকি? গতিকে মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিছো যে তেখেতে বিলখনৰ ওপৰত Clause by Clause amendment আনি আৰু justify কৰিব লাগে যে এইটো এইটো কাৰণে এই বিলখন সম্পূৰ্ণৰূপে withdraw কৰিব লাগে। তেখেতে কোনো কথা নাই বিলখন withdraw কৰিবলৈ কৈছে। এনেকুৱা হ'ব পাৰে জানো?

**মাননীয় উপাধ্যক্ষ ঃ** নতুন সদস্য কাৰণে হয়তো তেখেতে এনেদৰে কৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ভাৱো মাননীয় সদস্য গৰাকীয়ে যেতিয়া ভৱিষ্যতে কোনো বিলত participate কৰে আৰু সেয়া withdraw কৰিব লাগে বুলি ভাৱে Clause by Clause justification লৈ আহি ইয়াত বক্তব্য ৰাখিব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মই কথাটো বুজিছো কিন্তু আপুনি যিটো amendment আনিছে মই সেই amendment টো আনিব নালাগে বুলি কৈছো। আপোনাৰ amendment টো হে withdraw কৰিব দিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে বুজাই দিয়ক কিয় নালাগে?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মই এইটোৰ কাৰণে এতিয়া prepare হৈ অহা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য সকলে যদি prepare হৈ নাহে আপোনালোকে সদনৰ বহুমূলীয়া সময় নষ্ট নকৰিব। মাননীয় সদস্য এতিয়া আপুনি এইটো withdraw কৰিব নে নাই?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মই এইটো withdraw নকৰো। আপোনালোকে নিজে এইটো pass কৰাই লওক voting ত।

**মাননীয় উপাধ্যক্ষ ঃ** মই এতিয়া সংশোধনীটো সদনত দাঙি ধৰিলো। The Assam State Commission for Minorities (Amendment) Bill, 2022 shall be withdrawn. যিসকল মাননীয় সদস্য-সদস্যাই সংশোধনীটোৰ সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ

বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে কওক হয়, যিসক বিপক্ষে আছে কওক নহয়। মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়ক খনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

এতিয়া কাৰ্য্যসূচী নং ৬ (গ)। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ণ মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ জনাবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam State Commission for Minorities (Amendment) Bill, 2022 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল The Assam State Commission for Minorities (Amendment) Bill, 2022 পাৰিত কৰা হওক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ 'সপক্ষে' আছে কওক 'হয়', যিসকল 'বিপক্ষে' আছে কওক 'নহয়'। মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৭ (ক)। মই মাননীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী ডাঙৰীয়াক The Assam Industrial Infrastructure Development Corporation (Amendment) Bill, 2022. বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Industrial Infrastructure Development Corporation (Amendment) Bill, 2022. দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল The Assam Industrial Infrastructure Development Corporation (Amendment) Bill, 2022.বিবেচনাৰ বাবে লোৱা হওক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ 'সপক্ষে' আছে কওক 'হয', যিসকলে 'বিপক্ষে' আছে কওক 'নহয়'। মই ভাৰো 'হয়'ৰ 'সপক্ষে', 'হয়'ৰ 'সপক্ষে', 'হয়'ৰ 'সপক্ষে' প্ৰস্তাৱটো গৃহীত হ'ল।

**কাৰ্য্যসূচী নং- ৭(খ)** বিধেয়কখনৰ ২ নং আৰু ৩ নং দফা দুটাত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২ নং আৰু ৩ নং দফা সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- ২ নং আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য- সদস্যা বিধেয়কখনৰ 'সপক্ষে' আছে তেখেতসকলে কওঁক 'হয়' যিসকলে 'বিপক্ষে' আছে তেখেতসকলে কওক 'নহয়' মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং আৰু ৩ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৪ নং দফাত মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থৰ নামত দুটা আৰু দেবব্ৰত শইকীয়া, ভৰত চন্দ্ৰ নৰহ, ৰকিবুল হুছেইন, শিবামনি বৰা, ভাস্কৰ জ্যোতি বৰুৱা, ৰেকিবুদ্দি আহমেদ, দিগন্ত বৰ্মন, আব্দুৰ ৰছিদ মণ্ডল, ৰাজেদ আলি চৌধুৰী, খলিলুদ্দিন মজুমদাৰ, কমলাক্ষ দে পুৰকায়স্থ, চিদ্দেক আহমেদ, নৰুল হুদা আৰু মিছ্ বাহুল ইছলাম লস্কৰৰ নামত এটা মুঠ তিনিটা সংশোধনী আছে। এতিয়া মই মাননীয় কমলাক্ষ দে পুৰকায়স্থ আৰু শ্ৰীদেবব্ৰত শইকীয়াৰ সহযোগী ১৩ জন আপোনালোকৰ সংশোধনী তিনিটা উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** The Assam Industrial infrastruc-

ture development corporation (amendment) Bill, 2022. মাননীয় উপাধ্যক্ষ মহোদয়, I beg to move In sub- clauses (a) & (b) of clause 4 of the proposed Bill, the word " Public person of repute" appearing in lines 2 & 3 shall be subsituted by the following words- 'UPSC / APSC pass out or a person who is not below the rank of Secretary in Assam Government "

In sub -clause (h) of clause 4 of the proposed Bill, the word 'non' in between the words 'Two' and 'official' appearing in first line shall be deleted.

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া মই মোৰ কথাখিনি কৈছো- আপোনালোকে A Vice Chairman to be appointed the senior most Secretary appoint কৰিব এইটো ঠিকে আছে। উপাধ্যক্ষ মহোদয় এটা বস্তু মই বুজিব পৰা নাই - to non official director nominate by the State Government. যদি ষ্টেট গৰ্ভমেন্টে এপইন্ট কৰে তেনেহ'লে নন অফিচিয়েল কেনেকৈ হ'ব। এই কথাটো বুজাই দিব লাগে- এক নং কথা । দুই নং কথাটো হ'ল যে, উপাধ্যক্ষ মহোদয়, A public person of repute of a qualified person.

উপাধ্যক্ষ মহোদয়, এই যে পাৱলিকৰ পৰা দুজন ৰিপুটেড পাৰ্চন ল'ব লাগে মোৰ কথাটো এনেকুৱা যে, যিবিলাক ৰিটায়াৰ্ড আই এ এচ বা এ পি এচ আছে তেওলোকৰ পৰা দুজন মেম্বাৰ যদি লোৱা হয় - স্পেচিফিক কৰি দিলে ভাল হয় তেতিয়া ডিগনিটিটো বাঢ়িব। লগতে কমিটিৰ কামটো ভাল হ'ব। এই কথাটোত জাষ্টিফিকেশ্যনটো দিলো যে, মই ভাবো যে, নিশ্চয় Assam Industrial Development Corporation Amendment এটা হ'ব। এমেণ্ডমেন্ট হৈ এটা কৰ্পোৰেশ্যন হ'ব । যাতে ভালকৈ কৰ্ম কৰিব পাৰে। গতিকে উপাধ্যক্ষ মহোদয়, মই এই ডিগনিটিটো যাতে থাকে আৰু নন অফিচিয়েল কথাটো যাতে মন্ত্ৰী মহোদয়ে বুজাই দিয়ে তাৰ বাবে আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো ।

**উপাধ্যক্ষ মহোদয় ঃ** আপোনালোকৰ ৩ টা প্ৰস্তাৱ আছিলে।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, এই বিলখনত মাননীয় মন্ত্ৰী মহোদয়ে এটা কথা কৈছিলে যে ফাইনেন্সিয়েল বাৰ্ডেন নাহে বুলি কৈছিলে। কথাটো হ'ল আগতে Commissioner and special Secretary to Government of Assam 'এ' টোত এতিয়া দিব বিচাৰিছে A Chairman to be appointed by the Governor of Assam who shall be public person repute or a qualified professional having adiquate knowledge. মই উদ্দেশ্যটো বুজি পোৱা নাই। সেইটোতো ভাইচ চেয়াৰমেনৰ কথাটো তেনেকৈ কৈছে, এতিয়া কথা হ'ল - ইয়াতবাৰে বাৰে এটা কথা কোৱা হৈছে- আপোনালোকে দেখিব য'ত মন্ত্ৰী মহোদয়ে কোনো ফাইনেন্সিয়েল লায়েবিলিটিছ নাই বুলি কৈছিলে তাত লিখিছে যে - past and fecilities of the Chairman and Vice Chairman shall be entitled such honarium past fecilities may be notified by State Government from time to time. এজন চেয়ামেন আৰু এজন ভাইচ চেয়াৰমেন হোৱা মানে মন্ত্ৰী মহোদয়, তেখেতক এখন গাড়ী দিয়ক, ষ্টাফ দিয়ক, ডি এ দিয়ক, চি এ দিয়ক। ঠিক ভাইচ

চেয়াৰমেনৰ ক্ষেত্ৰতো একে অৱস্থা হ'ব। সেই কাৰণে মন্ত্ৰী মহোদয়ে, আপোনালোকৰ চৰকাৰে এটা সিদ্ধান্ত দিছে যে, চৰকাৰে খৰছ কমাব লাগে- আৰু যদি আমি নন অফিচিয়েল মানুহক চেয়াৰমেন পাতিবলৈ যাওঁ তেতিয়া কিন্তু খৰছ বৃদ্ধি হ'ব। মই এটা কথা মানো যে আপুনি যথেষ্ট কষ্ট কৰিছে। IIDC এইটো বহু পুৰণি সংগঠন। আগৰে পৰা আছে, কামো কৰি আছে। বকোতো কাম কৰিছে কিবাকিবি। মই জানো এই কথাটো আগতে চাকৰি কৰি থাকোতে গৈছিলো এইবিলাকত। মই এইখিনিতে এটা পৰামৰ্শ দিব বিচাৰিছো যদি আপুনি গ্ৰহণ কৰে - আপুনি কালাপাহাৰ এৰিয়া যাব, ধীৰেনপাৰা এৰিয়াত যাব- এইবিলাকত চকলেটৰ পৰা ছাৰ্ফ- চাবোনলৈকে বহুতো ফেক্টৰী আছে। লাহে লাহে গুৱাহাটীত এতিয়া জনসমাগম বৃদ্ধি হ'ব ধৰিছে। আপোনালোকে যদি গুৱাহাটীৰ আশে পাশে ধৰক নলবাৰী- টিহুৰ নাথকুছিত আপোনালোকে ইণ্ডাষ্ট্ৰিয়েল বেল্ট ঘোষণা কৰিছে আমি ভাল পাইছো- আপোনালোকে গুৱাহাটীৰ আশে-পাশে গৰ্ভমেন্ট মাটি লওঁক ।আপোনালোকে মাটি একোৱাৰ্ড কৰক, এলোটমেন্ট লৈ লওক- ডাঙৰ বাউণ্ডেৰী কৰক , ইলেক্ট্ৰিফিকেশ্যন কৰক , ৱাটাৰ চাপ্লাইৰ সুবিধা দিয়ক। লাহে লাহে যিবিলাক মানুহ গুৱাহাটীৰ মাজত ইণ্ডাষ্ট্ৰি কৰি আছে তেওঁলোকক তালৈ যাবলৈ বাধ্য কৰক। তেতিয়া সেই ঠাইবিলাকৰো উন্নতি হ'ব। মন্ত্ৰী মহোদয় এই ক্ষেত্ৰত আপোনালোকক এটা কথা ক'ব বিচাৰিছো - আমাৰ ইণ্ডাষ্ট্ৰিয়েল বেল্ট বামুনীমৈদাম আছে- বোন্দা আছে, এতিয়া ৰাণীত হৈছে - এইটো বাৰু ঠিকে আছে, দূৰত আছে। এতিয়া যদি বামুনীমৈদামৰ ইণ্ডাষ্ট্ৰিয়েল বেল্টত ডাঙৰ এটা কাৰখানা হয় , তাত ধোৱাই ছানি ধৰিব। পলিউশ্যন হ'ব - বোন্দাতো একে হ'ব তাতো জনসংখ্যা বৃদ্ধি হ'ব। গতিকে এনেধৰণৰ চিন্তা কৰিব পাৰি নেকি মাননীয় মন্ত্ৰী মহোদয়ক মই শুধিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, উদ্যোগ ও বাণিজ্য ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিটো কথা কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে - যে চেয়াৰমেন- ভাইচ চেয়াৰমেন ৰিটায়াৰ্ড আই এ এচ- এ চি এচ বিষয়া হ'ব লাগে। প্ৰশ্নটো হৈছে যে এইটো হ'ল ইণ্ডাষ্ট্ৰি ৰিলেটেড বিষয় , ইয়াত আমি আই এ এচ - এ চি এচ বিষয়া বুলি কনফাইন কৰি ক'ব নালাগে। এইটো আমি অপেন কৰিব লাগে যেনে- মই এটা উদাহৰণ দিছে । এ আই ডি চিত আমি এজন বোৰ্ড অৱ ডাইৰেক্টৰ দিছো - অভিজিৎ বৰুৱা। তেখেতক নিদি ৰিটায়াৰ্ড আই এ এচ অফিচাৰক দিব পাৰিলোহেতেঁন। এই কাৰণে তেখেতক দিছো যে তেওঁ এজন আই আই টিৰ পৰা পাছ কৰা আই আই টিয়েন আৰু তেওঁ এগৰাকী ইনোভেটৰ। অক্সিজেন প্লেন্ট তেওঁ অসমত বনাইছে। বতাহৰ পৰা অক্সিজেন লৈ লিকুইড অক্সিজেন তৈয়াৰ কৰে। ক'ভিডত ভাৰতবৰ্ষত যেতিয়া অক্সিজেনৰ অভাৱ আছিল তেতিয়া অসমত অক্সিজেনৰ অভাৱ নাছিল। ৫০০ মেন্ট্ৰিকটন লিকুইড অক্সিজেন অসমত চাৰপ্লাচ আছিল। সেইসময়ত ৯ টা অক্সিজেন প্লান্ট অসমত আছিল। গতিকে এতিয়া আপুনি কোৱাৰ দৰে আই এ এচ -আই পি এচ এজনক দিয়াটো ভাল হ'ব নে বৰুৱাৰ দৰে এগৰাকী আই আইটিয়েনক দিয়াটো ভাল হ'ব। আমি সকলোৱে পলিটিক্স কৰা মানুহ। গতিকে আগতে এটা ব্ৰুক্ৰেচী আছিল - আমি যিসকল ইয়াত আছো সকলোৱে ইলেক্টেড ব্যুৰক্ৰেটচ আৰু আই এ এচ বা আই পি এচ- এ চি এচ সকলো এপইন্টেড ব্যুৰক্ৰেটচ। গতিকে আমি কিয় ব্যুৰক্ৰেচীৰ আগত হেয় হ'ব লাগে। ব্যুৰক্ৰেচী বা আই এচ - এ চি এচৰ বাহিৰে কোনো যোগ্য মানুহ নাই নেকি জনসাধাৰণৰ মাজত। মই অভিজিৎ বৰুৱাৰ উদাহৰণটো দিলো। গতিকে যোগ্য ব্যক্তিসকলক অনাৰ বাবে এই ব্যৱস্থাটো লোৱা হৈছে। দ্বিতীয় কথা যিটো কৈছে যে- অনাৰিয়েম এটা দিয়া হ'ব। আমি ইয়াত ফাইনেন্সিয়েল ইনভলভমেন্ট

নহয় কিয়- তাত কোনো দৰমহাৰ পে -স্কেল নাই । আপুনি বৰ্মন ডাঙৰীয়া নিজে চিনিয়ৰ এ চি চে অফিচাৰ আছিল আপুনি জানে যিকোনো এখন গৰ্ভমেন্ট বোৰ্ডত চেয়াৰমেন- ভাইচ চেয়াৰমেনক - মেম্বাৰক এটা অনাৰিয়াম দিয়া হয়, এইটো নিয়ম। India Carbon ৰ নিচিনা পলুটেড উদ্যোগ গুৱাহাটীৰ মাজ মজিয়াত আছে। এইবিলাক কথাত মই আপোনালোকৰ লগত একমত। কিন্তু আজিৰ দিনটোত ইয়াৰ পৰা নিয়া সম্ভৱ নহয়। কিয় সম্ভৱ নহয় আপোনালোকে জানে যে তাত বিভিন্ন উদ্যোগ ইতিমধ্যে প্ৰতিষ্ঠিত হৈছে। সেই উদ্যোগ বোৰ ইনদ্ৰাষ্ট্ৰিয়েল ষ্টেট হিচাপে সেই সময়ত বহুত বছৰ আগতে যি ইনদ্ৰাষ্ট্ৰিয়েল চেক্চন বামুনিমৈদামত কৰিছিল তেতিয়াতো বিজেপি চৰকাৰ নাছিল। সেই সময়ত যিসকলে তাত বনাইছিল তেওঁলোকে হয়তো এইটো ভাবিলে যে চান্দমাৰীৰ পিছত হয়তো গুৱাহাটী আৰু আগ নাবাঢ়ে। তেনেকৈ ভাৱিছিল। বা ইফালে আৰ্য্যবিদ্যাপীঠ কলেজৰ পৰা গুৱাহাটীখন আৰু আগনাবাঢ়ে বুলি হয়তো ভাৱিছিল। সেই কাৰণে আমাৰ চৰকাৰ অহাৰ পিছত দূৰদৰ্শী ভাৱে আমি কৈছো যে গুৱাহাটী কেপিটেল ৰিজ'নত সীমা বৰ্দ্ধিত কৰি লৈছোঁ। আমি ইফালে মঙ্গলদৈলৈকে, ইফালে বকোলৈ, ইফালে জাগিৰোডৰলৈকে, ইফালে টিহুলৈকে দিছোঁ। আমি দূৰদৰ্শী ভাৱে এই সিদ্ধান্তটো লৈছোঁ। এতিয়া আজিৰ দিনটোত আপোনালোকে যিটো কথা কৈছে, এই উদ্যোগবোৰ উঠোৱাটো সম্ভৱ নহয়। কিন্তু মই আপোনালোকৰ লগত কথাটোত একমত। কাৰণ তাত উদ্যোগবোৰ এষ্টাব্লিষ্ট হৈ গৈছে আৰু সেইবোৰ উদ্যোগৰ চেট বিজেপি চৰকাৰে কৰা নাই, আগৰ যিবোৰ চৰকাৰ আছিল, যি পাৰ্টীৰে নহওঁক, সেই চৰকাৰ বোৰে কৰিছে। এইটো বহুত বছৰ আগত। সেই কাৰণে মই ভাৱো এইটো ক্ষেত্ৰত আপোনালোকে নিশ্চত, কিন্তু আপোনালোকৰ কথাটোত একমত, কিন্তু উঠাব নোৱৰোঁ। ময়ো নোৱাৰো, কোনেও নোৱাৰে আৰু যি সকলে বনাইছিল তেওঁলোকে দূৰদৰ্শীতা ৰাখি বনাব লাগিছিল। কিন্তু আমি সেই কাৰণে টিহুলৈকে কৰিছো যাতে গুৱাহাটীৰ ওচৰ পাজৰে নকৰে। আমি এতিয়া ইথানেল উদ্যোগ বিলাক দূৰে দূৰে দিছোঁ। দৰংত এটা দিছো, ঠিক তেনেদৰে ইফালে বকোলৈকে, গোৱালপাৰা মাটিয়া, এতিয়া যি আহে উদ্যোগ, আমি তাত যাব দিছোঁ। গতিকে এতিয়া প্ৰশ্নটো হৈছে গুৱাহাটীৰ ওচৰে পজাৰে উদ্যোগ হ'ব দিয়া নাই। অলপ গুৱাহাটীৰ দূৰত যাওঁক। সেইকাৰণে গুৱাহাটীৰ কেপিটেল ৰিজ'নটো ডাঙৰকৈ কৰিছোঁ। এইখিনি কথা কলো আৰু মই ভাৱো যে আপোনালোকে এমেণ্ডমেণ্ডটো উঠাই ল'ব।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য সকল আপোনালোকৰ তিনিটা সংশোধনী withdraw কৰিবনে?

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মন্ত্ৰী মহোদয়ৰ justification খিনি ঠিকেই আছে, ultimately আমাৰ মাজতো এনেকুৱা লোক আছে, আমাৰ মাজতো এনেকুৱা ভাল ভাল মানুহ আছে। লগতে মই এটাই অনুৰোধ কৰিম যেতিয়া Chairman, Vice chairman নিযুক্তি হ'ব সেইখিনি যাতে ৰাজনৈতিভাৱে নহয়, ভাল মানুহ হয় যাতে, সমাজত বহনযোগ্য থকা মানুহ হয় যাতে, সেইটোৱে অনুৰোধ জনাই আমাৰ যিটো এমেণ্ডমেণ্ড আছিল সেইটো withdraw কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সংশোধনী তিনিটা প্ৰত্যাহাৰৰ বাবে সদনৰ অনুমতি আছেনে? সদনৰ সন্মতি সাপেক্ষে সংশোধনী তিনিটা প্ৰত্যাহাৰ কৰা হ'ল।

এতিয়া দফা নং ৪ বিধেয়খনৰ অংশ হ'ব। বিধেয়ক খনৰ ৫ নং দফাটোত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ৫ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলোঁ। প্ৰশ্নটো হ'ল ৫ নং

দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাৰো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে ৫ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল। বিধেয়খনৰ এক নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণৰ কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ এক নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলোঁ।

প্ৰশ্নটো হ'ল বিধেয়ক খনৰ এক নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাৰো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে বিধেয়ক খনৰ এক নং দফাটো সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া কাৰ্য্যসূচী নং- ৭।

মাননীয় উদ্যোগ আৰু বানিজ্য বিভাগৰ মন্ত্ৰীক বিধেয়ক খন পাৰিত কৰণৰ বাবে প্ৰস্তাৱ ল'বলৈ অনুৰোধ কৰিলোঁ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়, মোৰো আছিল এইটোত এমেণ্ডমেণ্ড।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰটো আগতে গ'ল, পাছ হৈ গ'ল আপোনাৰ এমেণ্ডমেণ্ডটো। আপোনাৰ এমেণ্ডমেণ্ডটো কেলে, গোটেই সদনে নাকচ কৰিলে দেখো।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)ঃ** সেইটোতো আগৰটো আছিল। উদ্যোগৰ ওপৰত মোৰ এমেণ্ডমেণ্ড আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** উদ্যোগৰ ক্ষেত্ৰত ইয়াত কোনো সংশোধনী অহা নাই।

**শ্ৰীঅখিল গগৈ,(শিৱসাগৰ) ঃ** উপাধ্যক্ষ মহোদয়, মোৰো আছিল এইটোত এমেণ্ডমেণ্ড। মই আগৰটোত উপস্থিত নাছিলোঁ। গতিকে, আগৰখন কি চলি আছিল মই নাজানিলোৰে। আপোনালোকে কি কৈ আছে মই ধৰিব নোৱাৰিলোঁ। এতিয়া এইখনত মই আছিলোঁ, আৰে একেদিনাই আপোনালোকে ১৮ খন বিল আনিব, একেদিনে এজন মানুহে পাৰি নেকি, এজন মানুহৰ বাবে সম্ভৱ নেকি ? এইটো সম্ভৱ নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ কোনটো ক্লজত আছে?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** এইটো হৈ গ'ল যেতিয়া বাদ দিয়ক আৰু ।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ নামটো নাই। ইয়াত এমেণ্ডমেণ্ড নাই। ইয়াত নামটো থাকিলে মই ক'লোহেতেন ! গতিকে সেইটো দুখ কৰিব নালাগে। এতিয়া মন্ত্ৰী মহোদয়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Industrial Infrastructure (Development) Coporation (Amendment) Bill, 2022" পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলোঁ, প্ৰস্তাৱটো হ'ল "The Assam Industrial Infrastructure (Development) Coporation (Amendment) Bill, 2022" পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা সকলে প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাৰো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে

প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া এটা ঘোষণা আছে - Hon'ble Chief Minister will give statement on Assam Meghalaya Border Settlement at 2.30 pm.

এতিয়া সময় তিনি মিনিট আছে, এতিয়া দুই বজাৰ পাৰ আঢ়ৈ বজালৈ lunch break দিয়া হৈছে। তাৰ পিছতে আকৌ আমি আঢ়ৈ বজাত ইয়াত উপস্থিত হ'ম।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** উপাধ্যক্ষ মহোদয়, এটা সৰু request, আজি আমাৰ সদস্য সকলে কৈছে, আজি প্ৰায় ১৮ খন বিল আছে, ইয়াৰ পিছত আঢ়ৈ বজাৰ পৰা statement আছে। যদি অলপ পৰা যায় অধ্যক্ষ মহোদয়ৰ লগত, সকলোৰে লগত আলোচনা কৰি ১ তাৰিখত অলপ যদি লৈ যায়, তেতিয়া কথাবিলাক অলপ ভাল হয়, অলপ চাবচোন।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোক কম কমকৈ কলে সোনকালে শেষ কৰিব পৰা যাব।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** কেৱল মই কলে নহ'ব, চৰকাৰৰ পক্ষইও বোধকৰো মান্তি হ'ব, এইটোত আপত্তি নকৰিব। নহ'লে আজি ৮-৯ বজালৈকে ভালকৈ আলোচনা কৰিব পাৰি, ৮, ৯, ১০ টা বাজিব। এক তাৰিখেও বোধহয় খুব বেছি Private Business নাই।

**মাননীয় উপাধ্যক্ষ ঃ** বেছি নাই, ২৩ টা আছে, তাৰে ৭ টা গ'ল।

**শ্ৰীৰকিবুল হুছেইন , (চামগুৰি) ঃ** চাই লওক। কথাটো কৈছো যেতিয়া ভালকৈ আলোচনা কৰি খৰচি মাৰি অলপ সময়ৰ প্ৰয়োজন আছে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া lunch break দি extend কৰি যাওঁ, শেষত ভাগৰ লাগে বুলি কলে আমি লে কৰি লৈ যাম।

এতিয়া সদন আজি আঢ়ৈ বজালৈ স্থগিত ৰখা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম মেঘালয়ৰ সীমা নিৰ্ধাৰণ সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বক্তব্য ৰাখিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ পৱিত্ৰ সদনত মই জনাব খুজিছো যে কালি অসমৰ মুখ্যমন্ত্ৰী আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ মাজত ভাৰত চৰকাৰৰ সন্মানীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ সন্মুখত এখন মেঘালয় আৰু অসমৰ সীমা সমস্যা সমাধানৰ বাবে বুজাবুজি চুক্তি স্বাক্ষৰিত হয়। এই বুজাবুজি চুক্তি সম্পৰ্কত মই পৱিত্ৰ সদনত মোৰ বক্তব্য আগবঢ়াব খুজিছো। আমাৰ অবিভক্ত অসম, অবিভক্ত অসমৰ দুখন জিলা খাচী, জয়ন্তীয়া আৰু গাৰো হিলচ্ এই দুইখনক সামৰি ১৯৬৯ চনত মেঘালয়ৰ এখন স্বায়ত্ব শাসিত ৰাজ্য হিচাপে ভাৰত চৰকাৰে ঘোষণা কৰে। পৰৱৰ্তী পৰ্য্যায়ত North-East Areas State Reorganization Act, 1971 অনুসৰি ২১-০১-১৯৭২ চনত মেঘালয় ৰাজ্য এখন নতুন পূৰ্ণাঙ্গ ৰাজ্য হিচাপে স্বীকৃতি পায়। সেই সময়ত জিলা সমূহৰ যি বাউণ্ডাৰী বনোৱা হৈছিল, বাউণ্ডাৰী বনোৱাৰ যিটো ভিত্তি আছিলে সেই ভিত্তি আছিল ১৯১৫ চন আৰু ১৮৭৬ চনৰ গোৱালপাৰা আৰু কামৰূপ জিলা গঠন কৰা নটিফিকেচন। মেঘালয় ৰাজ্য গঠন হোৱাৰ পিছৰ পৰাই মেঘালয় চৰকাৰৰ ফালৰ পৰা বিভিন্ন সময়ত সীমাকলৈ বিভিন্ন ধৰণৰ দাবী উত্থাপন কৰি অহা হয় আৰু বিভিন্ন সময়ত মেঘালয় ৰাজ্য গঠন হোৱাৰ পিছত বিভিন্ন সীমা অংকন কৰাৰ প্ৰচেষ্টা সমূহ চলি থাকে যদিও প্ৰচেষ্টা সমূহ সফল নোহোৱাকৈ থাকি যায় । কামৰূপ জিলাৰ বিবাদ খিনিক লৈ এটা সময়ত জাষ্টিচ চন্দ্ৰচুৰৰ নেতৃত্বত কমিটিও নিৰ্মাণ কৰা হৈছিল কিন্তু তাৰ পিছতো অসম আৰু মেঘালয়ৰ মাজত সীমা সমস্যা সমাধান হ'ব পৰা নাছিল আৰু তাৰ ফলত এই সীমা সমস্যাই আমাৰ দুয়োখন ৰাজ্যৰ সম্পৰ্কক নিৰন্তৰ

ভাবে জৰ্জৰিত কৰি আহিছিল। ১৯৯৩ চনত মেঘালয় চৰকাৰে অসম চৰকাৰক আনুস্থানিক ভাবে বাৰ টা এৰিয়াৰ কথা জনায় যে আমাৰ এই বাৰটা এৰিয়াত differnce of opinion আছে আৰু এই বাৰটা এৰিয়া সম্পৰ্কত অসম আৰু মেঘালয়ৰ মাজত আলোচনা হ'ব লাগে । ২০১১ চনত এই বাৰটা সীমাৰ ওপৰত আলাপ-আলোচনা আগবঢ়াই নিবলৈ বা অঞ্চলৰ ওপৰত আগবঢ়াই নিবলৈ সিদ্ধান্ত লোৱা হয় আৰু মেঘালয় চৰকাৰৰ পৰা ইয়াৰ মানচিত্ৰ আদি বিচৰা হয় । মেঘালয় চৰকাৰে বাৰটা এৰিয়া অৱ ডিফাৰেঞ্চ তাৰাবাৰী, গিজাং, হাহিম, লাংপি, বৰদুৱাৰ, বক্লাপাৰা, নাওমা নাওতামুৰ, খানাপাৰা পিলিংকাটা, দেছদুমৰীয়া ব্লক-১, ব্লক-২ , খাণ্ডুলি আৰু ৰাতাচাৰা। এই এৰিয়াখিনিৰ মাজত differnce of opinion resolve কৰিবৰ কাৰণে অসম চৰকাৰৰ লগত আলোচনা আৰম্ভ কৰে । এই মুহূৰ্তলৈকে অসম চৰকাৰ মুখ্যমন্ত্ৰীৰ পৰ্য্যায়ত ২২ বাৰ, মুখ্য সচিবৰ পৰ্য্যায়ত ১৯ বাৰ আৰু অন্যান্য মন্ত্ৰী আৰু উপায়ুক্ত পৰ্য্যায়ত ১৩ বাৰ আলোচনা অনুস্থিত হয় । ২০২১ চনৰ ২৩ জুলাই তাৰিখে অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীদ্বয়ৰ মাজত হোৱা বৈঠকত সিদ্ধান্ত লোৱা হয় যে বিশেষকৈ ব্লক-১, ব্লক-২ আৰু লাংপিয়েই হওঁক, এনেধৰণৰ যি স্পৰ্শকাতৰ অঞ্চল আছে সেইখিনি সমস্যা সমাধান কৰাৰ বাবে বহুখিনি প্ৰচেষ্টাৰ প্ৰয়োজন হ'ব । এই বাৰটা অঞ্চলৰ ভিতৰত যিকেইটা কম স্পৰ্শকাতৰ অঞ্চল প্ৰথমে সেইকেইটা অঞ্চলৰ সমস্যা সমাধান কৰাৰ বাবে সিদ্ধান্ত ল'ম । সেই অঞ্চল কেইটা হ'ল তাৰাবাৰী, গিজাং, হাহিম, বক্লাপাৰা, খানাপাৰা পিলিংকাটা আৰু ৰাতাচাৰা। এই সিদ্ধান্তখিনি ছয়টা অঞ্চলত বলৱৎ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰো । সেই মৰ্মে আমি তিনিখন ৰিজ'নৈল কমিটি গঠন কৰো। এই তিনিখন কমিটিয়ে সৰ্বদলীয় হয় আৰু এই সমিতিৰ প্ৰতিনিধি দল কেইটাই সেই উল্লেখিত সীমান্ত অঞ্চল পৰিদৰ্শন কৰিব পাৰিব । আমাৰ অসমত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী অতুল বৰা আৰু মন্ত্ৰী পীয়ুষ হাজৰিকাৰ নেতৃত্বত তিনিটা ৰিজ'নৈল কমিটি বনোৱা হয় । মেঘালয়ৰ তিনিজন মন্ত্ৰীক লৈ তিনিখন ৰিজ'নৈল কমিটি বনোৱা হয় । ৰিজ'নৈল কমিটিত তাৰ স্থানীয় বিধায়কজনক সেই সমিতিত লোৱাৰ সিদ্ধান্ত লোৱা হয়। এতিয়া বকো সমষ্টিৰ বিধায়িকা গৰাকীক কংগ্ৰেছৰ হোৱা স্বত্তেও সেই সমিতিত ৰখা হয় । পলাশবাৰী, পশ্চিম গুৱাহাটী আৰু দিশপুৰ আৰু ৰাতাচেৰাৰ বিধায়কজন কংগ্ৰেছ হোৱা স্বত্বেও তেখেতক সমিতিত ৰখা হয় । আমাৰ সৰ্বদলীয় যি সমিতি গঠন কৰা হৈছে তাত জিলা উপায়ুক্তৰ লগতে অন্যান্য প্ৰশাসনিক বিষয়া সকলোকো ৰখা হৈছে। এই সমিতি খনে মূলত ৫ টা পইন্ট দিয়ে। এই পাচটা মিচিৰেল পইন্টৰ ওপৰত আপোনালোকে অঞ্চল সমূহ পৰিদৰ্শন কৰি সমস্যা বিলাক সমাধান কৰক । ইয়াৰ ভিতৰত এটা ৰখা হৈছিল Historical Prospect। এই দুয়োখন ঠাইতে এটা বিশেষ বুৰঞ্জী আছে, এই অঞ্চল বিলাকত বিভিন্ন সময়ত বিভিন্ন ৰজাই, বিভিন্ন মৌজাদাৰ, বিভিন্ন গাওঁবুঢ়া শাসন কৰাৰ কাৰণে কোনোবা সময়ত কামৰূপৰ মৌজাদাৰৰ হাতত আছিল, কোনোবা এটা পৰ্য্যায়ত খাচী পাহাৰত আছিল। এই ধৰণৰ প্ৰায় ১০০- ২০০ বছৰৰ ইতিহাস সন্নিবিষ্ট হৈ আছিল । তাৰ পিছত আমি চাবলৈ দিছিলো Ethnicity of local population. তাৰ পিছত দেখা গল যে সেই অঞ্চল বিলাকত বিবাদমান এলেকা বহুত কম আছে। আমি যদি চাও এখন গাওঁত যদি মেঘালয়ৰ গাৰো মানুহ আছে সেইখিনিয়ে পিছত তাৰ পৰা ওলাই গৈ কাষৰ এখন গাওঁত বসতি কৰি আছে । কাৰ্য্যত দুয়োখন গাওঁ একেলগে আছে আৰু গাওঁৰ মানুহখিনিও গাৰো । সেই কাৰণে আমি চাবলৈ দিছো আপোনালোকৰ Ethnicity টো কি? যিহেতুকে আমি মানুহকে সেৱা কৰিব লাগিব সেই কাৰণে আমি এটা কথা বুজি চাব লাগিব তেওঁলোক অসম বা মেঘালয়ৰ মানুহ হোৱাৰ লগতে তেওঁলোক ভাৰতীয় নাগৰিক। আজি আমি চাব লাগিব এজন ভাৰতীয় নাগৰিকৰ স্কুলত পঢ়া,

লাইট পোৱা, পানী পোৱাৰ অধিকাৰ আছেনে নাই? প্ৰশাসনিক ভাবে তেওঁলোক ফাইয়াৰব্ৰীগেট এটা হ'লে, ঘৰ এটা জ্বলিলে মেডিকেল ইমাৰজেঞ্চী হ'লে ক'ৰ পৰা গৈ ফাষ্ট ৰেচপনচ্ কৰিব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, Contiguity was made তাৰ পিছত আমি ল'ব দিছিলো জনসাধৰণৰ মতামত। মানুহখিনিয়ে ক'ত থাকিব বিচাৰে। মানুহৰ মতামত জোৰ কৰি লোৱা বস্তু নহয়। ২ নম্বৰটো আছিল, Administrative Convinience আৰু এই তিনিখন কমিটিয়ে তিনিটা অঞ্চলত নিজে যায়। মেঘালয়ৰ কমিটি যায় আৰু অসমৰ কমিটিও যায়। দুয়োটা অঞ্চলত কমিটি বিলাকে ভ্ৰমণ কৰে, কমিটি ভ্ৰমণ কৰাৰ সময়ত তাৰ লোকেল কমিউনিটি villagers সকলে আহি এই পৰিদৰ্শনৰ যিটো ব্যৱস্থা আছিল তাত সহযোগিতা কৰে। এই পৰিদৰ্শনৰ পিছত তিনিখন কমিটিৰ মাজত শ্বিলং আৰু গুৱাহাটীত কেইবাৰো বৈঠক অনুষ্ঠিত হয়। এই বৈঠকখিনি অনুষ্ঠিত হোৱাৰ পিছত আমি ১২ টা সমস্যা জৰ্জৰিত অঞ্চলৰ ৬ টা সমস্যা আমি সমাধান কৰো। সমস্যা জৰ্জৰিত অঞ্চল আছিল মাত্ৰ ৩৬ বৰ্গ কিঃমিঃ আৰু এই ৩৬ বৰ্গ কিঃমিঃ ৰ ১৮.৩৩ বৰ্গ কিঃমিঃ মেঘালয়ৰ লগত থাকি যায় ১৮.৪৬ বৰ্গ কিঃমিঃ অসমৰ লগত থাকে। ইয়াৰ ভিতৰৰ কিছুমান অঞ্চল ইতিমধ্যে মেঘালয়ৰ লগত বহুদিন ধৰি আছে। এনেকুৱা নহয় যে, আজি আমি গৈ কাৰোবাক দি দিলো। যেনে-ৰাতাৰ চেৰা স্থানখন যিটো বৰাক ভেলী অঞ্চলত অৱস্থিত। এই সদনত বৰাক ভেলীৰ সদস্য আছে তেওঁলোকে জানে যে ৰাতাৰ চেৰা অঞ্চলৰ মানুহে মেঘালয়কে ভোট দিয়ে। কাৰণ মেঘালয়ৰ লগতে ৰাতাৰ চেৰা আছে আৰু তাৰ মানুহৰ ভোটাৰ কাৰ্ড, ৰেচনৰ দোকান আদি মেঘালয়ৰ পৰা হয়। আমাৰ অসমৰ কোনো প্ৰশাসনিক নিয়ন্ত্ৰণ তাত নাছিল। সেইখিনি ধৰণে আমি গোটেইখিনি চোৱা-চিতা কৰাৰ পিছত এই সিদ্ধান্তটো লওঁ যে, এই ধৰণে ৩৬ বৰ্গ কিঃমিঃ ৰ সমস্যা আমি সমাধান কৰিম। ইয়াৰ disputes বোৰ মীমাংসা কৰিবলৈ যাওঁতে আমি কি ধৰণৰ নীতি নিয়ম লৈছিলো সেই বিষয়ে আমি ইতিমধ্যে আপোনালোকক অৱগত কৰিছো। ইয়াৰ ভিতৰত যিটো তাৰাবাৰী অঞ্চল আছিল সেই অঞ্চলটো যেতিয়া আমি ভাগ বতৰা কৰো তাত ৪.৬৯ বৰ্গ কিঃমিঃ consisting of upper Tarabari, ওৱাকাম, ৰাংফাং, থাংখোলা, চিঙমিপিয়া, চিংগি দে, দৈনী চাৰা দানু, দেব ফলাপাৰা, বালকাম with 4.69 বৰ্গ কিঃমিঃ মেঘালয়লৈ যোৱাৰ বাবে আমাৰ MoU ত সিদ্ধান্ত লোৱা হয়। গিজাং অঞ্চলত মুঠ ১৩.৫৩ বৰ্গ কিঃমিঃ, ২.৯ বৰ্গ কিঃমিঃ আমা গাওঁ আৰু গোহাই মাৰা বুলি দুখন গাৰো গাওঁ আমাৰ সীমান্তৰ পৰা বহু দুৰত আছে, সেইখিনি মেঘালয়ক দিয়াৰ সিদ্ধান্ত লোৱা হয়। যিখন গীজাং সংৰক্ষিত বনাঞ্চল ১০.৮৩ বৰ্গ কিঃমিঃ গঠিত এইখন অসমত ৰখাৰ সিদ্ধান্ত লোৱা হয়। ঠিক সেইদৰে হাহিমত ৩.৫১ বৰ্গ কিঃমিঃ অঞ্চল আছিল তাৰ ভিতৰত ৰং থালী, ৰাণীখাট, আঠিয়াবাৰী, তামুলবাৰী, চনাকুৰী, মাঠাফুটা, উংচিং, মাচাপাৰা, মৈৰাপাৰা, মালপাৰা, নালপাৰা, চিমৰাং আৰু চালপাৰা ইয়াৰে ৩.২১ বৰ্গ কিঃমিঃ মেগালয়ত যায়। ঠুৰিপাৰা আৰু ঠুঠিয়া বজাৰ স্থান দুখন অসমৰ লগত থকা ব্যৱস্থা কৰা হয়। বকলাপাৰা যিটো স্থান তাৰ মুঠ disputed area হয় মাত্ৰ ১.৫৭ বৰ্গ কিঃমিঃ। তাৰ দুখন গাওঁ যেনে বকলাপাৰা আৰু হাউলা .৫৬ বৰ্গ কিঃমিঃ মেঘালয়ৰ লগত থকা সিদ্ধান্ত হয়। দুখন গাওঁ জিংৰী গাওঁ লিংখোং ১.১ বৰ্গ কিঃমিঃ অসমৰ লগত থকাৰ বাবে সিদ্ধান্ত হয়। খানাপাৰা, পিলিংকটা অঞ্চলৰ ২.২৯ বৰ্গ কিঃমিঃ অঞ্চলত সমস্যা আছিল তাৰ পৰা ·৫ বৰ্গ কিঃমিঃ মাইফুলী, বৰপথাৰ আৰু পিলিংকাটাৰ অকল শীলৰ কুৱেৰী থকা অঞ্চলটো যাৰ ব্যাখ্যাৰ্দ্ধ হৈছে মাত্ৰ .৫ বৰ্গ কিঃমিঃ মেঘালয়ৰ লগত থাকিব আৰু গোটেই খানাপাৰা অঞ্চলৰ সমস্যাটো

সমাধান হ'ব। ইয়াৰ মুঠ ২.২৯ বৰ্গ কিঃমিঃ ৰ পৰা মাত্ৰ .৫০ বৰ্গ কিঃমিঃ বাট দি বাকীখিনি অসমৰ লগত থাকিব। অৰ্থাৎ কইনাধৰা, Transit post of ASTC, অসমীয়া নামঘৰ যিমানখিনি আছিল সেই গোটেইখিনি অসমৰ লগত থাকিব। ৰাটাচাৰ অঞ্চলৰ কথা মই আগতে কৈছে যে, এইটো আচলতে মেঘালয়ৰ লগতে আছিল তথাপিও ইয়াৰ ১১.২ বৰ্গ কিঃমিঃ অঞ্চলৰ মেঘালয়লৈকে যাব ৬.৪২ বৰ্গ কিঃমিঃ। বৰাইল সংৰক্ষিত বনাঞ্চলখন পৰিৱৰ্তন নোহোৱাকৈ থাকিব আৰু ৰাতা চেৰাৰ ও ৪.৭৯ বৰ্গ কিঃমিঃ অঞ্চল of Balasara revenue village will be now part of Assam. আগতে গোটেইখিনি মেঘালয়ৰ লগত আছিল এই চুক্তিৰ পিছত বালাচাৰা ৰাজহ গাওঁৰ ৪.৭৮ বৰ্গ কিঃমিঃ গোটেইখিনি মেঘালয়ৰ লগত আছিল এতিয়া এইখিনি অসমলৈ আহিব। তাত যিখন নদী আছে দুয়োখন ৰাজ্য ভাগ কৰি সেই নদীখনৰ ওপৰতো অসমৰ ক্ষমতা অব্যাহত থাকিব। এইখিনিৰ ওপৰত আমি সিদ্ধান্ত লৈ প্ৰথম MoU ৰ এখন খচৰা প্ৰতিবেদন বনাওঁ। ইয়াৰ পিছত আমি সৰ্বদলীয় বৈঠক এখনৰ আহ্বান কৰো। এই বৈঠকত কংগ্ৰেছ দলক বাদ দি আন সকলোৱে ইয়াক আঁদৰণি জনাই। বিধায়ক অখিল গগৈ ডাঙৰীয়াই সভাত আহিব পৰা নাছিল, তেখেতে ইয়াত আলোচনা প্ৰয়োজন নাই বুলি আমাক জনাই। কংগ্ৰেছ দলক আৰু অখিল গগৈক বাদ দি বাকী সকলো দলেই ইয়াক সমৰ্থন জনাইছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সভাখন আছিল ২ বজাত আৰু চিঠিখন মই পাইছো ৩ বজাত।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি কি নহওঁক আপুনি মোক এখন চিঠি দিছিল আপুনি মোৰ Whats App চিঠি এখন দিছিল আৰু যদি আপুনি দিয়া নাই বুলি কয় তেতিয়া আপোনাৰ কোনো মতামত নাই বুলি ধৰিলো Whats App ত চায় আপোনাক চিঠিখন দিম। মই আপোনাক বিৰোধী বুলিয়ে কৈ আছো, মই কৈছো কি কংগ্ৰেছ আৰু আপোনাৰ বিৰোধিতা আছে। এই ক্ষেত্ৰত কংগ্ৰেছ দলে কৈছিল যে, বিধান সভাত আলোচনা কৰিব লাগে আৰু অখিল গগৈ ডাঙৰীয়াৰ এই ক্ষেত্ৰত সমৰ্থন নাছিল। অন্যান্য দল বিলাকে এই ক্ষেত্ৰত আঁদৰণি জনাইছিল। পৰৱৰ্তী পৰ্য্যায়ত ছাত্ৰ সংগঠন যেনে- সদৌ অসম ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ লগতো আলোচনা কৰিছিলো, তেওঁলোকে এটা কথা গুৰুত্ব দিছিল বিশেষকৈ সদৌ অসম ছাত্ৰ সন্থা যে বিবাদটো যেনে কৈ চৰকাৰে মীমাংসা কৰে কৰিব। আমি উত্তৰ পূবৰ সমূহীয়া পৰিচয়টো জীয়াই থকাটো বিচাৰো। গতিকে in principle আমি চৰকাৰৰ এই প্ৰচেষ্টাক সমৰ্থন জনাওঁ। কিন্তু তেখেত সকলে লগতে কৈছিল যে, কোনখন গাওঁ ক'ত থাকিব লাগে সেই বিষয়ে আমি সবিশেষ নাজানো। কিন্তু আমি এই বস্তুটো সমৰ্থন জনাও যে, The sprit of united North East. আছুৱে সমূহীয়া উত্তৰ পূবক সমৰ্থন জনাইছে। They have supported the united North East. অধ্যক্ষ মহোদয়, Under the Constitution of India Boundaries can be re-drawn only by the Parliament. এই বিষয়টোৰ কাৰণে গোটেই ৰাষ্ট্ৰখনৰ কোনখন ৰাজ্য ক'ত থাকিব, কেনেকৈ হ'ব কি থাকিব এই গোটেই অধিকাৰটো Under the Constitution of India গোটেই State ৰ কোনখন State ক'ত হ'ব কেনেকৈ হ'ব, কি থাকিব, কি কৰিব, এই গোটেই অধিকাৰটো Under Constitution of India, it is vested with the Government of India. আমি ভাৰত চৰকাৰলৈকে এই memorandum খনৰ কঁপি পঠাওঁ। Memorandum of understanding ৰ কপি পঠাওঁ আৰু ভাৰত চৰকাৰে Survey of India ক প্ৰাৰম্ভিক Survey কৰিবলৈ দিয়ে। তাৰ

পাছত তেখেত সকলে যোৱা কালি আমাক মাতিছিল যে হয়, now you can sign the MoU. আমি তাৰ পাছত Memorandum of understanding খন চহী কৰিছো। ইয়াৰ পিছৰ পৰ্য্যায়ত যিহেতু Parliament is only empowered to redraw the boundary . So, definitely কোনোবা এটা পৰ্য্যায়ত ই ভাৰতৰ সংসদলৈকে যাব আৰু সেই মুহূৰ্তত সংসদে বিধান সভাৰ পৰা opinion বিচাৰিব পাৰে আৰু তেতিয়া হয়তো opinion দিব লাগিব। কিন্তু as of now আমি যি কৰিছো, this is a executive action not a legislative Action. So it is in the domain of executive. Executive ৰ পৰা এই টো domain of Parliament ত যাব in due course of time আৰু তাৰ পাছত Parliament য়ে যি approved কৰিব that will become final আমি যি চহী কৰিছো সেইটো final নহয় what ever will be approved by Parliament of India, that will be the final approval. যি নহওঁক অধ্যক্ষ মহোদয়, আজি With a sense of satisfaction মই ক'ব খোজো যে আজি এই accord খন হৈ যোৱাৰ পাছত এক প্ৰকাৰ গোটেই ভাৰততে চাউথ ইণ্ডিয়াৰ পেপাৰ বিলাকটো বাতৰি ওলাইছে যে Assam- Meghalaya model should be adopted in resolving dispute even in Karnataka and Maharashtra. আজি আমাৰ এই গোটেই প্ৰক্ৰিয়াটো ছয়মাহ চলি আছে। কৰো পৰা মানুহে ৰিয়েকশ্যন দিয়া নাই by now everybody knows যে কোন ক'ত যাব। সকলো শান্তিত আছে, মানুহে সমৰ্থন দিছে আৰু মানুহক সুধি কৰা হৈছে। বিধান সভাত কৈয়ো মানুহ বহুত ওপৰত। সেই গাওঁৰ মানুহক সুধি সুধি আমাৰ এই টিমটোৱে পাহাৰৰ ওপৰত গৈছে, মানুহৰ লগত কথা পাতিছে, সুধিছে মানুহৰ লগত আলোচনা কৰিছে,আৰু for the first time we have created a all party model. য'ত কংগ্ৰছ দলৰ দুজন বিধায়কে চহী কৰিছে। পাৰ্টীৰ ভিউটো বেলেগ কথা। কিন্তু regional committee বকো সমষ্টিৰ বিধায়িকা , কাটি গড়া সমষ্টিৰ এম এল এ চহী কৰিছে। The local MLA has also signed in that recommendation অৰ্থাৎ যে local MLA ই local situation বেছি বুজি পায় যে, কোনটো মেঘালয়ত আছে, কোনটো অসমত আছে, কোনখন পাহাৰ মেঘালয়ত আছে, কোনে ক'ৰ পৰা ৰেচন খাই, কোনে ক'ৰ পৰা বিজুলী কানেকশ্যন লৈ আছে, মানুহ আবেগিক ভাবে ক'ত So, we have taken local MLA into consideration আৰু local MLA সকলেও ইয়াতে সমৰ্থন জনাই, তেওঁলোকৰ চহী সন্নিবিষ্ট হয়। আৰু তেওঁলোকৰ চহী সন্নিবিষ্ট হোৱাৰ পিছত এই dispute টো resolve কৰা হয়। অধ্যক্ষ মহোদয় আজি আমাৰ সন্মুখত সমস্যা হয়, আজি ৰাতিপুৱাও অসম মিজোৰামৰ মাজত আকৌ ৰাস্তা বনোৱাক লৈ সংঘাত বা ইছ্যু চলি থাকে। অসম -অৰুনাচল, অসম-মেঘালয়, অসম-নাগালেণ্ড আজি চুবুৰীয়া ৰাজ্য বিলাকৰ লগত সীমা সমস্যাত আমি জৰ্জৰিত হৈ থকাৰ ফলত আমাৰ যিবিলাক common aspiration আছিল, যেনেকৈ আজি আমাৰ North-East can be a united tourism Hub. কাৰণ মানুহ অসমত ফুৰিব নাহে, ৰাতি এবাৰ কাজিৰঙাটো যাব খোজে, চিলংটো যাব খোজে যিটো common spirit of North-East আজি ভূপেন হাজৰিকাৰ বহু কেইটা গানত তাৰ প্ৰতিবিম্ব পাব যে আমি এতিয়াও অসমীয়া মানুহে বহাগ বিহু এখন কৰিলে সাতভনীক আনিহে আমি বহাগ বিহুতো কৰিব খোজো তাৰ মানে Assam is always Championing the cause of united North-East । যেতিয়া অসম আৰু মিজোৰামৰ সীমা সংঘাত হৈছিল there is a

lot of article. অসমৰ ফালৰ পৰা কৈ আছিল নহয়, আমি মিজোৰামৰ লগতো একেলগে থাকিব খোজো। এই অসম মেঘালয়ৰ সীমা সমস্যাৰ ৬ টা dispute সমাধানে আজি united North-East ৰ নতুন এটা বীজ অঙ্কুৰিত কৰিছে। আপোনালোকে চাব আমি কেনেকৈ loss কৰো । আজি মেঘালয় আৰু অসম একে border ত আছো। তেওঁলোকে যেতিয়া সুৰাৰ tax কমাই ৰাখে, তেওঁলোকে যেতিয়া খাদ্যবস্তুৰ tax কমাই ৰাখে । আমিও কমাবলৈ বাধ্য হওঁ। কাৰণ আমাৰ united tax structure নাই। আজি আমাক সুকীয়া এটা time- zone ৰ প্ৰয়োজন আছে. আজি আমি ৰাতিপুৱা যেতিয়ালৈকে শুই উঠো তেতিয়া বেলি আমাৰ মুৰত আহি পায়গৈ। কিন্তু আমি যদি দুই ঘন্টা আগলৈকে time- zone লৈ যাব পাৰো, তেতিয়া হলে আমাৰ অসমৰ electricity ৰ পৰা, মানুহৰ efficiency ৰ পৰা, মানুহৰ health ৰ পৰা , আচলতে আমি যেতিয়া কাম কৰি থাকো আমি আধা ৰাতিত কাম কৰি থাকো, কিন্তু আচলতে time- zone টো যদি আগত থকিলেহেতেন আমি এই normal times ত বায়লজিকেল ক্লকৰ মতে উঠিব পাৰিলোহেতেন। বায়লজিকেল ক্লকৰ মতে শুব পাৰিলোহেতেন। এটা united tourism হ'ব পাৰিলেহেতেন। united time- zone হ'ব পাৰিলেহেতেন। আজি আমাৰ united taxa-tion policy হ'ব পাৰিলেহেতেন, মানুহ মাজত সদভাৱনা বাঢ়িব পাৰিলেহেতেন। কিন্তু আমি এই কথা বিলাকত সীমা সমস্যাৰ কাৰণে আমি আগবাঢ়িব পৰা নাই। Because there is a distress between the two State, ইটো State ৰ মানুহে সিটো State ক ভাল নাপায়। বিশ্বাস নকৰে Because we have a dispute on border.এতিয়া border ৰ solution ৰ ৰাস্তা কি ? Border solution ৰ ৰাস্তাটো হৈছে যে we have to face the reality as it is. আজি মেঘালয়ৰ ক্ষেত্ৰটো তেওঁলোকে কিমান দিনলৈকে কৈ আছিল যে কইনাধৰা ষ্টেট গেষ্ট হাউচটো মেঘালয়ৰ। সেই কাৰণে মই তেওঁলোকক কলো ,you examine the reality এইটো আপোনালোকৰ হ'ব পাৰে নেকি? ASTC ৰ Bus- stand বনাই আছে। কয় যে সেইটো মেঘালয়ৰ। চুপ্ৰিম কোৰ্টত গৈ কেচ পাইছেগৈ। এতিয়া তেওঁলোকেও ৰিয়েলিটি বুজি after inspecting the sight এই ফালৰ local MLA আৰু সেই ফালৰ local MLA দুয়োজনে বহিছে, সকলোৱে বহিছে। বহি তেওঁলোকে এটা নিৰ্দ্ধাৰণ কৰি চৰকাৰক দিছে যে আমাৰ এইটো মাজত সীমা আৰু this boundary will satisfy the needs of both the states আজি এটা অসম আৰু মেঘালয়ৰ মাজত এই Accord খন হোৱাৰ পাছত there is a jubilation যে মানুহে বিচাৰিছে যে কোনো জিকা নাই ইয়াত। সকলোৱে , তেওঁলোকে বহুত আশা কৰিছিল, তেওঁলোকে বহুত পোৱা নাই। আমি কিবা আশা কৰিছিলো আমি পোৱা নাই। কিন্তু দুয়োখন state য়েই কিবা এটা পালো যে আজি তেওঁলোকে কলে যে এই ১২ টা dispute ৰ বাদে জীৱনত আৰু তেওঁলোকে ১৩ নং dispute ৰ কথা নকয়। ন'হলে এতিয়াও ছয়গাঁৱত আহি থাকে। কয়, আমি মেঘালয়ৰ হয়, ছয়গাৱৰ বহুত গাৱত আহে, বকোত আহে, পলাশবাৰীত আহে, এতিয়া written document হৈ গ'ল যে dispute ১২ টা আছিল ছয়টা সমাধান হ'ল আৰু ছয়টা হ'ব। তাত কোনো ১৩ নম্বৰ স্কোপ নাই। অৰ্থাৎ আৰু নতুনকৈ কোনেও আগবাঢ়ি আহিব নোৱাৰে। আমিনুল ইছলাম ডাঙৰীয়া মিটিংত আছিল মানকাছাৰত। তেওঁ মিটিং ত কৈছিল যে মোৰ অমুক ঠাইত আহে, মোৰ তমুক ঠাইত আহে। But Meghalaya has now certified যে তাৰ ওপৰত আমাৰ কোনো claim নাই। এই ১২ টা ঠাইৰ বাদে কোনো ১৩ নম্বৰ dispute নাই বুলি তেওঁলোকে ভাৰত চৰকাৰকো জনাইছে আৰু আমাকো

জনাইছে। it resolve with that বৰ্তমান গোৱালপাৰাত কোনো dispute নাই, চাউথ শালমাৰাত কোনো dispute নাই। যি আছিল ইয়াতে শেষ হৈ গ'ল। একেটা মডেল লৈ আমি অৰুনাচল প্ৰদেশৰ লগত, আমাৰ আলোচনা বিলাক আগুৱাই লৈ যাব খুজিছো। যদি আমি বুৰঞ্জী চাওঁ অৰুনাচল প্ৰদেশৰ ১৯৫১ চনত যেতিয়া নে'ফা আছিল, নে'ফা থকাৰ সময়ত আমাৰ অসম চৰকাৰত যিহেতু তেতিয়াৰ চৰকাৰ আমাৰ আছিল, সেই সময়ত we transfer 3000 square Kilometre land from Arunachal to Assam. অৰ্থাৎ মাটিখিনি নে'ফাত আছিল। 3000 square Kilometre স্বাধীনতা হোৱাৰ পাছত ১৯৫১ চনত বৰদলৈ ডাঙৰীয়াই এখন কমিটি বনাইছিল আৰু তেওঁলোকৰ নে'ফাৰ মাটিটো অসমলৈকে তেওঁলোকে transfer কৰি দিছিল। 3000 square Kilometre তেতিয়াৰ পৰাই অৰুনাচলৰ মানুহৰ মাজত আপত্তি আছিল যে আমাৰ মাটি আমাৰ ৰাজ্যখনৰ পৰা কিয় transfer কৰি দিলে? যি নহওঁক তেতিয়া অসমে যুক্তি দিছিল যে এইখিনি hills ৰ নহয়। এইখিনি plains অৰুনাচলে কৈছিল যে plains অৰুনাচলত থাকিব নোৱাৰে নেকি? So, from 1951 that dispute started when we transferred 3000 square Kilometre of area from Arunachal to Assam. ছুপ্ৰীমকোৰ্ট হ'ল। লাহে লাহে আমি আলোচনা কৰাৰ পিছত এতিয়া অৰুনাচলৰ মুখ্যমন্ত্ৰী আৰু মোৰ মাজত এখন বুজা বুজি চুক্তি হৈছে, যে আমাৰ যি কাজিয়া আছে ১২২খন গাৰত। তাত গৈ কোনেও মাটি দখল কৰিব নোৱাৰে। প্লেইনচ অৰুণাচলত থাকিব নোৱাৰে নেকি? So, from 1951 that disputes started when we transferd 3000 square kilomiter of area from Arunachal to Assam. চুপ্ৰিম কোৰ্ট হ'ল, বিভিন্ন এৰিয়া হ'ল লাহে লাহে আমি আলোচনাৰ পিছত এতিয়া অৰুণাচলৰ মুখ্যমন্ত্ৰী আৰু মোৰ মাজত এটা বুজাবুজি হৈছে যে আমাৰ যি কাজিয়া আছে ১২২ খন গাঁৱৰ। তাতকৈ কোনেও মাটি দখল কৰিব নোৱাৰে, মাটি কোনেও আনিব নোৱাৰে। The dispute will be centered only around 122 villages. এতিয়া এইটো বঢ়াব নোৱাৰে। অন্ততঃ কাজিয়াটো আমি ফিক্স কৰি দিলো যে 3000 square kilomiter লৈ গৈছিল বুলি তোমালোকৰ যি এটা অভিযোগ আছিল now you no longer you can vantilate that grievances that is now over. যদি 3000 square kilomiter অসমলৈ ট্ৰেন্সফাৰ হৈছিল তথ্য মতে, কিন্তু তোমালোকে 3000 square kilomiter ৰ কথা নক'বা মাত্ৰ ১২২ খন গাঁৱৰ কথা ক'বা আৰু ১২২ খন গাঁৱত কিমান আছিল ১১ শ ১৯ square kilomiter. এতিয়া আৰু আলোচনা কৰাৰ পিছত প্ৰেজেণ্টলী অৰুণাচল চৰকাৰে আমাক দেখুৱাইছে যে now dispute is only about 850 square kilomiter. এতিয়া আমি অৰুণাচলৰ ক্ষেত্ৰতো সিদ্ধান্ত গ্ৰহণ কৰিছো যে এই ১২২ খন গাঁও কোন সমষ্টিত পৰে। কোনোবা হয়তো সোনাৰীত পৰে, কোনোবা তিনিচুকীয়াত পৰে, কোনোবা নাহৰকটীয়াত পৰে। অৰুণাচলৰ স্থানীয় বিধায়ক আৰু আমাৰ স্থানীয় বিধায়ক দুইজন স্থানীয় বিধায়ক আৰু দুইফালৰ প্ৰশাসনিক পদাধিকাৰী তেওঁলোক ফিল্ডত যাওঁক। তেওঁলোক ফিল্ডত যোৱাৰ পিছত মই ডি চি ক সুধিলো যে এই ১২২ খন গাওঁ আমাৰ লগত আছে নে নাই? ডি চি সকলে মোক অলৰেডী ৰিপোৰ্ট দিছে যে ১২২ খন গাঁও অৰুণাচলৰ বহুত ভিতৰত, কেতিয়াও আমাৰ লগত কোনো কথাই নাই, আমাৰ লগত কোনো ডিচপিউটে নাই। মেপতহে দেখুওৱা আছে কিন্তু এই ১২২ খন গাঁও ধেমাজি, লখিমপুৰৰ পৰা বহুত দূৰত। আমাৰ Constitutional boundary বুলিলে আমি যাক বুজো তাতকৈ বহুত ভিতৰত। যদি বহুত ভিতৰত হয় কাজিয়া কৰিতো লাভ

নাই। কিন্তু ইয়াৰ বিষয়ে ময়ো নাজানো। তাৰ কাৰণে উপযুক্ত মঞ্চ হ'ল যে অৰুণাচলৰ লোকেল এম এল এ আৰু অসমৰ লোকেল এম এল এ জন যাওঁক। দুইজন লোকেল এম এল এ দুইফালৰ চিভিল চচাইটিক লৈ তাতে আছু ও থাকিব পাৰে, যুৱ ছাত্ৰ পৰিষদো থাকিব পাৰে, অৰুণাচল প্ৰদেশ ছাত্ৰ সংস্থাও থাকিব পাৰে , আবছু ও থাকিব পাৰে। দুয়োটা কমিটি লৈ তেওঁলোক ফিল্ডত যাওক। তেওঁলোকে যদি নিজৰ ভিতৰত dispute resolved কৰি আমাক ক'ব পাৰে যে আমাৰ কোনো কাজিয়া নাই, এই দুইখন গাঁও অৰুণাচলৰ আৰু এখন গাওঁ হে অসমৰ বা দুখন গাঁও অসমৰ এখন গাঁওহে অৰুণাচলৰ। তাত আমি আৰু কি কৰিব লগা আছে? যদি মিঞা বিবি ৰাজি তো কাজি ও ৰাজি হ'ব লাগে। তাত কাজি টো ৰাজি নহ'লে কথা নাই। এতিয়া আমি এই গোটেই চুক্তিখন অসম,মেঘালয়ে কৰোতে দুইফালৰ স্থানীয় বিধায়ক, স্থানীয় মানুহ এগ্ৰি। আমি ইয়াত খং কৰি থাকি কি লাভ আছে? আমাৰ ইয়াত টো কথা নাই। আজি ঠিক সেইধৰণে যদি সোনাৰীত ডিচপিউট আছে সোনাৰী সমষ্টিৰ বিধায়ক, সোনাৰী সমষ্টিৰ ৰাইজ আৰু তাৰ কাষৰ যিটো নেইবাৰিং সমষ্টি দুইটা সমষ্টিৰ ৰাইজে বহি যদি আমাক ধুনীয়াকৈ কৈ দিয়ে যে এখন গাঁও তাত আছে আৰু এখন গাঁও আমাৰ আছে, আমি দুইখন ৰাজ্যই কিয় কাজিয়া কৰি থাকিব লাগে? আজি সেই স্পিৰিটটোলৈ আমি আগবাঢ়িছো। কিন্তু এই স্পিৰিটত সকলো সমস্যা সমাধান নহয়। আজি মেঘালয়ৰ লগত যাওঁতে যাওঁতে লাংপি এনেকুৱা এটা এৰিয়া আহিব যে তাত কনচিড কৰা সকলোৰে কাৰণে দিগদাৰ হ'ব। হয়তো বাৰটাৰ ভিতৰত এটা থাকি যাব। কাৰ্বি আংলঙত ডিচপিউট আছে এইটো মই ডিচপিউট কৰিব নোৱাৰো। এইটো কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদে হে সমাধান কৰিব পাৰিব। মই মেঘালয়ক জনাই দিছো যে অসম চৰকাৰৰ তাত জুৰিচডিকশ্যন নাই। Jurisdiction with the Karbi Anglong. এতিয়া কাৰ্বি আংলং আৰু জয়ন্তীয়া হিলচ্ কাউঞ্চিলে যদি কেতিয়াবা বহি আমাক এখন কাগজ পঠিয়াই দিয়ে যে আমি দুইজনে সিদ্ধান্ত ললো, এইধৰণে আমি সীমাটো ভগালো। অসমে তাত বাধা দিব যোৱাৰ অৰ্থ ক'ত? আমি বাধা দিব যোৱাটো কিবা মিনিং থাকিব নালাগে। কিন্তু যেতিয়ালৈকে স্থানীয় মানুহ ৰাজি নহয় চৰকাৰ ৰাজি হ'ব নোৱাৰে। Stand is that, position is that. স্থানীয় মানুহ ৰাজি নহ'লে আমি কিন্তু ৰাজি হ'ব নোৱাৰো। সেইকাৰণে অসম অৰুণাচলৰ ক্ষেত্ৰতো আমি সিদ্ধান্ত লৈছো যে there will be local committee. স্থানীয় কমিটিত এম এল এ থাকিব, who ever the party he may represent. আমি পাৰ্টীত যোৱা নাই। দুইজন এম এল এ আৰু লগত আমি আৰু অলপ চিভিল চচাইটি দি দিম যে লাগিলে ডি চি য়ে তিনিজন বিশিষ্ট নাগৰিক লগত ৰাখিব আৰু দল-সংগঠনক ৰাখিব। স্থানীয় ভাৱে আলোচনা কৰি undisputed খিনি আমাক প্ৰথমে দি দিয়ক যে এইখিনিত কাজিয়াই নাই, আমি এনেই কাজিয়া লাগি আছো। সেইখিনিদি আমি আৰম্ভ কৰো। তাৰ পিছত লাহে লাহে গৈ গৈ ডিচপিউট থাকি যাব। যেনে- মই লাংপিৰ কথা কৈছো। মই এইটো সমাধান কৰিব পৰা নাই মই নাজানো। পিছত কেনোবাই নতুন চিন্তাইদি কৰিব। কিন্তু আমাৰ জেনেৰেশনটোৱে যিখিনি সমাধান কৰিব পাৰো সেইখিনি সমাধান নকৰোটো এটা অপৰাধ আৰু এইটো এটা অক্ষমণীয় অপৰাধ যে আমি মানুহৰ মাজত কিয় কাজিয়া লগাব লাগে? যদি পাৰো এইটো আমি ৰিজলৰ্ভ কৰিব লাগে। ইন ডেট স্পিৰিট আজি আমি কামখিনি কৰিছো। মই হাউচৰ সমৰ্থন বিচাৰিছো। যোৱাকালিৰ পৰা আজিলৈকে মই যিমান মানুহক চিনি পাওঁ, জানো সকলোৱে ৱেলকাম কৰিছে। আজি আপোনালোকে টুইটাৰত চাব কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশৰ এম এল এ, মন্ত্ৰীয়েও আদৰনি জনাই আছে যাৰ কোনো পাৰ্টী ফিলিঙচ্ নাই। Every body wanted our country should

be united. আমাৰ দেশ ডাঙৰ হ'ব লাগে, আমাৰ দেশ বিশ্বগুৰু হ'ব লাগে, আমাৰ দেশ উন্নতিৰ ক্ষেত্ৰত আগুৱাই যাব লাগে। সেইকাৰণে মানুহে বহল মনেৰে আজি এই গোটেই প্ৰচেষ্টাটোক আদৰনি জনাইছে। মই মেঘালয়ৰ মুখ্যমন্ত্ৰী কৰ্নাড চাংমা ডাঙৰীয়াক ধন্যবাদ জনাইছো কাৰণ it is a difficult choice. আজি যেনেকৈ ইয়াত ক'ব মাটি এৰি দিছে বুলি । কোনেও ক'তো এৰি দিয়া নাই। কিন্তু these are very very difficult choice মানুহৰ চেন্টিমেণ্ট থাকে, প্ৰেচাৰ থাকে। আজি আনকি মেঘালয়ৰ যিখন একৰ্ড তাত আমাৰে এজন বি জে পি বিধায়কে বিৰোধীতা কৰিছে। There are problems but inspite of that statement spirit দেখুৱাবই লাগিব আৰু অসমে সাত ভণীৰ জ্যেষ্ঠ ভণী হিচাপে আমাৰ যিখিনি দায়িত্ব বা কৰ্তব্য আছে without sacrificing our right and privilege সেইটো আমি দেখুৱাবই লাগিব। সেই কামখিনি আজি ৰাজ্য চৰকাৰখনে কৰিলে। মই অসম বিধান সভাক অবগত কৰিলো। কেৱল এটা কথা কওঁ যে মাটি দিয়া-নিদিয়া these are the Rights of Parliament of India অসম বিধান সভাৰো ইয়াত কোনো কথা নাই বা মুখ্যমন্ত্ৰী মহোদয়ৰো কোনো কথা নাই। We have just done an executive action. Executive action কৰিবৰ কাৰণে বিধান সভাৰ অনুমতিৰ প্ৰয়োজন নাই। কাৰণ these are purely action in the executive area. Executive ৰ পাছত it will go to Parliament আৰু Parliament য়ে সাধাৰণতে পাচ কৰাৰ আগতে বিধান সভাৰ মতামত বিচাৰে। যেনেকৈ তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশ বিভক্ত কৰাৰ আগতে অন্ধ্ৰপ্ৰদেশৰ বিধান সভাৰ মতামত বিচাৰিছিল। যদি আইনে কয় at some time বা matter will come to Assam Assembly officially মই অনাটো নহয়। সেই সময়ত বিধান সভাৰ অধিকাৰ থাকিব যে either to rejected or accepted,but as of now whatever we have done it is strictly within the domain of executive. This is not within the domain of Lagislative. কিন্তু যেতিয়া সংসদত যাব then it will be come to an area of Legislative. গতিকে বিধান সভাত আলোচনা হ'ব লাগে। কিন্তু আজিৰ ভিতৰতে আলোচনা হ'ব নালাগে। যিটো সময়ত বিধান সভাত আলোচনা হ'ব লাগে definitely it will be discussed in the floor of the House or floor of the Parliament.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক তেখেতে executive action ৰ বিষয়ে কোৱাৰ বাবে ধন্যবাদ জনাইছো। executive action টো হ'ব সাংবিধানিক যিখিনি ব্যৱস্থা আছে তাৰ মাজতে এইখিনি আইন আছে। বহু বছৰ আগতেই আমাৰ যিখন সংবিধান গ্ৰহণ কৰা হৈছে তাত লিখা আছে যে এনেকুৱা ধৰণৰ বিবাদ হ'লে চুপ্ৰীম কোৰ্টৰ হস্তক্ষেপৰ প্ৰয়োজন। Inter State Council, Article 131 অনুসৰি অথবা Inter State Council, Article 263 অনুসৰি এইবোৰ বিবাদৰ সমাধানৰ কাৰণে প্ৰভিজন আছে। এতিয়া যিখিনি কাম কৰিছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ছয় মাহৰ ভিতৰত বা খুব সোনাকলে কামখিনি শেষ কৰিবৰ কাৰণে চেষ্টা কৰি আছে। এইক্ষেত্ৰত যোৱা পাঁচদিনীয়া বিধান সভা অধিবেশনতো আমাৰ বিধায়িকা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে শূন্যকালীন ঘণ্টাত এটা প্ৰশ্ন উঠাইছিল আৰু এই বিষয়ৰ ওপৰত তেখেতে যোৱাকালিও এটা কথা ক'ব বিচাৰিছিল। তেখেতৰ হৈ ময়ো কৈছিলো যে সেই অঞ্চলৰ মানুহখিনিৰ কিছু আপত্তি আছে। এইক্ষেত্ৰত আজিৰ পৰা

তিনিদিন মান আগতে সদৌ অসম ছাত্রসন্থাৰ ফালৰ পৰাও বাতৰি কাকতত প্ৰকাশ পাইছে। পলাশবাৰী সমষ্টিৰ এটা অঞ্চলৰ লোকে এটা পৰামৰ্শ আগবঢ়াইছিল যে মেঘালয়ে দাবী কৰিছে যে যোৱা সাত মাৰ্চৰ মাননীয় মুখ্যমন্ত্ৰী কৰ্নাড চাংমা ডাঙৰীয়াই মেঘালয়ৰ বিধান সভাত ঘোষণা কৰিছিল যে আমি এই মাহৰ শেষৰ ফালে দিল্লীত এখন চুক্তি কৰিম আৰু আমি কেইখন গাঁও পাম সেই কথা তেখেতে তাত ডাইভাৰ্চ কৰিছিল। এতিয়া ঘটনা বিলাক পূৰ্ব্বৰ পৰাই ঘটি আছে গতিকে ১৯৮৫ চনতেই Y.V. Chandrasur আৰু দিল্লীৰ এজন ন্যায়াধীশক লৈ আমাৰ এখন কমিশ্যন গঠন কৰা হৈছিল, দিল্লী হাইকোৰ্টৰ চীফ জাষ্টিচক লৈ। তাত গোটেই বিষয়টো চালিজাৰি চাই দেখা গৈছিল যে মেঘালয়ে দাবী কৰা যুক্তি অসমৰ ভূমি অযুক্তিকৰ সংবিধান অনুসৰি অসম চৰকাৰ সঠিক পক্ষত আছে বুলি ২৭ জুলাই ১৯৮৭ চনত এখন প্ৰতিবেদন দিছিল আৰু মেঘালয় চৰকাৰে এই সিদ্ধান্তক মনঃপুতঃ নোহোৱা বাবে মানি লোৱা নাছিল। এনেকুৱা হয় আমাৰ নাগালেণ্ডৰ ক্ষেত্ৰতো হৈছে আৰু অসমৰ ভূমি অযুক্তিকৰ, সংবিধান অনুসৰি অসম চৰকাৰ সঠিক পক্ষত আছে বুলি ২৭ জুলাই, ১৯৮৭ চনত প্ৰতিবেদন দিছিল। মেঘালয় চৰকাৰে এই সিদ্ধান্ত মনঃপুতঃ নোহোৱাৰ বাবে মানি লোৱা নাছিল। এনেকুৱা আমাৰ নাগালেণ্ড আৰু অৰুণাচলৰ ক্ষেত্ৰতো হৈছে। ১৯৮৭ চনৰ report টোত মেঘালয়ৰ দাবীখিনি কি কাৰণত অযুক্তিকৰ, এই executive action খিনি কৰাৰ কথা অসম চৰকাৰে আগতে যদি আমাকো অকণমান জনালে হয় তেতিয়া এই কথাখিনিত আমি সমৰ্থন জনাবলৈ আৰু উৎসাহ পালো হয়। তেখেতসকলৰ state vote হৈছিল ১৯৭২ চনত আৰু ১৯৮৭ চনলৈকে তেওঁলোকে যিমানখিনি claim কৰিছিল সেইখিনি তেওঁলোকক ১৯৮৭ চনতেই সম্পূৰ্ণৰূপে reject কৰি দিয়া হৈছে। গতিকে সেইখিনি কি যুক্তিত reject হৈছিল, এই কথাবিলাক আমি দিল্লীলৈকে গৈ পোৱাৰ আগতে আমি সকলোৱে গম পোৱাতো দৰকাৰ। কাৰণ আমি ইতিহাস নতুনকৈ লিখিব নোৱাৰো, ইতিহাসৰ পাতত যিটো লিপিবদ্ধ হৈছে, সেইটো আছে। সেই গতিকে ইতিহাস পঢ়ি পাইছো যে ১৯৮৭ চনত মেঘালয়ৰ claim reject হৈছে। সেইবাবে মই এই পবিত্ৰ সদনত অসমৰ ৰাইজৰ হৈ জানিব বিচাৰিছিলো যে কি যুক্তি বা কি কাৰণত প্ৰতিবেদনখন সেই সময়ত মেঘালয়ে অযুক্তিকৰ বুলি ক'লে । সেই সময়ত আমাৰ পক্ষই ৰায় হৈছিল। এইবিলাক কথা জনাৰ পিছত আমি এতিয়া যিখিনি দিব বিচাৰিছো তাত আমাৰ আপত্তি নাথাকে, আমি খালী কিছু তথ্য বিচাৰিছিলো।

দুখন ৰাজ্যৰ মাজত boundary dispute হ'লে কি কৰিব লাগে সেই বিষয়ে আমাৰ সংবিধানত উল্লেখ আছে। কিন্তু, মন্ত্ৰী গোটৰ কথা তাত উল্লেখ আছে নে নাই মই নাজানো, সেই বিষয়ে আমি গম পালে ভাল পাম কিয়নো executive action to be Governed by laws made by legislature also. সেই গতিকে মই এইখিনি বিষয়ত স্পষ্টীকৰণ বিচাৰি সামৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় মন্ত্ৰী অতুল বৰাই ক'ব যে সন্মানীয়া বিধায়িকা শ্ৰীমতী নন্দিতা দাসে প্ৰতিবেদনত স্বাক্ষৰ কৰিছে। বকো সমষ্টিৰ বিধায়িকা শ্ৰীমতী নন্দিতা দাসে আমাৰ যিখন report আছে, যাৰ ওপৰত Agreement হৈছে, তাত তেখেতে ঐক্যমত প্ৰকাশ কৰিছে আৰু তেওঁক মই দুই তিনিবাৰ সুধিছিলো কৈছে যে তেখেতে নিজেই স্বাক্ষৰ কৰিছে নে নাই। তেতিয়া তেওঁ site visit কৰি নিজে স্বাক্ষৰ কৰা বুলি কৈছিল। গতিকে এইটো আপুনি এবাৰ চাই ল'ব আৰু মাননীয় মন্ত্ৰী অতুল বৰা ডাঙৰীয়াই report ৰ copy এটা সন্মানীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াক দিব।

দ্বিতীয়তে, Chandrachud Committee ক আমি device হিচাপে লৈ Chandrachud Committee ৰ প্ৰতিবেদন যদি আমি মানি লওঁ তেন্তে নাগালেণ্ড আৰু অৰুণাচলৰ ক্ষেত্ৰতো Local Commission ৰ ৰিপোৰ্ট আমি মানি ল'ব লাগিব। Local Commission ৰিপোৰ্টে গোটেইখন অৰুণাচলক দি দিছে। তেতিয়া আমি গৈ কেছ কৰিলো, তাৰমানে আমি reject কৰিলো। ঠিক তেনেধৰণে Chandrachud Committeeৰ প্ৰতিবেদনখনো মেঘালয়ে reject কৰিলে। এতিয়া ভিত্তি হিচাপে আমি Chandrachud Committee ৰ প্ৰতিবেদনখন যদি লওঁ তেন্তে মেঘালয়ৰ যিটো ভিত্তি লম সেইটো নাগালেণ্ড আৰু অৰুণাচলতো ক্ষেত্ৰটো একেটাই ভিত্তি ল'ব লাগিব। তেতিয়া ইয়াৰে ২৯ বৰ্গ কিলোমিটাৰ বচাব গৈ এতিয়াটো যি ১৮ বৰ্গ কিলোমিটাৰ হ'ল, সেইখিনিও বচোৱাৰ কাৰণে ৰাটা চাৰাৰ ১১ বৰ্গ কিলোমিটাৰ যদি বাদ দিওঁ তেন্তে ই কেৱল ৭ বৰ্গ কিলোমিটাৰ থাকিব। এনেকুৱাহ'লে আমি নাগালেণ্ড আৰু অৰুণাচলটো গোটেইখিনি দি দিব লাগিব। সেইকাৰণে, অসম চৰকাৰে conciously এইটো সিদ্ধান্ত ল'লে। আমি Judge সকলৰ কথাটো ইয়াত নানো। কাৰণ এজন Judge ৰ ৰিপোৰ্ট মেঘালয়ৰ ক্ষেত্ৰত positive আছিল কিন্তু অৰুণাচল আৰু নাগালেণ্ডৰ ক্ষেত্ৰত hugely negative আছিল। সেইকাৰণে তেতিয়াৰ কংগ্ৰেছ চৰকাৰে সিদ্ধান্ত ল'লে যে নাগালেণ্ড আৰু অৰুণাচলৰ ক্ষেত্ৰত তেওঁলোকে Local Commission আৰু Judge ক নামানে আৰু তেওঁলোক Supreme Court লৈ গল। গতিকে নাগালেণ্ড আৰু অৰুণাচলৰ ক্ষেত্ৰত Judge জনক নামানো বুলি কৈ থাকি মেঘালয়ৰ ক্ষেত্ৰত আমি Judge জনক মানিব নোৱাৰো। গতিকে Supreme Court ত আমাৰ এইটো consistant discussion আছিল যে Judgeএ সীমা সমস্যা সমাধান কৰিব নোৱাৰে, সীমা সমস্যা দুয়োখন ৰাজ্যই আলোচনা কৰি সমাধান কৰিব লাগিব। সেই কাৰণে মই Chandrachud Committee ৰ ৰিপোৰ্টখন আজি ইচ্ছাকৃতভাৱে অনা নাই, কাৰণ মই নিবিচাৰো যে Chandrachud Committee ৰ ৰিপোৰ্টখনক সদনে ন্যায্যতা দিব লাগে বা আলোচনা কৰিব লাগে। তেতিয়াহে Supreme Court ত অৰুণাচল আৰু নাগালেণ্ডও ক'ব যে অসম চৰকাৰে মেঘালয়ৰ ক্ষেত্ৰত নিজে neutral umpire report agree কৰিছে, গতিকে, অৰুণাচল আৰু নাগালেণ্ডৰ ক্ষেত্ৰত কেনেকৈ deny কৰিব। সেই কাৰণে মই ভাৱো আমাৰ সন্মানীয় বিৰোধী দলপতি ডাঙৰীয়াই মান্তি হ'ব যে আজি এনে পৰিস্থিতিৰ মাজতো আমি দুয়োখন ৰাজ্যই মিলা-মিচাকৈ কিবা এটা সমাধান কৰিব পাৰিলো আৰু স্থানীয় মানুহখিনিয়েও আমাক কোনোধৰণৰ আপত্তি কৰা নাই। That means for the first time we have done something which satisfy the population of both the States। গতিকে মই কোনো ইতিহাসত যাব খোজা নাই। Local Commission নাগালেণ্ডৰ ক্ষেত্ৰত হোৱা নাই, অৰুণাচলৰ ক্ষেত্ৰতহে হৈছিল। কাইলৈ আমগুৰিত যদি অসম নাগালেণ্ডৰ dispute হয় আৰু সন্মানীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকাই মোক যদি কয় যে এই দুয়োখন গাঁও আমাৰ লগতেই নাই তেওঁলোকে কিয় কাজিয়া কৰি আছে। গাঁৰৰ নাম জনাৰ পিছত বহুতে মোক কৈছিল যে তেওঁলোকে সেই গাওঁবোৰৰ নামেই শুনা নাই।

অসম আৰু অৰুণাচলৰ disputed ২২ খন গাঁৰৰ নাম মই উপায়ুক্ত সকলক দিলো কিন্তু উপায়ুক্ত সকলে কৈছে যে এইবোৰ গাঁৰৰ নাম তেওঁলোকে নাজানেই, অসমৰ sensus ত নাই বা কতো এইবোৰ গাঁৰৰ নাম নাই । আচলতে, এইবোৰ গাঁৰৰ নাম মেপত বনাই থোৱা আছে। ছয়, সাত ঠাইত কাজিয়া লাগি থাকিলে সেই কাজিয়াটোকে বহুত ঠাইত একমাত্ৰ map ৰ কাৰণে বহু

ঠাইত দেখুৱাই। সেই কাৰণে আমি বিচাৰিছো যে মেপ বাদ দিয়ক, আমি নিজে ভৰিৰে খোজ কাঢ়ি গৈ চাওঁ যে এইখন অসম, এইখন অৰুণাচল। যিখিনি ঠাইৰ অসমৰ লগত কোনো সম্পৰ্ক নাই, সেইখিনি বাৰু অৰুণাচলেই। অসমৰ নাহৰকটীয়া সমষ্টিত চাহ বাগিছা এখন অৰুণাচলে নিজৰ বুলি দেখুৱাই আছে। খুব সম্ভৱ এই চাহ বাগিছা খন নাহৰকটীয়া সমষ্টিত পৰে। কিন্তু তাৰ দূৰ-দুৰণিলৈকে অৰুণাচলৰ সীমা নাই। তেতিয়া মই অৰুণাচলৰ মুখ্যমন্ত্ৰীক তেওঁলোকৰ কোনোবা এজন মন্ত্ৰীক পঠাই বাগিছাখনৰ অৱস্থিতি চাই যাবলৈ কৈছিলো । তেতিয়া তেওঁ ঠিক আছে বুলি কৈছিল আৰু বাগিছাখন যদি অৰুণাচলৰ সীমাত নাই, তেন্তে এৰি দিব বুলিও কৈছিল। কিন্তু ই যদি সীমাত আছে, তেন্তে তেওঁলোকে মোৰ লগত কথা হ'ব বুলি কৈছিল। গতিকে, আমি মিলা-মিচা পৰিবেশে এই সমস্যাটোৰ সমাধানৰ চেষ্টা কৰিছো। মই আপোনালোক সকলোৰে পৰা সহযোগিতা বিচাৰিছো। সকলো দলে মিলি এই কামখিনি কৰিছিলো। কংগ্ৰেছ দলৰ দুগৰাকী বিধায়ক এই সমিতিত আছিল। মোক চৰকাৰে জনোৱা মতে সন্মানীয় সদস্যা শ্ৰীমতী নন্দিতা দাসে তাত স্বাক্ষৰো কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰীঅখিল গগৈ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০২২ চনৰ ১৬ মাৰ্চত বিধান সভাৰ প্ৰশ্ন উত্তৰত অসম চৰকাৰে জনাইছিল যে অৰুণাচলে ৮৩.৯৫ বৰ্গ কিলোমিটাৰ মাটি, মেঘালয়ে ৩৪.৪১ বৰ্গ কিলোমিটাৰ মাটি, মিজোৰামে ১৭.৭৭ বৰ্গ কিলোমিটাৰ মাটি আৰু নাগালেণ্ডে ৫৫৩.৯৬ বৰ্গ কিলোমিটাৰ মাটি অসমৰ মাটি দখল কৰি আছে। সৰ্বমুঠ ৬৯০.১০বৰ্গ কিলোমিটাৰ অসমৰ মাটি এই চাৰিখন ৰাজ্যই দখল কৰি আছে। মেঘালয়ে অসমৰ ৩৪.৪১ বৰ্গ কিলোমিটাৰ দখল কৰি থকা মাটি চৰকাৰে ঘুৰাই পালে বা ঘুৰাই পাব বুলি এটা শব্দও আমি শুনিবলৈ পোৱা নাই। এয়া আমাৰ মাটি দখল কৰি থকা বুলি কৈছিল। বিবাদিত অঞ্চল ৩৬ কিলোমিটাৰ, ১৮ কিলোমিটাৰ, ১৮ কিলোমিটাৰ হ'ল (interruption)

**মাননীয় অধ্যক্ষ** ঃ আপুনি কি জানিব বিচাৰিছে?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অৰুণাচলে অসমৰ কিমান মাটি দখল কৰি আছে, ইয়াৰ উত্তৰ ইমান দিনে আমাক উপায়ুক্ত সকলে দি আহিছে। তেতিয়া আমি উপায়ুক্ত সকলক ২২ খন গাওঁৰ অৱস্থিতি চাবলৈ ক'লো আৰু তেওঁলোকে আমাক ৰিপোৰ্ট দিলে যে ২২ খন গাওঁ তেওঁলোকৰ sensus ত নাই। It is deep inside the Arunachal. These are legal answer to a legal question. Practically field ত গলে কথাটো বেলেগ দেখা যায়। মোক যদি আজিও আপুনি প্ৰশ্ন কৰে তেন্তে মই দখল কৰি থকা বুলিয়ে কম। যেতিয়ালৈকে settlement নহয়, তেতিয়ালৈকে দখল বুলিয়ে কোৱা হ'ব। যিদিনা settlement ৰ accord হ'ব সেইদিনাই দখল শব্দটো সলনি হ'ব। গতিকে বিধান সভাত যিদৰে প্ৰশ্ন কৰা যায়,ঠিক তেনেদৰে উত্তৰো দিয়া যায়। যদি কোনো সদস্যই মোক সুধিলে হয় যে ক্ষেত্ৰত ভিত্তিত জৰীপৰ পিছত এই দখল নিশ্চিত হৈছে নেকি? তেতিয়া মই নিশ্চয়কৈ উত্তৰ দিলো হয় যে ক্ষেত্ৰত ভিত্তিত জৰিপ হোৱা নাই।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জীৱনৰ বহু সময় অসম নাগালেণ্ডৰ সীম সমস্যা সমাধানৰ বাবে (interruption)

**মাননীয় অধ্যক্ষ** ঃ সকলো বুজিছো। মেঘালয়ৰ (interruption)

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক কথাখিনি কবলৈ দিয়ক। মই জানিছো এইটো মেঘালয়ৰ কথা (interruption)

**মাননীয় অধ্যক্ষ** ঃ বাকী referrence হিচাপে আহিছে। কিন্তু আপুনি যি জানিব বিচাৰিছে, তাৰ clarification বিচাৰক।(interruption)

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই clarification ৰ বাবে কৈছো (interruption)

**মাননীয় অধ্যক্ষ** ঃ সমস্যাটো আছিলে, তাৰ বাবে MoU হৈছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি মেৰাপানী অঞ্চলত আজি য'ত মেৰাপানী টাউন।

**মাননীয় অধ্যক্ষঃ** সেইটো গোলাঘাট আৰু নাগালেণ্ডৰ মাজত।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাটি মেৰাপানীত যে নাগালেণ্ডে যে দখল কৰিছে these are undisputed fact আমি ত'ত গৈছো য'ত কোনো মানুহৰ অভিযোগ নাই। মেৰাপানীত অজস্ৰ ৰাইজৰ অভিযোগ আছে। কিন্তু আমি যদি তাৰাবাৰীত যাওঁ, মানুহৰ অভিযোগ নাই।

**শ্ৰী অখিল গগৈ(শিৱসাগৰ)ঃ** মই সেইটো উদাহৰণ দিবলৈকে আহিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ** উদাহৰণটো যদি এনেকুৱা হৈ যায় কালি যদি হাউচৰ বাহিৰত এনেকুৱা ওলায় যায় বাহিৰত যে মেৰাপানীৰ মাটিৰ কথাও অসমে পাতি আছে। আমাৰ position টো বেয়া হৈ যাব। গতিকে আপেল আৰু কমলাৰ মাজত compare নহ'ব। Compare হ'ব আপেল আৰু আপেলৰ মাজত।

**শ্ৰী অখিল গগৈ(শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক কথাখিনি কব'লৈ দিলে ভাল হ'ব। মই যদি কিবা কথা কওঁ মোকতো কোনেও interrupt কৰিবলৈ নিদিয়ে।

**মাননীয় অধ্যক্ষঃ** মোৰ কথাটো শুনক। Please silent.আপুনি clarification বিচাৰিব পাৰে, যিটোৰ ওপৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই Statement দিছে আৰু সেইটো হ'ল অসম মেঘালয় বৰ্ডাৰৰ যিটো MoU হৈছে, সেইটোৰ ওপৰত। ইয়াত যদি আপোনাৰ কিবা জানিবলগীয়া আছে, সেইটো আপুনি বিচাৰিব পাৰে। গোটেই বৰ্ডাৰৰ ঘটনা ইয়াত আপুনি debate ৰ নিচিনা ক'লেতো ইয়াৰ উত্তৰ ক'ৰ পৰা দিব। Resolve হোৱা নাই।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই practical position টো ক'ব খুজিছো।

**মাননীয় অধ্যক্ষঃ** Position টো সকলোৱে জানে। এই কথা সকলোৱে জানে যে আজি নাগালেণ্ড অসম বৰ্ডাৰ dispute আছে, ইয়াৰ বিষয়ে আলোচনা চলি আছে, সেইটো এতিয়া অহা নাই। মেঘালয় আৰু অসমৰ মাজত MoU Sign হৈছে। এইটোৰ ওপৰত statement দিছে। এই statement ৰ ভিতৰত বা মেঘালয় আৰু অসম বৰ্ডাৰৰ বিষয়ত যদি আপুনি কিবা জানিব বিচাৰে আপুনি clarification বিচাৰিব পাৰে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আপোনালোকে যিমানখিনি কথা কৈ দিলে, মই তাৰ আগতে বহুতখিনি কথা শেষ কৰি দিব পাৰিলোহেঁতেন। মোক কথাটোৱে ক'বলৈ নিদিয়ে।

**মাননীয় অধ্যক্ষঃ** মই কৈছো মেঘালয় আৰু অসম বৰ্ডাৰৰ কথা কোৱাত আপত্তি নাই। অসম আৰু মেঘালয়ৰ MoU ৰ ওপৰত আপুনি clarification বিচাৰক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো কৰিব পাৰো।

**মাননীয় অধ্যক্ষঃ** কৰিব পাৰে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কব'লগীয়া কথাটো এইটো।

**মাননীয় অধ্যক্ষঃ** কওঁক। Silent, silent. ক'বলৈ দিয়ক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ক'বলগীয়া কথাটো এইটো যে আমাৰ ওচৰ চুবুৰীয়া পাহাৰীয়া ৰাজ্যবিলাকে, যিহেতু তেওঁলোক পাহাৰত বসবাস কৰে আৰু সেই ৰাজ্যবিলাকত লাহে লাহে middle class টোৰ এতিয়া development আছে। গতিকে তেওঁলোকৰ কাৰণে মাটিৰ crisis হৈছে আৰু সেই কাৰণে ঐতিহাসিকভাৱে আমি দেখিবলৈ পাইছো যে লাহেকে পাহাৰৰ পৰা মানুহ সমতল এলেকালৈ নামি আহিছে। মাননীয় অধ্যক্ষ মহোদয়, যিহেতু middle class টো develop হৈছে, তেওঁলোকে সমতল ভূমি বিচাৰি আহিছে। সেইকাৰণে অসমৰ ক্ষেত্ৰত সকলো ৰাজ্য, বহুতে কয় যে অসমে সদায় চবৰে লগতে কাজিয়া কৰে নেকি? অসমে কাজিয়া কৰা নাই। অসমৰ মাটিলৈ লাহে লাহে পাহাৰৰ মানুহবিলাক আহিছে। যেতিয়া তেওঁলোক economically develop হৈছে, তেওঁলোক আহিছে। কিন্তু যেতিয়া আহিছে, আহিছে কলৈ আমাৰ Constitutional Boundary ৰ ভিতৰলৈ। যি Constitutional Boundary আমাৰ সংবিধানত ইতিমধ্যে চিহ্নিত হৈ আছে। মই সেই অৰ্থত ক'বলৈ খুজিছিলো যে আজি মেৰাপানীৰ যিটো ঠাইত যুদ্ধ হৈছিল, সেইখন ঠাইৰ পৰা অসম আৰু নাগালেণ্ডৰ সীমাটো ২০ কিলোমিটাৰৰ ভিতৰত আছিল। এতিয়া ঠিক একেদৰে আজি আমি দেখিবলৈ পা ইছো যে মেঘালয়ৰ ক্ষেত্ৰতে হওঁক বা মিজোৰামৰ ক্ষেত্ৰতে হওঁক, অৰুণাচলৰ ক্ষেত্ৰতে হওঁক বা নাগালেণ্ডৰ ক্ষেত্ৰতে হওঁক যে অসমৰ মাটি সংবিধানিক সীমাৰ ভিতৰত আহিহে তেওঁলোকে মাটি দখল কৰিছে। মাটি যেতিয়া দখল হৈ গ'ল, দখল কৰাৰ পাছত তেওঁলোলোকক সোধে যে আপোনালোকে কাৰ লগত থাকিব। নাগালেণ্ডৰ মানুহ এজনক বা মেঘালয়ৰ মানুহ এজনক যদি সোধে মেঘালয়ৰ পৰা আহি মানুহ এজনে, আমাৰ মাটি দখল কৰিলে তাৰ পাছত যদি সোধে যে আপোনালোকে কাৰ লগত থাকিব, definetely তেওঁলোকে ক'ব মেঘালয়ৰ লগত থাকিম।

**মাননীয় অধ্যক্ষঃ** আপুনি এতিয়া clarification টো বিচাৰক। প্ৰতিবাদ নহয়।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা বাক্যকৈ শেষ কৰিব খুজিছো। মোৰ ক'বলগীয়া কথাটো এইটোৱে যে অসমৰ সাং বিধানিক সীমাৰ মাটি এৰাৰ প্ৰশ্নটো আহিব নোৱাৰে, যিটো সাংবিধানিক সীমা আছে সেইটো আমাৰ strict হ'ব লাগে। সেইটোৰ পৰা মাটি এৰি দিয়াৰ প্ৰশ্নটো এবাৰ যদি compromise আৰম্ভ হয় এইটো unlimited হ'ব আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে যে আজি ৬ খন গাওঁত মান্তি হৈছে। ১২ খন ঠাইতো মান্তি হৈ যাব। তাৰ পাছত দেখিব, যদিও আজি কৈছে যে আজি আমি dispute নকৰো আৰু দুইবছৰৰ পাছত, পাঁচবছৰৰ তেনেকুৱা আৰু ২০ খন ঠাই আহিব আৰু আকৌ একেধৰণৰ ঘটনা পুনৰাবৃত্তি হ'ব। গতিকে সাংবিধানিক সীমাৰ আমাৰ মাটি এৰাতো আমি কোনোপধ্যে পক্ষত নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াই যিখিনি কথা কৈছে, তাত মই Constitutional Boundary কোনো Constitution ত লিখা নাথাকে যে এইটো অসমৰ পূব-পশ্চিম বাউণ্ডেৰী। তেনেকৈ যদি বাউণ্ডেৰী এটা লিখা থাকিল হেতেন আমাৰ dispute য়ে নহলহেতেন। মই যোৱাকালিও দিল্লীত কৈছো। এইকাৰণে মই ক'ব খুজা নাই কাৰণ it looks a little be partition. State reorganisation bill যেতিয়া হয়, বাকী ৰাজ্যৰ ক্ষেত্ৰত পূব, পশ্চিম, উত্তৰ, দক্ষিণ ধুনীয়াকৈ লিখা থাকে। আমাৰ ক্ষেত্ৰত

State Reorganisation Bill হওঁতে কোৰা হ'ল The Kamrup District, Goalpara District. Original District has there dispute. Problem is that যেতিয়া ১৯৭২ চনত বা পৰৱৰ্তী সময়ত অৰুণাচল, এতিয়া অখিল গগৈ ডাঙৰীয়াই ক'লে যে অসমে মাটি এৰি দিব নালাগে। But History and Assam Government record says that আমি নেফাৰ পৰা ৩ হাজাৰ square kilometer লৈ লৈছিলো। These are fact how I will go and counter them. It is a record. আমাৰ ৰেকৰ্ডে কৈ আছে যে গোপীনাথ বৰদলৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী থাকোতে অৰুণাচল বা দুখন নেফা বেলেগ আছিল, অসম বেলেগ আছিল। He transfered three thousand square kilometer of NEFA land to Assam. These are clear points. এই কথাটো আৰু স্বাধীনতাৰ পিছত। মিজোৰামৰ কথাটো বেলেগ। They talk about 18 hundred century. But these are factual material of 1951. এতিয়া অসমৰ মানুহৰ ওপৰত তেওঁলোকৰ grivences থাকিব নাই, যে মুখ্যমন্ত্ৰীজন আমি undivided আছিলো। মুখ্যমন্ত্ৰীজন তোমাৰ আছিল, গতিকে তুমি এই কামটো কৰি থৈ দিছিলা। এতিয়া on that আমি discussion নকৰিম নেকি। যদি আমি discussion নকৰো, তেতিয়াহ'লে plains ত অখিল গগৈ ডাঙৰীয়াই কোৱাৰ দৰে যে মধ্যবিত্ত জন্ম হৈছে, নামি নামি আহি থাকিব। নামি নামি আহি থাকিলে আমাৰ ফালৰ পৰা এইখন forest হয়। আমি তাত electricity দিব নোৱাৰো, আমি তাত ৰাস্তা দিব নোৱাৰো, আমি তাত পানী দিব নোৱাৰো। তে ওঁলোকে নামি নামি আহি থাকিব, তেওঁলোকে বেছি encroach কৰি গৈ থাকিব। গতিকে মধ্যবিত্ত আৰম্ভ হৈছে। মোৰ মতেদি this is the time to resolve the dispute যাতে আৰু এই ঘটনাটো আগবাঢ়ি নাযায়। অখিল গগৈৰ ডাঙৰীয়াৰ চিন্তাটোৰেই মোৰ চিন্তা যে আগতে তাত মানুহৰ মধ্যবৃত্ত সমাজখন বহুত কম আছিল। এতিয়া মধ্যবৃত্ত সমাজ হৈছে, তেওঁলোকক plains land লাগে। Everyday people are encroaching, গতিকে this is the right time যে, আমি এইটো resolve কৰি ল'ম। যদি আমি resolve কৰি নলও, আমাৰ ভৱিষ্যত প্ৰজন্মক আমি এখন এনেকুৱা অসম দি থৈ যাব লাগিব, যে আমাক blaim কৰিব why you have not solved this, যেতিয়া আৰুণাচলৰ মুখ্যমন্ত্ৰীয়ে নিজে ৩ হাজাৰ square kilometer পৰা ৮ শত নামি আহিলে and he is ready to come down more why you have not resolved it আজি ৭২ চনত ইমানটো দাবীয়েই নাছিল। অখিল গগৈ ডাঙৰীয়া এইটো সন্মিলিত উত্তৰপূৰ্বৰ মাটি আছিল। Undivided অসমৰ মাটি আছিল। আমাৰ ভুল ক'ত আছে। অসম বুলি কওঁতে whether we are speaking of a Assam post 1972 or pre 1972. মই যিটো History কৈ আছো undivided Assam ৰ History কৈ আছো। সেইকাৰণে আমি আলোচনা কৰি নাগালেণ্ড আৰু অসম, অসম আৰু মিজোৰাম, অসম আৰু অৰুণাচল, অসম আৰু মেঘালয় চাৰিটা একে নহয়। ইয়াত দুটা dispute আমি resolve কৰিব পাৰো। মেৰাপানী টাৰ্ণ Supreme Court ত আছে। আমি comment য়ে দিব খোজা নাই। অসম নাগালেণ্ডৰ boarder dispute is in Supreme Court. supreme Court ত আমিও কথা কৈছো, তেওঁলোকেও কথা কৈছে, let us see what decision will come. কিন্তু যদি অসম মেঘালয়ৰ কথা ক'ব যাওঁতে আমি যদি মেৰাপানীলৈ আহো, তেতিয়া মানুহৰ চকুত পুৰণা দিনবিলাক মনত পৰিব। কিন্তু অসম মেঘালয়ৰ মাজত এনেকুৱা ঘটনা হোৱাই নাই। গতিকে আমি আপেলৰ কথা কওঁতে কমলাৰ কথা কিয় টানি

আনো। গতিকে মোৰ কথাটো হ'ল যে অৰুণাচল প্ৰদেশ আৰু মেঘালয় It is a reasonable dispute আৰু আমাক মীমাংসা কৰাৰ সুবিধা দিয়ক। আসম, নাগালেণ্ডৰ বিষয়টো চুপ্ৰিম কোৰ্টত আছে আৰু বিষয়টো খুব conflict status ত আছে। অসম, অৰণাচল আৰু অসম, মেঘালয়ৰ বিবাদটো আমি মীমাংসা কৰিব পাৰো। It is within our authority, within our wisdom, within our grip আমি সেইটো নকৰি যদি সিদ্ধান্ত লওঁ যে আমি কাজিয়াই কৰি থাকিম, It is not a concept of civilization. কিন্তু এচাম মানুহ থাকে বিশেষকৈ Left thinking ৰ মানুহবিলাক। তেওঁলোকে কৰবাত সংঘাত বিচাৰি থাকে। .........Interruption......

**মাননীয় অধ্যক্ষ ঃ** বিষয়টোৰ স্পষ্টীকৰণ হৈ গ'ল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এনেকৈ অসমৰ মাটি এৰি দিয়াৰ বিপক্ষে। এইটো ৰেকৰ্ডত হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যি কৈছে এই সকলোবোৰ ৰেকৰ্ডত থাকিব। ইয়াক লৈ আপুনি চিন্তিত হ'ব নালাগে।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা বেলেগ কথা ক'বলৈ বিচাৰিছো যে আমি বিৰোধী দলত থাকিলো বুলিয়েই সকলো কথাতে যে বিৰোধীতা কৰিম সেই কথাটো হ'ব নোৱাৰে। মই দুআষাৰ ক'ব বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই In principle. মই ভাৱো এই ক্ষেত্ৰত সকলোৰে সন্মতি আছে। সেইটোত কাৰো আপত্তি থাকিব নোৱাৰে। যি ধৰণে কৰিব লাগিছিল সেই ক্ষেত্ৰত যদি আমাৰ কিছু খু-দুৰনি থাকে, সেই কথাখিনি আমাক address কৰিলে ভাল হয়। নীতিগত ভাৱে এইটো ভাল হৈছে। অন্য ৰাজ্যবোৰৰ লগত ভাল ব্যৱহাৰ কৰিলে বিশেষকৈ মেঘালয়ৰ লগত ভাল সম্পৰ্ক থাকিলে পৰ্য্যটন বা অন্য ক্ষেত্ৰতো যথেষ্ট লাভ হ'ব। আমি ব্যক্তিগতভাৱে কথাখিনি কি হৈছে, একো গম পোৱা নাই আৰু MOU ৰ কপিটোও চাঁগে একো বুজি নাপাম। ইয়াত আৰু বহু কথা আহিব আৰু আমি তন্নকৈ তন্নকৈ সেইবোৰ বিশ্লেষণ কৰিম। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক অলপ বিশ্বাসত লৈ গোটেই কথাখিনি বিশেষজ্ঞ সকলৰ দ্বাৰা যাতে বুজাই দিয়ে। লগতে আমি সেইঠাইলৈ যাবলৈ বিচাৰিছো আৰু আমাক যাতে তালৈ লৈ যোৱাৰ ব্যৱস্থা কৰি দিয়ে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমাৰ কোনোবা বিধায়ক-বিধায়িকাই তাত স্বাক্ষৰো কৰিছে আৰু যদি তাৰ গ্ৰাউণ্ড ৰিয়েলিটিটো বেলেগ আৰু আমি বেলেগ এটা কথা ইয়াত আলোচনা কৰি আছো, তেন্তে সেই বিষয়ে অৱশ্যে মই নাজানো। তেতিয়া ইয়াত তৰ্ক-বিতৰ্ক কৰি একো লাভ নাই আৰু ইয়াৰ মীমাংসা কৰিলে ভাল হয়। আমি ইয়াত বহি ৰাইজৰ বৃহত্তৰ স্বাৰ্থত যদি এই সমস্যাসমূহ সমাধান কৰিব পাৰো এই ক্ষেত্ৰত পজিটিভলি সহায় কৰিম। কিন্তু আমাক বিশ্বাসত ল'ব লাগিব আৰু সেই বিশ্বাসতে আমিও মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু চৰকাৰক সহায় কৰিব বিচাৰিছো। MOU ত থকা কথাখিনি Excutive পৰ্য্যায়ত থাকোতে যাতে আমাক তন্নকৈ তন্নকৈ দিয়ে আৰু আমি কৈছো যে এইবোৰে যদি ৰাইজক সহায় কৰে আমি বিৰোধী পক্ষত থাকিও চৰকাৰক ভূয়সী প্ৰসংশা কৰিম। এইক্ষেত্ৰত আমাৰ কিবা খু-দুৰনি থাকিলে পজিটিভলি চৰকাৰক জনাম। আমি তালৈ যাব বিচাৰিছো। প্ৰকৃততে কি হৈছে, MOU ত কি আছে এই গোটেই কথাখিনি যদি লেজিচলেটিভ অৰ্ডাৰ আৰু পাৰ্লিয়ামেণ্টৰী অৰ্ডাৰ অহাৰ আগত সংবাদ মাধ্যমত তৰ্ক-বিতৰ্ক নকৰি সকলোকে বিশ্বাসত লৈ তন্নকৈ তন্নকৈ কথা পাতো মই ভাৱো এটা ঐতিহাসিক সিদ্ধান্ত হ'ব। এই ক্ষেত্ৰত মই মাননীয় অধ্যক্ষ মহোদয়ৰ

জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা উল্লেখ কৰিব বিচাৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে একেলগে উত্তৰ দিলে হ'ব। সদনৰ সকলো সদস্যৰ জ্ঞাতাৰ্থে বাউণ্ডাৰী ৱালৰ সম্পৰ্কে মোৰ এটা ব্যক্তিগত অভিজ্ঞতাৰ কথা ক'ব খুজিছো । মই যেতিয়া জেইলত আছিলো তাত এজন মই ছয়গাওঁ সমষ্টিৰ গাওঁবুঢ়াক লগ পাইছিলো। খুব সম্ভৱ তেওঁ হয়তো ৰাভা মানুহ। তেওঁৰ লগত এটা সম্পৰ্ক গঢ় লৈ উঠিল আৰু খুব আন্তৰিকতাৰে তেওঁ মোক তেওঁৰ ঘৰলৈ মাতিলে। তেখেতৰ গাওঁত গৈ দেখিলো যে গোটেইখিনি তাত অসমীয়া মানুহ। গাওঁবুঢ়া জনে মোক দেখুৱাই দিলে যে মেঘালয় চৰকাৰে মাছ মাৰিবৰ বাবে পুখুৰী এটা বনাই দিছে আৰু তাত চাইন বোৰ্ড লগাই দিছে- ৰেঞ্জ অফিচাৰ ছইল কনজাৰ্ভেশ্বন, মেঘালয়। তাত এখন মেঘালয় চৰকাৰে বিদ্যালয়ো পাতি দিছে। মই গাওঁবুঢ়াক এই বিষয়ে সুধিলো আৰু ক'লো যে আজি চাইন বোৰ্ড ছইল কনজাৰ্ভেশ্বন, মেঘালয়ে বনাইছে। কালি তেওঁলোকে ডিমাণ্ড কৰিব। তেতিয়া তেওঁ ক'লে ডিমাণ্ড কৰিলে উপাই নাই। কাৰণ অসম চৰকাৰে আমাক স্কুল দিয়া নাই, বিদ্যুৎ দিয়া নাই। আমাক এই পুখুৰী, স্কুল আদি মেঘালয় চৰকাৰে বনাই দিছে। আমি বাধা দিম নেকি? এই কথাবোৰত আমাৰ চৰকাৰে গুৰুত্ব দিব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিলে সেই ঠাইখনৰ নামটো দি দিব পাৰিম। এনেকুৰা বহু স্থান আছে, য'ত আমাৰ ৰাজ্যৰ হেমাহীৰ কাৰণে মেঘালয় চৰকাৰে ৰাইজক বহু সুবিধা দি আছে আৰু তেওঁলোকে লাহে লাহে তালৈ যাবলৈ উৎসাহিত হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে যদি মই কোৱা কথাখিনি ৰি-কালেক্ট কৰে, মই কৈছো যে আজিৰ পৰা তেওঁলোকে যদি বন বিভাগৰ অফিচ এটাও গুৱাহাটীত বনাই দিয়ে আৰু আমাক ইয়াত যদি ফিচাৰী এটাও বনাই দিয়ে This will be charity of Meghalaya. কিন্তু মেঘালয়ে একো দাবী কৰিব নোৱাৰে। কাৰণ দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ মাজত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত এখন এগ্ৰিমেণ্ট হৈ গ'ল।...........Interruption.......

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে মানুহে দখল কৰিব তাৰ পিছত আকৌ ক'ব...........Interruption.......

**মাননীয় অধ্যক্ষ ঃ** মাননীয় অখিল ডাঙৰীয়া আপুনি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ভাৱে যে তেওঁ কথা ক'লে সকলোৱে শুনিব। কিন্তু কোনে শুনি থাকিব। কথাবোৰ এনেকুৰা নহয়। আপুনি প্ৰচেচটোৰ লগত জড়িত হ'ব। এতিয়া কথাটো হ'ল যে এটা মেম'ৰেণ্ডামৰ কপি বিৰোধী দলপতি ডাঙৰীয়াক দি দিম। তাত যোৱাৰ কাৰণে কোনো অসুবিধা নাই। আপোনলোকে সেই অঞ্চলটো ভ্ৰমণ কৰিব খুজিলে কামৰূপৰ জিলা উপায়ুক্তক জনালেই হ'ল। এই গোটেই পৰ্য্যায়টো অ-ৰাজনৈতিক আছিল। অলপ আগতে মাননীয় সদস্যা নন্দিতা দাস বাইদেউৱে স্বাক্ষৰ কৰা প্ৰতিবেদনখনো বিৰোধী দলৰ দলপতিক দিছো। ইয়াত কোনো ৰাজনৈতিক কথা নাই। মই ভাৱো আজিৰ পৰা অসম-মেঘালয়ৰ সীমা সমস্যা ছয় ঠাইত শেষ হৈ গ'ল। এতিয়া আমাৰ কেইটামান সমস্যা আছে যেনেকৈ বিহালীৰ এখন সংৰক্ষিত বনাঞ্চল আৰু সেইফালৰ পৰা অৰুণাচলে সোমোৱা বুলি অভিযোগ কৰে। কিন্তু যিহেতু সেইখন সংৰক্ষিত বনাঞ্চল, আমি তাত ৰাস্তা, টেলিফোন টাৱাৰ

আদি বনাব নোৱাৰো। গতিকে Assam is in a disadvantage position. সেই কাৰণে আমি যিমান সোনকালে পাৰো সমস্যাটো সমাধান কৰি ল'ব লাগে। আমি যিমানেই দেৰি কৰিম আমি সিমানেই হেৰুৱাম। মোৰ কথাটোৰেই আপোনালোকে অলপ বেলেগ ধৰণে বুজিছে। আজি আমাৰ ফালৰ পৰা এইবোৰ বনাঞ্চল আমি কৰিব নোৱাৰো। কিন্তু তেওঁলোকে কৰি গৈ থাকিব। এসময়ত আমি বেছিকৈ হেৰুৱাব লাগিব। আজি যেতিয়া উত্তৰ-পূৰ্ব্বাঞ্চলত এটা Proper Spirit আছে, গোটেই কেইজন মুখ্যমন্ত্ৰীয়ে কথা পাতিব পাৰে, কংগ্ৰেছ দল সকলো ৰাজ্যতে আছে, এটা United Umbrella আছে। এই সময়খিনিয়ে This is the best time to resolved the border disputes to proceed to the next level. ইয়াৰ ভিতৰতো এটা কথা আছে। ১ তাৰিখে মোৰ এটা বক্তব্য আছিল যে There is a section of intellectual people in our society, they want to create discontent in every spare. কাৰণ যদি প্ৰতিবাদ নাথাকে, মানুহৰ মাজত খং নাথাকে, তেতিয়াহ'লে মানুহৰ সকলো সমস্যা সমাধান হৈ যাব আৰু তেওঁলোকো নোহোৱা হৈ যাব। সেইকাৰণে তেওঁলোকে নিজে জীয়াই থকাৰ স্বাৰ্থত ভাল ঠাইতো প্ৰতিবাদ এটা সৃষ্টি কৰিব বিচাৰে। That is called socalled Left Anarchist Ideology আৰু সেইটোক আমি বিৰোধীতা কৰো।

**শ্ৰী আমিনুল ইছলাম,(জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা ক'ব বিচাৰিছো যে আমাৰ চুবুৰীয়া এইকেইখন ৰাজ্যৰ ভিতৰত আটাইতকৈ বেছি আগ্ৰাসী ৰাজ্য মিজোৰাম আৰু নাগালেণ্ডে আমি যোৱা ১৫-২০ বছৰৰ পৰা দেখা পাইছো। আজি কিছুদিন পূৰ্বে মিজোৰাম আৰক্ষী আৰু মিজোৰামৰ ৰাইজে মিলি অসম আৰক্ষীৰ ছয় গৰাকীকৈ জোৱানক শ্বহীদ কৰিলে।

..........Interruption.......

**মাননীয় অধ্যক্ষ ঃ** এইবিলাক কৈ থাকিলে শেষ নহয়। কৈ থাকিলে discussion ৰ নিচিনা হৈ যাব। এইটো যদি আলোচনা কৰি থাকে তেতিয়াহ'লে আমি অন্য বিষয়ত আহিব নোৱাৰিম। গতিকে সকলো বস্তু সদায় discussion ৰ নিচিনা হ'ব নালাগে। এতিয়া আমি অন্য কাৰ্য্যসূচীলৈ আহিছো।

**শ্ৰী আমিনুল ইছলাম, (মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে আপুনি যদি সময় দিয়ে, মই ৪ বাৰ থিয় দিলো। মোৰ সমষ্টিৰ নতুন নতুন ঠাই মেঘালয়ে দখল কৰি আছে। অসম দৰ্শণৰ কাম হৈ আছে, কামাখ্যা মন্দিৰটো সিহঁতে সিঁহতৰ বুলি কয়। মিৰজুমলাৰ কবৰস্থানটোও সিহঁতে সিঁহতৰ বুলি কয়। দক্ষিন শালমৰা থানাৰ signboard সিঁহতে আহি ভাঙি দিছে। মোক এই কথাখিনি ক'বলৈ সুযোগে নিদিলে। মোৰ সমষ্টিলৈ যাবলৈ হ'লে ১৩৭ কিঃ মিঃ বাট মেঘালয়ৰ মাজেৰে যাবলগীয়া হয়। তাত সদায় কিডনেপিং হৈ আছে। আগতে ৬ কিঃ মিঃ দূৰৈত আছিল মেঘালয়ৰ পোষ্ট। কিন্তু সেইটো কাটি আনি তেওঁলোকে মানকাচাৰৰ ওচৰত বহুৱাই দিলে। সেইবিলাক লৈ কোনো আপত্তি নাই। কিন্তু নতুন নতুন ঠাই নলওঁ বুলি ক'লেই হ'ল। এইখিনি কথা আপোনালোকে মোক ক'বলৈ নিদিলে।

**মাননীয় অধ্যক্ষ ঃ** মই সকলোকে ক'বলৈ সুবিধা দি আছো। Statement টো বেলেগ বিষয়। Discussion টো বেলেগ বিষয়। এদিন বোৰ্ডাৰৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে এখন agenda set কৰক। তেতিয়াহে ভালদৰে আলোচনা কৰিব পাৰিব।

**শ্ৰী আমিনুল ইছলাম, (মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰক্ৰিয়াটোক মই ধন্যবাদ জনাইছো। এতিয়া মোৰ সমষ্টিৰ ছাত্ৰীবাহী বজাৰ, হয়ডুৱা বজাৰ, চান্দামাৰী বজাৰ, এইবোৰ মেঘালয়ে কৈ আছে যে এইবোৰ আমাৰ বজাৰ। যুগে যুগে এই বজাৰবোৰত আমাৰ অসমৰ বজাৰ, অসমৰ লেচী,

অসমৰ টেঙ্গাৰ হৈ আছে। কিন্তু এতিয়া মেঘালয়ৰ গাৰো ছাত্র সন্থাই আহি এই সমূহ দখল কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া আমি অন্য কাৰ্য্যসূচীলৈ আহোঁ। ৰাজভৱনৰ পৰা এটা বাণী আহিছে। সেই বাণীটো হল -

Under the provision of Article 207 of the constitution of India, I Prof. Jagdish Mukhi, Governor of Assam recommend that the Assam Taxation (Liquidation of Arrear Dues)( Amendment) Bill, 2022 be taken into consideration by the Assam Legislative Assembly. মই মাননীয় বিত্ত মন্ত্রী ডাঙৰীয়াক The Assam Taxition (Liquidation of Arrear Dues)( Amendment) Bill, 2022 বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্রী মতী অজন্তা নেওগ, (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Taxition (Liquidation of Arrear Dues)( Amendment) Bill, 2022 দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্রস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্রস্তাৱটো সদনত দাঙি ধৰিলো। প্র স্তাৱটো হ'ল The Assam Taxition (Liquidation of Arrear Dues)( Amendment) Bill, 2022 বিবেচনাৰ বাবে লোৱা হ'ল। যিসকল মাননীয় সদস্য-সদস্যা প্রস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ,হয়ৰ সপক্ষে প্রস্তাৱটো গৃহীত হ'ল।

বিধেয়কখনৰ ২ নং দফাত কোনো সংশোধনী প্রস্তাৱ নাই। এতিয়া বিধেয়কখনৰ ২ নং দফাটো মই সদনত দাঙি ধৰিলো। প্রশ্নটো হ'ল বিধেয়কখনৰ ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ,হয়ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদস্য কমলাক্ষ দে' পুৰকায়স্থৰ এটা সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য শ্রী কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াক সুধিব বিচাৰিছো যে আপুনি প্রস্তাৱটো উঠাই ল'বনে?

**শ্রী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ আগতে মোৰ অলপ ক'বলগীয়া আছে। The Assam Taxation (Liquidation of Arrear Dues) ( Amendment) Bill, 2022. অধ্যক্ষ মহোদয়, বহু কেইটা Act য'ৰ পৰা Arrear পাবলগা আছে। Prohibition of manufacture appraising trade, storage and sales Act যিখন হৈছিলে এইখন নাই। আৰু এখন Act হৈছিলে, সেই সময়ত বৰ্তমানৰ মুখ্যমন্ত্রী ডাঙৰীয়া স্বাস্থ্য মন্ত্রী আছিলে, মইও আছিলো সেইখন বিধান সভাত। সেইকাৰণে এই Act খন তাত সন্নিবিষ্ট কৰিব পৰা নাই। মই এইটো উঠাই দিম। কাৰণ সেই Act খনৰ মতে যিসমূহ বস্তু বন্ধ কৰা হৈছিল সেই সমূহ এতিয়াও দোকানত উপলব্ধ কিন্তু তাৰপৰা চৰকাৰে কৰ সংগ্ৰহ কৰিব পৰা নাই। গতিকে আমি ভাৱো যে এই বস্তুবোৰ সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগে। জৰ্দাৰ লগতে যিসমূহ ৰাগিয়াল বস্তু আছে সেইবিলাক যদি আমি বন্ধ কৰো তেতিয়া অসমৰ ৰাইজৰ কাৰণে

ভাল হ'ব। মই এইটো উঠাই লৈছো কিন্তু বাউদেউৰ ওচৰত মই অনুৰোধ জনাইছো যাতে ইয়াৰ ওপৰত এটা Clear stand ল'ব লাগে।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি Prohibition of manufacture appraising trade, storage and sales Act খন ইয়াত insert কৰিবলৈ দিছে, তাত আচলতে দুটা বস্তু আছে যিটো আপুনি গম পাইছে। মই যিখন বিল আনিছো সেই বিলখন Arrear Dues ৰ কাৰণে আনিছো। কিন্তু আপুনি যিটো ইয়াত insert কৰিবলৈ কৈছে সেইটো আমি এইকাৰণেই আনিব নোৱাৰো কাৰণ সেইখন Tax Bill নহয়। সেই বিলখন যদি আপুনি চায় The Assam Health (Prohibition of Manufacturing,Trade, Advertisement, Storage, Distribution, Sale and Consumption of Zarda, Gutkha, Panmasala etc. containing Tobacco and /or Nicotine)Act, 2013 তাত প্ৰথমতে আপুনি চাব preamble ত কি লিখা আছে। তাত আপুনি পাব যে to improve public health and prevent incidence of cancer and other health hazards and addictions among the people of the State and for matters connected therewith or incidental thereto.এইটোৱে সমস্যা। আপুনি যিটো insert কৰিবলৈ কৈছে সেইটো সম্ভৱ নহয়। কাৰণ GST ৰ পিছত repellent হৈছে। তাৰপিছতহে আপুনি Act টো সুমুৱাবলৈ কৈছে। গতিকে practical reason তে মই এইটো insert কৰিব নোৱাৰো। মই আপোনাৰ concern টো আমি admit কৰিছো। কিন্তু সংশোধনী কৰিব নোৱাৰো। গতিকে মই মাননীয় সদস্য গৰাকীক এইখিনি কথা কৈ তেখেতৰ সংশোধনীটো উঠাই ল'বলৈ অনুৰোধ জনালো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সংশোধনী টো withdraw কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৩ নং দফা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৪ আৰু ৫ নং দফা দুটাৰ লগতে অনুসূচীখনত কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে এতিয়া মই বিধেয়কখনৰ ৪ আৰু ৫ নং দফা দুটাৰ লগতে অনুসূচীখন সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখনৰ ৪ আৰু ৫ নং দফা দুটাৰ লগতে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা ৪ আৰু ৫ নং দফা দুটাৰ লগতে অনুসূচীখনৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ৪ আৰু ৫ নং দফা দুটাৰ লগতে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে , হয়ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই The Assam Taxation (Liquidation of Arrear Dues) ( Amendment) Bill, 2022 খন পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল The Assam Taxation (Liquidation of Arrear Dues) ( Amendment) Bill, 2022 পাৰিত কৰা হওক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে , হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত হ'ল। ৰাজ ভৱনৰ পৰা বাণী এটা আছে - বাণীটো হ'ল ।

Under the provision of Article 207(3) of the Constitution of India I prof Jagdish Mukhi Governor of Assam, recommended the Assam fiscal responsibility and Budget mangement amendment Bill , 2022 be taken in to consideration by the Assam Legislative Assembly.

মাননীয় বিত্ত মন্ত্ৰীক the Assam fiscal responsiblity and Budget mangement (amendment) Bill , 2022 বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী,বিত্ত ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, the Assam fiscal responsibility and Budget mangement (amendment) Bill , 2022 দফাই দফাই আলোচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো ।প্ৰস্তাৱটো হ'ল- the Assam fiscal resposiblity and Budget mangement (amendment) Bill , 2022 বিবেচনাৰ বাবে লোৱা হওঁক । যিসকল মাননীয় সদস্য- সদস্যা বিধেয়কখনৰ 'সপক্ষে' আছে তেখেতসকলে কওঁক 'হয়' যিসকলে 'বিপক্ষে' আছে তেখেতসকলে কওঁক 'নহয়' মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনৰ ২নং দফাত মাননীয় সদস্য দেবব্ৰত শইকীয়া, কমলাক্ষ দে পুৰকায়স্থ, ভৰত চন্দ্ৰ নৰহ, ৰকিবুল হুছেইন , শিবামনি বৰা, ভাস্কৰ জ্যোতি বৰুৱা, ৰেকিবুদ্দিন আহমেদ, মিছবাহুল ইছলাম লস্কৰ, দিগন্ত বৰ্মন,খলিলুদ্দিন মজুমদাৰ, আব্দুৰ ৰছিদ মণ্ডল, চিদ্দিক আহমেদ, নুৰুল হুদাৰ নামত এটা আৰু শ্বেৰমান আলী আহমেদৰ নামত এটা আৰু শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ), মজিবুৰ ৰহমান, আমিনুল ইছলাম (কনিষ্ঠ) , নিজানুৰ ৰহমানৰ নামত এটা মুঠ তিনিটা সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য দেবব্ৰত শইকীয়া আৰু বাকী যিসকলৰ নাম উল্লেখ আছে আপোনালোকে withdraw কৰিবনে?

**শ্ৰী ভৰত চন্দ্ৰ চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** ছাৰ, I beg to move in the proposed Sub Clause (VII) of Sub Clause (II) of Clause 2 of the proposed Bill, the figure '32 %' appearing in line 2 shall be substituted by the figure '29%'.

**মাননীয় অধ্যক্ষ ঃ** আপুনি বক্তব্যটো দিয়ক। যিহেতু আগতে মুভ কৰি থৈছে , উইড্ৰ কৰিলে আৰু মুভ কৰিব নালাগে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** চাৰ , FRBM Act খন বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে সংশোধন

কৰি ঋণ ল'ব বিচাৰিছে। ৰাজ্য চৰকাৰক লোন ল'বলৈ আগতে যিটো চিলিং বান্ধি দিয়া আছিলে, date to the GSDP সেইটো ২৮.৫ শতাংশ আছিলে এইটো এতিয়া ৩২ শতাংশ কৰিব বিচাৰিছে। ছাৰ এইটোত আমাৰ অলপ আপত্তি আছে। এইটো আগতে এমেণ্ডমেন্ট কৰোতেও আমি আপত্তি কৰিছিলো। ছাৰ যেতিয়া লোন ল'বলৈ ২৮.৫ শতাংশ আছিলে এইটো যেতিয়া ৩২ শতাংশ কৰিব তেতিয়া ৩ টা বস্তুৰ ওপৰত এফেক্ট কৰিব। প্ৰথমতে আমাৰ total outstanding liabilities of State Government এতিয়া যিটো আছে সেইটো বাঢ়ি যাব। দ্বিতীয়তে ছাৰ পাৰ কেপিটা যিটো লোন আছে আমাৰ সেইটোও বাঢ়ি যাব। তৃতীয়তে ছাৰ, যিটো ষ্টেট গৰ্ভমেন্টৰ ইন্টাৰেষ্ট পেমেন্ট দিয়া আছে সেইটো বাঢ়ি যাব। ছাৰ অসম চৰকাৰৰ প্ৰজেক্টেড জি এচ ডিপি যিটো বাজেটত দেখুৱাইছে - ৪,৮১,৬৫৭ লাখ টকা, এইটো ২০২২-২৩ চনত , আৰু তাৰে যদি ৩২ শতাংশ লোন লয় তেতিয়া টোটেল আউটষ্টেণ্ডিং লাইব্লেটিছ অৱ ষ্টেট গৰ্ভমেন্টৰ হ'বগৈ - ১,৫০,৫১৮ লাখ টকা হ'ব। যদি আপুনি ২০২১-২২ ৰ প্ৰজেক্টেড জি এচ ডিপি যিটো বাজেট তাৰ ওপৰত লয় - ৪,৩৩,৯২৫ লাখ টকাৰ ওপৰত তেতিয়া হ'লে ১,৩৮,৮৮৬ লাখ টকা হ'ব। এইটো আমি এই কাৰণে আপত্তি কৰিছো যে ভাৰত চৰকাৰে ২০১৭ চনত এটা এফ আৰ বি এম কমিটি গঠন কৰিছিল, এন কে সিং কমিটি বুলি কোৱা হৈছিল। এই কমিটিয়ে এটা ৰিক'মেণ্ড কৰিছিলে যে ষ্টেট গৰ্ভমেণ্টে লোন লোৱাটো জি এচ ডি পিৰ ২০ পাৰ্চেন্টৰ ভিতৰত ৰাখিব লাগে। চেন্ট্ৰেল গৰ্ভমেন্টৰ কাৰণে ৪০ শতাংশ দিছিলে। গতিকে এই যিটো এমেণ্ডমেন্ট আনিলে এইটো এন কে সিং কমিটিক অভাৰটেক কৰিছে। পৰামৰ্শ মনা নাই। ভাৰতৰ দুখন ৰাজ্যই মহাৰাষ্ট্ৰ আৰু গুজৰাটে এন কে সিং কমিটিৰ পৰামৰ্শ মানি আছে। অসমকে ধৰি বাকী ৰাজ্যই মনা নাই। ফোৰ্টিন ফাইনেন্স কমিটিয়ে লোন লোৱাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহক এটা চিলিং বান্ধি দিছিল। সেইটো ডেবট্ টু দি জি এচ টি বি , সেইটো ২৫ শতাংশ বান্ধি দিছিলে। ইন্টাৰেষ্টৰ ক্ষেত্ৰতো চিলিং বান্ধি দিছে। সেইটো টেন পাৰ্চেন্ট টু দি ৰেভিনিউ ৰিচিভড। আমি যিটো ৰেভিনিউ কালেকশ্যন পাইছো সেইটোৰ ১০ শতাংশহে ইন্টাৰেষ্ট পেমেন্ট হ'ব পাৰে। এতিয়া এই ৩২ পাৰ্চেন্ট কৰাৰ লগে লগে ছাৰ আমাৰ ৰাজ্য চৰকাৰৰ ইন্টাৰেষ্ট ৰিপেমেন্টটো বাঢ়ি যাব। ইন্টাৰেষ্ট পেমেন্টটো বাঢ়ি যাব। আউটষ্টেণ্ডিং লাইব্লেটিছটো বাঢ়ি যাব। গতিকে ৰাজ্যখন পিছুৱাই গৈ থাকিব। লাহে লাহে আমাৰ ৰাজ্যখন ডেব্‌ট ট্ৰেপৰ ফালে গৈ আছে। যেনেকৈ এতিয়া শ্ৰীলংকা সোমাইছে। এতিয়া পাঞ্জাৱত কি হৈছে। তাত ইন্টাৰেষ্ট পেমেন্ট আৰু এনুৱেল বৰোয়িং যিটো লিমিট সেইটো প্ৰায় একে হৈছে। এতিয়া ইন্টাৰেষ্ট পেমেন্ট কৰাৰ বাবে লোন ল'ব লগা হৈছে। আমাৰ মুখ্যমন্ত্ৰী ২০২০-২১ চনত বিত্ত মন্ত্ৰী আছিলে ছাৰ তেতিয়া তেখেতে সদনত এটা এফ আৰ বি এম ডকুমেন্ট চাবমিট কৰিছিলে। তাত কোৱা হৈছিল। তেতিয়া ৫ বছৰৰ পিছত আমাৰ অসম চৰকাৰৰ টোটেল পেমেন্ট ৪১২৮১.১৬ কিন্তু ছাৰ ৩২ পাৰ্চেন্ট যদি লয় - যদি চিলিংটো বঢ়াই দিয়ে - তেতিয়া মই ভাবো যে আমাৰ ষ্টেটৰ ইন্টাৰেষ্ট পেমেন্টটো ৫ বছৰ পিচত ২০২৫-২৬ চনত বোধহয় ৫৫ হাজাৰ কোটি টকা হ'ব। গতিকে চৰকাৰৰ বিত্তীয় অৱস্থা খুৱ বেয়া হ'ব। যোৱাবাৰ মুখ্যমন্ত্ৰীয়ে যেতিয়া কৈছিলে আমি যিটো লোণ লৈছিলো হাউচে আমাক এপ্ৰোভ কৰিছে - মই কিন্তু তেতিয়াও অপোছড কৰিছিলো। তেতিয়া ৪ টা গ্ৰাউণ্ড ৰিফৰ্ম কমপ্লিট কৰাৰ পিছতহে আপোনালোকক লোন ল'বলৈ পাৰ্মিশ্যন দিয়া হৈছিলে। সেইবোৰ আছিল (1) details of reform to be completed for availing additional borrowing . এইটো আছিলে যে যোৱাবাৰ- ease of doing business ৰিফৰ্ম কৰিব লাগিব। (2) one nation one Ration Card (3) Urban local Bodies

(4) power distribution, কিন্তু state Government য়ে কেৱল এটাহে কমপ্লিট কৰিব পাৰিলে ease of doing business, বাকী one Nation one Ration এইটোও কমপ্লিট হোৱা নাই Urban Local Bodies ৰিফৰ্ম নহ'ল । পাৱাৰ ডিষ্ট্ৰিবিউশ্যনটো হৈ আছে কিন্তু এতিয়াও কমপ্লিট হোৱা নাই। সেইটো কনডিশ্যনতহে আমি লোনটো এপ্ৰোভ কৰিছিলো। এইটো কনডিশ্যনত চেণ্ট্ৰেল গৰ্ভমেণ্টে লোনটো এপ্ৰোভ কৰিছিলে। ৪ টাৰ ভিতৰত চৰকাৰে এটাহে কৰিব পাৰিলে। সেই কাৰণ মই মাননীয় বিত্ত মন্ত্ৰী আৰু চৰকাৰক ৰিকুৱেষ্ট কৰিব খুজিছো যে লোনটো নবঢ়াই আপোনালোকে কিছু এক্সপেণ্ডিচাৰটো কমাওঁক। কাৰণ মাৰ্চ, ২০১৫ চনত আমাৰ আউট ষ্টেণ্ডিং লাইয়েব্লিটিছ কেনেকুৱা কৈ বাঢ়িছে ক'ব খুজিছো। মাৰ্চ, ২০১৫ চনত আমাৰ আউট ষ্টেণ্ডিং লাইয়েব্লিটিছ তেতিয়া আছিলে - ৩১,৩০০.৯৯৪ আৰু সেইটোক জাপ মাৰি গৈ একেকোৰে ২০২১ চনত ৮২,৭৪১.০৭ হ'ল। আৰু পাৰ্চেন্ট হিচাপে ২০১৫ চনত ১৫.৯৯ শতাংশ আছিলে ডেবট্ টু বি জি এচ ডি বি ৰেচিঅ' আৰু ২০২১ চনত গৈ ২২.৩০ শতাংশ হ'লগৈ। প্ৰতিটো এনেকৈ বাঢ়ি গৈ আছে। সেই কাৰণে মই কৈছো আপোনালোকে ৩২ শতাংশ নলৈ মিনিমাম ২৯.৫ শতাংশ ল'ব লাগে। মুখ্যমন্ত্ৰী মহোদয়ে পাঞ্জাৱ- কেৰেলাৰ উদাহৰণ দিছে। পাঞ্জাৱৰ অৱস্থা বৰ্ত্তমান ভাল নহয়। আম আদমি পাৰ্টিৰ চৰকাৰ হোৱাৰ পিচতে প্ৰধান মন্ত্ৰী ডাঙৰীয়াক লগ কৰি ক'লে যে আমাক ৫০ হাজাৰ কোটি টকা ২ বছৰৰ পেকেজ দিয়ক। ৩৩ খন জিলাত যদি ডি চি অফিচ integrated কৰিবলৈ যায় কিমান কোটি টকা খৰচ হ'ব, আপোনাৰতো আয় নাই, আপোনাৰতো surplus পইচা নাই, মানুহে ঘৰ নতুনকৈ কেতিয়া বনাই, যেতিয়া আয় থাকে, যেতিয়া surplus পইচা থাকে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কলে মডাৰ্ণ আৰৰ্তভৰন বনাম, এতিয়া অসমত ৩৩ খন জিলা আছে, এতিয়া ৩৩ টা আৰৰ্তভৰন বনালে কিমান পইচা যাব। তাৰ পিছত আমাৰ গুৱাহাটীত এটা property আছে, Administrative Staff College, এনেকুৱা ধুনীয়া Staff Collegeৰ দৰে property বেলেগ ৰাজ্যত নাই হোৱা। যেতিয়া কেন্দ্ৰীয় মন্ত্ৰী বিলাক আহে ৰিভিউ মিটিং বোৰ তাত নাপাতি কি কাৰণে Taj Vivanta, Radisson blu হোটেললৈ লৈ যায়, সেইটো বন্ধ কৰক। যিমান ৰিভিউ মিটিং, চৰকাৰী মিটিং হয় Administrative Staff College খানাপাৰাত পাতক। পইচা কমাই দিয়ক, Taj Vivanta, Radisson blu হোটেলত মিটিং কৰা বন্ধ কৰি দিয়ক। কাৰণ আপোনাৰ আয় নাই, surplus পইচা নাই আৰু আপোনাৰ যি ৮৫ লাখ হিতাধীকাৰী আছে, সেই ৮৫ লাখ হিতাধিকাৰীৰ ৫০ শতাংশ আঁচনি আপোনালোকে income generation schemeলৈ convert কৰি দিয়ক। যি খিনি দি আছে, ইয়াৰ আয় নাই, ৮৫ লাখ হিতাধিকাৰীক দি আছে, তাৰ পৰা কোনো ৰিটাৰ্ণ নাই। মাননীয় মুখ্যমন্ত্ৰীৰ হেলিকপ্টাৰ ব্যৱহাৰটো বন্ধ কৰি দিয়ক, আয় নাই আমাৰ হাতত, আমাৰ হাতত surplus পইচা নাই আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰাইভেট জেট লৈ দিল্লীলৈ অহাযোৱা কৰাটো বন্ধ কৰি দিয়ক। নহ'লে দিনে দিনে ৰাজ্যখনৰ অৱস্থাটো বেয়া হ'ব।

**শ্ৰীঅমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া) ঃ** অধ্যক্ষ মহোদয়, প্ৰয়োজনতকৈ বেছি বুজাইছে, বুজি পাইছোঁ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং ) ঃ** অধ্যক্ষ মহোদয়, মাজত কোৱাটো ডিভাইছত নাই।

**(হুলস্থূল)**

**মাননীয় উপাধ্যক্ষ ঃ No talking.**

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওবৈচা) ঃ** উপাধ্যক্ষ মহোদয়, অমিয় কুমাৰ ভূঞাকো ধন্যবাদ জনাইছোঁ,

মোৰ কবলগীয়া প্ৰায় শেষ হৈছে।

**শ্ৰীঅমিয় কুমাৰ ভূঞা (বিহপুৰীয়া)ঃ** এটা লিমিটেডলৈ শুনিব পাৰো আৰু তাৰ পিছত ইমান বুজাবলৈ গলে আমাৰ কবলগীয়া থাকে। আমাৰ চিন্তা আছে, আমাৰো মিছন আছে আমাৰো commitment আছে সমাজত।

**মাননীয় উপাধ্যক্ষ ঃ** পৰৱৰ্ত্তী।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** উপাধ্যক্ষ মহোদয়, এইটো এটা নিয়মত, যদি এমেণ্ডমেণ্ট লাগে, সেইটো দিলেহেঁতেন। এমেণ্ডমেণ্টত কোনে কোনে কব সেইটো ধাৰ্য্য কৰি অধ্যক্ষ মহোদয়ে পঢ়ি দিছে নাম কেইটা কোনে কোনে কব পাৰে। উপাধ্যক্ষ মহোদয়, মই মাত্ৰ এখন ছবি দাঙি ধৰিব বিচাৰিছোঁ আৰু মাননীয় মন্ত্ৰীৰ পৰা সেইখিনি পাম বুলি ভাৰিছোঁ। Basically এই চৰকাৰ খনৰ কথাটো আছিল যে আমি লোন নলওঁ। যদি বিচাৰে মই আনিছো, কোন তাৰিখে কি কৈছিল। আকৌ কৈছো এইখিনিতে মাননীয় তৰুণ গগৈ বহি আছিল আগৰ মুখ্যমন্ত্ৰী, কৈছিল যে লোণ লৈ শেষ কৰি থৈ গ'ল, ১০ হাজাৰ কোটি টকাৰ ঋণ ললে। একবাৰে আমি বাহিৰত ওলাব নোৱাৰোঁ। তেতিয়া সকলোৱে ভাৰিছিল যে এই চৰকাৰ খন আহিলে উপাৰ্জন বঢ়াব আৰু লোন নল'ব। যদি চাব খোজে মই চিডি খিনিও সংগ্ৰহ কৰিছোঁ। যেতিয়া Talkshow হৈছিল আমাক কৈছিল আপোনালোকে কিয় লোণ লৈছিল, কিয় লোণ লৈ গোটেই অসম খনক ধৰুৱা কৰিলে? এই কথা বতৰা বিলাক যেতিয়া ভাৰিছিল তেতিয়া আমি ভাৰিছিলো যে এই চৰকাৰ খনে হয়তো লোন নলয়। লোন নলৈ বোধহয় তেওঁলোকে উপাৰ্জনটো বঢ়াব। এতিয়া যিটো তথ্য মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে দিলে প্ৰশ্নত মই নাজানো গোটেইখিনি, এই কথাতো ইমান এক্সপাৰ্টো নহয়, লিখিছে আমাৰ দৈনিক জনমভূমি কাকতত যে ২০২০-২১ বৰ্ষত জি ডি পি সৰ্বকালৰ সৰ্বনিম্ন। এই কথাখিনি হয়নে নহয় যে আগত আৰু সৰ্বনিম্ন হৈছে ২০২০-২১ বৰ্ষত জি ডি পি সৰ্বকালৰ সৰ্বনিম্ন। তাৰ পিছত লিখিছে যে ৰাজ্যৰ অৰ্থনীতিৰ বাবে উদ্বেগজনক তথ্য ৰাইজৰ জনমূৰী আয় অতি সামান্য বৃদ্ধি হোৱাৰ বিপৰীতে জনমূৰি ঋণৰ পৰিমাণ অধিক বৃদ্ধি হৈছে। অসমৰ শিশুৰ মূৰতো এতিয়া ২৩৬১১ টকা ঋণৰ বোজা, দৈনিক জনমভূমিয়ে লিখিছে। জনমূৰি ঋণ ২৩৬১১ টকাৰ বিপৰীতে ধাৰৰ বোজা ১৮৮৬.৫ কোটি টকা। বিত্তমন্ত্ৰীৰ তথ্যই উন্মোচিত কৰিলে ৰাজ্য চৰকাৰৰ অৰ্থনৈতিক অৱস্থাৰ ছবি, অসম আদিত্য বুলি এখন কাকতত লিখিছে। ইয়াত লিখিছে আকৌ কেবিনেট পাতিছে কেইদিনমান আগত ঢকুৱা খানাত এতিয়া গুৱাহাটীতকৈ ঢকুৱাখানাত পেট্ৰলৰ দাম বেছি। নাজানো সচাঁ নে মিছাঁ। গুৱাহাটীত দাম ৯৯.৯১ টকা, আকৌ ঢকুৱাখানাত ১০৩.২১ টকা, মাজুলিত ১০২.৬০ টকা পেট্ৰ'ল। বিত্তমন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীৰ তথ্যত উন্মোচিত হ'ল কংগ্ৰেছ, বিজেপিৰ শাসনৰ আকাশ পাতল তফাৎ। শোচনীয় ৰাজ্যৰ অৰ্থনীতি জি ডি পি ০.৯৫ শতাংশ। কংগ্ৰেছৰ আমোলত ২০১৫-১৬ বৰ্ষত ৰাজ্যত জি ডি পি আছিল ১৬.৪৭ শতাংশ। জনমূৰি ঋণ কংগ্ৰেছৰ দিনৰ ১০৭৬০ টকাৰ ৰ পৰা বাঢ়ি গৈ এতিয়া হৈছে ২৩৬১১ টকা। এপ্ৰিলৰ পৰা ৰাজ্যত বাঢ়িব ৫ শতাংশ টোলগেটৰ পইচা, ক'ত বাঢ়িব নিয়মীয়া বাৰ্তাই কৈছে সোণাপুৰত কিমানকৈ, মদনপুৰত কিমানকৈ, ৰ'হাত কিমানকৈ, ডবকাত কিমানকৈ বাঢ়িব আগত কিমান আছিল সেই তথ্যও দিছে উপাধ্যক্ষ মহোদয়, ready referenceৰ কাৰণে মই আপোনাৰ জৰিয়তে দিব বিচাৰিছোঁ। আকৌ নতুনকৈ কৈছে ডেৰগাঁৱতো নতুন টোলগেট বহাব, ৮০ শতাংশ নিৰ্মাণ কাম সম্পূৰ্ণ হৈছে। প্ৰতি ইউনিট বিদ্যুৎ মাচুল ৫৯ পইচাকৈ বঢ়াইছে। ১৫০ বিধ অত্যাৱশ্যকীয় দৰৱৰ মূল্য বাঢ়িব ১১ শতাংশ। বিগত ৮ দিনত ৭ বাৰ বাঢ়িল প্ৰেট্ৰ'ল ডিজেলৰ দাম। শাক-পাচলিৰ মূল্য নিয়ন্ত্ৰণৰ বাহিৰত

এইখিনি লিখিছে আমাৰ অসম কাকতত। আমাৰ অসমীয়া প্ৰতিদিনত কথা বিলাক লিখিছে পুনৰ ২০১৬ চনত জি ডি পি আছিল ১৬.৪৭। এই যে কথাবিলাক কৈছে উপাধ্যক্ষ মহোদয়, শ্ৰীলংকাত প্ৰতি লিটাৰ গাখীৰত ২৪৫ টকা। এইকাৰণে চিন্তিত হৈছো যে এইখিনি ক্ষেত্ৰত আমাৰ এখন ঘৰ চলাবৰ কাৰণে উপাৰ্জন নোহোৱা এজন অভিভাৱকে ধাৰ লৈ যদি চলাই থাকে ল'ৰা বিলাকে যদি গাড়ী কিনে, হেলিকপ্টাৰত উঠি ঘুৰি ফুৰে খুব ভাল লাগে। যেতিয়া চক্ৰবৃদ্ধি সূতৰ কাগজখন আহে তেতিয়া মাটি, গাড়ী যায় আৰু দেউলীয়া হৈ ৰাস্তাত ঘুৰিফুৰিব লগীয়া হয় । আজি ৰাজ্যখনত প্ৰতিজন মানুহ আজি চিন্তিত হৈছে। গুৱাহাটীত উন্নয়ন বহুত হৈছে উপাধ্যক্ষ মহোদয় আমি স্বীকাৰ কৰিছো । কিন্তু গাওঁৰ মানুহৰ পেটৰ জ্বালাত থাকিব নোৱাৰা হৈছে । উপাৰ্জন বন্ধ দোকান বিলাক খুলি বহি আছে দোকানত বিক্ৰী নাই । যিহেতু মানুহৰ হাতত টকা পইচা নাই । গতিকে মই অনুৰোধ কৰিম যে লোন আৰু নল'ব । সেই কথাবিলাক মই এড্ৰেছ কৰিব লাগে । আৰু এটা কথা কওঁ যে বানপানী, গৰাখহনীয়া হৈ আছে। কাৰ কাৰণে লোন লৈছে । লোন লোৱাৰ পিছতো কাম কৰি যেতিয়া ঠিকাদাৰে পইছা বিচাৰিছে তেতিয়া পইছা নাই । যদি এই কথা খিনি সত্য হয়, যদি ডাইভাৰ্ট কৰিছে কোনো পইছা, যিটোৰ কাৰণে লোন লৈছে তাত খৰচ নকৰি বেলেগত খৰচ কৰিছে সেইটো এটা ফাইনেঞ্চিয়েল ইনডিচিপ্লিন হ'ব । এই কথা খিনি এড্ৰেচ কৰিব বুলি উপাধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মই মন্ত্ৰী ডাঙৰীয়ানিক অনুৰোধ কৰিছো আৰু পুনৰ বাৰ কৈছে যে এই সময়তখিনিত ৪ শতাংশ আকৌ যদি লোন লয়, ইয়াৰ যিটো আকাৰ হ'ব, সেই আকাৰটো কিন্তু অসমৰ ৰাইজে বহন কৰিব নোৱাৰিব । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য আমিনুল ইছলাম ।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত বহুত কথা আলোচনা হৈছে আৰু ভৰত নৰহ ডাঙৰীয়াই বহুত কথা কৈছে। আমাৰ চৰ্চটো হৈছে যে ইয়াত যিটো প্ৰপ'জ কৰা হৈচে এতিয়া ২৮.৫ শতাংশ লৈকে টোটেল জিএছ ডি পিৰ ধাৰ কৰা যিটো ৰাজ্য চৰকাৰৰ কেপাচিটি আছে এইটো ৩২ শতাংশলৈকে এক্সটেণ্ড কৰিব বিচাৰিছে। আৰু ইয়াৰ কাৰণে যিটো যুক্তি দিছে বিত্তমন্ত্ৰী মহোদয়ে, প্ৰথম কথা কৈছে যে ক'ভিড মহামাৰীৰ কাৰণে ৰাজ্যৰ নিজা ৰাজহ সংগ্ৰহটো প্ৰভাৱ পৰিছে আৰু দ্বিতীয়তে borrowing has significantly enhanced , বাঢ়িছে মানে আৰু আমি ল'ম। কিন্তু মুখ্য কথাটো হ'ল যে যিটো আজি আলোচনা হ'ল শ্ৰীলংকাত আজি যিটো অৱস্থা হ'ল গোটেই বিশ্বত আজি ভয় খাই গৈছে শ্ৰীলংকাৰ অৱস্থা দেখা পাই আৰু এটা কথা যিমান আমাৰ হিতাধিকাৰী সৃষ্টি কৰা বাজেট বিলাক প্ৰত্যেক বছৰে দাখিল কৰা হয়, এই হিতাধিকাৰী সৃষ্টি কৰা বাজেটত পলিটিকেলি বেনিফিট হয় ঠিক কথা কিন্তু আমাৰ হেলথি ইক'নোমি কেনেকৈ প্ৰভাৱ পৰিছে এই কথা বিলাক কিন্তু উপেক্ষা কৰিলে নহ'ব উপাধ্যক্ষ মহোদয়, আৰু এটা কথা হ'ল আমাৰ বৰ্তমান যিখিনি ৰেভিনিউ কালেকচন হয় আৰু সেই ৰেভিনিউ কালেকচনৰ আমাৰ যিখিনি এচেট আছে ২৪ শতাংশ এতিয়ালৈকে আমি ৰেভিনিউ ইমপ'জ কৰা নাই । সেই ২৪ শতাংশৰ পৰা আমি চাই চিতি তাত অলপ ৰেভিনিউ ইমপ'জ কৰা হয় আৰু আমাৰ যদি কেপাচিটিটো বঢ়োৱা হয় তেনেহ'লে হয়তো আমাৰ ধাৰ কৰা কেপাচিটি হিচাপ লিমিট কৰিব লাগে । নহ'লে এইটো ভয়ানক কথা হ'ব । গতিকে মই বেছি কথা ক'ব নাযাও মাত্ৰ এটা কথা ক'ব খুজিছো যে আমি একেবাৰে ৩২ শতাংশলৈ নাযায় আৰু আমি প্ৰস্তাৱ দিছো যে ২৮ শতাংশৰ পৰা ৩০ শতাংশলৈকে কৰা হওঁক । নহ'লে জনসাধাৰণ এফেক্ট হ'ব ।

মাননীয় উপাধ্যক্ষ ঃ মাননীয় সদস্য শ্বেৰমান আলী।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ Hon'ble Deputy Speaker sir, I beg to move that in the proposed sub-clause 7(2) of the proposed Bill the words "if required "and punctuation mark occuring in line five before and after the words "if requiered" shall be delete and the word "only" shall be adder after the last word "projects"

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ মূল কথাটো হ'ল I will defere a little from stand poin of Congress and AIDUF, চৰকাৰে ঋণৰ পৰিমানটো বঢ়াব খুজিছে তাত মোৰ কোনো আপত্তি নাই । I do agree and support the proposal of the government my only concern is that there are some other provision s in our FRBM Act specificaly for prudent fiscal managment in our state. এই খিনিতে মই দুই তিনিটা ক্লজ কৈ দিব বিচাৰিছো। আমাৰ FRBM Act ৰ নীতিত আছে যে to ensure that the borrowing are used for productive assets and accumulation of capital asset and are not applied to regular financial expenditures. This is one of the important principle. Another principle pursue expenditure policies that would provide impetus to economic growths. Pouverty reduction and improvement in human welfare. there are principle, built up a revenue surplus for use in capital formation and productive expenditure. These are some of the very important principle of the FRBM Act. আৰু এটা কথা মই ক'ব বিচাৰিছো যে এই আইন খনত এটা বাধ্যকতা আছে যে we will eleminate revenue defecit within 5th financial year, begining on thursday of April, 2005 and ending on 31st March, 2010. কিন্তু মাননীয় উপাধ্যক্ষ মহোদয় আমি যদি ২০১৯-২০ চনৰ বিত্তীয় বৰ্ষৰ প্ৰকৃত তথ্য চাওঁ তাত দেখা পাও যে সেই সময়তো ৰেভিনিউ ডেফিচিট হৈছে । আচলতে ২০১০ চনতে এইটো শেষ হ'ব লাগিছিল যদিও ২০১৯-২০ চনত প্ৰায় এক হাজাৰ কোটি টকাৰ ৰেভিনিউ ডেফিচিট হৈছে । Another important principle mandate is that we should restrict the revenue expediture under annual state plan to one third of the total plan outlate in a financial year with a veiw to making more fund availabe for capital and developmemt expenditure.

আনহাতে আমি এই বছৰৰ বাজেটতো যদি চাওঁ ইয়াতো দেখা গৈছে যে ৯৬,০০০ ৰেভিনিউ ৰিচিভ আৰু ২৩,০০০ কেপিটেল ৰিচিভ আৰু প্ৰায় **৯৬,০০০** কেপিটেল এক্সপেনডিচাৰ অৰ্থাৎ ১,২০০০ কোটি মানৰ ভিতৰত ৯৬,০০০ ৰেভিনিউ এক্সপেনডিচাৰ হৈছে । As per FRBM Act মতে ৪০,০০০ কোটি টকা হ'ব লাগিছিল। কিন্তু এইটো দুগুণ হৈ গ'ল । সেই কাৰণে মাননীয় উপাধ্যক্ষ মহোদয় ইয়াত আমিনুল চাহাবে যি এপিটাইড গ্ৰ'থ হোৱা বুলি কৈছে মোৰ কথাটো হ'ল If the appitied has grown for creation of asset for future welbeing, for future generation, I will always welcome. সেই কাৰণে মই মাননীয় উপাধ্যক্ষ মহোদয়, If required শব্দটো বিল খনত সন্নিবিষ্ট কৰিব কৈছো। Additional fiscal space that will be created by borrowing shall be

utilized if required strictly for capital expenditure. Why it required that means a doubt is created in our mind that if not required some amount from the borrowing shall be spent for revenue expenditure, which is strictly against the mandate of the FRBM Act, against the provision of fiscal prudency of our state.

মাননীয় অধ্যক্ষ মহোদয়, I have no objection here. কিন্তু মই if required টো কাতি দিয়াটো বিচাৰিছো যাতে ৰাজহ ক্ষতি নহয়।

**মাননীয় উপাধ্যক্ষঃ** শ্ৰী অখিল গগৈ ডাঙৰীয়া আপোনাৰ ইয়াৰ পিছৰটোত আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ মুখ্য দুটা কথা আছিলে, এটা .৫০ শতাংশ যিটো আমাক ভাৰত চৰকাৰে অনুমতি দিছে সেইটো পাৰাৰ চেক্টৰত সেই কাৰণে আনিছো। দ্বিতীয়তে, enhance outstanding debt target for State Govt. from 28.5 % to 32%. দুযোটা Ammendment মই আনিছো ভাৰত চৰকাৰে আমাক অনুমতি দিয়াৰ কাৰণে। আপোনালোক সকলোৰে জানে যে, মই নিজে আনো বুলি আনিব নোৱাৰো আৰু ইয়াৰ কাৰণে GSDP of the State has been increased significantlly during recent year and projected growth rate of the GSDP in 2021-22 is nearly 14%. ১৪ শতাংশ বৃদ্ধি হোৱা কাৰণে GSDP আমি admissibility of the borrowing আনিছো। এইটো ভাৰত চৰকাৰে আমাক অনুমোদন দিছে। শ্বেৰমান আলীয়ে যিখিনি কথা কৈছে তাৰ ওপৰত মই ইয়াত স্পষ্টকৈ দিছো যে, The addiotional Fiscal Space shall be utlized, if required, strictily for capital projects. মই ইয়াত কিছুমান কথা উল্লেখ কৰি বস্তুটো ৰাজনীতিকৰণ কৰিব বিচৰা নাই। মই ইয়াত যিখিনি পইন্টত আনিছো, সেইখিনিহে উত্তৰ দিম। কাৰণ মই যদি কৈ যাওঁ ২০০১ চনৰ পৰা ২০১১, ২০১২, ২০১৩, ২০১৪ লৈকে, মই ইয়াৰ তথ্য অনা নাই। তুলনামূলক তথ্য দিয়াটো মই উচিত নহয় বুলি ভাবো। আজিৰ তাৰিখত মই যিখিনি সংশোধনী আনিছো তাৰ বিষয়ে মই ক'ব বিচাৰিছো। যিহেতু ভাৰত চৰকাৰে আমাক এই Space টো অনুমোদন কৰিছে। যোৱা সদনত যেতিয়া ঋণ ৰ ওপৰত আলোচনা হৈছিল, তেতিয়া আমি গোটেই কথাখিনি আলোচনা কৰিছিলো ইয়াত বেলেগকৈ আৰু ক'ব থকা বুলি মই ভবা নাই। FRBM আইনখন এই সদনে আগতে অনুমোদন জনাইছে। সেই কাৰণে আমাৰ যিখিনি বছেৰেকীয়া ধাৰ কৰা চিলিং, ইয়াৰ ক্ষেত্ৰত কি হয় কেতিয়াবা ভাৰত চৰকাৰে ইয়াৰ নিয়মাৱলীবোৰ সলনি কৰি থাকে। যদি বছৰেকীয়া ঋণৰ চিলিং আছে ৪ শতাংশ, ২০২১-২২ চনত তেওঁলোকে তিনিটা ভাগত অনুমোদন দিছিলে। তেওঁলোকে ৩ শতাংশ চৰ্ত বিহীন ভাবে অনুমোদন কৰিছিল, .৫ শতাংশ incremental capitol expenditure তেওঁলোকে অনুমোদন কৰিছিল আৰু .৫ শতাংশ তেওঁলোকে শক্তি খণ্ডত অনুমোদন কৰিছিল। সেই সকলো বোৰ ধৰি আমাৰ বছেৰেকীয়া ধাৰৰ চিলিংটো আছিল ৪ শতাংশ। তাৰ পিছত debt GSDP ৰ যিটো অনুপাত আছিল তাত ২৮ শতাংশ চিলিং ধৰা আছিল। তাৰ পিছৰ পৰ্য্যায়ত ২০২২-২৩ চনত যি ৪ শতাংশ চিলিং আছিল, সেইটো দুভাগত বিভক্ত কৰিছে, তাৰ ৩.৫ শতাংশ চৰ্তহীন ভাবে আমাক দিছিল .৫ শতাংশ আমাক শক্তিখণ্ডত দিছিল সেই কাৰণে মই এইবাৰ শক্তি খণ্ডত সংশোধনী আনিছো। debt GSDP ৰ ক্ষেত্ৰত মই ব্যৱহাৰৰ কাৰণে ইয়াত আনিছো, মই কৈছো কি যদিহে প্ৰয়োজন হয়। ইয়াক সদায় মূলধনী

ব্যয়ত ব্যৱহাৰ কৰা হয়, কোনো কাৰণত ইয়াক বেলেগ কামত ব্যৱহাৰ নহয়, সেইটো মই সদনত কৈছো। মই এইটো মানি চলিম যে, এইটো সদায় মূলধনী ব্যয়ৰ ক্ষেত্ৰতে ব্যৱহাৰ কৰিম। যেতিয়া আমি এখন বিল আনো তেতিয়া তাত কেবিনেটৰ সিদ্ধান্ত থাকে আৰু সেই সিদ্ধান্ত মৰ্মে মই বিলখন আনিছো। আপোনালোকে যদি তুলনামূলক ভাবে চায় GSDP ৰ অনুপাত জনমূৰী আয়ৰ কথা যি কৈছে সেইটো যোৱা বছৰৰ মাৰ্চ, এপ্ৰিললৈ চাব, সেইটো আছিল ২১.৭১ শতাংশ, সেইটো আমি অতিক্ৰম কৰা নাই। সেই সময়ত এই ধাৰৰ GSDP টো ভাৰত চৰকাৰে অনুমোদন জনাইছিল। এই ক্ষেত্ৰত ভাৰত চৰকাৰে Fiscal raod map অনুমোদন জনাইছিল সেই সময়ত তেওঁলোকে অনুমোদন জনোৱা road map টো আছিল ২৮.৫ শতাংশ। তেতিয়া আমি খৰচ কৰিছিলো ২১.১ শতাংশ। তেতিয়া আমাৰ জনমূৰী ধাৰ আছিল সেইটো ৩ হাজাৰ ৬১১, সেই একে সময়তে হিমাচল প্ৰদেশত তেখেত সকলে অনুমোদন কৰিছিল ৪০.১ শতাংশ। তেওঁলোকে খৰচ ৪২ শতাংশ। পাঞ্জাৱত তেওঁলোকে ৩৮ শতাংশ অনুমোদন কৰিছিল আৰু খৰচ কৰিছিল ৪৪.৬৮শতাংশ। ৰাজস্থানত ভাৰত চৰকাৰৰ road map আছিল ৩৬.৫ শতাংশ, তেওঁলোকে খৰচ কৰিলে ৩৬.৯৯ শতাংশ। পশ্চিংবংগত দিয়া হৈছিল ৩৪ শতাংশ, তেওঁলোকে খৰচ কৰিছিল ৩৫ শতাংশ। সেই ফালৰ পৰা আমি সম্পূৰ্ণ ভাবে fiscal balance ত আছো। যিটো Neagative Growth ৰ কথা কৈছিল, সেই সময়ৰ কথা আপোনালোক সকলোৱে জানে। যেতিয়া গোটেই দেশতে Neagative Growth হৈছিল, সেই সময়ত আমাৰ অসমত Positive Growth হৈছিল। আজি আপোনালোকে জানি ভাল পাব যে আমাৰ বৃদ্ধিটোৱে ১৬.৪ শতাংশ হৈছে। আমি ৰাজহ সংগ্ৰহৰ বাবে যথেষ্ট চেষ্টা কৰিছো আৰু নতুন নতুন ৰাজহ উৎস আমি উলিয়াইছো। আমাৰ নিজৰ টেক্স কালেক্সনটো ২০০০ কোটি টকা বাঢ়িছে। যোৱাবাৰ আমাৰ ১৩ হাজাৰ কোটি টকা, এতিয়া মাৰ্চ মাহলৈ আমাৰ প্ৰায় ২০০০ কোটি টকা বাঢ়িছে। ইয়াত আমাৰ সুৰাৰ পৰাও ৰাজহ আহিছে, যাতায়তৰ পৰাও আহিছে। খনি আৰু খনিজাত সম্পদৰ পৰাও আহিছে। আমি ৰাজহ সংগ্ৰহৰ বাবে বিভিন্ন ধৰণৰ উৎস তৈয়াৰ কৰিছো যাৰ জৰিয়তে আমি আহিবলগীয়া সময়ছোৱাত যাতে আমাৰ টেক্স কালেক্সন বাঢ়ে তাৰ বাবে আমি সদায় সজাগ। মই পুনৰবাৰ মাননীয় সদস্য সকলক ক'ব বিচাৰিছো যে, আমি ঋণ কিহৰ বাবে লৈছো, আমি ঋণ লৈছো অসমৰ উন্নয়নৰ বাবে। আমি কেপিটেল নেচাৰত সৃষ্টি কৰিছো আৰু সেই কাৰণে আমি নিযুক্তি প্ৰক্ৰিয়াটো উন্নীতকৰণ কৰাৰ বাবে ব্যৱস্থা লৈছো। জনমুৰী আয়ৰ বাবে ব্যৱস্থা লৈছো। কিন্তু আমাৰ যিটো fiscal pera meter, অতিক্ৰম নকৰো, আমি আগতেও কৰা নাই। আমি কেতিয়াও নকৰো। এই ধনখিনি যদি ভৱিষ্যতে কৰবাত ব্যৱহাৰ হয় সেইটো হ'ব Capital Nature. এইখিনি কথায়ে মই কৈছো। যিবোৰ আনুসংগিক কথা কোৱা হৈছে, যেনে- হেলিকপ্তাৰৰ কথাটো বহুত পুৰণি কথা। হেলিকপ্তাৰ কিয় ব্যৱহাৰ কৰে, কোনে ব্যৱহাৰ কৰে, কিন্তু সকলোৱে উঠিছে হেলিকপ্তাৰত। এই কথা বিলাক ক'বলৈ মই নাযাও।

উপাধ্যক্ষ মহোদয় আমি নকৰো। এইটো কথা আপোনালোকক কৈছো, এইখিনি ধন যদি ভৱিষ্যতে কেতিয়াবা ব্যৱহাৰো হয়, তেতিয়া হলে আমি কৈছো যে ইয়াক কেপিটেল নেচাৰ হিচাপে ব্যৱহাৰ কৰিম। উপাধ্যক্ষ মহোদয়, মই পুনৰবাৰ দোহাৰিছো যে আমি যিখিনি বাকী আনুসংগিক কথা বিলাক কৈছো, হেলিকপ্তাৰৰ কথাটো বহুত পুৰণি কথা। হেলিকপ্তাৰ কিয় ব্যৱহাৰ কৰে, কোনে ব্যৱহাৰ কৰে, সকলোৱে উঠিছে হেলিকপ্তাৰত, মই কি স্পেচিফাই কৰিম। গতিকে এইখিনি কথা মই ক'ব নাযাওঁ। প্ৰত্যেকেই হেলিকপ্তাৰত উঠিছে উপাধ্যক্ষ মহোদয়।

গতিকে এইবিলাক কথা সদনত আৰু মই ভাবো যে উত্তৰ দিয়াৰ প্ৰয়োজনীয়তা নাই। গতিকে মই নিশ্চিত ভাবে কৈছো। আমি এমেণ্ডমেন্টটো আনিছো এই কাৰণে যে ভাৰত চৰকাৰে আমাক এলাউ কৰিছে। আমাৰ ৰাজ্যৰ জি এচ ডি পি যিটো নিজৰ বাঢ়িছে এইটো তেওঁলোকে এলাউ কৰিছে আৰু ফিচকেল আমি যিটো পেৰামিটাৰ ৰাখিছো, আমি ভৱিষ্যতে within the fiscal পেৰামিটাৰ আমি ৰাখিম। আৰু ভৱিষ্যতে আমাৰ ৰাজ্যখনৰ উন্নয়নৰ হকে এইখিনি সদ ব্যৱহাৰ হ'ব এইখিনি কথা কৈ পুনৰবাৰ সকলো মাননীয় সদস্যকে এইখিনি উঠাই ল'বৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ- ধন্যবাদ। এতিয়া দেবব্ৰত শইকীয়া সহযোগী ১৩ জন আৰু আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া সহযোগী আপোনালোক ৩ জনে প্ৰস্তাৱটো আনিছে, প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, বাইদেউৱে এগ্ৰি কৰিছে তেওঁ assert কৰিছে যে, borrowing should be utilised for capital expenditure মোৰো সেইটোৱে কথা। মোৰ Apprehension যে deep Additional fiscal space shall be utilised if required strictly for capital, if required টো যদি উঠাই দিওঁ আপত্তিটো একো নাই। shall be utilised strictly for capital project, only. Which madam is telling? Which madam is assertain? If required থাকিলে there is always an Apprehension that if not reqired some borrowing should be utilised for revenue expenditure .

**মাননীয় উপাধ্যক্ষ** ঃ - No debate, আপুনি আপোনাৰ প্ৰশ্নটো withdraw কৰিছেনে কৰা নাই।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ- withdraw নকৰো চাৰ, I will want division.

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সোধাৰ উত্তৰ কেইটা আমাক নিদিলে, এই যে তেওঁলোকে লোন লৈছে এতিয়া আমাৰ বহুত মানুহে এইখিনি বুজি নাপাব। লোন ল'লে বস্তুৰ দাম কমিব নেকি? লোন লোৱাৰ কাৰণে সাধাৰণ মানুহৰ মাজত যিটো বোজা সেই বোজাখিনি কমিব নেকি? সেইখিনি উত্তৰ নিদিও বুলি কলেটো নহ'ব। গোটেই কথাখিনি ২০০১ চনৰ পৰা ক'ব বিচাৰিছে। ২০০১ চনৰ পৰা ক'ব লাগিছিল। তেওঁলোকৰ মুখত শুনিলে মানুহে ভাল পাব। তেতিয়াহে উত্তৰ বিলাক হ'ব। গতিকে আমি উত্তৰটো লৈ একে বাৰে সন্তুষ্ট নহয়। যে তেওঁ এটা পাল মৰা উত্তৰ দিছে। সাধাৰণ মানুহৰ মূৰত এতিয়া বহুত বোজা, বস্তুৰ দাম বাঢ়ি গৈছে জন মূৰি ঋণ বাঢ়ি গৈছে। এই কথা বতৰা বিলাকৰ এড্ৰেচ নাই হোৱা, গতিকে আমি এই ক্ষেত্ৰত তেওঁক সহায় কৰিব নোৱাৰিম। আমি উঠাই নলওঁ।

**মাননীয় উপাধ্যক্ষ** ঃ- আমিনুল ইছলাম ডাঙৰীয়া,

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, কথাখিনি আচলতে এই দুয়োটা এমেণ্ডমেন্টৰ মাজতে এটা ৰিলেশ্যন আছে। ইয়াত যিহেতু আমি বিচাৰো borrowing কৰা হ'ব capital expenditure ত খৰচ কৰিলে আমাৰ অলপ infrastructure development ৰাস্তাঘাট আদিৰ কামবিলাক হ'ব। কিন্তু এইটো যদি কণ্ডিশ্যন ৰখা হয় যে দৰকাৰ হ'লে capital expenditure ত খৰচ কৰিম। নহলে ৰেভিনিউত কৰিব পৰা যাব। তেনেহ'লে আমি ঋণ লৈ ৰেভিনিউত কিয় খৰচ কৰো expenditure ত । এইটো আমাৰ ৰাজ্যখনৰ কাৰণে এটা ভয়াবহ কথা হৈ যাব। কেৱল যদি capital expenditure ত খৰচ কৰা হয়, তেনেহলে

৩২ শতাংশ ললে আমাৰো আপত্তি নাই।

**মাননীয় উপাধ্যক্ষ** -ঃ আপুনি উইড্ৰ কৰিবনে ?

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ- আমি উইড্ৰ কৰি লম। কিন্তু ৰেভিনিউত খৰচ কৰিব নোৱাৰিব।

**শ্ৰী মতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোকে চাওঁক মই বাৰম্বাৰ কৈ আছো, উপাধ্যক্ষ মহোদয়, মই কৈ আছো যে আপোনালোকে দেখিছে আমাৰ capital expenditure ক্ৰমান্বয়ে বাঢ়িছে. আপোনালোকে নিজেই দেখিছে, আৰু capital expenditure বঢ়া মানে কি ? capital expenditure মানে কি বুজায় ? উন্নয়ন বা ডেভেলপমেন্টেই বুজায়। সেই কাৰণে আমি বাৰম্বাৰ কৈছো যে capital expenditure বঢ়া মানে, ৰেভিনিউ বিলাক বঢ়াৰ লগে লগে কি হ'ব। আমাৰ ৰাজ্যখনৰ উন্নয়ন হ'ব। আজি এমপ্লয়মেন্ট জেনেৰেশ্যন হ'ব। উন্নয়ন হ'ব।

**মাননীয় উপাধ্যক্ষ** -ঃ মই এতিয়া সংশোধনী ৩টা সদনত দাঙি ধৰিলো। In the proposed sub clause(vii) of sub clause (ii) of the proposed Bill, the figure "32 %'' appearing in line 2 shall be substituted by the figure "29.5%.'' In the proposed sub-clause (vii) of clause 2(ii) of the proposed Bill, the words "if required" and punctuation mark "," (comma) occuring in line 5 before and after the words."if required"shall be deleted and the word "only" shall be added after the last word "projects''.

In proposed sub-clause (vii) of Clause 2(ii) of the proposed Bill, the figure "32'' occuring in line 2 shall be substituted by the figure "30''.

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ- মহোদয়, আমি এমেণ্ডমেন্টটো নাই অনা আমি ওলাইছো। আমি সদন ত্যাগ কৰিছো, লোন লোৱাৰ ক্ষেত্ৰত বিৰোধিতা কৰি আমি সদন ত্যাগ কৰিছো। (লোন লোৱাৰ ক্ষেত্ৰত বিৰোধিতা কৰি বিৰোধী পক্ষৰ সদস্য সকলে সদন কক্ষ ত্যাগ কৰে)

**মাননীয় উপাধ্যক্ষ ঃ** যিকল মাননীয় সদস্য-সদস্যা সংশোধনী তিনিটাৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, সংশোধনী প্ৰস্তাৱটো তিনিটা নাকচ কৰা হ'ল। দফা নং ২ বিধেয়খনৰ অংশ হ'ব। যিকল মাননীয় সদস্য-সদস্যা সংশোধনী তিনিটাৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ২নং দফাটো বিধেয়খনৰ অংশ হ'ল। বিধেয়কখনৰ ১নং দফাত মাননীয় সদস্য শ্ৰী অখিল গগৈৰ নামত এটা সংশোধনী আছে। এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ, আপোনাৰ সংশোধনীটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয় ইতিমধ্যে আজি এই সম্পৰ্কে আলোচনা হৈছে. কিন্তু মোৰ ক'বলগীয়া কথাটো হ'ল যে FRBM Act ৰ যিখন ষ্টেটমেন্ট এইবাৰ ২০২২-২৩ ত দিছে, এই ষ্টেটমেন্টখনত ৩৭ নং পৃষ্ঠাত কৈয়ে থৈছে যে আপোনালোকে জি এল টি পিত

কিমান শতাংশ লোন ল'ব।

এনেক্সাৰ ১ ত পৃষ্ঠা নং ৩৭ নং ত বিত্ত মন্ত্ৰী মহোদয়াক মই এটেনশ্যন দিবৰ কাৰণে অনুৰোধ জনাইছো। তাত কৈছে দেশ আৰু জি এচ ডি পি ৰ অনুপাটো হ'ব ২০২০-২১ ত এই টো হৈছে ২২.১৩ শতাংশ ২১-২২ ত ২৬.৩৯ শতাংশ ২২-২৩ ত ২৫.৭৮ শতাংশ ২৩ -২৪ ত ২৫.২৮ শতাংশ , ২৪-২৫ ত ২৪.৮৩ শতাংশ ২৫-২৬ ত ২৪.৩৮ শতাংশ গতিকে ইয়াত গোটেই কথা খিনি কৈয়ে থৈছে। আপোনালোকে নিজেই তথ্য দিছে যে আপোনালোকে ২৫ ত কৈ ২৫.৩৪ শতাংশত কৈ বেছি জি এচ ডি পি ৰ লোন নলয়। যদি নলয়, য'ত আপোনালোকে ২৮.৫ শতাংশ ইতিমধ্যে অনুমতি দি থৈছে, তাৰ পাছত এই লোনৰ পৰিমান ৩২ শতাংশ কৰাৰ কি প্ৰয়োজন আছে? কি কাৰণে তেতিয়া হলে আমাক সদনক আপোনালোকে বিপথে পৰিচালনা কৰিছে। কাৰণ ইয়াটো কৈয়ে থৈছে আপোনালোকে নিজে সদনত দি থৈছে, ডি এচ ডি পি ৰ ২৫.৩৪ শতাংশ লৈকেহে আপোনালোকে লোন ল'ব লাগে। কিন্তু যদি আপোনালোকে ইয়াত সেইটোৰে কৈছে যদি এনেকুৰা হয় যে আচলতে আপোনালোকে এনেকুৰা ধৰণৰ Apprehension কৰিছে নেকি? এনেকুৰা সন্দেহ কৰিছে নেকি যে অহা সময়খিনিত আমাৰ ৰেভিনিউ ৰিচিভ একেবাৰে কমি যাব, সাংঘাটিক ধৰণে। এনেকুৰা ধৰণৰ কিবা ঘটনা ঘটিছে নেকি চেণ্ট্ৰেল ট্ৰেনস্ফাৰ, কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিব লগীয়া ধন একেবাৰে নাইকীয়া হৈ যাব, যি কাৰণে আপোনালোকে আজিৰ দিনটোত দেখুৱাইছে যে ২২ শতাংশ আমি ধাৰ লওঁ জি এচ ডি পি ৰ সেইটো কিয় ৩২ শতাংশ লৈ যাব লাগে? জি এচ ডি পি ৰ ১০ শতাংশ আৰু জি এচ ডি পি ও আপোনালোকে কাম দেখুৱা নাই জি এচ ডি পি দেখুৱাইছে, ৪,৮১, ৬৫৭ কোটি টকা । ৪,৮১, ৬৫৭ কোটি টকা আপোনালোকে দেখুৱাই ১০ শতাংশ আপোনালোকে লোন ল'বৰ কাৰণে জি এচ ডি পি ৰ পৰা এতিয়া ২২ শতাংশ । আপোনালোকে কৈছে যে ৩২ শতাংশ লাগে। তাৰমানে আপোনালোকে এইটো কথা ক'ব খুজিছে নেকি যে ৰেভিনিড আৰু বেছিকৈ নাহিব আৰু অসম চৰকাৰৰ । আপোনালোকে এইটো কথা ক'ব খুজিছে নেকি কেন্দ্ৰীয় চৰকাৰে আমাক ধন নিদিয়ে সাংঘাটিক ধৰণৰ কথা devastation হ'ব, যিটো কাৰণত আমি এনেকুৰা ধৰণৰ prevention আগতীয়াকৈ লৈ থব লাগিব। এই কথাটো আমাক আজি এই সদনত ক্লেৰিফাই কৰিব লাগে বুলি মই ভাবো। আমি দেখিছো যে হয়, যদিও বি জে পি চৰকাৰে কৈছে যে কেন্দ্ৰৰ পৰা বহুত বেছি ধন পাইছো। ইয়াত কি কৈছে - বিজেপি চৰকাৰে ইয়াত দেখুৱাইছে এইখনত স্পষ্টকৈ লিখি থোৱা আছে, ইয়াত কৈছে যে State own tax revenue এইটো অলপ বাঢ়িছে। আমাৰ নিজৰ tax টো অৰ্থাৎ জোৰ কৰি পইচা লৈছে। আজি পৰিবহন মন্ত্ৰী বহি আছে। তেখেত সকলে কিমান মানুহৰ পৰা পইচা লৈছে জানে? তাত ৮.৮৭ শতাংশ বাঢ়িছে। ১৪-১৫ ৰ পৰা ২০২০-২১ লৈকে কিন্তু অনাকৰ ৰাজহ কমিছে। নন টেক্স ৰেভিনিউ কমিছে। অৰ্থাৎ অইলৰ , আমাৰ যিবিলাক ৰয়েলিটি বা এনেকুৰা ধৰণৰ ক'লৰ ৰয়েলেটি সেইটো কমিছে। কিমান কমিছে আপোনালোকে চাব, ১৮-১৯ চনত ৮,২২১ কোটি টকা আছিল। সেইটো ২০২০-২১ চনত ২৯০০ কোটি টকালৈ হ্ৰাস পালে। অৰ্থাৎ আমাৰ ৰয়েলিটি কিমান কমিছে চাওঁক ৮০০০ কোটি টকাৰ পৰা ২০০০ কোটি টকালৈ হ্ৰাস পাইছে। এতিয়া কেন্দ্ৰীয় কৰৰ অংশ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা যিটো কৰ আহে সেইটোৰ অংশ লাহে লাহে কমি আহি আছে।

২০১৪-১৫ চনৰ পৰা ২০২০-২১ চনলৈকে। কিন্তু অনাকৰ ৰাজহ কমিছে, none tax ravenue কমিছে। অৰ্থাৎ অইলৰ আমাৰ যিবিলাক ৰয়েলিটি আমাৰ কমিছে। কিমান কমিছে

এইটো চাব ২০১৮-১৯ চনত ৮২২১ কোটি টকা আছিল। সেইটো একচুৰেল আৰু ২০২০-২১ চনত ২,৯০০ কোটি টকালৈ হ্রাস পালে। আমাৰ ৰয়েলিটি কিমান কমিছে চাওঁক। ৮০০০ কোটি টকাৰ পৰা ২০০০ কোটি টকা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি প্রস্তাৱটো উত্থাপন কৰক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** কেন্দ্রীয় কৰৰ অংশ কমিছে। কেন্দ্রীয় চৰকাৰৰ পৰা যিটো কৰ আহে সেইটোৰ অংশ লাহে লাহে কমি আহি আছে। আশ্চৰ্য্যজনক ভাৱে ২০১৮-১৯ চনত আমি ২৫, ২১৬ কোটি টকা পাইছিলো আৰু ২০২০-২১ চনত আমি ১৮, ৬২৯ কোটি টকা হে পাইছো। কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা যিটো টেক্স পাব লাগে সেইটো কমিছে। গতিকে এতিয়া প্রমাণ কৰিছে যে কেন্দ্রীয় চৰকাৰে আমাক ঠগিছে, কেন্দ্রীয় চৰকাৰে আমাক ধন কম দিছে। যিটো কাৰণত ৰাজ্য চৰকাৰ সাংঘাটিক ধৰণে বিপদত পৰিছে। যিটো কাৰণে লোন ল'ব লগীয়া হৈছে। বেছি পৰিমাণে,অস্বাভাৰিক ধৰণে লোন ল'ব লগীয়া হৈছে। গতিকে উপাধ্যক্ষ মহোদয়,মোৰ প্রস্তাৱটো হ'ল যে এতিয়া যিটো এমেণ্ডমেণ্ট আনিছে এই এমেণ্ডমেণ্টটো সম্পূর্ণ ৰূপে উঠাই ল'ব লাগে আৰু আমাৰ আগৰ ২৮.৫ শতাংশ জি এচ ডি পি ৰ যিটোত লোন লোৱাৰ ব্যৱস্থা আছে তাতকৈ এক পইচাও বাঢ়িব নালাগে। কাৰণ চৰকাৰৰ ডকুমেণ্টতে কৈছে যে ২৫.৩৪ শতাংশকৈ বেছি লোন লোৱাৰ কোনো প্রয়োজন নাই। গতিকে মই ভাৱো যে এই বিলখন সম্পূর্ণৰূপে নাকচ কৰিব লাগে। ধন্যবাদ।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই জোৰ কৈ টেক্স লোৱাৰ কথা কৈছে। এই কথাটো ক্লিয়াৰ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** Hon'ble Minister will give the reply.

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত বিভাগৰ মন্ত্রী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই পূৰণা কথা বিলাক দোঁহাৰিব খোজা নাছিলো। ২০০১ চনত ডেব ডি এচ পি ৰেচিঅ' কিমান আছিলে মই টো নক'লো। কিন্তু কংগ্রেছৰমেম্বাৰ সকলে ক'ব লাগিছিল। ২০০১ চনত ডি এচ পি ৰেচিঅ' ৩১ শতাংশ আছিল। ২০০২-০৩ চনত ডি এচ পি ৰেচিঅ' ২৯ শতাংশ, ২০০৩-০৪ চনত ৩০ শতাংশ, ২০০৪-০৫ চনত ৩০ শতাংশ, ২০০৫-০৬ চনত ৩০ শতাংশ আছিল। তাৰপিছত ২৯ শতাংশ, ২৭ শতাংশ, ২৫ শতাংশ আছিল।

.........................সদনত হুলস্থুল............

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি উত্তৰটো শুনক।

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত বিভাগৰ মন্ত্রী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এইটো কথা এইকাৰণেই ক'ব খোজা নাছিলো যে পুৰণা কথা বিলাকত বোকা চতিয়াব খোজা নাছিলো। গতিকে আমাৰ গোটেই ফিচকেল পজিশ্যনটো ২০১৬ চনৰ পৰা ভাললৈ আহিছে। ২০১৬-১৭, ২০১৮-১৯, ২০১৯-২০ চনলৈকে সম্পূর্ণ ধৰণে ফিচকেল পজিশ্যনটো ভাললৈ আহিছিল। কিন্তু ক'ভিডৰ কাৰণে এটা বছৰ কেৱল আমাৰ অসমতে নহয় গোটেই বিশ্বতে হৈছে মাননীয় উপাধ্যক্ষ মহোদয়। কিন্তু তথাপিও আমাৰ অসমত পজিটিভ গ্র'থ হৈছে আৰু দুটা দিন আপোনালোকে ৰৈ দিয়ক। কাইলৈ ৩১ তাৰিখটো যাবলৈ দিয়ক। আমি কিমান খৰচ কৰিব পাৰিছো ৰেভিনিউ কেপিটেল মই গোটেইখিনি দিম। ভাল খবৰ আহি আছে। যোৱা শতিকা-দশক জুৰি যিখিনি কাম কৰিব পৰা নাছিলো, আজি মই ফিগাৰটো আপোনালোকক নকওঁ। মই নিজে সদনত ক'ম যে কিমান টকা আমি খৰচ কৰিছো, কিহত খৰচ কৰিছো প্রত্যেকটো কথাৰেই তথ্য আমি আপোনালোকক দিম।

আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান বেছি পুঁজি পাইছো সেইটো কথা মই আপোনালোকক ক'ম মাননীয় উপাধ্যক্ষ মহোদয়। ইয়াৰ ওপৰত আমাৰ গোটেই ইক'নমিটো জড়িত হৈ আছে। মই এনেই অনা নাই। এইকাৰণে আনিছো যে ফিচকেল অফাৰটো ইয়াত ৰাখিছো। মইটো কেতিয়াও কোৱা নাই যে ইউটিলাইজ কৰিম কাৰণ কেন্দ্ৰীয় চৰকাৰে অকল আমাকেই নহয় গোটেই ভাৰতবৰ্ষৰ সকলো ৰাজ্যকেই এইখিনি অনুমোদন দিছে আৰু সেইটো দিছে জেট ডি এচ পি ৰেচিঅ'টোৰ ওপৰত। অসমত যেতিয়া আমাৰ ২৮.৫ শতাংশ admissibility limit আছিল আমি ২১ শতাংশ মাত্ৰ খৰচ কৰিছিলো। কিন্তু এতিয়া আমি এইকাৰণেই লৈছো যে কেন্দ্ৰীয় চৰকাৰে আমাকেই নহয়, প্ৰত্যেকখন ৰাজ্যকেই ফিচকেল পেৰামিটাৰ ৰোড মেপটোক অনুমোদন জনাইছে। হাউচত আমি সেইটো এপ্ৰোভ কৰি ল'ব লাগে। সেইকাৰণে আমি মাননীয় অধ্যক্ষ মহোদয়ৰ অনুমোদন ল'ব বিচাৰিছো আৰু এইটো আমি স্পষ্টভাৱে কৈছো যে কেপিটেল নেচাৰত খৰচ কৰিম। যোৱা সময়চোৱাৰ ভিতৰত ভাৰত চৰকাৰে আমাক বা ৰাজ্যবোৰক কৈছে যে কেপিটেল এক্সপেণ্ডিচাৰ বঢ়াব লাগে। সেয়েহে আমি কেপিটেল এক্সপেণ্ডিচাৰ বঢ়াই আছো। টেক্স ৰেভিনিউ কমা, নন টেক্স ৰেভিনিউ বাঢ়িছে আৰু মাজতে ভাৰত চৰকাৰে চাৰে সাত হাজাৰ কোটি টকা এৰিয়াৰ লাইবিলিটিজ হিচাবে পেমেণ্ট কৰিছে যিটো যোৱা পোন্ধৰ বছৰে আমাৰ পেণ্ডিং হৈ আছিল। যোৱা বছৰ ক'ভিডৰ সময়োচোৱাতকৈ এইবছৰ আমাৰ টেক্স ৰেভিনিউ বাঢ়িছে। তুলনামূলক ভাৱে ক'ব পাৰো যে আমাৰ নিজৰ ৰেভিনিউ চৰ্চ বাঢ়িছে। আমাক ভাৰত চৰকাৰে যিটো এপ্ৰোভ কৰি দিছিল সেই মতেহে আমি এইটো সংশোধন আনিছো। এইটো আমি ষ্ট্ৰিকলী কৈছো যে কেপিটেল নেচাৰত খৰচ কৰা হ'ব। সেই কাৰণে মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ পৰা যাতে এটা ভুল বাৰ্তা নাযায়। বিৰোধী পক্ষৰ সদস্য সকলে যিবোৰ কথা কৈ আছে সেইবোৰৰ পৰা লোন লোৱাৰ ক্ষেত্ৰত যাতে এটা ভুল বাৰ্তা দিবৰ বাবে চেষ্টা কৰি আছে আৰু আমি বাৰম্বাৰ কৈ আছো যে আমি কেপিটেল নেচাৰত এক্সপেণ্ডিচাৰ কৰিম যিয়ে অসমখনক আগু ৱাই লৈ যোৱাত সহায় কৰিব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মই এটা কথা ক'ব বিচাৰিছো যে পৃষ্ঠা নং ১৪ আৰু পৃষ্ঠা নং ১৯ ত লিখা আছে যে আমি কিয় ধাৰ লৈছো। তাত কৈছে যে চেণ্ট্ৰেল টেক্সৰ পৰিমাণ কমিছে আৰু এইখন আপোনালোকে নিজে লিখি দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি আপোনাৰ সংশোধনীটো উঠাই ল'ব নে নাই?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মই এইটো উঠাই নলওঁৱেই। তাতকৈ ডাঙৰ কথা যে .............

....................সদনত হুলস্থুল...........................

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে। মই এতিয়া

"The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2022" shall be withdrawn.

যিসকল মাননীয় সদস্য/সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়',
যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।
মই ভাৱো 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে,
সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল।
বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ
বিধেয়কখনৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

**এতিয়া কাৰ্য্যসূচী নং ৯ (গ)**

মাননীয় বিত্তমন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল "The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2022" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,

প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

**এতিয়া কাৰ্য্যসূচী নং ১০ (ক)**

মই মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক "The Assam Borstal Institution (Repealing) Bill, 2022" বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Borstal Institution (Repealing) Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল "The Assam Borstal Institution(Repealing) Bill, 2022" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল।

**এতিয়া কাৰ্য্যসূচী নং ১০ (খ)**

বিধেয়কখনৰ ২ নং দফাটো সংশোধনীৰ প্ৰস্তাৱ নাই,

এতিয়া মই বিধেয়ক খনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল -

২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,

বিধেয়ক খনৰ ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ

প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ

বিধেয়কখনৰ অংশ হ'ল।

**এতিয়া কাৰ্য্যসূচী নং ১০ (গ)**

বিধেয়কখনৰ ২ নং দফাটো সংশোধনীৰ প্ৰস্তাৱ নাই,

এতিয়া মই মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Borstal Institution (Repealing) Bill, 2022" পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল "The Assam Borstal Institution(Repealing) Bill, 2022" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,

প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১০ (গ), মাননীয় সমাজ কল্যাণ মন্ত্ৰী মহোদয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, সমাজ কল্যাণ বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Borstal Institution (Repealing) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই প্ৰস্তাৱটো অনুমোদৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল "The Assam Borstal Institution (Repealing) Bill, 2022" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল।

বিধেয়কখনো পাৰিত কৰা হ'ল।

**এতিয়া কাৰ্যসূচী নং ১১ (ক)** মাননীয় সমাজ কল্যাণ মন্ত্ৰী মহোদয়াক "The Assam Children (Repealing) Bill, 2022" বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, সমাজ কল্যাণ বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Children (Repealing) Bill, 2022" দফা দফা বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল "The Assam Children (Repealing) Bill, 2022" বিবেচনাৰ বাবে লওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

**এতিয়া কাৰ্যসূচী নং ১১ (খ)** বিধেয়কখনৰ ২ নং দফাটোত সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে  ২নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা সংশ্লিষ্ট নাম পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ১ নং দফা সংশ্লিষ্ট নাম পৰিসৰ আৰু আৰম্ভণত  সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১ নং দফা সংশ্লিষ্ট  নাম পৰিসৰ আৰু আৰম্ভণত বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা সংশিষ্ট নাম পৰিসৰ আৰু আৰম্ভণত বিধেয়কখনৰ অংশ হ'ল।

**এতিয়া কাৰ্যসূচী নং ১১ (গ)** মাননীয় সমাজ কল্যাণ মন্ত্ৰী মহোদয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, সমাজ কল্যাণ বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Children (Repealing) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই প্ৰস্তাৱটো অনুমোদৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল "The Assam Children (Repealing) Bill, 2022" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া সদন অহা ০১-০৪-২২ ৰাতিপূৱা ৯.০০ বজালৈ স্থগিত ৰখা হ'ল।